বিপ্লৱী শিল্পতত্বৰ আভাষ

তোষেশ্বৰ চেতিয়া

লোকায়ত প্ৰকাশন
গুৱাহাটী – ৭৮১০০৬

Biplabi Shilpatatwar Abhash : a collection of some articles composed by Prof. Tosheswar Chetia, and pub lished by LOKAYAT PRAKASHAN. Guwahati–6

প্ৰকাশক – চন্দ্ৰ শৰ্ম্মা
লোকায়ত প্ৰকাশন
হাতীগাওঁ পথ, দিছপুৰ
গুৱাহাটী-৬

প্ৰথম প্ৰকাশ : এপ্ৰিল ১৯৯৫

মূল্য — ৪০·০০ টকা

বেটুপাতৰ শিল্পী — মনোজ ৰয়

মুদ্ৰণত :
কামৰূপ মুদ্ৰণ
দিশপুৰ, গুৱাহাটী-৬
ফোন নং — ৫৬৬৩৮৮

।। বিপ্লৱী শিল্পতত্ত্বৰ আভাষ ।।

উছৰ্গা

মোৰ বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ উদ্‌গাতা
দেউতা ৺ শান্তিৰাম চেতিয়াৰ
পবিত্ৰ স্মৃতিত সশ্ৰদ্ধ
নিবেদন—

তোষেশ্বৰ চেতিয়া
ঘিলামৰা

॥ বিষয়সূচী ॥

১। মতাদৰ্শগত সংগ্ৰাম / ৯
২। প্লেখানভৰ দৃষ্টিত কলা আৰু সাহিত্য / ২০
৩। সাহিত্য শিল্পত মাৰ্ক্সীয় দৃষ্টিভঙ্গী আৰু সমাজতান্ত্ৰিক বাস্তৱবাদ / ৩০
৪। লেনিন আৰু শিল্প সাহিত্যৰ সমস্যা / ৫৩
৫। লেনিনৰ শিল্প সাহিত্য দৰ্শনৰ ভিত্তি : এটি চমুটোকা / ৯৩
৬। কলা-শিল্পৰ সৃষ্টি প্ৰক্ৰিয়া আৰু ব্যৱসায়িকতা / ১০১
৭। বিপ্লৱী কবি নাট্যকাৰ বাৰ্টোল্ট ব্ৰেখ্‌ট / ১১০
৮। ক্ৰিষ্টফাৰ কডৱেল আৰু বুৰ্জোৱা অপসংস্কৃতি / ১২২
৯। প্ৰগতিশীল শিল্প সাহিত্যৰ সমস্যা / ১৩৭
১০। সমাজতান্ত্ৰিক সংগ্ৰামৰ মহাকাব্য গৰ্কীৰ ‘মা’ আৰু শ্ৰমিক শ্ৰেণীৰ মানৱতাবাদ / ১৪৫
১১। কলমৰ সৈনিক মুন্সী প্ৰেমচন্দ / ১৭১
১২। অসমীয়া সাহিত্যত প্ৰগতিশীল চিন্তা / ১৮৭

আগকথা

ভাৰতীয় সভ্যতা-সংস্কৃতিৰ ঐতিহ্য সৰ্ব্বগ্ৰাসী আধ্যাত্মবাদী চিন্তা-ৰেই আড়ম্ভ। বেদ-উপনিষদ-পুৰাণ-ভাগৱত-ৰামায়ণ-মহাভাৰত আদি মহাগ্ৰন্থবোৰো ভাৱবাদী আদৰ্শৰেই প্ৰতিভূ। দশাৱতাৰ সূত্ৰ, ৰাম-কৃষ্ণৰ ঈশ্বৰতত্ত্বৰ পৰা বুদ্ধ, শঙ্কৰ—মাধৱ—গান্ধীলৈকে সকলোৱেই ভগৱৎ চিন্তাৰেই ধাৰক-বাহক। আনকি ৰবীন্দ্ৰ নাথ, ভবানন্দ দত্ত-জ্যোতি প্ৰসাদো তেনে অদেহী ঐতিহ্যৰ পৰা সম্পূৰ্ণ মুক্ত হ'ব নোৱাৰিলে। ধৰ্ম-অৰ্থ—কাম-মোক্ষৰ দৰ্শনে ভাৰতীয় মানুহক ভগৱৎ প্ৰেমতেই ডুবাই ৰাখিলে। ইকালে চতুৰ্ব্বৰ্ণৰ বিভেদে ভাৰতীয় মানুহক কেৱল শ্ৰেণীগতভাবেই নহয় বৰ্ণগতভাবেও চিৰকাল যন্ত্ৰণা ভোগাই আহিছে। লগতে ভাগ্য পৰজন্মৰ বিশ্বাসেও ভাৰতীয় মানুহক বাস্তৱতাৰ পৰা অতি কৌশলেৰে আঁতৰাই ৰাখিছে। দেহ সলোৱা আৰু আত্মাৰ মুক্তিহে প্ৰকৃত লক্ষ্য, এই জগতখন মায়া-মৰিচিকা-অৰ্থহীন আৰু পৰমাত্মাৰ লগত মিলনহে আচল উদ্দেশ্য আদি দৰ্শনেৰে ভাৰতীয় ঐতিহ্যই মানুহক দেহ আৰু বস্তু জগতৰ চিন্তাৰ পৰা বিদূৰত ৰখাৰ ব্যৱস্থা কৰিছে। ফলত এক কঠোৰ ৰক্ষণশীলতাৰ মাজত ভাৰতীয় দৰ্শনে সাধাৰণ মানুহক বন্দী কৰি ৰাখি কোনো ধৰণৰ পৰিৱৰ্তনৰ চিন্তা কৰিবলৈ দিয়া নাই।

ৰজাৰ দেউল নভঙাৰ দৰ্শনে ভাৰতত ৰজা-সামন্তৰ শাসন শোষণ স্থায়ী কৰাত সহায় কৰি আহিছে আৰু কামতহে তোমাৰ অধিকাৰ ফলাফল ফলদাতা বিভুৰ হাতত বুলি নীতি-শিক্ষা দিও ভাৰতীয় দৰ্শনে শ্ৰমকাৰী মানুহক আতুৰা ভাবি আহিছে। ইকালে

মনুসংহিতাৰ মানৱ বিদ্বেষী নীতি আৰু কৌটিল্যৰ ভেদবাদী মন্ত্ৰ-পাই ভাৰতীয় মানুহক যুগে যুগে দমন-পীড়ণৰ বলি কৰি আহিছে আৰু নিজ দুৰ্দ্দশাৰ কথা চিন্তা কৰা আৰু তাৰ পৰা পৰিত্ৰাণ পাবাৰ কাৰ্য্যকৰী ব্যৱস্থাৰ পৰা তেওঁলোকক নিৰন্তৰ বঞ্চিত কৰি অহা হৈছে।

বিশ্বৰ কোনো দিশতেই নোহোৱা বৰ্ণভেদ ব্যৱস্থাৰ দ্বাৰা নিম্নবৰ্ণৰ লোকসকলক জন্তুবৎ জীৱন যাপন কৰিবলৈ বাধ্য কৰা হৈছে। আপোন জীৱন জীৱিকা, সমাজ জীৱন আৰু শিক্ষা-সংস্কৃতিৰ ক্ষেত্ৰ আদি সৰ্ব্বত্ৰতেই গৰিষ্ঠ সংখ্যক তলজাতৰ লোক চিৰকাল বঞ্চিতহৈ আহিছে। শূদ্ৰিয়ে বেদ পঢ়িব নেপায় বোলা বিশ্বাসক সৌ-সিদিনালৈকে বেদৰ বাণীৰ দৰে পালন কৰি অহা হৈছে। শূদ্ৰিয়ে জ্ঞান আৰু অস্ত্ৰ শিক্ষা ল'বলৈ গৈ একলব্য, কৰ্ণ, শম্বুক আদিৰ যি মৰণ দশা হ'ল সি ভাৰতীয় ইতিহাসৰ কলঙ্কিত অধ্যায়। পণ্ডিতে শিল্প-সাহিত্য আৰু সমাজ জীৱনৰ সম্পৰ্কে কিবা বিপ্লৱী কথা চিন্তা কৰা বা কাৰ্য্য হাতত লোৱা প্ৰায় পৰ্ব্বতত কাছ কনী বিচৰা ধৰণৰ কথা হৈ থাকিল।

এনে সৰ্বগ্ৰাসী অধ্যাত্মিকতাৰ মাজতো চাৰ্ব্বাক আদি দাৰ্শ-নিকসকলে আৰু লোকায়তীক চিন্তাবিদসকলে বস্তুবাদী চিন্তা কৰি-বলৈ লৈছিল যদিও ৰাজপৃষ্ঠপোষকাত বলীয়ান ধৰ্ম্মীয় শক্তিৰ দ্বাৰা তেওঁলোকক নস্যাৎ কৰি দিয়া হৈছিল। ফলত লোকায়ত দৰ্শন আজি কেৱল অধ্যয়ন-গৱেষণাৰ বিষয় হৈহে থাকিল, সি কোনো প্ৰভাৱশীল ক্ৰিয়া ভাৰতীয় সমাজত কৰিব নোৱাৰিলে। বৰঞ্চ তেওঁলোকৰ বিৰুদ্ধে জঘনা অপবাদ প্ৰচাৰ কৰি জনমানসত তেওঁ-লোকক হেয় কৰিহে ৰাখিলে।

সমগ্ৰ প্ৰাচীন আৰু মধ্যযুগৰ ভাৰতীয় সামন্তীয় সভ্যতা-সংস্কৃ-তিৰ কথা বাদেই, আনকি ইংৰাজসকলেও ভাৰতলৈ আহি বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ কোনো পুঁজিবাদী বিবৰ্ত্তন সাধন নকৰি নিজ গাদী

ৰক্ষাৰ সংকীৰ্ণ স্বাৰ্থত সিহঁতে ভাৰতীয় জমিদাৰ, সামন্ত প্ৰভু আৰু ধৰ্মীয় শক্তিৰ লগত আপোচহে কৰিলে। ফলত পশ্চিম ইউৰোপৰ দেশবোৰৰ দৰে শিল্প বিপ্লৱ সংঘটন নহৈ প্ৰাচীন জনজাতীয় ভগ্নাৱশেষৰ লগত দুৰ্বল সামন্তবাদে-সামান্য বিকশিত পুঁজিবাদৰ লগত হাতত ধৰাধৰিকৈ এক খিচিৰি সমাজ-সংস্কৃতি আৰু পশ্চাৎপদী ঐতিহ্যহে ভাৰতত এতিয়াও বৰ্ত্তি থাকিল। তাৰ মাজতেই বিদেশী সাম্ৰাজ্যবাদৰ বিৰুদ্ধে পাশ্চাত্যৰ যি বস্তুবাদী আৰু বিপ্লৱী ধ্যান-ধাৰণাৰ প্ৰভাৱ ভাৰতত পৰিছিল সিও মুখ্যস্থানলৈ আহিব নোৱাৰিলে। কাৰণ গান্ধীৰ অহিংস সংগ্ৰামৰ নামত আধ্যাত্মবাদী দৰ্শনেই ভাৰতৰ স্বাধীনতা সংগ্ৰামত সম্পূৰ্ণ নেতৃত্ব দখল কৰি লৈছিল।

অৰ্থাৎ ভাৰতীয় সভ্যতা সংস্কৃতিৰ ইতিহাস সম্পূৰ্ণ ভাববাদী, সংগ্ৰাম বিমুখী, আপোচকামী আৰু ৰাজপদলেহনকাৰী। ইয়াত বাস্তৱবাদী, গণমুখী, বিবৰ্ত্তনকামী আৰু সংগঠিত ভাবে বিদ্ৰোহী বা বিপ্লৱী উপাদান অতি তাকৰ। মাজে মাজে চেগাচোৰোগাকৈ তেনে বিদ্ৰোহী ঘটনা ঘটিলেও সিও এপাচি কচুত এটা জালুকৰ দৰেহে।

তাৰ বিপৰীতে পাশ্চাত্য জগতত হাজাৰ হাজাৰ বছৰীয়া বস্তুবাদী আৰু বিদ্ৰোহী ঐতিহ্য আছে। প্ৰাচীন কালৰ দাসনেতা স্পাৰ্টাকাছৰ বিদ্ৰোহ আৰু এ'পকিউৰিয়াছহেডন আদিৰ বস্তুবাদী দৰ্শন, চক্ৰেটিছৰ জ্ঞান বিতৰণ আৰু যীশুখৃষ্টৰ দাস মুক্তিৰ জেহাদৰ বাবে আত্মবলিদান আদি পশ্চিমীয়া ইতিহাসৰ উন্নত অৱদান। পাইগোৰাছৰ সমৰাস্ত্ৰ নিৰ্ম্মান, কোপাৰণিকাছৰ সৌৰজগতৰ পৰিক্ৰমাৰ সত্য উদ্ঘাটন, লিওনাৰ্ডোৰ বৈজ্ঞানিক আৱিষ্কাৰ, গেলিলিওৰ কোপাৰ্নিকাছৰ সূত্ৰৰ বাস্তৱীকৰণ আৰু ৰেনেঁচা যুগৰ সবল মানৱীয় আৰু চেকুলাৰ প্ৰমূল্যৰ প্ৰতিষ্ঠা আদি পাশ্চাত্যৰ বিপ্লৱী ঐতিহ্যৰ অন্য এটা চাপ। ৰুচো, ভল্টেয়াৰ আৰু মণ্টেস্কোৰ বিপ্লৱী দৰ্শনেৰে উদ্বুদ্ধ হোৱা বিশ্বৰ প্ৰথম গণতান্ত্ৰিক বিপ্লৱ ফৰাচী বিপ্লৱ, অভূতপূৰ্ব্ব আৱিষ্কাৰ আৰু বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ দ্বাৰা ইংলেণ্ড, ফ্ৰান্স,

জাৰ্ম্মান, ইটালি আদিত শিল্প বিপ্লবৰ সংঘটন আৰু হেগেল-ফায়াৰবাখ-ৰিকাৰ্ডো-মৰগান, ডাৰউইন আদিৰ দৰ্শনেৰে মাৰ্ক্স এঙ্গেলছৰ ঐতিহাসিক সমাজতান্ত্ৰিক দৰ্শন সৃষ্টি ইউৰোপীয় সংগ্ৰামী ঐতিহ্যৰ উজ্জ্বল স্তম্ভত পৰিণত হ'ল। পৰিশেষত মাৰ্ক্সবাদৰ সূৰ্য্যসম আলোকেৰে মহামতি লেনিনৰ নেতৃত্বত ১৯১৭ চনৰ অক্টোবৰ/নৱেম্বৰ বিপ্লৱেৰে ছোভিয়েট ৰাচিয়াত সমাজতান্ত্ৰিক সমাজ প্ৰতিষ্ঠা কৰি দুনিয়াৰ সৰ্ব্বপ্ৰথম শ্ৰমিক শ্ৰেণীৰ ৰাষ্ট্ৰ গঠন কৰাটো ইতিহাসৰ নাভূত-নাশ্ৰুত কথা। পৰবৰ্ত্তীকালত চীন-পূবইউৰোপকে ধৰি এচিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ বহুতো দেশকে ধৰি বিশ্বৰ এক তৃতীয়াংশ ঠাইত সমাজতান্ত্ৰিক সমাজ প্ৰতিষ্ঠা হৈছিল।

ছোভিয়েটত বিপ্লৱৰ পৰিৱেশ সৃষ্টি কৰিবলৈ বিপ্লবী শিল্পী সাহিত্যিক আৰু বুদ্ধিজীবি সকলেও সমান্তৰাল ভাৱে মতাদৰ্শগত সংগ্ৰাম কৰিছিল। মাৰ্ক্স এঙ্গেলছ লেনিনেই তেনে বিপ্লবী শিল্পৰ সৃষ্টিৰ পথপ্ৰদৰ্শন কৰি বাট কাটি আঁৰিয়া ডাঙি ধৰিছিল। এনে বিপ্লবী কামকাজৰ প্ৰতিফলন ৰূপে পশ্চিমীয়া সাহিত্যিক সকলৰ দ্বাৰা প্ৰতিষ্ঠ কৰা বাস্তৱবাদী আৰু সমালোচনাত্মক শিল্পধাৰাৰ অধিক বিকাশ ঘটাই কেৱল বুৰ্জোৱা সমাজক সমালোচনা কৰাই নহয়, কেনে জনবিৰোধী সমাজ ভাঙি সমাজবাদী সমাজ পতাৰ শৈল্পীক ইংগিত বহন কৰা সমাজতান্ত্ৰিক বাস্তৱবাদৰ (Socialistic Realism) নৱা শিল্পসূত্ৰও আৱিস্কাৰ কৰিলে। মেক্সিম গৰ্কী ইয়াৰ প্ৰধান উদগাতা। মায়াক'ভস্কী, অস্ত্ৰছভস্কী চলোকভ আদিয়ে সৃজনীশীল শিল্পত আৰু প্লেখানভ লুনাচাস্কী আদিয়ে তাত্বিক মূল্যায়ণৰ ক্ষেত্ৰত মূল্যবান অৱদান যোগালে। ফলত বিপ্লবী কৰ্ম্মকাণ্ডৰ মতাদৰ্শগত আহিলা ৰূপে সমাজতান্ত্ৰিক বাস্তৱবাদ আজিৰ বিশ্বৰ অপৰিহাৰ্য্য শিল্পতত্ত্ব সাৰ্ব্বজনীন ভাৱে স্বীকৃত হৈছে।

পিচে অন্যান্য সামাজিক ৰাজনৈতিক ত্ৰুটি, সাম্ৰাজ্যবাদীৰ নিৰবিচ্ছিন্ন চক্ৰান্ত আৰু বিশুদ্ধ বিপ্লবী মতাদৰ্শগত সংগ্ৰামৰ অভাৱত

ছোভিয়েট আৰু পূব ইউৰোপীয় দেশবোৰত সমাজতন্ত্ৰ পৰ্য্যদস্ত হোৱাৰ লগে লগেই আজি সমগ্ৰ বিশ্বজুৰি মাৰ্ক্সবাদ অসম্পূৰ্ণ আৰু সমাজতন্ত্ৰ অপ্ৰাসঙ্গিক বুলি সাংঘাতিক অপপ্ৰচাৰ চলিছে। ভাৰতবৰ্ষ তথা অসমতো এনে অপপ্ৰচাৰত বুৰ্জোৱাসকল পিচপৰি থকা নাই। আনকি অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণতো বিশ্বত সমাজতান্ত্ৰিক ধাৰাৰ সাহিত্য অপ্ৰাসঙ্গিক হৈ পৰিছে আৰু জাতীয়তা-বাদী সাহিত্যৰ প্ৰাসঙ্গিকতাহে উজ্বল হৈ পৰিছে ধৰণৰ উদ্ভট, উন্নাসিক অসত্য প্ৰচাৰ কৰিছে। গতিকে বুৰ্জোৱাৰ এনে কুৎসাৰটনাৰ বিৰুদ্ধে আমি প্ৰগতিশীলসকল নিশ্চয় সচেতন, সক্ৰিয় আৰু সবৰ হ'ব লগা হৈছে। কাৰণ এনে সবল অপপ্ৰচাৰত বহুলোক বিপথ-গামী হোৱা আৰু হতাশা–নিৰাশাত ভাগি পৰাও দেখা গৈছে।

অৱশ্যে সচেতন আৰু সবল প্ৰগতিশীল সকলৰ নিশ্চয় মন ভাগি পৰা নাই। কাৰণ ছোভিয়েট আৰু পূব ইউৰোপৰ কমিউনিষ্ট শাসক দলবোৰে ভুল কৰিলেই মাৰ্ক্সবাদৰ প্ৰাসঙ্গিকতা নোহোৱা হৈ নেযায়। কোটি কোটি লাঞ্ছিত-বঞ্চিত-শোষিত-নিপীড়িত মানুহৰ মুক্তিৰ বাবে অদ্যাপিও মাৰ্ক্সবাদেই একমাত্ৰ বাস্তবদৰ্শন। তাতোকৈ শ্ৰেষ্ঠ বাস্তৱ দৰ্শন বৃহত্তম শ্ৰমজীবি মানুহৰ স্বাৰ্থত অদ্যাপিও ওলোৱা নাই। এনে অৰ্থতেই অক্সফোৰ্ডৰ প্ৰফেছাৰ ক্ৰিষ্টফাৰ হিলে মন্তব্য কৰিছে—

"So long as there are problems in the world for which the experience of that revolution (Soviet) offers a hope of solution."

(বিশ্বত যেতিয়ালৈকে সমস্যা থাকিব তেতিয়ালৈকে ছোভিয়েট বিপ্লৱৰ অভিজ্ঞতাই সমস্যা সমাধানৰ আশা আগবঢ়াব)। কাৰণ প্ৰফেছাৰ হিলৰ মতে—

"Soviet experience in the bringing of modern civilization to backward peoples, and especially the

development of the Soviet system and collective farms as means of self government for agrarian peoples— this is bound to have enormous influence in Eastern Europe, Asia and perhaps ultimately in Africa and South Africa."

(পিছপৰা দেশৰ মানুহৰ মাজলৈ সমবায় পামবোৰক কৃষিজীবি মানুহৰ আত্মশাসনৰ উপায়ৰূপে ছোভিয়েট পদ্ধতিয়ে নতুন অভিজ্ঞতাৰে আধুনিক সভ্যতাক লৈ যোৱাত সফল হৈছে। ইয়াৰ অসীম প্ৰভাৱ পূব ইউৰোপ, এচিয়া আৰু সম্ভৱতঃ পৰিশেষত আফ্ৰিকা আৰু দক্ষিণ আফ্ৰিকাতো নিশ্চয় পৰিব)। ক্ৰিষ্টফাৰ হিলে আৰু কৈছে—

"The U. S. S. R. has demonstrated in practic that socialism is a system which can work even under the most un compromising condition .... The achievement of rational planning, full employment and universal economic security in the U S. S. R. has already set standards of which the rest of the world is having to take account—' (Lenin and the Russian Revolution)

(ছোভিয়েট প্ৰজাতন্ত্ৰই ইতিমধ্যেই বাস্তৱত প্ৰদৰ্শন কৰিলে যে সমাজতন্ত্ৰ এটা পদ্ধতি যি আনকি সবাতোকৈ প্ৰতিকূল পৰিস্থিতিতো সফলভাবে কাম কৰিব পাৰে। ··· ·· যুক্তিসঙ্গত পৰিকল্পনাৰ সফলতা, পূৰ্ণ কৰ্ম্ম সংস্থান দান আৰু সাৰ্ব্বজনীন আৰ্থিক নিৰাপত্তা দানে ছোভিয়েটত ইতিমধ্যে এটা উচ্চ মানদণ্ডৰ সৃষ্টি কৰি দিলে যিটো পৃথিবীৰ বাকী সমাজে গুৰুত্ব সহকাৰে ল'বলৈ বাধ্য— "লেনিন আৰু ৰুচবিপ্লৱ" গ্ৰন্থৰ পৰা)।

অথচ সমাজতন্ত্ৰ ভাগি পৰাৰ লগে লগেই ছোভিয়েট আদি প্ৰাক্তন কমিউনিষ্ট দেশবোৰত আজি যি অভাৱনীয় স্খলন, অবৰ্ণনীয় দুৰ্দ্দশা

আৰু অকথনীয় পতন আৰম্ভ হ'ল যাৰ বাবে মানুহ পুনৰ আজি সমাজতান্ত্রিক আদর্শত মাৰ বান্ধি থিয় হ'বলৈ বাধ্য হৈছে। সিয়েই মাৰ্ক্স-বাদৰ প্ৰাসঙ্গিকতা আৰু অপৰিহাৰ্য্যতাৰ প্ৰমাণ নিশ্চিত ভাবেই কৰে।

সমাজ-সংস্কৃতিৰ এনে পশ্চাৎপদী পটভূমিকাত এক বিপ্লবী পৰিস্থিতি সৃষ্টি কৰিবলৈ অসমতো বিপ্লবী শিল্পতত্ত্বৰ প্ৰচাৰ আৰু জনপ্ৰিয় কৰাৰ অতি প্ৰয়োজন হৈছে। অসমত প্ৰগতিশীল শিল্প-সাহিত্যৰ চিন্তা-চৰ্চ্চা হৈছে যদিও সি ধাৰাবাহিক আৰু প্ৰত্যয়পূৰ্ণ হ'ব পৰা নাই। "নতুন পৃথিবী" নামৰ গুৰু গম্ভীৰ আলোচনী-খনৰ বাহিৰে বিপ্লবী শিল্প সাহিত্য চৰ্চ্চা কৰাৰ মাধ্যম অন্য নায়ো। আধুনাকালত উক্ত আলোচনীখন বন্ধ হোৱাত এনে আদৰ্শগত চিন্তা চৰ্চ্চাৰ মাধ্যমেই নোহোৱা হ'ল। গতিকে মাৰ্ক্স-এঙ্গেলছ-লেনিন প্ৰদৰ্শিত, প্লেখানভ-লুনাৰ্চাস্কীৰ দ্বাৰা আলোচিত আৰু গৰ্কী-ব্ৰেখট কডৱেল প্ৰেমচন্দ আদিৰ আদৰ্শৰ দ্বাৰা কলাৰোপিত বিপ্লবী সাহিত্য-শিল্প সংস্কৃতিৰ তত্ত্বালোচনা সম্বলিত এক ডজন প্ৰবন্ধ সংকলন কৰি বিপ্লবী শিল্পতত্ত্বৰ সাধাৰণ আভাষ এই পুথিৰ দ্বাৰা দিবলৈ চেষ্টা কৰা হৈছে। ৰুচদেশেই যেহেতু সমাজতান্ত্রিক বিপ্লৱৰ প্ৰথম গৰ্ভ-ধাৰিনী মাতৃ সেয়ে ৰুচ-জাৰ্মান দেশৰ প্ৰাসঙ্গিক আলোচনা অধ্যয়ণ আৰু গবেষণাৰ মুখ্যতঃ সহায় লোৱা হৈছে। অৱশ্যে ৰুচ মডেল বুলি কোনো কথা ক'ব খোজা নাই। এই ধৰণৰ অসমত এয়া নতুন প্ৰচেষ্টা হোৱা বাবে কিছু অপূৰ্ণতা থাকি গৈছে। লেখক নিজ সীমাবদ্ধতাৰ প্ৰতি সচেতন। তথাপি এই দিশত কিছু নতুন আলোকপাত হৈছে বুলি আশা ৰাখিছোঁ।

পুথিখন প্ৰকাশ পোৱাৰ সমুদায় কৃতিত্ব লোকায়ত প্ৰকাশনৰ ভাতৃ প্ৰতীম চন্দ্ৰনীল শৰ্ম্মা, চন্দন ভাগৱতী আৰু চেনেহৰ কবি সাহিত্যিক ইছ-মাইল হোছেইনৰেই প্ৰাপ্য। তিনিওজনলৈকে আন্তৰিক ধন্যবাদ থাকিল।

শ্ৰীতোযেশ্বৰ চেতিয়া
থিলামৰা, মাৰ্চ্চ/১৯৯৪ চন।

মতাদৰ্শগত সংগ্ৰাম

"Communists are made of different stuff" (কমিউনিষ্টসকল বেলেগ ধাতুৰে গঢ়িত)—ষ্টেলিনৰ এই উক্তিফাঁকিৰ অপব্যাখ্যা কেৱল বুৰ্জোৱাই নকৰে ; আমাৰ অপৈনত প্ৰগতিবাদী অনেকেও ইয়াৰ যান্ত্ৰিক ব্যাখ্যা কৰে। ফলত এনে এক ধাৰণাৰ সৃষ্টি কৰা হয় যেন কমিউনিষ্টসকল নীৰস, যান্ত্ৰিক আৰু অনুভূতি-হীন। তেওঁলোকৰ জীৱন যেন ফৰ্মুলাভিত্তিক। তেওঁলোকৰ ধ্যান-ধাৰণা, শিল্প-সাহিত্য চিন্তাৰ আদৰ্শ উকা আৰু উৎকট প্ৰচাৰ আৰু উন্নাসিক শ্লোগানবোহে যেন মাধ্যম। বহুতো প্ৰগতিশীল ব্যক্তিক দেখা যায় যে কোনো শিল্প-সাহিত্যত বুৰ্জোৱাৰ ধ্যান-ধাৰণাৰ গোন্ধ পালেই সাপ দেখা মানুহৰ দৰে সাতজাঁপ মাৰে। এনে বিপ্লৱীও আছে যি সাহিত্য-শিল্পত প্ৰেমৰ গোন্ধ পালেই বমি ভাব দেখুৱায়। আকৌ এনে এবিধ কমিউনিষ্ট দেখা যায় যিসকলে ভাবে বা প্ৰকাশ কৰে যে প্ৰথমে আৰ্থ-সামাজিক বিপ্লৱ হৈ যাওক আৰু তাৰপিচতহে শিল্প সাহিত্যৰ কথা ভবা হ'ব। তেনে বিপ্লৱীৰ বাবে পাৰ্টিৰ মুখপত্ৰ আৰু তেনে জাতীয় দুই চাৰিখন পুস্তক পঢ়াটোৱেই মানসিক পুষ্টিসাধনৰ শেষসীমা।

অৰ্থনীতি হৈছে সমাজৰ মূলভেটি, ৰাজনীতি হৈছে অৰ্থনীতিৰ গাঢ় প্ৰতিফলন আৰু সাহিত্য-কলা-সংস্কৃতি হ'ল সমাজৰ আৰ্থ-ৰাজনীতিৰ মতাদৰ্শগত প্ৰতিফলন। এতিয়া আলোচনা কৰা যাওক যে সমাজৰ আৰ্থ-ৰাজনৈতিক পৰিবৰ্ত্তন সাধন—আন কথাত বিপ্লৱ সংঘটনৰ বাবে মতাদৰ্শগত সংগ্ৰাম, অৰ্থাৎ শিল্প-সংস্কৃতিৰ সংগ্ৰামৰ প্ৰয়োজন কিমানখিনি। এই তথ্যও আমি জানো যে সমাজৰ

মূলভেটি অৰ্থনীতিয়ে যেনেকৈ শিল্প-সাহিত্য-সংস্কৃতি আদি উপৰি-সৌধক নিয়ন্ত্ৰণ কৰে ঠিক তেনেকৈ উপৰিসৌধবোৰেও মূলসৌধ অৰ্থনীতিৰ ওপৰতো পাৰস্পৰিক ক্ৰিয়া-প্ৰক্ৰিয়া কৰে।

মাৰ্ক্স লেখিছে—"The ideas of the ruling class are in every epoch the ruling ideas" (প্ৰত্যেক যুগতে শাসক শ্ৰেণীৰ ধ্যান-ধাৰণাবোৰেই মুখ্য ধ্যান-ধাৰণা)। অধিক ব্যাখ্যা কৰি মাৰ্ক্স আৰু লেখিছে-"The individuals compasing the ruling class possess among other things consciousness, and therefore think. Insofar, therefore, as they rule as a class and determine the extent and compass of the epoch. It is self-evident that they do this in its whole range, hence among other things rule also thinkers, as producers of ideas, and regulate the production and distribution of the ideas of their age; thus their ideas are the ruling ideas of the epoch" (শাসক শ্ৰেণীৰ ব্যক্তিসকল সচেতন। শাসক হিচাপে তেওঁলোকেই সেইযুগৰ দিশ নিৰ্ণয় কৰে। সেয়ে অন্যান্য উপাদানৰ লগতে তেওঁলোকে চিন্তা আৰু ধ্যান-ধাৰণাৰ স্ৰষ্টা হিচাপে যুগৰ ধ্যান-ধাৰণা সমূহৰ উৎপাদন আৰু বিতৰণো নিৰ্দ্ধাৰণ কৰে। এনেকৈয়ে তেওঁলোকৰ ধ্যান ধাৰণাবোৰ যুগৰ মুখ্য ধ্যান-ধাৰণাত পৰিণত হয়"-ভাবানুবাদ)।

গতিকে সমাজব্যৱস্থাৰ সকলো স্তৰতেই শাসন শোষণৰ স্বাৰ্থ জড়িত ক্ৰিয়াকাণ্ডবোৰ চলি থাকে বাবেই আৰ্থ-সামাজিক সংগ্ৰামৰ লগতে শিল্প-সংস্কৃতি আদি মতাদৰ্শগত দিশতো সমাজবাদভাৱে সংগ্ৰাম চলাই যাব লাগিব।

পাটি সাহিত্যৰ সম্পৰ্কত লেনিনে লেখিছে,—"লেখক মহাশয়,

আপুনি বুৰ্জোৱা প্ৰকাশকৰ ওচৰত স্বাধীন নে? উপন্যাস, চিত্ৰ-কলা আদিত আপোনাৰ পৰা যৌন কুৰুচি, 'পবিত্ৰ' অভিনয়কলাৰ 'পৰিপূৰণ' হিচাপে বেশ্যাবৃত্তি বিচৰা বুৰ্জোৱা পাঠক সমাজৰ পৰা আপুনি স্বাধীন নে? এই পৰম স্বাধীনতা হ'ল বুৰ্জোৱা অথবা নৈৰাজ্যবাদীৰ কাক্কাআৰাজ (কিয়নো বিশ্ববীক্ষা হিচাবে নৈৰাজ্য-বাদ হ'ল ওলোটাই দিয়া নৈৰাজ্যবাদ)। সমাজত থাকি সমাজৰ পৰা স্বাধীন হোৱা নেযায়। বুৰ্জোৱা লেখক, শিল্পী-অভিনেত্ৰীৰ স্বাধীনতা হ'ল টকাৰ মোনা, ঘোচ, ৰক্ষিতা বৃত্তিৰ ছদ্মবেশী (নাইবা ভণ্ড ছদ্মবেশী) পৰাধীনতা"।

. "আৰু আমি সমাজতান্ত্ৰিকসকলে এই ভণ্ডামীৰ মুখা খুলোঁ। আৰু মিছা লেবেল ফালোঁ।—শ্ৰেণীহীন সাহিত্য আৰু শিল্প পোৱাৰ বাবে নহয় (সেইটো সম্ভৱ হ'ব কেৱল সমাজতান্ত্ৰিক শ্ৰেণীহীন সমাজতহে), ভণ্ড স্বাধীন আৰু আচলতে বুৰ্জোৱাৰ লগত জড়িত সাহিত্যৰ সৈতে খোলা খুলিভাৱে সৰ্বহাৰাৰ লগত জড়িত প্ৰকৃত স্বাধীন সাহিত্যৰ পাৰ্থক্য দেখুৱাবৰ বাবেহে"।

"সেয়েই হ'ব স্বাধীন সাহিত্য। কাৰণ সমাজতন্ত্ৰৰ ভাবাদৰ্শ আৰু মেহনতী জনগণৰ প্ৰতি সহানুভূতিৰ দ্বাৰা নতুন নতুন শক্তি টানি আনিব লাগিব। ....সেয়েই হ'ব স্বাধীন সাহিত্য.... যি সাহিত্যই সেৱা কৰিব লক্ষ নিযুত শ্ৰমজীৱি মানুহৰ—যিসকল হৈছে দেশৰ মুকুল, শক্তি আৰু ভৱিষ্যত। সেয়েই হ'ব মুক্ত সাহিত্য—যি সমাজ-তন্ত্ৰক সৰ্ব্বহাৰাৰ অভিজ্ঞতা আৰু জীৱন্ত কৰ্মৰ দ্বাৰা ফলবান কৰি তুলিব। মানৱ জাতিৰ বৈপ্লৱীক চিন্তাধাৰাৰ সৰ্ব্বশেষ বাণী আৰু অতীত অভিজ্ঞতা 'বৈজ্ঞানিক সমাজতন্ত্ৰ প্ৰাথমিক, স্বপ্নকল্পন-বাদী ৰূপৰ পৰা সমাজতন্ত্ৰৰ বিকাশ সম্পূৰ্ণ হৈছে) আৰু বৰ্ত্তমানৰ অভিজ্ঞতাৰ (কমৰেড শ্ৰমিক সকলৰ বৰ্ত্তমান সংগ্ৰাম) ৰ মাজেদি অবিৰাম পাৰস্পৰিক প্ৰতিক্ৰিয়া ঘটাব।"

মতাদৰ্শগত সংগ্ৰামৰ এই নতুন পৰ্যায়ত বুৰ্জোৱা, উচ্চ, বিশুদ্ধ

বা অপ-সংস্কৃতিৰ বিৰুদ্ধে গঢ়ি তুলিব লাগিব গণ-সংস্কৃতি বা জনগণতান্ত্ৰিক সংস্কৃতি। এই নতুন গণ-সংস্কৃতি হ'ব সাম্ৰাজ্যবাদ সামন্তবাদ আৰু পুঁজিবাদবিৰোধী। প্ৰাচীন সংস্কৃতিৰ বিকাশশীল ধাৰাটো বিশ্লেষণ কৰা, তাৰ সামন্তবাদী আবৰ্জনাবোৰ জাৰি জোকাৰি পেলোৱা আৰু তাৰ গণতান্ত্ৰিক সাৰবস্তুখিনি গ্ৰহণ কৰা,— এই গণ-সংস্কৃতিৰ কাম।" ইতিহাসক বিজ্ঞানৰূপে যথাযোগ্য স্থান দি ইতিহাসৰ দ্বান্দ্বিক বিকাশক শ্ৰদ্ধা কৰি আৰু বৰ্ত্তমানৰ আৰ্থ-সামাজিক ব্যৱস্থাৰ বাস্তৱ ৰূপৰ লগত সমন্বয় ঘটাব লাগিব।

এই নতুন গণতান্ত্ৰিক সংস্কৃতি জনসাধাৰণৰ সংস্কৃতি আৰু সেয়েই ই জনগণতান্ত্ৰিক। এই নয়া-সংস্কৃতিক আধুনিক পণ্য সংস্কৃতিৰ বিপৰীতে শতকৰা ৯০ জনতকৈ অধিক মেহনতী শ্ৰমজীৱি মানুহৰ সেৱাত লগাব লাগিব। ইয়াকে ক্ৰমান্বয়ে বৃহত্তৰ জনগণৰ আপোন সংস্কৃতিত পৰিণত কৰিব লাগিব।

"... বিপ্লৱী সংস্কৃতি ব্যাপক জনসাধাৰণৰ হাতত শক্তিশালী বিপ্লৱী হাতিয়াৰ। বিপ্লৱ আৰম্ভ হোৱাৰ আগতেই বিপ্লৱী সংস্কৃতিয়ে মতাদৰ্শৰ দিশৰ পৰা বিপ্লৱৰ পথ প্ৰস্তুত কৰে। বিপ্লৱৰ সময়ত এই বিপ্লৱী সংস্কৃতি সাধাৰণ বিপ্লৱী ফ্ৰণ্টৰ মাজত এক গুৰুত্বপূৰ্ণ আৰু অৱশ্যপ্ৰয়োজনীয় ফ্ৰণ্ট। বিপ্লৱী সাংস্কৃতিক কৰ্মীসকল হৈছে এই সাংস্কৃতিক ফ্ৰণ্টৰ বিভিন্ন স্তৰৰ সেনাধ্যক্ষ।" (মাও ছে টুং)।

"বিপ্লৱীতত্ত্বৰ বিনে বিপ্লৱী আন্দোলন সম্ভৱ নহয়" (লেনিন— 'কি কৰিব লাগিব')— কথাষাৰৰ পৰা বুজা যায় যে বাস্তৱতে বিপ্লৱী সাংস্কৃতিক আন্দোলন কিমান গুৰুত্বপূৰ্ণ। এই সাংস্কৃতিক আন্দোলন আৰু বাস্তৱ আন্দোলন উভয়েই জনসাধাৰণৰ আন্দোলন।.... ব্যাপক জনসাধাৰণেই এক সাংস্কৃতিক বাহিনী। যি বিপ্লৱী সাংস্কৃতিক কৰ্মী জনগণৰ ঘনিষ্ঠ বন্ধু নহয়, তেওঁ এজন সেনাবিহীন সেনাপতিৰ নিচিনা —যাৰ অস্ত্ৰবলে কেতিয়াও শত্ৰুক ধৰাশায়ী কৰিব নোৱাৰে ....।"

"নয়া গণতান্ত্রিক ৰাজনীতি, নয়া গণতান্ত্রিক অৰ্থনীতি আৰু নয়া গণতান্ত্রিক সংস্কৃতিৰ সমন্বয় সাধনেই হৈছে নয়া গণতান্ত্রিক প্রজাতন্ত্র" (জাতীয়, বিজ্ঞানসম্মত আৰু জনগণৰ সংস্কৃতি—মাও ছে টুং, জুলাই, ১৯৪০)।

কাৰ্ল মাৰ্ক্সেও আনকি বিপ্লৱী ধ্যান ধাৰণা আৰু বিপ্লৱী শ্ৰেণীৰ অবিচ্ছিন্ন সহাৱস্থানৰ কথা স্বীকাৰ কৰি গৈছে,—"The existence of revolutionary ideas in a particular period presupposes the existence of a revolutionary class" (কোনো এক যুগত থকা বিপ্লৱী চিন্তাধাৰাই সেই যুগত বিপ্লৱী শ্ৰেণী এটা থকাটোকেই সূচায়)।

বিপ্লৱী শিল্পী কবি পাবলো নেৰুডাই ছোভিয়েত ৰাচিয়াত অৰ্থনৈতিক আৰু সাংস্কৃতিক সমান্তৰাল পুনৰগঠনৰ কথা উল্লেখ কৰিছে,—"এবং পুচকিনেৰ কবিতাও আমি দেখেছি, দেখেছি মাথে প্রান্তৰে. দেখেছি বিচিত্র এবং বিশাল বৰ্ণালীৰমতো। এই ভাবে সোভিয়েট ইউনিয়ন ঠিক যেমন নাকি তাৰ শহৰ এবং কাৰখানা ও সম্মিলিত উন্নয়ন পুৰ্ণগঠিত কৰেছে ঠিক তেমনভাবেই পুনৰগঠিত কৰেছে তাৰ সৃজনশীল শিল্প সাহিত্যৰ প্রচেষ্টা ও বিকাশ এবং সেইসব শিল্প-সাহিত্য সামগ্রীকভাবে সৰ্বসাধাৰণেৰ আনন্দেৰ জন্য পৰিবেশীত ('জীৱনেৰ প্রতি আমাৰ কৰ্তব্য' বঙালী অনুবাদ—সন্দীপ সেনগুপ্ত)।

লেটিন আমেৰিকাৰ বুৰ্জোৱাৰ গাত চাবুক সানি নেৰুডাই লেখিছে,—"গৰ্কী, ৰোঁমা ৰোঁলা, এৰেণবুৰ্গ কিম্বা দ্রেজাৰেৰ নাম উচ্চাৰণ কৰিলে আমাদেৰ লেটিন আমেৰিকাৰ এইসব বেঁটে বামুণ পিগমীদেৰ মুখ লজ্জায় লাল হৈ উঠে। এই সব সংবেদনশীল আত্মা বালজাকৰ নাম উচ্চাৰণ কৰতে পাৰেনা ...... কাৰা বুদ্ধিজীবিদেৰ পক্ষাঘাতগ্রস্ত কৰে এই বিষাক্ত আবহাওয়ায় হামাগুড়ি খাও যাচ্ছে? যে যুগ একদা প্রকৃত চিন্তাশীলৰূপে চিহ্নিত তাকে আত্মহত্যাৰ পথ দেখাচ্ছে কাৰা? সেকি কেৱল 'ৰিডাৰ্ছ ডাইজেষ্ট' গোষ্ঠী? সেকি কেৱল

ষ্টেইনবেক এবং হেমিংয়েদেৰ পাপী নিশ্চ্ প্ৰভা ? আমাৰ শিৰ উপশিৰাই মৃতকেৰ ৰক্ত কতদূৰ পৰ্য্যন্ত সঞ্চালিব হবে" ?

"আমৰা আশা কৰি আমাদেৰ এই উপমহাদেশে নানা ধৰণেৰ সৃষ্টিশীল সাহিত্য-শিল্প তৈৰী হব। আমৰা নিশ্চয়েই আমেৰিকাৰ মাটিকে শক্তি, আনন্দ এবং যৌৱন প্ৰদান কৰবো যা ওদেৰ নাই ......।" (ঐ

সমাজৰ ঐতিহাসিক বিবৰ্ত্তনৰ পৰিপ্ৰেক্ষিতত সমাজবাদী সংস্কৃতি-সেৱীয়ে অগণন শ্ৰমজীৱি মানুহৰ ধ্যান-ধাৰণা, আশা-আকাঙ্খা, আৰু আন্দোলনৰ শৈল্পিক ৰূপ দিয়াৰ গুৰুত্ব অনস্বীকাৰ্য্য। গণশিল্পীৰ অৱদানৰ বিচাৰ-বিশ্লেষণ কৰোঁতে এই কথা লক্ষ্য কৰা অতীব প্ৰয়োজন। সমাজবাদী সমালোচক লুনাচাৰ্স্কিৰ মন্তব্য এইক্ষেত্ৰত প্ৰণিধানযোগ্য—

"Glorious is the writer who can express a complex and Valuable social idea with such powerful artistic simplicity that he reaches the hearts of millions. Glorious is also the writer who can reach the hearts of the millions with comparatively simple, elementary content ; and the Marxist critics should highly value such a writer" "(A Lunacharsky : On Leterature and Art—P—17)

(সমাজৰ জটিল অথচ মূল্যবান ধ্যান-ধাৰণাবোৰ শক্তিশালী কলাশৈলীৰে প্ৰকাশ কৰি যি লেখকে নিযুত মানুহৰ অন্তৰ স্পৰ্শ কৰিব পাৰে তেওঁহে মহান লেখক। তুলনামূলক সহজ সৰল আৰু মৌলিক বক্তব্যৰে নিযুতলোকৰ অন্তৰ জয় কৰিব পৰা লেখকজনহে সফল লেখক। মাৰ্ক্সবাদী সমালোচকেও তেনে লেখকক উচ্চ-মূল্যায়ন কৰিব লাগে—ভাবানুবাদ)।

শিল্প-সংস্কৃতি সমাজৰ সৃষ্টি। ইয়াক বাদ দি সভ্য সমাজ বাচি

নেথাকে। এই প্ৰসঙ্গত ক্ৰিষ্টফাৰ কডৱেলৰ বক্তব্য উল্লেখযোগ্য—

"Art is the product of society, as the pearl is the product of oyster, and to stand outside art is to stand outside society" (কলা-শিল্প হ'ল সমাজৰ সৃষ্টি যেনেকৈ মুক্তা হ'ল শংখৰ সৃষ্টি। শিল্প-কলাৰ বাহিৰত থকা মানে সমাজৰ বাহিৰত থকা (Caudwell : Illusion and Reality) সেয়ে সংস্কৃতিক অৰ্থনৈতিক উৎপাদন আৰু সামাজিক সংগঠনৰ পৰা পৃথকাই ৰাখিব নোৱাৰি। এতেকে সংস্কৃতি আৰু সমাজ অবিচ্ছেদ্য। কডৱেলে একেখন গ্ৰন্থতেই তেনে মন্তব্য কৰিছে—

"Culture cannot be separated from economic production or poetry from social organsation ....Poetry is a productive or economic activity of man. To separate it from this foundation makes its development impossible to understand" (সংস্কৃতিক অৰ্থনৈতিক উৎপাদন আৰু কাব্যক সামাজিক সংগঠনৰ পৰা পৃথক কৰিব নোৱাৰি। কাব্য হ'ল মানুহৰ উৎপাদন কৰ্ম বা আৰ্থিক সম্পৰ্কৰ কলাকৰ্ম। এই মূল ভিত্তিৰ পৰা কাব্যক বিচ্ছিন্ন কৰিলে ইয়াৰ বিকাশ বুজাতো অসম্ভব হ'ব (ঐ)।

ওপৰৰ চমু আলোচনাৰ পৰা কেইটামান কথা স্পষ্ট হয় যে (১) বিপ্লৱ আৰম্ভ হোৱাৰ আগতেই বিপ্লৱী সংস্কৃতিয়ে মতাদৰ্শৰ দিশৰ পৰা বিপ্লৱৰ পথ প্ৰস্তুত কৰে। ( ) বুৰ্জোৱা সমাজত থাকি বুৰ্জোৱা সমাজৰ পৰা স্বাধীন হোৱা নেযায়। (৩) শাসক শ্ৰেণীৰ ধ্যান ধাৰণাই এটা যুগৰ মুখ্য ধ্যান-ধাৰণাৰূপে পৰিগনিত হয়। (৪ সংস্কৃতি আৰু সমাজৰ সম্পৰ্ক অবিচ্ছেদ্য-ইত্যাদি।

দাস সমাজৰ পৰা সামন্তবাদ অৱধি পুঁজিবাদীযুগ পৰ্য্যন্ত শাসক শ্ৰেণীয়েই সংস্কৃতিৰ পুৰোহিতালী কৰি আহিছে। প্ৰকাৰান্তৰে তেওঁলোকৰ ধ্যান-ধাৰণাকেই সমাজৰ সামগ্ৰীক ধ্যান-ধাৰণা বুলি

প্ৰমাণ কৰাৰ ষড়যন্ত্ৰ কৰি আছিছে। বৃহত্তৰ শোষিত লাঞ্ছিত জনগণে উৎপাদন পদ্ধতিৰ বৈপ্লৱীক পৰিবৰ্ত্তনৰ লগেলগে শাসক শোষকৰ উচ্চ-বিশুদ্ধ সংস্কৃতিৰ (High culture) বিপৰীতে জনজীৱনৰ বলীষ্ঠ সৃষ্টিশীল ধাৰাটো লোকসংস্কৃতিৰ (Folk culture) সোঁতেৰে বিকশাই সমাজতান্ত্ৰিক আদৰ্শৰ আঁৰিয়া ধৰি জনগণৰ সংস্কৃতি (Peoples' culture) গঢ়াৰ মতাদৰ্শগত সংগ্ৰামো চলাই আহিছে। অৱশ্যে আজিৰ সস্তীয়া আৰু জনপ্ৰিয় বজৰুৱা পণ্য সংস্কৃতিয়ে (Mass culture) শ্ৰমজীবি মানুহৰ সুস্থবিকাশত সহায় নকৰি শিল্পবেপাৰী বুৰ্জোৱা শ্ৰেণীকহে সহায় কৰিছে।

গতিকে সামন্তবাদী সমাজব্যৱস্থাতেই তাৰ জীৱনমুখী, বিকাশ—শীল আৰু প্ৰগতিশীল ধাৰাটোৱেদি শ্ৰমকাৰী মানুহে বুৰ্জোৱা বিপ্লৱৰ পথ মতাদৰ্শৰ দিশৰ পৰা প্ৰস্তুত কৰি আহিছিল। তদনুৰূপ বুৰ্জোৱা সমাজতেই মতাদৰ্শৰ দিশৰ পৰা পৰিপাক যন্ত্ৰৰদ্বাৰা খাদ্যৰ সাৰভাগ গ্ৰহণ কৰি অসাৰ ভাগ ত্যাগ কৰাৰ দৰে সামন্তবাদী পুঁজিবাদী যুগৰ শিল্প সংস্কৃতিক জনস্বাৰ্থৰ কষটি শিলত পৰীক্ষা কৰি গ্ৰহণ বৰ্জনৰ দ্বাৰা জনগণতান্ত্ৰিক বিপ্লৱৰ বুনিয়াদো প্ৰস্তুত কৰি আহিছে। ছোভিয়েট ৰাচিয়াত পুস্কিন, গৰ্কী, টলষ্টয়, চীনত লু-চুন, ফ্ৰান্সত ৰোমা ৰোলা, বালজাক, ইংলেণ্ডত ডিকেন্সৰ পৰা শ'লৈকে লেখক বুদ্ধিজীৱিসকলে এই ক্ষেত্ৰত উল্লেখনীয় অৰিহনা যোগাইছিল।

ভাৰতবৰ্ষৰ সাম্ৰাজ্যবাদ অধ্যুষিত বৃহৎ-বুৰ্জোৱা-সামন্তৰ ৰাষ্ট্ৰ এখনত থাকি বুৰ্জোৱা উপাদানৰ গোন্ধ পালেই দূৰতে বিদূৰ হোৱাৰ প্ৰশ্নই নুঠে। বুৰ্জোৱা সমাজেই বিপ্লৱৰ যোগেদি সমাজ-তন্ত্ৰলৈ ৰূপান্তৰ হয়। বুৰ্জোৱাৰ গৰ্ভতেই (womb) সমাজতন্ত্ৰৰ জন্ম হয়। এনেক্ষেত্ৰত বুৰ্জোৱা সামন্তৰ সমাজখনৰ সকলো খুটি-নাতি জনা আৰু তাৰ সাৰভাগ গ্ৰহণ কৰি আৰু পঁচাভাগ বৰ্জন কৰা প্ৰক্ৰিয়াটো শিল্প সংস্কৃতিৰ প্ৰসঙ্গতো প্ৰযোজ্য। মাৰ্ক্স-এঙ্গেলছ লেনিন ষ্টেলিন মাও ছে টুঙলৈকে সমাজতন্ত্ৰৰ প্ৰবক্তাসকলেও মানবজাতিৰ

সমগ্ৰ ইতিহাসকেই অধ্যয়ন কৰিছিল। মাৰ্ক্স গোটে, লেছিং, দান্তে আৰু চেইক্সপিয়েৰ সম্পৰ্কে বিশদ অধ্যয়ন কৰিছিল। বিশ্ববিখ্যাত ধ্ৰুপদী গ্ৰন্থৰাজী অধ্যয়ন কৰি সমাজতন্ত্ৰৰ প্ৰবক্তাসকলে বিপ্লবী তত্ত্বৰ সম্যক বিশ্লেষণ কৰিব পাৰিছিল।

সমাজতন্ত্ৰৰ প্ৰবক্তা আৰু প্ৰতিষ্ঠাতাসকলে ইতিহাস আৰু আৰ্থ-সামাজিক ৰাজনৈতিক তত্ত্ব আওৰোৱাতেই সীমাবদ্ধ নাছিল। তেওঁলোকে সাংস্কৃতিক জাগৰণৰ বাবেও সক্ৰিয়ভাবে অহোপুৰুষাৰ্থ কৰিছিল। মাৰ্ক্স-এঙ্গেলছ-লেনিন-ষ্টেলিনৰ পৰা মাও ছে টুং, হো চি- মিন,চে-গুৱেভাৰালৈকে সকলোৱে কবিতা চৰ্চা আৰু কাব্যালোচনা কৰাৰ বাহিৰেও শিল্প-কলাৰ চৰ্চাৰ পথ প্ৰদৰ্শনাৰ নিদৰ্শনৰূপে সাহিত্য-সংস্কৃতি বিষয়ৰ বিশদ আৰু যুগমীয়া ৰচনাও লেখি গৈছে। তেওঁ-লোকৰ কবিতা আৰু সাহিত্যালোচনা নানা ভাষাত অনুদিতো হৈছে। কবি হিচাপে মাও-ছে-টুং আৰু হো-চি-মিনৰ সু-প্ৰসিদ্ধি আছে। মাৰ্ক্স-এঙ্গেলছৰ ছেগা-ছোৰোগা শিল্প সাহিত্যালোচনাৰ লগতে লেনিনৰ টলষ্টয়ৰ ওপৰত কৰা মূল্যায়ন আৰু পাৰ্টি সাহিত্য বিষয়ৰ প্ৰবন্ধ আৰু মাওৰ য়েনান ফোৰামৰ শিল্প-সাহিত্যালোচনা ইতিহাস প্ৰসিদ্ধ।

অসমৰ শিল্প সাহিত্যৰ ক্ষেত্ৰতো ইয়াৰ ব্যতিক্ৰম হোৱা নাই। আৰ্থ-ৰাজনৈতিক বিপ্লৱৰ বাবে প্ৰস্তুতি চলোৱাৰ লগে লগে শিল্প-সংস্কৃতিৰ দিশতো বিপ্লবী সাংস্কৃতিক ফ্ৰণ্ট গঢ়ি তোলা অতি প্ৰয়োজন। দেশৰ সাহিত্য একাডেমী, সঙ্গীত কলা আৰু ললিত কলা একাডেমী, অসম সাহিত্য সভা, প্ৰকাশন পৰিষদৰ দৰে অনুষ্ঠান establish-ment ৰ সেৱক স্থবিৰতাৰ ধাৰক বাহক। এনেবোৰ অনুষ্ঠানৰ পৰা কোনো বিপ্লৱী কাম আশা কৰিব নোৱাৰি। এইবোৰে প্ৰচাৰ, বঁটা পুৰস্কাৰ, স্বীকৃতি আদিৰদ্বাৰা মোহগ্ৰস্ত কৰি বুদ্ধিজীৱিক বিপথগামীহে কৰে। এনেবোৰ অনুষ্ঠানৰ ভণ্ডামী উদঙাই দি জনসাধাৰণক মোহমুক্ত কৰিব লাগিব। বাম গণতান্ত্ৰিক শুভবুদ্ধিৰ অনুষ্ঠান, সংগঠন আৰু ব্যক্তিৰদ্বাৰাহে এনে কাম সম্ভৱ। তাৰোপৰি ধৰ্ম্ম, সম্প্ৰদায়, গোষ্ঠী

জাতি-জনজাতিৰ নামতো ভেদবাদী আৰু বিচ্ছিন্নতাকামী প্ৰতিক্ৰিয়া কৰা অপসংস্কৃতিৰ বিৰুদ্ধেও সংহতি সম্প্ৰীতিমূলক ধৰ্ম্ম-নিৰপেক্ষ মতাদৰ্শগত সংগ্ৰামৰো আশুপ্ৰয়োজন হৈছে। বামপন্থী, বিপ্লৱী, গণতান্ত্ৰিক আৰু ধৰ্ম্মনিৰপেক্ষ সমাজকৰ্মী সকলেই মতাদৰ্শৰ সংগ্ৰামতো সাংস্কৃতিক সৈনিকৰূপে অৱতীৰ্ণ হ'ব পাৰে। এসময়ৰ ভাৰতীয় গণনাট্য সংঘ (Indian Peoples' Theatre) প্ৰগতিশীল শিল্পী সাহিত্যিক সংঘ, 'নতুন পৃথিৱী' আলোচনী আৰু সাম্প্ৰতিক নতুন সাহিত্য পৰিষদ আদি অনুষ্ঠানৰ দ্বাৰাহে এনে মহৎ কাম সম্ভৱ।

এইখিনিতে এটা সৰু কথাও উল্লেখ নকৰি নোৱাৰিলোঁ। বস্তুতো বিপ্লৱীয়ে সাহিত্য সংস্কৃতিত প্ৰেমৰ গোন্ধ পালেই অনীহা প্ৰকাশ কৰা দেখা যায়। অৱশ্যে এই কথা ঠিক যে সস্তীয়া হিন্দী চিনেমা পৰ্ণ'গ্ৰাফী, অশ্লীল চিত্ৰ শিল্প, উৎকট যৌনগন্ধী আৰু তৰলপ্ৰেমৰ প্ৰকাশ কৰা সাহিত্য সঙ্গীত আদি নিশ্চয় নিন্দনীয়। এনে সংস্কৃতি উপভোগ কৰাটো বেশ্যালয়লৈ যোৱাৰ সমপৰ্যায়ৰ অপৰাধ। "প্ৰেমত ধুলিছে শতদল, প্ৰেমত ঘূৰিছে ভূমণ্ডল" আৰু "কেৱল কলাৰ বাবে কলা" বা জীৱনবিচ্ছিন্ন "কেৱল উপভোগৰ বাবে কলা" আদি একদিশদৰ্শী সূত্ৰকো সমৰ্থন কৰা নেযায়। কিন্তু প্ৰেম-জীৱনৰ সৰাতোকৈ গুৰুত্বপূৰ্ণ উপাদান আৰু সুস্থ সবল জীৱনমুখী প্ৰেম যে প্ৰেৰণাৰ অমল উৎস সেই কথাও সত্য। প্ৰেমৰ শাৰীৰিক মানসিক গুৰুত্ব থকাৰ বাবেই যুগে যুগে প্ৰেমৰ কাব্য-শিল্পত ই প্ৰধান্য বিস্তাৰ কৰি আহিছে।

বৈৰাগ্যবাদ, জন্মান্তৰবাদ, অদৃষ্টবাদ, পলায়নবাদীতা আৰু হতাশা-গ্ৰস্ততা যিদৰে সামন্তীয় অপসংস্কৃতি, তদনুৰূপে ব্যক্তিবাদ, আত্ম-কেন্দ্ৰীকতা, সুবিধাভোগীতা, ভাববিলাসিতা, উপভোগবাদ আৰু মুনাফা-লাভৰ ওপৰত নিৰ্ভৰশীল মানবীয় প্ৰমূল্যহীন পণ সংস্কৃতিও পুঁজি-বাদী সাম্ৰাজ্যবাদী শাসন-শোষণৰেই কলাত্মক প্ৰকাশ। উভয় সংস্কৃতিয়েই সবল সুস্থ মুক্ত আৰু সংগ্ৰামী মানুহ নিৰ্ম্মাণৰ পথৰ

চৰম পৰিপন্থী। কেৱল সমাজতান্ত্ৰিক সমাজ ব্যৱস্থাতহে যিহেতু মানুহ সকলো শোষণ বঞ্চনা আৰু বন্ধন শৃংখলৰ পৰা মুক্ত হৈ প্ৰকৃত মানুহৰ জীৱন যাপন কৰিব পাৰে সেই বাবেই তেনে এখন বাসোপযোগী সমাজ নিৰ্ম্মাণৰ বাবে বিজ্ঞান যুক্তি আৰু মাৰ্ক্সীয়দৰ্শনৰ মতাদৰ্শগত সংগ্ৰাম অতি গুৰুত্বপূৰ্ণ আৰু কৰণীয়।

প্লেখানভৰ দৃষ্টিত কলা আৰু সাহিত্য

ঊনবিংশ শতিকাৰ শেষভাগ আৰু বিংশ শতিকাৰ প্ৰথমভাগৰ বামপন্থী কলা-সমালোচক প্লেখানভৰ অৱদান উল্লেখযোগ্য। এনাটলী লুনাচাৰ্স্কীৰ সমালোচনাৰ পাত্ৰ হ'বলগা হ'লেও প্লেখানভৰ প্ৰগতিশীল শিল্প আলোচনাৰ পৰা আনকি স্বয়ং লেনিনও অনুপ্ৰাণিত হৈছিল। ছোভিয়েট ৰাচিয়াত বুৰ্জোৱা গণতান্ত্ৰিক বিপ্লৱ (১৯০৫-০৭) সমাধান হোৱাৰ আগে পিচে, বিশ্বৰ প্ৰথম সমাজতান্ত্ৰিক বিপ্লৱটো সংঘটন নহওঁতেই প্লেখানভে শিল্প-কলাৰ বিষয়ে কৰা বস্তুবাদী আৰু বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ সমাজ-সমালোচনা বহুতৰে বাবেই বাটকটীয়া-স্বৰূপ আছিল। সেয়ে অগ্ৰগামী শিল্প-সমালোচক প্লেখানভৰ মূল্যায়নৰ প্ৰাসঙ্গিকতা আৰু গুৰুত্ব আছে।

কলা-শিল্পৰ উদ্দেশ্য কি? শিল্প-কলা কাৰ বাবে সৃষ্টি কৰা হয়? সাহিত্যৰ সমল কি? কাৰ স্বাৰ্থত এনে সংস্কৃতি সৃষ্টি কৰা হয়? এইবোৰ বহুযুগজোৰা প্ৰশ্ন। ১৮শ আৰু ১৯শ শতিকাৰ ইউৰোপত বিশেষকৈ ফৰাচী, ৰুচ, ইংৰাজী আৰু জাৰ্মানী সাহিত্য-শিল্পত এই প্ৰশ্নবোৰৰ ওপৰত চূড়ান্ত বিতৰ্ক চলে। এই দেশবোৰত সামন্তবাদ উৎখাত কৰি পুঁজিবাদে ৰাজত্ব কৰিবলৈ লোৱাত আৰ্থ ৰাজনীতিৰ মতাদৰ্শগত প্ৰতিফলন কলা-শিল্পতো ইয়াৰ প্ৰভাব নপৰাকৈ নেথাকিল। মাৰ্ক্স-এঙ্গেলছৰ যুগান্তকাৰী বিপ্লৱী আদৰ্শই এনে আলোচনাত সমাজবীক্ষাৰ আমূল পৰিবৰ্ত্তন আনি দিলে।

ঊনবিংশ শতিকাৰ ইউৰোপত কলা 'কলাৰ বাবে' (Art for Arts'

sake) সূত্ৰটোৱে বিশেষভাবে প্ৰসাৰ পাইছিল। ৰাচিয়াৰ টুৰ্গেনিভ, পুচকিন, ফ্ৰান্সৰ গটিয়েৰ, বোডেলেয়াৰ, ফ্লুবাৰ আদি বিখ্যাত কবি-শিল্পীয়ে এই সূত্ৰটো সমৰ্থন কৰিছিল। প্লেখানভে সঠিকভাবেই মতপোষণ কৰিছিল যে শিল্প-সংস্কৃতিৰ অগ্ৰগতিও আৰ্থ-সামাজিক অৱস্থাৰ ওপৰতহে নিৰ্ভৰশীল। গতিকে সেই সময়ৰ সাহিত্যিকসকলে কি বিশেষ সামাজিক পৰিবেশত 'কলা কলাৰ বাবে' বুলি বিশ্বাস কৰিছিল আৰু কি কি সামাজিক অৱস্থাত শিল্পীসকলক কলা জীৱনৰ লগত সম্পৰ্কিত (attached to the phenomena of life) বুলি মতপোষণ কৰাইছিল--তাৰ সম্যক বিচাৰ অতি প্ৰয়োজন।

পুচকিন প্ৰথম আলেকজেণ্ডাৰৰ দিনত সংগ্ৰাম-বিমুখ নাছিল। অন্যায় অপমান মানুহে সহ্য কৰা উচিত নহয় বুলি তেওঁ ভাবিছিল। গতিকে 'স্বাধীনতা' নামৰ কবিতাত পুচকিনে দাসত্ব (Chains), চাবুক (whips), অন্যায় (injustice) আৰু ক্ষমতাৰ অপব্যৱহাৰৰ বিৰুদ্ধে (Against the abuse of power) তীব্ৰ প্ৰতিবাদ কৰিছিল। কিন্তু প্ৰথম নিকোলাছৰ ৰাজত্বত ১৮২৫ চনৰ বিপ্লৱ পাশৱিকতাৰে দমন কৰাৰ পিচত ৰাচিয়াত মৃত্যুশীতল নীৰৱতা, অমানৱতা, মূঢ়তা আৰু ভৰসতাৰ ৰাজত্ব চলিছিল। সম্ৰাট নিকোলাছে পুচকিনক ডেকালীৰ ভুলৰ (errors of his youth) বাবে মাফ কৰিলে। এনেকৈ জীৱন মৰণৰ এনে সংঘাতত শেষত পুচকিনে 'কলা কলাৰ বাবে' সূত্ৰত আত্মসমৰ্পন কৰিলে।

ফৰাচী ৰোমাণ্টিক কবি গটিয়েৰ, বোডেলেয়াৰ, ভাৰলেইন আদি শিল্পৰ সীমাহীন স্বাধীনতাৰ (Absolute autonomy of art) সমৰ্থক আছিল। তেওঁ আনকি কৈছিল,—"I would very gladly renounce my rights as a Frenchman and citizen for the sake of seeing a genuine Raphael or a beautiful woman in the nude" (মই সৰ্ব্বাঙ্গসুন্দৰ ৰাফেল বা এগৰাকী নগ্ন ৰমণীৰ সৌন্দৰ্য উপভোগৰ বাবে আনকি এজন

ফৰাচী নাগৰিকৰ অধিকাৰখিনিকো হাঁহি হাঁহি বিসৰ্জন দিছিলোহেঁতেন'। পিচে এই ৰোমাণ্টিকসকলেই আকৌ বুৰ্জোৱাইজক অতি ঘিণ কৰিছিল। তেওঁলোকে বিতৃষ্ণা প্ৰকাশ কৰা" Bankers, Brokers, Lawyers, Merchants, Shopkeepers (বেঙ্কজীৱি, দালাল, উকীল, সদাগৰ দোকানী) আদিবোৰো বুৰ্জোৱাই আছিল। অৱশ্যে বুৰ্জোৱা সমাজ ব্যৱস্থাৰ বিৰুদ্ধে ক'বলৈ তেওঁলোকৰ একো নাছিল। বুৰ্জোৱা সমাজ ব্যৱস্থাই সৃষ্টি কৰা বিপদজনক, বিৰক্তিকৰ, শ্বাসৰুদ্ধ, জঘন্য আৱহাৱা আৰু সিহঁতে শিল্পকলাক বুৰ্জোৱাৰ সেৱাদাস পণ্যত পৰিণত কৰা মূঢ়তা আৰু বৰ্বৰতাৰ বিৰুদ্ধে ৰোমাণ্টিকসকলে বিষোদগাৰ কৰিছিল; ফ্লবাৰেও "detested bourgeois" (ঘৃণ্য বুৰ্জোৱা বুলি গালি পাৰিছিল।

১৮৪৮ চনৰ ফেব্ৰুৱাৰী বিপ্লৱৰ লগে লগে বহুতো ফৰাচী শিল্পীয়ে 'কলাৰ বাবে কলাৰ' সূত্ৰ নাকচ কৰিছিল। আনকি বোডেলেয়াৰেও ১৮৭২ চনত "called art for art sake infontile and declared that art must have a social purpose" (শিল্প কেৱল শিল্প বোলা সূত্ৰটো শিশুসুলভ। শিল্পৰ নিশ্চয় এটা সামাজিক লক্ষ্য থাকিব লাগিব)।

শিল্পী-সাহিত্যিক সকলৰ ওপৰত এনেদৰে বিভিন্ন সামাজিক অৱস্থাই বিভিন্ন মতামত বিশ্বাস কৰোৱা ঐতিহাসিক ঘটনাবোৰ অধ্যয়ন কৰি প্লেখানভে সিদ্ধান্তলৈ আহিছে—

"The belief in 'art for art's sake' arises when artists and people keenly interested in art are hopelessly at odds with their social environment" ('শিল্প কেৱল শিল্পৰ বাবে' বিশ্বাসটো তেতিয়াহে জাগি উঠে যেতিয়া শিল্প সংস্কৃতিত গভীৰ আগ্ৰহী কলাকাৰ আৰু কলামোদী মানুহ সামাজিক বাতাবৰণৰ সাংঘাতিক প্ৰতিকূল অৱস্থাৰ বলি হ'বলগা হয়।)

প্লেখানভৰ মতে সামাজিক ধ্যান-ধাৰণাৰহিত কোনো শিল্পকৰ্ম

থাকিব নোৱাৰে। সামাজিক অভিজ্ঞতাইহে কলা-কৰ্মৰ বুনিয়াদ। জনসাধাৰণৰ পৰা আহৰণ কৰা অভিজ্ঞতাইহে শিল্পীক অনুপ্ৰাণিত কৰে। কলাকাৰে কলা শিল্পৰ মানদণ্ড ব্যক্তিগতভাৱে নিৰূপন কৰিব নোৱাৰে। সমকালীন সামাজিক সাংস্কৃতিক বিকাশৰ সোপানতে এনে মানদণ্ডৰ মাপকাঠী। শ্ৰেণীবিভক্ত সমাজত শ্ৰেণীসমূহৰ সম্পৰ্ক আৰু সমসাময়িক সমাজৰ বিকাশৰ স্তৰেহে কলা সংস্কৃতিৰো গতি নিৰ্দ্ধাৰণ কৰে।

কলাকৰ্মৰ দক্ষতা নিৰূপন কৰে তাৰ বক্তব্যৰ গভীৰতাই। কবি শিল্পী-সাহিত্যিকে শিল্প কলাৰ মাধ্যমেদি কিবা ক'ব বিচাৰে; শিল্পীয়ে চিত্ৰ কল্পৰ যোগেদি আৰু প্ৰবন্ধকাৰে যৌক্তিক সিদ্ধান্তৰে নিজ বক্তব্য প্ৰকাশ কৰে। তাৰ অবিহনে কলা শিল্পই প্ৰবন্ধ, উপন্যাস, গল্প, নাটকৰ নাম পাব নোৱাৰে। শিল্প সৃষ্টিত ব্যক্তিগত স্থান ধাৰণৰ ভূমিকা নথকা নহয়। তথাপি কেৱল আঙ্গিকত গুৰুত্ব দিয়া কলাকাৰেও কোনো বক্তব্য নোহোৱাকৈ নিজ অভিব্যক্তি প্ৰকাশ কৰিব নোৱাৰে। যিসকলে কেৱল আঙ্গিকতেহে গুৰুত্ব দিয়ে তেওঁলোকে সামাজিক পৰিৱেশৰ হতাশজনক আৰু নেতিবাচক প্ৰতিফলনহে কলাত ডাঙি ধৰে।

শিল্পকলা হ'ল বৌদ্ধিক যোগাযোগৰ মাধ্যম। শিল্পকৰ্মত প্ৰকাশ কৰা ভাবানুভূতি যিমানেই শ্ৰেষ্ঠ আৰু মহান হয়, অন্যান্য অৱস্থা একে হ'লে, তেনে কলাকৰ্ম্ম সিমানেই কাৰ্য্যকৰী মাধ্যমত পৰিণত হয়। অন্যান্য শিল্প-সংস্কৃতিৰ কথা বাদেই প্লেখানভৰ মতে সমৰগীতিও (Martial song) আনকি পৰস্পৰৰ মাজত ভাববিনিময়ৰ মাধ্যম হ'ব পাৰে। কাৰণ ৰণ কৰিবলৈ শত্ৰুৰ প্ৰতি ঘৃণা, সৈনিকৰ ঐকান্তিক সাহস, নিজ জাতি আৰু দেশৰ বাবে মৰিবলৈও প্ৰস্তুত থকা চিৰন্তন ভাবানুভূতি প্ৰকাশ পায়—যি কোনো জাতি, উপজাতি বা গোষ্ঠীৰ কোনো নিৰ্দ্দিষ্ট সাংস্কৃতিক বিকাশৰ ব বিনিময়ৰ মাধ্যম হ'ব পাৰে।

১৯শ শতিকাৰ ৰাচিয়াৰ বিপ্লৱী গণতান্ত্ৰিক সাহিত্য সমালোচক

বেলিনস্কীৰ লগত সুৰমিলাই প্লেখানভেও মত প্ৰকাশ কৰিছিল— "Pure, abstract, unconditional or as the philosophers say, absolute art never existed anywhere" (বিশুদ্ধ, বিমূৰ্ত, নিঃচৰ্ত সীমাহীন কলা-শিল্প কেতিয়াও ক'তো নেথাকে)। কোনো সমাজ বা শ্ৰেণীসমাজৰ সৌন্দৰ্যৰ আদৰ্শ সেই সমাজৰ মানব জাতিৰ বিকাশৰ ঐতিহাসিক অৱস্থাৰ ওপৰতহে নিৰ্ভৰশীল। গতিকে "বিশুদ্ধ সৌন্দৰ্য্য" ৰ পূজাৰীসকলো ঐতিহাসিক আৰু সামাজিক অৱস্থাৰ পৰা মুক্ত হ'ব নোৱাৰে। তেনে শিল্পীয়ে মাথোন কমবেচি পৰিমাণে ঐতিহাসিক সত্যৰ প্ৰতি চকুমুদি থাকে।

যিসময়ত ফ্ৰান্সত বুৰ্জোৱাৰ দুৰ্দান্ত প্ৰতাপ চলিছিল, শ্ৰমিকৰ ওপৰত নিৰন্তৰ শোষণ-পীড়ণ চলাইছিল আৰু শ্ৰমিকৰ সকলো দাবী-আন্দোলন-বিক্ষোভ-বিদ্ৰোহকেই নিষ্ঠুৰভাবে দমন কৰিছিল সেই সময়ত ৰোমান্টিক শিল্পী সকলে কলা-শিল্পৰ সামাজিক ভূমিকা অস্বীকাৰ কৰি কলাক পুঁজিতন্ত্ৰ ৰক্ষাৰ বাবে ব্যৱহাৰ কৰিছিল বুলি প্লেখানভে মতপোষণ কৰিছে।

ৰহস্যবাদী সকলক (Mysticists) সমালোচনা কৰি প্লেখানভে কৈছে,—"ৰহস্যবাদ নিজেই কুঁৱলিৰ দৰে অস্পষ্ট আৰু আকাৰ-বিহীন ধাৰণা। ই যুক্তিৰ সম্পূৰ্ণ বিপৰীত। ৰহস্যবাদীয়ে কিবা ক'ব বিচাৰে আৰু কয়ো। কিন্তু তেওঁ এই পৃথিবীৰ কথা নকয় আৰু সাধাৰণ জ্ঞানক নসাৎ কৰি তেওঁৰ বক্তব্যৰ প্ৰমাণ বিজু কৰে। এনেদৰে ৰহস্যবাদীয়ে সমকালীন মুখ্য সামাজিক সম্পৰ্কৰ প্ৰতি অন্ধতা প্ৰকাশ কৰে আৰু তেনে শিল্প সৃষ্টিত নিহিত ধ্যান-ধাৰণাৰ মূল্য আৰু গুণাগুণো হ্ৰাস কৰি পেলায়। ফলত তেনে সৃষ্টিৰ প্ৰভাবো দুৰ্ব্বল হৈ পৰে।

নব্যৰোমান্টিক সকলে নিৎসেৰ প্ৰভাৱত পৰি নিজকে "ভাল বেয়াৰ উৰ্দ্ধত" (Beyond good and evil) বুলি কৰা কল্পনাৰ সম্পৰ্কত প্লেখানভে লেখিছে—ইয়াৰ মানে কি? তেওঁলোকে এনে

সাংঘাতিক সৃষ্টি কৰিব পাৰে নেকি যাক সমকালীন সমাজব্যৱস্থাৰ পৰা সৃষ্ট ভাল-বেয়া সূত্ৰৰদ্বাৰা বিচাৰ কৰিব নোৱাৰি? আচলতে সৰ্ব্বহাৰাৰ মুক্তিৰ বাবে চলা কৰাচী বিপ্লৱত জড়িত নোহোৱাৰ বাবে নব্যৰোমাণ্টিক সকলৰ সেয়া আচিলাহে আছিল। জীৱন-মৰণ-সংগ্ৰাম কৰি সৰ্ব্বহাৰা সকলে আৰ্জন কৰা সামান্য অধিকাৰখিনিও কমোৱাৰ এয়া চক্ৰান্তহে। গতিকে "ভাল-বেয়াৰ উৰ্দ্ধত" বোলা ধাৰণা এক প্ৰতিক্ৰিয়াশীল সূত্ৰহে।

চিত্ৰকলাৰ ক্ষেত্ৰতো ইম্প্ৰেচনিষ্ট (Impressionists), প্ৰতীকবাদী (Symbolists) আৰু কিউবিষ্ট (cubists) সকলকো প্লেখানভে তেওঁলোকৰ বক্তব্যৰ সাৰশূন্যতাৰ বাবে সমালোচনা কৰিছে। ইম্প্ৰেচনিষ্ট সকলে বক্তব্যক সম্পূৰ্ণ আওকান কৰিছিল। তেওঁলোকৰমতে চিত্ৰৰ মুখ্যবস্তু হৈছে পোহৰ। কিন্তু পোহৰৰ ব্যঞ্জনা পোহৰেই। ই ভাবো নহয়, অনুভূতিও নহয়। তেওঁলোকে বহুতো বিখ্যাত লেণ্ডস্কেপ অঙ্কন কৰিলেও লেণ্ডস্কেপেই পেইণ্টিঙৰ সৰ্ব্বস্ব নহয়। কোনো কোনো কৰাচী সমালোচকে ইম্প্ৰেচনিষ্টসকলৰ চিত্ৰকলাক বাস্তৱবাদী সাহিত্যৰ লগত তুলনা কৰিলেও এনে বাস্তৱতা অতি তৰল। এনে বাস্তৱতাই আকৃতিৰ গভীৰলৈ যাব পৰা নাছিল। এই কলা-শিল্পী সকলৰ আত্মন্তৰীতাৰ বাদে জগতৰ লগত কোনো সম্পৰ্ক নাছিল। সেয়ে এনে সমাজ বিচ্ছিন্ন শিল্পীৰ ধ্যান-ধাৰণা আৰু বক্তব্য দেৱলীয়া হ'বলৈ বাধ্য। কটি খাবলৈ নোহোৱা মানুহে বনপাত খোৱাৰ দৰে কোনো সৱল জ্ঞান-অভিজ্ঞতা আৰু বক্তব্য নোহোৱা শিল্পীয়ে অৱক্ষয়ী যুগত ৰহস্যবাদ, প্ৰতীকবাদ আদি নানা 'বাদ'ৰ আশ্ৰয় লয়।

শিল্প-সাহিত্যত ব্যক্তিবাদ, বিচ্ছিন্নতাবাদ বুৰ্জোৱা যুগৰে সৃষ্টি বুলি প্লেখানভে মত প্ৰকাশ কৰিছে। কেৱল কলাৰ বাবে কলা সূত্ৰও বুৰ্জোৱা ব্যক্তিবাদ বিচ্ছিন্নতাবাদৰেই বহিপ্ৰকাশ। উৎকট ব্যক্তিবাদে শিল্পীক প্ৰকৃত প্ৰেৰণাৰ উৎসৰ পৰা বিচ্ছিন্ন কৰি পেলায়।

এনে বুর্জোৱা মতবাদে কলাকাৰক সমাজৰ চলমান ঘটনা প্ৰবাহৰ প্ৰতি অন্ধ কৰি পেলায় আৰু ক্ষয়িষ্ণু কল্পনাৰ অলীক স্বপ্নবিলাসীত পৰিণত কৰে। এনে কলাকৰ্ম্মই বাস্তৱৰ বিকৃতৰূপহে দিয়ে। সমাজ জীৱনেই সকলো প্ৰেৰণাৰ থল। যি শিল্পী সমাজ-জীৱনৰ ন-ন দিকবিলাকৰ প্ৰতি অন্ধ তেনে শিল্পীৰ পৰা উদ্ভট সৃষ্টিৰ বাহিৰে কি আশা কৰা যায় !

বিপৰীতে সমাজতান্ত্ৰিক সমাজব্যৱস্থাত "শিল্প কেৱল শিল্পৰ বাবে" ধৰণৰ ফোপোলা, বিশুদ্ধ-নান্দনিক তত্বৰ কোনো মূল্যই নেথাকে। কাৰণ তেনে সমাজ ব্যৱস্থাত শাসক-শোষক শ্ৰেণীয়ে নিজ স্বাৰ্থ ৰক্ষাৰ বাবে প্ৰকৃত সামাজিক নৈতিকতাক দূষিত কৰাৰ কোনো সুযোগেই নেথাকে।

মাৰ্ক্সৰ 'দৰ্শনৰ-সাৰশূন্যতা' (The Poverty of philosophy) নামৰ গ্ৰন্থৰ উদ্ধৃতি দি প্লেখানভে লেখিছে যে এনে এটা সময় আহিল যেতিয়া পূৰ্ব্বতে বিলোৱা বস্তু এতিয়া বিনিময় কৰা হ'ল, আগতে দিয়া বস্তু এতিয়া বেচা হ'ল, আগতে পোৱা বস্তু এতিয়া কিনিব লগা হ'ল আৰু সাধুতা, প্ৰেম, বিশ্বাস, জ্ঞান, বিবেক আদি সকলো মানবীয় সম্পদ এতিয়া ব্যৱসায়ৰ পণ্যত পৰিণত হ'ল। এতিয়া সৰ্ব্বগ্ৰাসী দুৰ্নীতি আৰু সীমাহীন অসততাৰ সময়। এক কথাত ক'বলৈ গ'লে নৈতিকতা আৰু দৈহিক পবিত্ৰতা আদি প্ৰমূল্যবোৰ হ'ল বজাৰৰ বেচা-কিনা পণ্য। এয়া হ'ল ক্ষয়িষ্ণু বুৰ্জোৱা সমাজৰ মূল্যবোধ। এনে জঘন্য মূল্যবোধৰ যুগত 'কলা কলাৰ বাবে' বোলা সূত্ৰটো 'কলা টকাৰ বাবে'সূত্ৰলৈ ৰূপান্তৰ হ'ল (Art for Art's sake has turned into money's sake) বুলি প্লেখনাভে তীৰ্য্যক মন্তব্য কৰিছে।

কমিউনিষ্ট ইস্তাহাৰৰ উদ্ধৃতি দি প্লেখানভে বুৰ্জোৱা কলাকাৰ শ্ৰমজীবি মানুহৰ কলাকাৰলৈ ৰূপান্তৰ হ'ব পৰা পৰিবৰ্ত্তনৰ ঐতিহাসিক পৰ্য্যায়ৰ কথা উল্লেখ কৰিছে। কমিউনিষ্ট ইস্তাহাৰত আছে,-"শ্ৰেণী

সংগ্ৰামে সিদ্ধান্তকাৰী স্তৰ পোৱাৰ সময়ত শাসক শ্ৰেণীৰ মাজত ভাঙোন আৰম্ভ হয়। প্ৰকৃততে প্ৰাচীন সমাজৰ সংগোতে এনে এক ভয়ঙ্কৰ যুগান্তকাৰী চৰিত্ৰই দেখা দিয়ে যে শাসক শ্ৰেণীৰ এটা ক্ষুদ্ৰ অংশই নিজ অৱস্থান এৰি ভৱিষ্যতৰ অধিকাৰী বিপ্লৱীদলৰ লগত লগ লাগে।" পৰিণতি স্বৰূপে বুৰ্জোৱা আদৰ্শবাদী কলা শিল্পীৰ ক্ষুদ্ৰ অংশ এটাইও এনে বিপ্লৱী ভূমিকা ল'ব পাৰে।

এনাটলী লুনাচাস্কীয়ে প্লেখানভৰ কলা-আলোচনাক কৰা সমালোচনাক প্লেখানভে তলৰ ধৰণে উত্তৰ দিয়ে—

(১) লুনাচাস্কীৰ অভিযোগ যে প্লেখানভে সৌন্দৰ্য্যৰ এক চূড়ান্ত মাপকাঠীৰ অস্তিত্ব (the existence of an absolute criterion of beauty) স্বীকাৰ কৰিছে। কিন্তু প্ৰতি বস্তু গতিশীল আৰু পৰিবৰ্ত্তনশীল। মানুহৰ সৌন্দৰ্য্যবোধো পৰিবৰ্ত্তনশীল। প্লেখানভে উত্তৰ দি কয় যে সৌন্দৰ্য্যৰ চূড়ান্ত মাপকাঠী আছে বা থাকিব পাৰে বুলি তেওঁ নেভাবে। মানুহৰ সৌন্দৰ্য্যবোধো নিঃসন্দেহে ঐতিহাসিক গতিশীলতাৰ লগে লগে পৰিবৰ্ত্তনশীল। কিন্তু সৌন্দৰ্য্যৰ চূড়ান্ত মাপকাঠী নেথাকিলেও,- ই আপেক্ষিক হ'লেও, ইয়াৰ অৰ্থ এনে নহয় যে কোনো নিৰ্দ্দিষ্ট শিল্প সৃষ্টি সুন্দৰ নে অসুন্দৰ বিচাৰ কৰাৰ যুক্তি-সঙ্গত সম্ভাৱনা নাই। তাৰোপৰি তেওঁ বুজামতে লুনাচাস্কীয়ে ভুৱা ধ্যান-ধাৰণাৰ লগতো আঙ্গিকে সম্পূৰ্ণ সফল সমন্বয় প্ৰকাশ কৰিব পাৰে বুলি মতপ্ৰকাশ কৰিছে। প্লেখানভে পিচে এনে দৃষ্টিভঙ্গী গ্ৰহণ নকৰে। কাৰণ ভুৱা বক্তব্য প্ৰকাশ কৰা মানে শিল্পকৰ্মই বাস্তৱতাৰ অৱমূল্যায়ন কৰে। বাস্তৱৰ বিকৃৎ কলাকৰ্ম্ম বিফল সৃষ্টি। সেইবাবেই কিউৰেলৰ (curel) প্ৰতিভাৰ তুলনাত তেওঁৰ 'লা ৰেপাচ ডু লায়ন' (Le repas du lion) আৰু হামচনৰ দক্ষতাৰ তুলনাত তেওঁৰ 'গেট অৱ দি কিংদম' নিম্ন মানদণ্ডৰ সৃষ্টি।

(২) লুনাচাস্কীয়ে প্লেখানভক যুক্তিবাদৰ (excessive objectivism) বাবে দোষাৰোপ কৰিছে। তেওঁ লক্ষ্য কৰিছে যে প্লেখানভে বুৰ্জোৱা কলা শিল্পীৰ মাজত নমনীয় (Waverer) অংশ

যাক বুজাই-বঢ়াই পণ্ডিয়ন নিয়াৰ পাৰি সেই সকলকো বুর্জোৱাৰ প্ৰভাৱলৈহে এৰি দিছে। প্লেখানভে এনে অভিযোগ অমূলক বুলি ভাবে। কাৰণ তেওঁৰ বক্তৃতাত প্লেখানভে কৈছিল যে আধুনিক কলা-সংস্কৃতি পতনমুখী। এনে উক্তিৰ ভিত্তি আছিল যে গৰিষ্ঠ সংখ্যক শিল্পী সাহিত্যিকেই বুর্জোৱাৰ দৃষ্টিভঙ্গী লৈ সৰ্ব্বহাৰাৰ মুক্তিযুদ্ধৰ আদৰ্শৰ প্ৰতি অনীহা প্ৰকাশ কৰিছিল। এনে উক্তিয়ে কেনেদৰে শিথিল মনৰ কলাকাৰৰ ওপৰত কু-প্ৰভাৱ পেলাইছিল? যদি এইটো প্ৰত্যয়পূৰ্ণ যুক্তি তেন্তে শিথিলমনৰ শিল্পকৰ্মীসকলক সৰ্বহাৰাৰ অৱস্থান গ্ৰহণ কৰিবলৈ অনুপ্ৰেৰণাহে যোগাব লাগিছিল। তাতে প্লেখানভৰ আলোচনাটো কলা শিল্পৰ প্ৰশ্ন ব্যাখ্যা কৰিবলৈহে সমাজ-তন্ত্ৰৰ সূত্ৰসমূহ ব্যাখ্যা বা প্ৰসাৰ কৰিবলৈ নহয়।

(৩) লুনাচাৰ্স্কীয়ে বুর্জোৱা কলা সংস্কৃতি অৱক্ষয়ী বুলি প্ৰমাণ কৰিবলৈ অসম্ভৱ বুলি ধৰি লৈ প্লেখানভে বুর্জোৱা আদৰ্শৰ সমান্ত-ৰালভাৱে সুসঙ্গত বিপৰীত সূত্ৰ ডাঙি ধৰা হ'লে জ্ঞানীৰ কাম আছিল বুলি মতপ্ৰকাশ কৰিছে। কিন্তু তেনে সুসঙ্গত পদ্ধতিৰ কথা সময়ত বহুল ব্যাখ্যা কৰিব বুলিও কৈছে. পিছে এনে অভিযোগ প্লেখানভৰ একেবাৰে বোধগম্য হোৱা নাই। যদি সেই সুসঙ্গত সমাজ পদ্ধতিৰ কথা এতিয়াও ব্যাখ্যা কৰা হোৱাই নাই তেনেহ'লে প্লেখানভে কেনেকৈ বুর্জোৱা পদ্ধতিৰ সমান্তৰালভাৱে তাক ব্যাখ্যা কৰিব পাৰিলেহেঁতেন? কিনো সেই নতুন সুসঙ্গত সমাজব্যৱস্থা? আধু-নিক বৈজ্ঞানিক সমাজতান্ত্ৰিক সমাজ ব্যৱস্থা প্ৰশ্নাতীতভাৱেই সম্পূৰ্ণ সুস-ঙ্গত পদ্ধতি। এনাটলী লুনাচাস্কীয়ে সুসঙ্গত সমাজ পদ্ধতি বুলি যদি তেওঁৰ সহকৰ্ম্মী বগডনাভে প্ৰকাশ কৰা 'সৰ্বহাৰা সংস্কৃতিৰ' দৃষ্টিভঙ্গীৰ কথাকে উল্লেখ কৰিব খুজিছে তেন্তে প্লেখানভে তেনে উপদেশ ল'ব নোখোজে। যদি কোনোবাই অনভিজ্ঞতাবশতঃ প্লেখানভক 'সৰ্ব্বহাৰাৰ সংস্কৃতি' নামৰ পুস্তিকাখনিৰ বিষয়ে আগ্ৰহ জন্মাব খোজে তেতিয়াহ'লে প্লেখানভে উমুকিয়াই দিবলৈ ভাল পাব যে আনকি লুনাচাস্কীৰ নিকট সহকৰ্ম্মী মিঃ এলেস্কিনস্কীয়েই আনকি পুস্তিকাখনক দস্তৰমত

উপলুভ্ধা কৰিছে।

আজি বিংশ শতিকাৰ শেষৰ ফালে বামপন্থী আৰু প্ৰগতিশীল কলা-সাহিত্য-শিল্প সংস্কৃতিৰ চৰ্চা আৰু প্ৰসাৰে বহুখিনি জনপ্ৰিয়তা লাভ কৰিছে। বিপ্লৱী বিশ্ববীক্ষাই আজি অগণন শ্ৰমকাৰী মানুহৰ মুক্তিৰ আঁৰিয়া স্বৰূপ হৈছে। ইতিহাসৰ এই সুদীৰ্ঘ পৰিক্ৰমাত সামান্য সীমাবদ্ধতা স্বত্বেও অগ্ৰজচামৰ বাটকটীয়া হিচাপে প্লেখানভৰ কলা-শিল্পৰ মূল্যায়ন আদ্যাপিও প্ৰণিধানযোগ্য।

(মস্কোৰ নভস্তি প্ৰকাশনৰ 'Plakhanov : On Art and Literature' গ্ৰন্থৰ সহায় লোৱা হৈছে)।

সাহিত্য-শিল্পত মাৰ্ক্সীয় দৃষ্টিভঙ্গী আৰু সমাজতান্ত্ৰিক বাস্তৱবাদ

মাৰ্ক্স আৰু এঙ্গেলছে বিখ্যাত কমিউনিষ্ট ইস্তাহাৰত লেখিছে—"দাৰ্শনিকসকলে ইতিহাসৰ বহুতো ব্যাখ্যা দিলে। এতিয়া আমাৰ কাম হ'ব ইতিহাসক পৰিবৰ্ত্তন কৰাৰ।" কিন্তু ইতিহাসক পৰিবৰ্ত্তন কৰাঁৰ মাৰ্ক্সীয় লেনিনীয় আৰু অন্যান্য সূত্ৰবোৰৰ ব্যাখ্যা আৰু আলোচনাৰ প্ৰয়োজন আছে। আজি সমাজ জীৱনৰ দ্ৰুততৰ বৈপ্লৱীক বিবৰ্তনৰ বাবে আৰ্থ-সামাজিক, ৰাজনৈতিক, দাৰ্শনিক, শিল্প-কলা সাহিত্য তথা নন্দনতত্ত্বৰ বিশদ ব্যাখ্যাৰ গুৰুত্ব বৃদ্ধি পাইছে।

যুগে যুগে দাসসমাজ, সামন্তসমাজ, পুঁজিবাদ আৰু সাম্ৰাজ্যবাদৰ কবলত শাসক শোষকৰ চিন্তা চৰ্চ্চাকেই সমস্ত মানুহৰ ধ্যান ধাৰণা বুলি প্ৰচাৰ কৰি আহুৰা ভাবি অহাৰ তথ্য মাৰ্ক্সেই ডাঙি ধৰিছে। সাম্প্ৰতিক সমাজতন্ত্ৰলৈ উত্তৰণৰ যুগত সেয়ে আমাৰ কাম হ'ব বৃহত্তৰ শ্ৰমজীৱি মানুহৰ সংগ্ৰামী চিন্তা ভাৱনাক ব্যাপক ৰূপ দি জনপ্ৰিয় কৰি তোলা।

এঙ্গেলছে জোৰ দি লেখিছে, "Political, legal, philosophical, religious, literary, artistic, atc development is based on economic development. But all these react upon one another and also upon the economic basis. One must think that the eccnomic situation is cause and solely active, whereas every-

thing else is only passive effect. On the contrary interaction takes place on the basis of economic necessity, which ultimately always asserts itself."

(ৰাজনৈতিক, আইনগত, দাৰ্শনিক, ধৰ্ম, সাহিত্য শিল্প-কলা আদিৰ বিকাশ অৰ্থনৈতিক বিকাশৰ ওপৰতে ভিত্তি কৰে। কিন্তু ইহঁতে পৰস্পৰে ক্ৰিয়া-প্ৰতিক্ৰিয়া কৰে আৰু অৰ্থনীতিৰ ওপৰতো প্ৰভাৱ কৰে। মনত ৰখা দৰকাৰ যে অৰ্থনৈতিক অৱস্থাই হ'ল মূল ভেটি তথা সক্ৰিয় কাৰণ আৰু বাকী উপাদানবোৰৰ প্ৰতি-ক্ৰিয়া নিষ্ক্ৰিয়। আৰ্থিক প্ৰয়োজনতেই অন্তক্ৰিয়া চলে আৰু অৱশেষত সিয়েই ফলাফল নিৰ্দ্ধাৰণ কৰে।)

মানুহ কেৱল আহাৰ খাই জীয়াই থকা অনুন্নত জীৱ নহয়। মানসিক ক্ষুধা পূৰণৰ বাবে সেয়ে মানুহে শিল্প-কলা-সাহিত্য সংস্কৃতি সৌন্দৰ্য্যৰ চৰ্চা কৰে। এইবোৰক বাদ দিলে মানুহৰ জীৱন অসম্পূৰ্ণ হ'ব আৰু নীচক জন্তুৰে স্খলিত হ'ব। শিল্প কলাৰ এনে প্ৰয়োজনীয়তাই সমাজত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আৰু সেই বাবেই সমাজ পৰিবৰ্ত্তনত ইয়াৰ অসীম প্ৰভাৱ। বিবৰ্ত্তনকামী শিল্পীয়ে আৰ্থসামাজিক আৰু ৰাজনৈতিক কামকাজৰ লগে লগে বিপ্লৱী সংস্কৃতিৰ প্ৰচাৰৰ দ্বাৰা জনগণৰ চেতনাক উদ্বুদ্ধ আৰু উন্নত কৰিবলৈও সমান্তৰালভাৱে প্ৰচেষ্টা চলাই যাব লাগিব।

আধুনিক পাশ্চাত্যজগতৰ জনদিয়েক দাৰ্শনিকৰ ব্যাখ্যা

কেৱল আৰ্থ-ৰাজনৈতিক ক্ষেত্ৰতেই নহয় শিল্পকলাৰ ক্ষেত্ৰতো আমি দাৰ্শনিক হেগেলৰ নাম ল'ব পাৰোঁ। হেগেলে কলাৰ সকলো বিভাগ, চিত্ৰকলা, ভাস্কৰ্য্য, সাহিত্য, সঙ্গীত, কাব্য আদিক ঐতিহাসিক দৃষ্টিভঙ্গীৰে ব্যাখ্যা কৰিছিল। হেগেলৰ দৰ্শন আৰু যুক্তিতত্ত্বৰ এক গুৰুত্বপূৰ্ণ দিশ দ্বান্দ্বিক (Contradiction) তত্ত্বই জুৰি আছে। তেওঁ দ্বান্দ্বিক তত্ত্বক আত্মশক্তি বৃদ্ধি আৰু বিকাশৰ উৎস বুলি গ্ৰহণ কৰিছিল (Contradiction as the source of

self propulsion and self development, কলা শিল্পৰ আভ্যন্তৰীণ আন্দোলনত কোনো বিশেষ কালৰ বিপৰীত শক্তি সমূহৰ দ্বন্দ্বই (Clash of the hostile forces) প্ৰকাশ পায় বুলি হেগেলৰ অভিমত। এনে দ্বন্দ্বত কেৱল ব্যক্তি বিশেষেই নহয় আনকি এটা জাতিও জড়িত হ'ব পাৰে। হেগেলে হোমাৰৰ "ইলিয়াদ" মহাকাব্যৰ উদাহৰণ দিছে।

কলা শিল্পৰ বিচাৰতো দ্বান্দ্বিক পদ্ধতি ব্যৱহাৰ কৰাতেই দাৰ্শনিক হেগেলৰ শ্ৰেষ্ঠতা প্ৰকাশ পায়। তথাপি ঐতিহাসিক সীমাবদ্ধতাৰ হেতুকেই হবলা হেগেলৰ দ্বান্দ্বিক পদ্ধতি বস্তুবাদী নহৈ মুখ্যতঃ ভাববাদী (indealistic) হৈয়ে থাকিল।

ফায়াৰবাখ নামৰ দাৰ্শনিকজনে মত পোষণ কৰিছিল যে কলা হ'ল বাস্তৱজগতৰ ৰূপান্তৰিত ছবি (Transformed picture of the real world) ফায়াৰবাখৰ ব্যাখ্যাক লেনিনে সহানুভূতিৰে উল্লেখ কৰিছে।

ৰেনেচা যুগৰ স্বাধীনতাৰ স্পৃহা আৰু ব্যক্তিৰ বিকাশ আদিৰ প্ৰেৰণা দৰ্শনিক কাণ্টৰ চিন্তাত প্ৰতিভাত হৈছিল। পেট্ৰাকৰ অনুগামীসকলৰ মুক্ত আৰু মহিমামণ্ডিত মানবতাৰ সূত্ৰৰ স্পষ্ট ব্যাখ্যা দি কাণ্টে শৃংখলা, উচ্চতম সংস্কৃতি আৰু সুযোগ্য মুক্ত প্ৰকৃতিৰ লগত ন্যায়ৰ সুসমন্বয়ৰ ৰূপেৰে বিকাশপ্ৰাপ্ত হোৱা মানৱতাৰ সূত্ৰ ডাঙি ধৰে (highest culture with the power of rightness of free nature feeling its own worth)

দাৰ্শনিক নিৎছেৰ দেহতত্ব আত্মাৰ তত্বতকৈ বেচি গুৰুত্বপূৰ্ণ বোলা ('Body' is more striking than the 'soul') সূত্ৰৰ প্ৰভাৱ সমগ্ৰ প্ৰাশ্চাত্য জগততে পৰিল। কিৰ্কেগাৰ্ড, ছাত্ৰে, কেম্যু, মৰ্লি-পণ্টিৰ ওপৰত ইয়াৰ প্ৰচণ্ড প্ৰভাৱ পৰিল। ফক্‌নাৰে নোবেল বঁটা গ্ৰহণ কৰোঁতে উচ্চস্বৰে ক'লে—"এতিয়া আৰু অদেখা আত্মাৰ

সমস্যা নাই। ডেকা গাভৰুৱে অন্তৰ্জগতৰ দ্বন্দ্ব পাহৰি গৈছে। তেওঁলোকে আত্মাৰ কথাতকৈ দেহাৰ কথাহে লেখে"।

নিৎছেৰ প্ৰতিষ্ঠিত সকলো ধৰ্মীয়-নৈতিক ধ্যান-ধাৰণা ভাঙি দিয়া (Nihilism) তত্ত্ব কেম্যু আদিক প্ৰভাৱিত কৰাৰ উপৰিও দাৰ্শনিক ছাত্ৰে'ই অস্তিত্ববাদৰ সূত্ৰ ঘোষণা কৰিলে "Existentiatism is Humanism" (অস্তিত্ববাদেই মানবতাবাদ)। অস্তিত্ববাদৰ মতে মানুহ নিজতে মুক্ত। ই ব্যক্তিবাদী দৰ্শন হোৱা হেতুকে মানুহক সাংস্কৃতিক আৰু ঐতিহাসিক সমাজ প্ৰক্ৰিয়াৰ পৰা বাহিৰত ৰাখি ভ্ৰমাত্মক জগতত ডুবাই ৰাখে।

আধুনিক পাশ্চাত্য জগতৰ দাৰ্শনিকসকলৰ 'মানৱতা', 'আত্মা', 'দেহ'-সমাজ আৰু তৎজনিত শিল্পকলাৰ সামাজিক ব্যাখ্যাৰ বিপৰীতে কাৰ্ল মাৰ্ক্সে মানৱতাৰ বৈজ্ঞানিক ব্যাখ্যা দি লেখিছে যে মানৱতাৰ ব্যাখ্যা বিমূৰ্ত্তভাৱে বা ব্যক্তিবাদী দৃষ্টিভঙ্গীৰে নিদি মানুহৰ সামাজিক সম্পৰ্কৰ ওপৰত নিৰ্ভৰ কৰিহে দিব লাগে। যুক্তিবাদী আৰু সামাজিক প্ৰপঞ্চৰূপে, মাৰ্ক্সৰ মতে ব্যক্তিবিশেষৰ সম্পদ সমাজ সম্পৰ্কৰ সম্পদৰ লগত অঙ্গাঙ্গী সম্পৰ্ক। এইদৰে মাৰ্ক্সে বিমূৰ্ত্ত মানুহৰ পূজা কৰা ধাৰণাক প্ৰকৃত মানুহৰ বৈজ্ঞানিক ব্যাখ্যা আৰু তেওঁৰ ঐতিহাসিক বিকাশৰ সূত্ৰৰে নবালোক প্ৰদান কৰিলে। আধুনিক ফৰাচী চিন্তাবিদ লুচিয়ান চেভেই সঠিক ভাৱেই "Marxism is scientific humanism" (মাৰ্ক্সবাদ বৈজ্ঞানিক মানৱতাবাদ) বুলি আখ্যা দিলে।

মানৱতাবাদৰ বৈজ্ঞানিক ব্যাখ্যা মানুহৰ অৱধাৰিত সামাজিক সম্পৰ্ক আৰু মানব জাতিৰ বিকাশৰ ঐতিহাসিক দ্বান্দ্বিক প্ৰক্ৰিয়াৰ বস্তুবাদী ব্যাখ্যা আদিৰ ওপৰতেই ভিত্তি কৰি পৰৱৰ্ত্তীকালত মহান লেনিনে মাৰ্ক্সবাদৰ সমৃদ্ধি সাধন কৰে। আমি এই প্ৰবন্ধক সাহিত্য-সংস্কৃতি-কলা-শিল্পৰ বৈজ্ঞানিক দৃষ্টিভঙ্গী বিকাশত লেনিনৰ অৱদানকো সাঙুৰি মাৰ্ক্সীয় লেনিনীয় দৃষ্টিভঙ্গী বুলি আখ্যা দিম।

লেনিনৰ প্ৰতিফলন তত্ত্ব (Lenin's theory of Reflection)

চেতনাৰ স্তৰ হিচাপে কলা বাস্তৱজগতৰ প্ৰতিফলন। মাৰ্ক্সীয় লেনিনীয় সূত্ৰৰ মতে এটা যুগৰ উৎপাদন ব্যৱস্থা আৰু সংস্কৃতিৰ স্তৰক'হে শিল্পকলাত প্ৰতিফলিত কৰা হয়। অৱশ্যে কলাই মানুহৰ সময়ৰ সীমনা অতিক্ৰম কৰাৰ শক্তিও দিয়ে। শিল্পসৃষ্টিৰ প্ৰক্ৰিয়াত কলাকাৰে বাস্তৱৰ ছবি আঁকিবলৈ যাওতে কেৱল যুগসাপেক্ষ বাস্তৱতাকে প্ৰতিফলন নকৰে। বৰং দ্ৰষ্টা হিচাপে তেওঁ ভাবীকালৰ বিকাশৰ বাৰ্তাও বহন কৰিব পাৰে। সেইকালৰ পৰা কলা যুগজয়ী। শিল্পীয়ে আপোন সৃষ্টিৰ মাধ্যমেৰে অতীত, বৰ্ত্তমান, ভবিষ্যতৰ যি কথাই ক'ব নিবিচাৰক তাক এক নিৰ্দিষ্ট বাস্তৱতাৰ ভিত্তিতহে ক'ব পাৰে। কাৰণ অতীত অভিজ্ঞতাক বৰ্ত্তমানৰ মাজেদিহে ভবিষ্যতলৈ গতি কৰাব পাৰি। যিহেতু ইতিহাস প্ৰবাহমান সেয়ে ইতিহাসৰ ধাৰাবাহিকতা কোনোকালেই বিচ্ছিন্ন হ'ব নোৱাৰে।

শিল্পৰ স্বাভাৱিক অস্তিত্বৰ ওপৰত শিল্পীয়ে নতুন জীৱন (Second life) প্ৰদান কৰিব পাৰে। কাৰণ কোনো বস্তুৰ বাস্তৱ ৰূপৰ লগত শিল্পীয়ে নিজা সৃজনীক্ষমতা সংযোগ কৰি নতুন ৰূপ দিব পাৰে। সৃষ্টিৰে বাস্তৱক সৌন্দৰ্য্য সানি ৰূপান্তৰ সাধন কৰিব পাৰে। কলাৰ সকলো দিশতেই সামাজিক মানুহেই মুখ্য বিষয়বস্তু। মানুহে সমাজৰ মাধ্যমেদি প্ৰকৃতিত মানবত্ব আৰোপ কৰে। এনদৰে কবিয়ে গীতিকবিতাত সৰ্ব্বোপৰি তেওঁৰ অনুভূতি, অভিপ্সা আৰু জিজ্ঞাসাৰ যোগেদি বাস্তৱৰ প্ৰতি থকা নিজ অনুভৱকেই প্ৰকাশ কৰে। লেনিনে সেয়ে লেখিছে "Man's consciousness not only reflects the objective world, But creates it" (মানুহৰ চেতনাত কেৱল বাস্তৱ জগতখনেই প্ৰতিফলিত নহয়—তাক সৃষ্টিও কৰে)

মানুহে জগতখনক ৰূপান্তৰ কৰিব বিচাৰে। যিহেতু এই জগতখনে মানুহক সন্তুষ্ট কৰিব পৰা নাই সেয়ে মানুহে নিজ কামেৰে জগতখন পৰিবৰ্ত্তন কৰিব বিচাৰে (This world does not

satisfy man and decides to change it by his activity —Lenin)। উক্ত পৃথিৱীখন নিজা গতিতেই চলমান। মানুহে নিজা প্ৰয়োজনত বাস্তৱৰ বিপদ-বিঘিনিৰ লগত সংগ্ৰাম কৰি আনকি অসম্ভৱকো সম্ভৱ কৰি তোলে। মানুহৰ চেতনাই বাস্তৱজগতৰ পৰা বিশ্ববীক্ষা (world outlook) আহৰণ কৰে। কলা-শিল্পই জগতখনক পৰিবৰ্ত্তন কৰাৰ পথ, লক্ষ্য আৰু অৰ্থ প্ৰদান কৰি বিবৰ্ত্তনৰ উক্ত পথ এৰি সুন্দৰ পথ প্ৰদৰ্শন কৰে। গতিকে সক্ৰিয় জগতখন শিল্প-কলাৰ মাধ্যমেদি সৌন্দৰ্য্য - সুষমাৰে প্ৰকাশ পায়। ফলত শিল্প কলাৰ সৃষ্টি উক্ত ফটোগ্ৰাফ নহৈ আপোন নান্দনিক সৌন্দৰ্য্যেৰে ৰঞ্জিত হৈ পৰে।

সকল কলাকাৰে মূৰ্ত্ত জীৱন্ত, আৰু সঁচা সমাজ জীৱনৰ পৰাই শিল্প সৃষ্টি কৰে। তেনে শিল্পী সুনিৰ্দিষ্ট, বাস্তৱ, সজীৱ ঐতিহাসিক প্ৰেক্ষাপটতেই এটা বা অন্য যুগ অথবা এখন বা অন্যখন সমাজৰ প্ৰতিনিধিত পৰিণত হয়।

কলাকাৰৰ সৃষ্টিপ্ৰণালী বৰ কষ্টসাধ্য আৰু বহুমুখী। এনে জটিল সৃষ্টি প্ৰক্ৰিয়াই তত্ত্ব আৰু কাৰ্য্যকৰণ, ইতিহাস আৰু পৰিকল্পনা, অতীত, বৰ্ত্তমান তথা ভবিষ্যত, ব্যক্তিগত তথা সামাজিক চেতনা, যুক্তি আৰু অনুভূতি, অনুসন্ধান আৰু ফলাফল, কমবেচি পৰিমাণে বাস্তৱতা আৰু কেৰটাহী আৰু বাস্তৱতা আৰু কল্পকাহিনী আদিক সাঙুৰি লয়। কলা-সুলভ সৃষ্টি পদ্ধতিত ব্যক্তিবাদীতা আৰু নৈৰ্ব্যক্তিকতাই পৰস্পৰক প্ৰভাবিত কৰি ৰূপান্তৰ সাধন কৰে। এই দৰে শিল্পীৰ সৃষ্টি প্ৰক্ৰিয়াই সৃষ্টিশীল, নন্দনতাত্বিক, আদৰ্শগত, শিক্ষাগত আৰু বিশ্ববীক্ষাগত সম্পৰ্কীয় অনেক কাৰ্য্য সাধন কৰে।

লেনিনৰ প্ৰতিফলন সূত্ৰই আধুনিক বিজ্ঞানৰ অৱদানক প্ৰয়োগ কৰিছে। এই তত্বই আধুনিক কলা-বিজ্ঞান আৰু কলাৰ বৈজ্ঞানিক সৃষ্টি প্ৰক্ৰিয়াক পথ প্ৰদৰ্শন কৰিছে। লেনিনে বিভিন্ন প্ৰসঙ্গত বিশেষকৈ পাৰ্টি সাহিত্যৰ প্ৰসঙ্গ আৰু টলষ্টয়ৰ সাহিত্য বিচাৰৰ সম্পৰ্কৰ

প্ৰৱৰ্দ্ধমানিত অতি সুন্দৰকৈ এই তত্ত্বক বাস্তৱত প্ৰয়োগ কৰি তেওঁৰ অনুগামীসকলক চানেকি দেখুৱাই থৈ গৈছে। লেনিনৰ এই প্ৰতিফলন সূত্ৰৰ আলোকতেই পৰৱৰ্ত্তী সমাজতান্ত্ৰিক কলাকাৰসকলে শিল্প-সাহিত্য চৰ্চ্চা কৰাৰ আঁকিয়া ভঙি ধৰিছে।

সমাজৰ লগত শিল্পকলাৰ সম্পৰ্ক :

বুৰ্জোৱাসকলে প্ৰচাৰ কৰাৰ দৰে সাহিত্য-সংস্কৃতি স্বয়ংসম্পূৰ্ণ সমাজবিচ্ছিন্ন আৰু বিশুদ্ধসৃষ্টি নহয়। বৰঞ্চ কলা সমাজৰহে প্ৰতি-ফলন। আধুনিক শ্ৰেণী সমাজত শ্ৰেণীস্বাৰ্থৰ ফলকৰ মাধ্যমেদিহে সমাজৰ বাস্তৱতাই শিল্পকলাত প্ৰতিফলিত হয়। প্লেখানভৰ মতে কোনো অস্থায়ী আৰু অস্থিৰ বাস্তৱতাইও সফল স্ৰষ্টাৰ হাতত স্থায়ী আৰু যুগজয়ীৰূপ পাব পাৰে। সেয়ে সমাজ জীৱনৰ লগত শিল্প-কলাৰ অবিচ্ছিন্ন সম্পৰ্ক।

মাৰ্ক্সীয়-লেনিনীয় দৃষ্টিভঙ্গীত শিল্পৰ ৰাজনীতি, দৰ্শন, নৈতিকতা, ধৰ্ম্ম আদি বিভিন্ন সামাজিক অভিব্যক্তিৰ লগত অভিন্ন সম্পৰ্ক। এই সম্পৰ্কবোৰৰ অবিহনে শিল্পই সামাজিক দায়বদ্ধতা পালন কৰিব নোৱাৰে। তাৰোপৰি কেৱল সভ্য মানুহৰহে যিহেতু সংস্কৃতি আছে আৰু সকলো সভ্য মানুহেই যিহেতু সমাজবদ্ধ, সেয়ে প্ৰকৃত কলা-শিল্প কেতিয়াও সমাজ চেৰা হ'ব নোৱাৰে।

কলা আৰু ৰাজনীতি :

বহুতেই মত পোষণ কৰে যে কলা আৰু ৰাজনীতি দুটা সম্পূৰ্ণ বিপৰীত ধৰ্মী বস্তু। গতিকে দুয়োটাৰে মাজত সম্পৰ্ক অসম্ভৱ। কো-নোৱে কয় যে ৰাজনীতি অস্থায়ী আৰু অস্থিৰ; শিল্প হ'ল বিশ্বজনীন আৰু অমৰ। সেয়ে দুয়োটাৰে সম্পৰ্ক অহী-নকুল। আন বহুতে আকৌ শিল্পত ৰাজনীতিৰ গোন্ধ পালে তাক অশিল্প, অবিধেয় আৰু গ্ৰহণযোগ্য নহয় বুলি দূৰতে নাক কোঁচায়। বাস্তৱ বিচাৰত পিছে এইবোৰ অমূলক আৰু মতলৱবাজী প্ৰচাৰ বুলিয়েই প্ৰমাণ হয়। যি ৰাজনীতিত নিযুক্ত মানুহে অংশগ্ৰহণ কৰে সেই ৰাজনীতিক শিল্প-সংস্কৃতিৰ পৰা আঁতৰাই

ৰাখি পুঁজিবাদী সমাজত প্ৰতিক্ৰিয়াশীল ৰাজনৈতিক ধাৰণাক ৰক্ষণা-বেক্ষণ দিয়াৰ বাহিৰে আন একো নহয়। সেই কাৰণেই আজি বাস্তৱবাদী লেখকে প্ৰতিবাদী ধ্বনি তুলিছে।

আলেকজেণ্ডাৰ ব্লকে বুদ্ধিজীবিসকলক আহ্বান জনাইছে— "Listen to the revolution" (বিপ্লৱৰ ধ্বনি শুনা) বুলি। কিউবাৰ লেখক ভাৰ্জিলো পিনাৰোৱে বিপ্লৱৰ ঘণ্টাধ্বনি শুনিবলৈ শিল্পীসকলক উদাত্ত আহ্বান জনাইছে। পোলেণ্ডৰ অভিনেতা লিয়ন স্কিলাৰে ১৯২৮ চনতেই নিৰ্দ্দেশ দিছিল এই বুলি —"নাটকৰ দিশ হওঁক বামপথত আৰু শিৰ উচ্চ ৰখাৰ কালে। বিষয় বস্তু হওক সাম্প্ৰতিক জীৱন। এই যুগৰ আশা আকাংক্ষা আৰু অহাকালিৰ সমাজ গঠনৰ সংগ্ৰাম"।

আজি ৰাজনীতিয়ে মানুহৰ ব্যক্তিগত আৰু সামাজিক জীৱন এনেদৰে আগুৰি ৰাখিছে যে মানুহক ৰাজনৈতিক প্ৰাণী (Political animal) বুলি আখ্যা দিব পাৰি। ৰাজনৈতিক বিপ্লৱৰ যোগেদিহে সমাজৰ আমূল পৰিবৰ্ত্তন সম্ভৱ। এনেক্ষেত্ৰত ইমান গুৰুত্বপূৰ্ণ ৰাজনীতিক কলা সংস্কৃতিৰ পৰিমণ্ডলৰ পৰা বাদ দিব নোৱাৰি। সেইবাবেই আজি শিল্প-সাহিত্য-সঙ্গীত-নাটক-বোলছবি আদি সকলোতে ৰাজনৈতিক বিষয় বস্তুৱে গুৰুত্ব পাইছে। অৱশ্যে "ৰাজনৈতিক শিল্প" মানে কলাকৃষ্টিত ৰাজনৈতিক সমস্যাক প্ৰত্যক্ষভাৱে ব্যৱহাৰ কৰি তাক শিল্পজগতৰ অঙ্গলৈ ৰূপান্তৰ কৰাকে বুজায়। আজি প্ৰগতিশীল কলাকাৰ আৰু বিশুদ্ধ কলাকাৰৰ মাজত হোৱা দ্বন্দ্ব হ'ল সমাজত চলা শ্ৰেণী সংগ্ৰামৰেই প্ৰতিফলন। সমাজতান্ত্ৰিক সমাজত কলা সাহিত্যৰ লগত একীভূত হৈ পৰিছে আৰু সুস্থ ৰাজনীতিয়েও সৃজনশীল শিল্পৰ সৃষ্টিত অনুপ্ৰেৰণা যোগাইছে।

এইখিনিতে অৱশ্যে সাৱধান হ'বলগা আছে যে ৰাজনীতিৰ সৰলীকৰণ, উকা শ্লোগান, নীচক প্ৰচাৰ আৰু গোড়ামীয়ে যথাৰ্থ শিল্প-সংস্কৃতিৰ বাচ্যভুক্ত হ'ব নোৱাৰে। কলা-শিল্পৰ ৰাংপানী ছটিওৱা

ৰাজনৈতিক আদৰ্শ প্ৰকৃত শিল্প নহয়। শিল্পীৰ সত্তাতেই ৰাজনৈতিক অৰ্থ অন্তৰ্নিহিত হৈ থাকিব লাগিব। শিল্পৰ মাজত ৰাজনীতিৰ স্বকীয়া জীৱন থাকিব নোৱাৰে। লেখকৰ প্ৰতিভা, সততা সত্য-নিষ্ঠতা আৰু নিৰপেক্ষতাই তেওঁৰ সৃষ্টিত ৰাজনৈতিক আদৰ্শক জীণ নিয়াই ল'ব পাৰে। মাৰ্ক্স-এঙ্গেলছেও শিল্পক কোনো যুগৰ ৰাজনৈতিক আদৰ্শৰ মুখপাত্ৰলৈ ৰূপান্তৰ কৰা কামৰ ঘোৰ বিৰোধিতা কৰিছিল।

শিল্প আৰু নৈতিকতা

কলাক নৈতিকতাৰ পৰাও আঁতৰাব নোৱাৰি। ব্যক্তি আৰু সমাজ শৃংখলাৰ কিছুমান নীতিৰে বন্ধা। গতিকে সমাজৰ প্ৰতিফলন শিল্প কলাত স্বতঃস্ফূৰ্ত ভাৱেই নীতিবোধতা অন্তৰ্নিহিত হৈয়েই থাকে। বেলীনস্কীয়ে ক'বৰ দৰে কলাৰ উদ্দেশ্য হ'ল সমাজৰ ধৰণ কৰণৰ মাজৰ পৰা মানব চৰিত্ৰক জীৱন্ত ৰূপ দিয়া। এনে-দৰে জীৱন্ত চৰিত্ৰ সৃষ্টি কৰাতেই সমাজৰ নীতি - আচৰণ গ্ৰহণ বৰ্জনৰ দ্বাৰা কলাত মানদণ্ডবো প্ৰতিফলন কৰা হয়।

মানুহেই যেতিয়া কলাৰ মুখ্য বিষয় আৰু মানুহৰ সমাজ-সম্পৰ্ক যিহেতু নানা ৰীতি নীতিৰে বন্ধা, সেই হেতুকে শিল্পত সেইবোৰ ৰীতিনীতি সোমাই নপৰাৰ কোনো মানে নাই। কিন্তু সচেতন শিল্পীৰ বাবে এনে নৈতিকতাৰ অন্ধ অনুকৰণৰ প্ৰশ্নই নুঠে। টলষ্টয়ে তেওঁৰ 'Resurrection' নামৰ উপন্যাসখন সকলো মানুহলৈ মুকলি চিঠি বুলি অভিহিত কৰিছে। কাৰণ, কলা হ'ল মানুহৰ কিছুমান বিশ্ব দৃষ্টিবো বাৰ্তাবাহক। গতিকে নৈতিকতাৰ ক্ষেত্ৰতো প্ৰগতিশীলতা আৰু প্ৰতিক্ৰিয়াশীলতাৰ প্ৰশ্নটো অৱধাৰিত ভাৱেই আহি পৰে। সত্যৰ ওপৰত প্ৰতিষ্ঠিত সুস্থ, বৈজ্ঞানিক যুক্তিনিষ্ঠ, ইতিবাচক, সংগ্ৰামী, গতিশীল ৰীতি নীতিক কলাত গ্ৰহণ কৰা আৰু তাৰ বিপৰীতে কুসংস্কাৰ, গোড়ামী, অবৈজ্ঞানিক পলায়নবাদী, হতাশাগ্ৰস্ত আৰু স্থিতাৱস্থা বাহাল ৰখা নৈতিকতাৰ বিৰুদ্ধে অৱশ্যেই কলম চলাব লাগিব।

সবল জীৱনমুখী চৰিত্ৰই মানুহৰ চিৰলগীয়া হ'ব পাৰে। সেইবোৰে নৈতিকতাৰ ন-শিক্ষাও সমাজক দিব পাৰে। সমাজতান্ত্ৰিক সাহিত্যৰ নৈতিকতাই মানবতাৰ মহান শিক্ষা দিব পাৰে। বিপৰীতে শ্ৰেণী সমাজৰ সাহিত্য কলাই অনৈতিকতাৰ পিতনিত মানৱতাক পিষ্ট কৰে।

কলা শিল্প আৰু দৰ্শন

গ্যেটেৰ "ফাউষ্ট" আৰু টলষ্টয়ৰ "যুদ্ধ আৰু শান্তি"ত আমি দাৰ্শনিক দৃষ্টিভঙ্গীৰ প্ৰত্যক্ষ প্ৰকাশ দেখা পাওঁ। অৱশ্যে কলাকাৰে সাধাৰণতে সদায় দাৰ্শনিক সমস্যাক পোনপটীয়াকৈ শিল্পত ৰূপ নিদিয়ে। তথাপি এইকথা ক'বই লাগিব যে শিল্প কলাত কোনো নহয় কোনো দাৰ্শনিক অৰ্থ তথা সামাজিক ধ্যান অন্তৰ্নিহিত হৈ থাকেই। কলা শিল্পত থকা বক্তব্যৰ মাজেদিয়েই জীৱনৰ অৰ্থ ভাবীকালৰ পথনিৰ্দ্দেশ, মানুহৰ অস্তিত্ব আৰু বীপ্সবীক্ষা ফুটি উঠে। অৱশ্যে এনে দাৰ্শনিক ভাবধাৰা শিল্পত ওপৰৰ পৰা জাপি দিয়া হ'ব নেলাগিব। ই বক্তব্য আৰু আঙ্গিকৰ যোগেদিয়েই কলাত্মক ৰূপত প্ৰকাশ পাব লাগিব।

সৃষ্টিকৰৰ নিজা দৃষ্টিভঙ্গীৰ ওপৰত কলাৰ দৃষ্টিভঙ্গীও ভালেখিনি নিৰ্ভৰ কৰে। তেওঁ যদি প্ৰগতিশীল চিন্তা ধাৰাৰ লোক হয় তেন্তে তেওঁৰ সৃষ্টিতো তেনে ভাব ধাৰাই প্ৰকাশ পায় আৰু প্ৰতিক্ৰিয়াশীল দৰ্শনৰ লোক হ'লে তেওঁৰ শিল্পতো প্ৰতিক্ৰিয়াশীল ভাবেই ফুটি উঠে। অৱশ্যে সকলো সময়তে শিল্পী নিজে সুস্পষ্ট দাৰ্শনিক নহ'লেও যুগৰ আৰু সমাজৰ সবল সৰ্ব্বাত্মক দৰ্শনে তেওঁৰ সৃষ্টিত চেতন বা অচেতন প্ৰভাৱ কৰে। মুঠতে ৰাজনীতি, নৈতিকতা, দৰ্শন কলা আদি পৰস্পৰে অঙ্গাঙ্গী, সামাজিক সচেতনতাৰ ৰূপ। কিন্তু ধৰ্ম্মৰ লগত শিল্পকলাৰ সম্পৰ্ক বেলেগ।

কলা আৰু ধৰ্ম্ম

কলা আৰু ধৰ্ম্ম দুয়োটাই কাল্পনিক উপাদান। দুয়োটাৰ মাজত

অৱশ্যেই যথেষ্ট পাৰ্থক্য আছে। কলা শিল্প হ'ল বাস্তবৰ প্ৰতিফলনৰ ৰূপান্তৰ। কিন্তু ধৰ্ম্ম হ'ল বাস্তৱৰ এক বিকৃতৰূপৰ কল্পনা। গতিকে ধৰ্ম্ম আৰু বিজ্ঞানৰ দৰে কলা আৰু ধৰ্ম্মও পৰস্পৰে বিপৰীত ধৰ্ম্মী। বিজ্ঞানৰ দৰে কলাইও জীৱনৰ সত্যৰূপ প্ৰকাশ কৰে, বাস্তৱক শাসন কৰাৰ চেষ্টা কৰে। বিপৰীতে ধৰ্ম্ম হ'ল মানুহৰ সবলতা নহয় দুৰ্ব্বলতাৰহে প্ৰকাশ। বাস্তৱতা আৰু প্ৰকৃতিয়ে মানুহক শাসন কৰাৰ ছবিহেই প্ৰতিফলন কৰে।

কলা আৰু ধৰ্ম্মৰ বৈপৰীত্য ইতিহাসৰ গতিত লক্ষ্য কৰা কৰা হয়। ১৭ শ শতিকালৈকে কলা শিল্প ধৰ্ম্মৰ বিভিন্ন ৰূপৰ লগত প্ৰত্যক্ষ প্ৰভাৱত বিকাশ লভিছিল। মধ্যযুগৰ আনকি ৰেনেচাঁ যুগৰো প্ৰায়বোৰ শিল্প কলাই ধৰ্ম্মৰ লাখুটিত আঁউজি গঢ লৈছিল। কলা-কৃত্তিবোৰে বহু শতিকা জুৰি বহুতো কাৰণত ধৰ্ম্মৰ লগত অবিচ্ছিন্ন-ভাৱে বিকাশ লাভ কৰিছিল। প্ৰথমতে প্ৰাচীন ধৰ্ম্মবোৰে কল্প-কাহিনী (mythology) ৰ ৰূপ লৈছিল। এই ধৰ্ম্মীয় কল্প-কাহিনীবোৰ আছিল প্ৰকৃতিৰ ওচৰত মানুহৰ অসহায়তাৰ প্ৰকাশ আৰু এইবোৰ মানুহৰ কল্পনাক কলা ৰূপ দিয়াৰ প্ৰথম প্ৰচেষ্টাও আছিল। দ্বিতীয়তে, সমগ্ৰ মধ্যযুগ জুৰি সামন্ত প্ৰভু, ধৰ্ম্মগুৰু আৰু গীৰ্জাই ৰাজনীতি, সমাজ আৰু শাসন ব্যৱস্থা দখল কৰি ৰখাত কলাশিল্পও ধৰ্ম্মৰ দ্বাৰা প্ৰভাৱিত হৈছিল। মাথোন ১৭ শতিকাৰ নৱজাত বুৰ্জোৱাই ধৰ্ম্ম আৰু গীৰ্জাৰ বিৰুদ্ধে চলোৱা সংগ্ৰামৰ ফলস্বৰূপে শিল্পকলাই ধৰ্ম্মৰ কুহকী আবেষ্টনীৰ পৰা মুক্তি পায়। লগে লগেই কলাৰ মুক্ত আৰু বাস্তৱ ৰূপত জয়যাত্ৰা আৰম্ভ হ'ল।

কলাত সমালোচনাত্মক বাস্তৱতা (Critical Realism in Art):

ৰেনেচাঁ-যুগে কলাত সমালোচনাত্মক দৃষ্টিভঙ্গী প্ৰবৰ্ত্তনৰ পথো মোকলাই দিলে। এই বিচাৰ ধাৰাত শিল্পীয়ে আপোন তীক্ষ্ণ দৃষ্টিত ধৰা পৰা সমাজ জীৱনৰ দ্বন্দ্ব আৰু মানবতাৰ দ্বন্দ্বক একাকাৰ কৰে। পুঁজিবাদী ব্যৱস্থাত এতিয়াও এনে ধাৰাৰ শিল্প সৃষ্টি

কৰা হয়। সমালোচনাত্মক কলাই বুৰ্জোৱা সমাজৰ বিপৰীত দ্বন্দ্বৰ চিত্ৰ ডাঙি ধৰি ভালেখিনি উপকাৰী কাৰ্য্য সমাধান কৰে। কিন্তু আজিৰ সমাজতান্ত্ৰিক ভাবধাৰাৰ যুগত কলাকৃতিৰ এইখিনি ভূমিকাই যথেষ্ট নহয়। আজি সমাজতন্ত্ৰ নিৰ্ম্মাণৰ বাবে বুৰ্জোৱাৰ স্বৰূপ উদঙাই দেখুওৱাটোৱেই কলা শিল্পৰ চূড়ান্ত কাম নহয়। কলা-শিল্পই আজি পুঁজিবাদৰ নগ্নৰূপ উন্মোচন কৰাৰ লগে লগে সমাজ চেতনাক সমাজতন্ত্ৰ নিৰ্ম্মাণৰ পথ আৰু বাস্তবতাৰ নিৰ্দ্দেশনাও দিব লাগিব। এনে ঐতিহাসিক পৰিপ্ৰেক্ষাতেই আমি বিশ্ব বিখ্যাত কলাকৃতিৰ মূল্যায়ন কৰিব লাগিব।

এঙ্গেলছে উদ্ধৃকিয়াই দেখুৱাইছে যে ইয়চেনৰ টাইপ চৰিত্ৰ বিলাকে সেই সময়ৰ নৰৱেৰ বুৰ্জোৱা চৰিত্ৰৰে প্ৰতিফলন কৰিছে, ডান্টেৰ চৰিত্ৰবোৰে প্ৰাচীন সামন্তবাদৰ পতন আৰু নব্য পুঁজিবাদৰ উত্থানৰ ছবি আঁকিছে। বালজাকৰ চৰিত্ৰবোৰে তেওঁৰ সময়ৰ ৰাজতন্ত্ৰৰ অৱ-ক্ষয়ৰেই গভীৰ আলোকপাত কৰিছে আৰু গ্যেটেও তেওঁৰ সমকালীন সমাজৰ যথাযথ চিত্ৰণ কৰিছে। আনহাতে লেনিনৰ মতে টলষ্টয়ৰ সৃষ্টিত জাৰৰ শাসনৰ উৎপীড়ণ নিষ্পেষণ আৰু লাঞ্ছিত কৃষকৰ বাস্তব অৱস্থা প্ৰকাশ পালেও যুগৰ সীমনাৰে সীমাবদ্ধ হৈ ভাবীকালৰ বিপ্লৱী বিস্ফোৰণৰ দ্ৰষ্টা টলষ্টয় হ'ব নোৱাৰিলে।

বিখ্যাত ইংৰাজ ঔপন্যাসিক ডিকেন্সৰ সাহিত্যত সেই যুগৰ নিৰ্ম্মাণ পুঁজিবাদী শোষণৰ বলি শ্ৰমিক কৃষক অনাথ শিশু আৰু নিপীড়িত মানুহৰ দুৰ্দশা অতি কৰুণ অথচ চিত্তাকৰ্ষক ভাবে অঙ্কিত হৈছে। সেই দুৰ্গত মানুহবোৰৰ প্ৰতি তেওঁৰ সীমাহীন দৰদ, আন্ত-ৰিক সহানুভূতি আৰু সেই অমানৱীয় সমাজ ব্যৱস্থাৰ প্ৰতি তেওঁৰ প্ৰচণ্ড ঘৃনা আৰু ক্ৰোধো ডিকেন্সৰ উপন্যাসবোৰত সাৱলীলভাৱে প্ৰকাশ পাইছে। মাৰ্ক্স এঙ্গেলছেও এইখিনি লৈকে ডিকেন্সক বিপ্লৱী লেখক বুলি শলাগিছে। পিচে ডিকেন্সৰ সৃষ্টিত উত্তৰণৰ পথ নাই। নাই পৰিত্ৰাণৰ বাস্তৱ ব্যৱস্থা। সমালোচনাত্মক বাস্তৱতাৰ অগ্ৰগামী

বিশ্বৰীক্ষাৰ ক্ষেত্ৰত এই খিনিয়েই সীমাবদ্ধতা। জৰ্জ বাৰ্ণাৰ্ড শ্ব, জৰ্জ চেণ্ড, এমিল জোলা, কুপ্ৰিণ, এইছ, জি, বেলজ, গলছৱৰ্দী আদিৰ সৃষ্টিতো এনে সীমাবদ্ধতাই প্ৰকাশ পাইছে।

কলাৰ সামাজিক দায়বদ্ধতাৰ ক্ষেত্ৰত সমালোচনাত্মক ধাৰাৰ মূল্য নাই বুলি কোৱাটো মূঢ়তা মাথোন। বুৰ্জোৱাৰ সমাজ অদ্যাপিও মহা প্ৰতাপেৰে বৰ্ত্তি থকাৰ পৰিপ্ৰেক্ষিতত বুৰ্জোৱা সমাজৰ দ্বন্দ্ব আৰু সিহঁতৰ ভণ্ডামীৰ মুখা খুলি দিয়াৰ যথেষ্ট প্ৰয়োজনীয়তা এতিয়াও আছে। আমাৰ কথা হ'ল যে গতিশীল চেতনাৰ শিল্পীৰ কাজ-কৰ্ম আৰু সৃষ্টি ইয়াতে সীমাবদ্ধ নেথাকি সমাজতান্ত্ৰিক বাস্তৱবাদৰ (Socialist Realism) ফালেও অগ্ৰসৰ হ'ব লাগে।

কলাত সমাজতান্ত্ৰিক বাস্তৱবাদ (Socialist Realism in Art)

"অক্টোবৰ বিপ্লৱ তথা পৰৱৰ্ত্তী সমাজতান্ত্ৰিক বিপ্লৱ আৰু সমাজতান্ত্ৰিক বিশ্বগঠনৰ লগে লগে কলা-শিল্পতো যুগসাপেক্ষে সমাজতান্ত্ৰিক বাস্তৱবাদৰ সূত্ৰ প্ৰৱৰ্ত্তন হয়। ছোভিয়েট ৰাচিয়াৰ বিপ্লৱী মনীষা মেক্সিম গৰ্কী এই ধাৰা সাহিত্য শিল্পৰ প্ৰৱৰ্ত্তক আৰু ধাৰক বাহক। তেওঁৰ মতে-

"In its basis art is the struggle for or against", Wrote M. Gorky. "There is not nor can there be any indifferent art because man is not a camera, he does not fix reality but either affirms or changes, destroys it"

(কলাৰ ভিত্তি হ'ল সংগ্ৰাম কথা। মানুহ কেমেৰা নহয় বাবে কলাও নিৰপেক্ষ বা সম্পৰ্কহীন নহয় বা হ'ব নোৱাৰে। মানুহে কলাত বাস্তৱতা নিৰ্ণয় নকৰে; তেওঁ বাস্তৱতা দৃঢ় কৰে নতুবা পৰিবৰ্ত্তন কৰে, নাইবা ধ্বংস কৰে)

মায়াক'ভস্কীয়ে " কলা শিল্পত চূড়ান্ত বিপ্লৱীধাৰা," (extremely revolutionary trend in art) প্ৰকাশত বিশ্বাস কৰিছিল।

মাৰ্ক্স-এংগেলছ-লেনিন-প্লেখানভ-লুনাচাৰ্স্কীৰ বিপ্লৱী মতবাদৰ লগত

গৰ্কীৰ নতুন সংযোজনসহ ইতিহাসৰ যুগমীয়া সূত্ৰ হ'ল সমাজতান্ত্ৰিক বাস্তৱবাদ। গৰ্কীৰ মতে— "শিল্পত আমি কেৱল অতীত আৰু বৰ্তমানৰ দ্বৈত বাস্তৱতাকে নিবিচাৰোঁ। আমি কলাত তৃতীয় বাস্তৱতাৰ ভৱিষ্যতকো প্ৰতিফলিত কৰিব লাগিব। তাৰ অবিহনে সমাজতান্ত্ৰিক বিচাৰধাৰা অপূৰ্ণ হৈ থাকিব।" আৰু "সমাজতান্ত্ৰিক বাস্তৱতাই কোনো কাম বা সৃষ্টিক বুজায় যাৰ উদ্দেশ্য হ'ল মানুহৰ ব্যক্তিগত সামৰ্থক নিৰবিচ্ছিন্নভাৱে বিকাশ সাধন কৰা, যাতে তেওঁ প্ৰকৃতিৰ ওপৰত জয়লাভ কৰিব পাৰে, যাতে তেওঁ স্বাস্থ্যবান, দীৰ্ঘজীৱি হ'ব পাৰে আৰু এই পৃথিৱীতেই মহৎ সুখ আৰু আনন্দ লাভ কৰিব পাৰে। তাৰ বাবেই মানুহে অসীম প্ৰয়োজন পূৰণৰ অৰ্থে জগতখনৰ আমূল পৰিবৰ্তন সাধন কৰি মানৱ জাতিক এটা পৰিয়ালৰ দৰে বাস কৰিব পৰা এখন সুন্দৰ বাসস্থানলৈ ৰূপান্তৰ কৰিব খোজে।"

সমাজতান্ত্ৰিক বাস্তৱবাদৰ প্ৰৱক্তাসকল হ'ল-গৰ্কী, মায়াক'ভস্কী, চাৰ্জি প্ৰকোফিয়েভ, দ্ৰিমিট্ৰি ছস্তাকভিচ, ভেৰা মুখিনা, ৰবিচ জ'হানচন, চাৰ্জি আইজেনষ্টাইন, ব্ৰিগা ভাৰটভ, আইজাক ছুনায়েভস্কী আৰু অট্ৰচভস্কী আদি শিল্পী-সাহিত্যিক কবিসকল। ৰোঁমা ৰোলাক সমাজতান্ত্ৰিক বাস্তৱবাদৰ সবল ধাৰাই আকৰ্ষণ কৰিছিল। তেওঁ লেখিছিল— "In my research into Socialist realism I want to show its renewal of subjects and characters, its harmonious health and its mighty power" (সমাজতান্ত্ৰিক বাস্তৱবাদৰ গৱেষণাত মই ইয়াৰ বিষয় আৰু চৰিত্ৰবোৰৰ পুনৰজীৱন বিচাৰোঁ, ইয়াৰ সু-সঙ্গত সবল স্বাস্থ্য আৰু অভূতপূৰ্ব্ব শক্তি মই বিচাৰোঁ।)

শিল্পকলাৰ এই নতুন, জীৱন্ত আৰু ভাবীকালৰ ন-দিগন্ত প্ৰসাৰী পৰিমণ্ডলত অসংখ্য কলাসেৱীয়ে যোগদান কৰিলেহি। বাৰ্টোল্ট ব্ৰেখট, আৰ্নেষ্ট হেমিংৱে, পল ৰবচন, পাবলো নেৰুডা, মাও-

ছেটুং। হো চি মিন, ছে-গুৱেভাৰা, চাৰ্লি চেপলীন, চলোকভ, ফিজ-জাৰেল্ড, কডৱেল, পাবলো পিকাছো, গাৰ্ছিয়া লৰ্কা, গ্ৰাহাম গ্ৰীণ আৰু মুন্সী প্ৰেমচন্দ আদিয়ে এই দিশ উজ্জলাই তুলিলে।

ধ্ৰুপদী কলাই (Classical works of art) আধুনিক যুগতো মানুহক ভীষণ ভাৱে আকৰ্ষিত কৰিব পাৰে। কাৰণ যুগ সাপেক্ষে তেনে কলাশিল্পৰ সামাজিক তাগিদাৰ ফলত নতুন ব্যাখ্যা আৰু নতুন সংযোজন-বিয়োজন হোৱাত নন তথ্য আৰু নতুন নতুন সত্য উদ্ঘাটন হৈছে। সেয়ে তেনে কলা যুগজয়ী হ'ব পাৰিছে। কিন্তু সমাজতান্ত্ৰিক বাস্তৱবাদৰ স্ৰষ্টা, দ্ৰষ্টা আৰু সংৰক্ষণকাৰী হৈছে জনগণ। ই সমাজ জীৱনৰ উপৰোৱা ব্যাখ্যা নহয়। বৰং এনে শিল্পই জীৱনৰ গভীৰতম প্ৰদেশত প্ৰৱেশ কৰি সমাজ জীৱন অধিকতৰ উন্নত, সংহত, বৈজ্ঞানিক আৰু প্ৰগতিশীল কৰাত সহায় কৰে।

বুৰ্জোৱা শিল্প-সংস্কৃতিৰ গৰ্ভতেই জন্ম হ'লেও সমাজতান্ত্ৰিক সংস্কৃতি সমসাময়িক বুৰ্জোৱা সংস্কৃতিৰ ধাৰাবাহিকতা নহয়। অৱশ্যে প্ৰগতিশীল, সমাজতান্ত্ৰিক আৰু গণতান্ত্ৰিক সংস্কৃতিয়ে বুৰ্জোৱাৰ সমসাময়িক কলা শিল্পৰ ধাৰাৰ পৰাও উন্নত সমল গ্ৰহণ কৰি কলা-শিল্পৰ সামাজিক মান পৰিবৰ্ত্তন কৰে। সমাজ বিবৰ্ত্তনৰ ইতিহাসে দেখুৱায় যে অতীতৰ ভাববাদী সংস্কৃতিক বৰ্ত্তমান আৰু ভবিষ্যতৰ বিকাশশীল সংস্কৃতিলৈ ৰূপান্তৰ কৰাত বুৰ্জোৱা সামন্তই সহায় নকৰে। অতীতৰ প্ৰগতিশীল ধাৰাক গ্ৰহণ কৰি সাম্প্ৰতিক উন্নত ধাৰাৰ লগত সংযোজন কৰি ভাবীকালৰ সমাজতান্ত্ৰিক বাস্তৱবাদী সংস্কৃতি সৃষ্টি কৰাত নিৰন্তৰ সমল যোগায় মাথোঁন শ্ৰমকাৰী মানুহেহে।
সমালোচক লুনাচাৰ্স্কীয়ে লেখিছে—"The artist is valuable when he turns up virgin soil, When he intuitively breaks into a sphere which logic and statistics would find hard to penetrate" (উৰ্ব্বৰা পৃথিৱীক জগাই তুলিব পৰা

শিল্পীজনেই মূল্যবান কলাকাৰ—যেতিয়া তেওঁ যুক্তি আৰু পৰি-সংখ্যাই ভেদ কৰিব নোৱাৰা জগতখনক স্বত ঃ স্ফূৰ্ত আবেগেৰেই জয় কৰিব পাৰে)। কলাৰ এনে গভীৰতাৰ কথা উপলব্ধি কৰিয়েই তেওঁ আৰু কৈছে "সৰ্ব্বহাৰাৰ জীৱন আৰু অভিজ্ঞতাৰ গভীৰত প্ৰবেশ কৰি ·· ··· বিস্তৃত বিশালৰূপ আঁকি আমাৰ চাৰিওফালে ঘটা কাণ্ড কাহিনীৰ প্ৰণালীৰ বিষয়ে মতামত দি চৌদিশত চলা দ্বন্দ্বাত্মক সংগ্ৰামৰ চিত্ৰ অঙ্কন কৰি, কোনে জয়লাভ কৰিব দেখুৱাই কোন দিশে সংগ্ৰাম বিকাশ হ'ব ধৰিছে ইঙ্গিত দি কলাকাৰে বাস্তৱবাদী শিল্প সৃষ্টি কৰিব লাগিব"।

বিপ্লবী কবি মায়াক' ভস্কীয়ে প্ৰস্তাৱ দিছিল-"The extremely revolutionary trends in art," should be based on ········ "by discarding individual affections and developing its valuable communist features ·······. To fight against decadance, against aesthetic mysticism against self sufficing formalism and against indifferent naturalism for the affirmation tendentious realism based on utilisation of the technical devices of all revolutionary schools of art"

(কলাত চূড়ান্ত বিপ্লৱী ধাৰাই ব্যক্তিবাদীতাক নাকচ কৰি ইয়াৰ সাম্যবাদী মূল্যবোধৰ প্ৰসাৰ ঘটোৱাৰ ওপৰত ভিত্তি কৰিব লাগে। ই কলাৰ ক্ষয়িষ্ণুতা, নান্দনিক ৰহস্যবাদ, আত্মকেন্দ্ৰীক আনুষ্ঠানিকতা আৰু প্ৰযুক্তিগত কলা কৌশলৰ ব্যৱহাৰৰ দ্বাৰা সমাজৰ প্ৰতি লক্ষ্যহীন বাস্তৱতা সৃষ্টি কৰাৰ বিৰুদ্ধে যুঁজ কৰি কলাৰ বিপ্লৱী ধ্যান-ধাৰণাক আগুৱাই নিব লাগে)।

কলাত সমাজতান্ত্ৰিক বাস্তৱবাদৰ পটভূমিতেই বুৰ্জোৱা সংস্কৃতি আৰু গণসংস্কৃতিৰ প্ৰভেদ বুজাৰ দৰকাৰ। আজিৰ বুৰ্জোৱা সংস্কৃতি বজকৰা, বেপেৰুৱা, নগ্ন, অমানবীয় আৰু শোষণৰ নিকৃষ্ট হাতিয়াৰত

পৰিণত হৈছে। এনে সংস্কৃতি মাৰ্থৰ লাভালাভৰ মাধ্যম হৈছে।

"A sufficient quantity of nudity and impressive bloodshed a heap of sentimentality and profiteering by showing children, animals and defence less g irls always unerringly have an effect on the avdience" (ibid)

(যথেষ্ট সংখ্যক নগ্নতা জঘন্য ৰক্তপাত, ভাব প্ৰৱণতাৰ স্তুপ আৰু শিশু, জন্তুৰ তথা অসহায় বালিকাৰ সীমাহীন দৃশ্য দেখুৱাই সৰ্ব্বদাই দৰ্শকৰ ওপৰত অভ্ৰান্ত ভাবে প্ৰভাব বিস্তাৰ কৰি পণ্য সংস্কৃতিয়ে নিৰ্লজ্জভাৱে লাভজনক ব্যৱসায় চলাইছে)।

বিপৰীতে মহাচীনকে ধৰি সমাজতান্ত্ৰিক দেশবোৰৰ প্ৰকাশন ব্যৱস্থাত আৰু সংস্কৃতি চৰ্চাত কোনো লাভ পোৱাৰ উদ্দেশ্য নাই। সেয়ে এক সবল, সুস্থ আৰু বিবৰ্ত্তনকামী উন্নত গণসংস্কৃতি সেইবোৰ দেশত প্ৰচলন হৈছে। বুৰ্জোৱা সংস্কৃতিত ব্যক্তিগত বীৰত্ববাদৰ যি স্থান আছে গণসংস্কৃতিত তাৰ গুৰুত্ব নাই। কাব্য-গ্ৰন্থৰ নায়ক নায়িকাৰ চিৰি-চেহেৰা বা বীৰত্বব্যঞ্জক কায়দা কৌশলৰ প্ৰাধান্য সমাজবাদী সাহিত্যত নাই। বৰঞ্চ সমাজৰ ৰাজনৈতিক আৰু সামাজিক ধ্যান-ধাৰণাৰ প্ৰতিনিধিত্বৰ ওপৰতহে নায়ক-নায়িকাক অধিক গুৰুত্ব দিয়া হয়।

লেনিনে বুৰ্জোৱা সংস্কৃতি আৰু গণসংস্কৃতিৰ পাৰ্থক্য নিৰূপন কৰি কৈছে যে বুৰ্জোৱাৰ অপসংস্কৃতিত সাংস্কৃতিকভাৱে পশ্চাৎপদ জনগণক কলাশিল্প আৰু ভাৱচিন্তাৰ দিশত চহকী কৰাৰ প্ৰয়াস দেখা নেযায়। অথচ শ্ৰমিক আৰু কৃষকহে প্ৰকৃত মহৎশিল্পৰ সমল। বুৰ্জোৱা অধ্যুষিত জগতত গণতান্ত্ৰিক আৰু সমাজতান্ত্ৰিক চৰিত্ৰৰ লগতে অৱধাৰিত ভাবেই জাতীয় চৰিত্ৰৰ প্ৰশ্নও আহি পৰে। এনে সামাজিক পটভূমিত বহুক্ষেত্ৰত গণচৰিত্ৰ আৰু জাতীয় চৰিত্ৰ সমাৰ্থক নহয়।

প্ৰখ্যাত কবি পুস্কিনে তেওঁৰ ' সাহিত্যত জাতীয় চৰিত্ৰ" "নামৰ প্ৰবন্ধত লেখিছে— "এজন সমালোচকে ভাবে যে জাতীয় বুৰঞ্জীৰ পৰা কাহিনী বাচি ল'লেই জাতীয় চৰিত্ৰ প্ৰকাশ পায়। আন সকলে শব্দৰ ব্যৱহাৰতেই তেনে চৰিত্ৰৰ প্ৰকাশ দেখে। তেওঁলোকে এই কথাত ফুৰ্ত্তি পায় যে কচ ভাষাত নিজকে প্ৰকাশ কৰিয়েই তেওঁ- লোক ৰাচিয়ানহৈ যায়। পুস্কিনে ওপৰৰ উভয় দৃষ্টিভঙ্গীকেই নাকচ কৰিছে। আচলতে গণমানসৰ গভীৰ আৰু পূৰ্ণ প্ৰকাশ মানসিক প্ৰস্তুতি, বিশ্ববীক্ষা আৰু জনগণৰ ধ্যানধাৰণাৰ প্ৰতিফলন হোৱা শিল্প-কলাহে প্ৰকৃত জাতীয় তথা গণসংস্কৃতি আখ্যাভুক্ত হ'ব পাৰে।

পাশ্চাত্যজগতত মুখ্যতঃ তথাকথিত জাতীয় চৰিত্ৰৰ Pseudo-national character) প্ৰকাশহে দেখা যায়। বুৰ্জোৱা সংস্কৃতিৰ মাজত প্ৰকৃত জাতীয় সংস্কৃতি বিচাৰি পোৱা টান। পুস্কিনৰ মতে- " True national culture is a genuin embodiment of art' fond with life" 'প্ৰকৃত জাতীয় সংস্কৃতি হ'ল জীৱনৰ সৈতে কলা-শিল্পৰ সাৰ্ব্বজনীন সম্পৰ্কৰ প্ৰকাশ)

অৱশ্যে ১৯৬০ চনত জনপ্ৰিয় হোৱা আমেৰিকাৰ লোকগাঁথাৰ আন্দোলনে (Folk-singers movement) আমেৰিকাৰ লোক পৰ-ম্পৰাৰ পৰা সমল বুটলি বেচ জনাজাত হৈ পৰিছে। জোৱান বেজ, পিটচিগাৰ, বব্ ডাইলন, বাফী চেইণ্ট মেৰী আৰু আৰ্লো গাৰ্থিৰ গীত মধুৰ কণ্ঠৰ মূৰ্চ্চনা, উত্তাপ, আন্তৰিকতা, জীৱনৰ ওপ-ৰত গভীৰ মগ্নতা আৰু সামাজিক প্ৰতিবাদ বিদ্যমান। জোৱান বেজৰ গানত নিগ্ৰো আৰু এংলো-আমেৰিকান বেলাড প্ৰচাৰ হৈছে। যুৱক-যুৱতীৰ মানবীয় প্ৰেম, যৌৱনৰ উম, সততা আৰু শোষণবিৰোধী প্ৰতিবাদী কণ্ঠস্বৰ পিট চিংগাৰৰ সঙ্গীতত সোচ্চাৰ। বাফীচেণ্ট মেৰীৰ কণ্ঠত আমেৰিকান ইণ্ডিয়ানৰ মৰ্ম্মধ্বনি প্ৰকাশ পাইছে। এই বিপ্লৱী লোকশিল্পীসকল বেচ সফল হ'লেও এওঁলোকৰ সামাজিক প্ৰভাৱ অতি সীমাবদ্ধ। কাৰণ এওঁলোকৰ শ্ৰোতা-দৰ্শক অতি সীমাবদ্ধ। এওঁলোকৰ ভূমি বহুল গণভিত্তিক নহয়।

সংস্কৃতিত জাতীয় চৰিত্ৰ আৰু গণচৰিত্ৰৰ মাজৰ দ্বন্দ্ব কেৱল সমাজতান্ত্ৰিক সমাজ ব্যৱস্থাতহে সম্ভৱ য'ত বৃহত্তৰ জনগণৰ স্বাৰ্থত সমাজতান্ত্ৰিক সংস্কৃতি গঢ়লৈ উঠে। এনে সমাজতহে সমাজৰ শোষিত-লাঞ্ছিত-বঞ্চিত আৰু নিঃস্ব মানুহে গভীৰ স্নেহ আৰু শ্ৰদ্ধা আশা কৰিব পাৰে। উদাহৰণ স্বৰূপে সমাজতান্ত্ৰিক ছোভিয়েট সাহিত্যৰ নায়ক হৈছে খেতিয়ক, ট্ৰেক্টৰচালক, ড্ৰাইভাৰ আৰু শ্ৰমিক আদি। এওঁলোক অশেষ শ্ৰদ্ধা আৰু সন্মানৰ পাত্ৰ। কাৰণ এওঁলোকেই হ'ল আধুনিক তথা তৎকালীন ছোভিয়েটৰ নিৰ্মাতা-সৃষ্টিকৰ।

সুস্থ জাতীয় চৰিত্ৰ আৰু গণ চৰিত্ৰ বৈৰীভাৱৰ নহয়। এনে শিল্পকলাৰ আঙ্গিকত কৃত্ৰিমতা, ছদ্মবেশ আৰু ভুৱা অৱশেষেই বৰ্জনীয়। মাৰ্ক্স এঙ্গেলছে বহুকালৰ আগতে Eugine Sue ৰ উপন্যাস "Mystires de Paris" ৰ ব্যাখ্যাৰ প্ৰসঙ্গত সাৱধান বাণী শুনাই গৈছে।

শিল্প-সাহিত্যত বাস্তৱবাদ প্ৰকাশৰ কাৰণে এক নিৰ্দিষ্ট আদৰ্শৰ আলম হোৱা বাঞ্ছনীয়। আপোন গৱেষণা গ্ৰন্থ " Kapita lis-mus in neuir Sitch" ত Albert Lauterbach এ মন্তব্য কৰিছে যে সৃষ্টিত কোনো "আদৰ্শ"ৰ ভিত্তিৰ প্ৰয়োজন। কাৰণ আদৰ্শৰ নৈতিক সমৰ্থন আৰু মননশীল পূৰ্ব্ব প্ৰস্তুতিয়ে শিল্পকলাক প্ৰত্যয়পূৰ্ণ কৰে আৰু জনগণৰ বিশ্বদৰ্শনক নিয়ন্ত্ৰণ কৰাত সহায় কৰে।

আধুনিক শিক্ষিতলোকৰ নিৰাশাবাদীতা আৰু বিচ্ছিন্নতাবোধৰ প্ৰতি লক্ষ্য কৰি ইংৰাজ বুৰ্জোৱা সৌন্দৰ্য্যবাদী হাবাৰ্ড ৰেডেও মৃত্যুৰ আগে আগে এই সত্য স্বীকাৰ কৰি গৈছে। তেওঁৰ শেষ গ্ৰন্থ "To hell with culture" ত তেওঁ লিখিছিল "The mistake presentation of my point of view, of which I have myself been guilty in the past, is to describe art as self expression. If every artist merely expressens the uniqueness and separateness of his self, the

art might be disruptive and anti-social."

(অতীজৰ মোৰ দৃষ্টিভঙ্গী, কলা যে আত্ম প্ৰকাশহে মাত্ৰ বোলা সূত্ৰটো ভুল আছিল। যদি প্ৰতিজন কলাকাৰে স্বকীয়ভাবে পৃথক আত্ম প্ৰকাশহে মাথোঁন কৰি যায় তেন্তে কলা বিচ্ছিন্নতাবাদী আৰু সমাজবিৰোধী হ'ব পাৰে)।

অতীজৰ ৰোমান্টিক ব্যক্তিবাদী চৰিত্ৰৰ (hero) পৰিবৰ্ত্তে সমাজতান্ত্ৰিক বাস্তৱবাদী সাহিত্যত টাইপ চৰিত্ৰই (type character) প্ৰাধান্য পোৱাটো স্বাভাৱিক। টাইপ চৰিত্ৰ হ'ল নিজ ঐতিহাসিক পটভূমিৰ প্ৰতিনিধি। তেনে চৰিত্ৰত নিজ সময় আৰু ইতিহাসৰ চাপ পৰিবলৈ বাধ্য। তেনে টাইপ চৰিত্ৰ কেৱল নিজ সময়ৰ প্ৰতিনিধিয়েই নহয় তেওঁ ভাবীকালৰ সমাজ, মানুহ, যুগ, শ্ৰেণী আৰু মানব গোষ্ঠীৰো প্ৰতিভূ। মাৰ্ক্সীয় নন্দনতত্বৰ ভিত্তিত কলা-শিল্পত টাইপ চৰিত্ৰ হ'ল ব্যক্তি আৰু সমষ্টিৰ সুসমন্বিত প্ৰকাশ।

সমাজতান্ত্ৰিক বাস্তৱবাদ : এক সৃষ্টি প্ৰক্ৰিয়া :

সকলো সৃষ্টি প্ৰক্ৰিয়াতেই প্ৰগতিশীল সামাজিক ভূমিকা নিহিত থাকে। কলাই মানৱ সমাজৰ বিবৰ্ত্তনত সক্ৰিয় অংশ গ্ৰহণ কৰে। কলা-শিল্পৰ পৰা প্ৰেৰণা লাভ কৰি প্ৰগতিশীল ধ্যান-ধাৰণাৰে মানুহে সমাজ বিবৰ্ত্তনৰ কামত অৱতীৰ্ণ হয়। এতেকে মানুহ কলা প্ৰগতি man-art-progress) এনাজৰীডাল ছিডি পেলোৱা মানে সমাজ বিবৰ্ত্তনৰ সমস্ত প্ৰক্ৰিয়াটোকেই ব্যাহত কৰা।

জীৱনক ৰূপান্তৰ কৰিব বিচাৰিলে শিল্পীৰ মানৱজীৱনৰ বহুমুখী প্ৰৱণতাৰ বিষয়েও জ্ঞান থাকিব লাগিব। সেয়ে প্ৰকৃত দায়-বদ্ধ কলাকাৰ সমাজৰ পৰা বিচ্ছিন্ন বা স্বাধীন অথবা কেৱল আনু-ষ্ঠানিক হ'ব নোৱাৰে। বিপৰীতে জীৱন আৰু সমাজৰ লগত ওতঃ-প্ৰোত সম্পৰ্কৰে অৰ্জা বাস্তৱ জ্ঞানেৰেহে শিল্পীয়ে বাস্তৱক কলা-ৰূপ দিব পাৰে। এনে সৃষ্টিৰ প্ৰক্ৰিয়াৰ দ্বাৰা মানুহে নিজ স্বাধীনতা আৰু সাৰ্ব্বভৌমত্বৰ পূৰ্ণপ্ৰকাশ কৰে। তেওঁৰ প্ৰতিভাৰে কেৱল

বাস্তৱৰ কলা-সুলভ প্ৰতিফলনেই নকৰে, বাস্তৱক ৰূপান্তৰ কৰাৰ পথো সুগম কৰে। সৃষ্টি প্ৰক্ৰিয়া হৈছে মানুহৰ বিশ্বৰ লগত থকা আধ্যাত্মিক আৰু ব্যৱহাৰিক সম্পৰ্কৰ উচ্চতম আৰু জটিলতম পূৰ্ণ প্ৰকাশ।

সমাজতান্ত্ৰিক বাস্তৱবাদ হ'ল ঐতিহাসিক বাস্তৱতাৰ কলা-সুলভ ৰূপ আৰু বাস্তৱৰ বৈপ্লৱীক ৰূপান্তৰ সাধনত কলাশিল্পৰ অংশগ্ৰহণৰ শৈল্পীক প্ৰণালী। সমাজতান্ত্ৰিক বাস্তৱ বাদে জীৱনক সক্ৰিয় আৰু সৃষ্টিশীল কৰি তোলে। মিখাইল চলোকভে সেয়ে নোবেল বঁটা গ্ৰহণৰ সময়ত কৈছিল— "I am speaking of the realism that expresses the idea of life's rejuvenation, its refashioning for the good of mankind····
...Its specific feature is a view of the world that rejects mere contemplation of or retreat from reality and calls to battle for the progress of mankind".

(মই এনে বাস্তৱবাদৰ কথা কৈছোঁ যি মানব জাতিৰ মঙ্গলৰ বাবে জীৱনক নৱযৌৱন আৰু নৱৰূপ দিয়াৰ ধ্যান-ধাৰণা প্ৰকাশ কৰে। ইয়াৰ বিশ্ববীক্ষাৰ বিশেষ লক্ষণ হ'ল এই যে এনে বাস্তৱবাদে বাস্তৱৰ গতানুগতিক মগ্নতা বা পলায়নক নাকচ কৰে আৰু ই মানৱজাতিৰ প্ৰগতিৰ বাবে সংগ্ৰাম কৰাৰ আহ্বান দিয়ে)।

কলাত সমাজতান্ত্ৰিক বাস্তৱবাদৰ সমালোচকসকলে ক'ব খোজে যে শ্ৰেণীভিত্তি বা পাৰ্টি অৱস্থিতিৰ দিশৰ পৰা সৃষ্টি হোৱা শিল্পই মানুহৰ জীৱনৰ ব্যক্তিগত অভিব্যক্তিক আওকাণ কৰে। কিন্তু ই এটা কৃত্ৰিম অভিযোগ। সমাজতান্ত্ৰিক বাস্তৱবাদৰ মুখ্যতম প্ৰতিষ্ঠাতা গৰ্কী আৰু মায়াক'ভস্কী উভয়ে পাৰ্টিজান লেখক আৰু মহান ব্যক্তিও প্ৰকৃত সৃষ্টিশীল চিন্তা হ'ল জীৱনৰ নন দিশৰ উদঘাটন আৰু অৰ্থ-দানৰ ফল। ইয়াৰ বাবে ব্যক্তি প্ৰতিভা আৰু শক্তিশালী সক্ৰিয় মনবো প্ৰয়োজন।

কিছুমান পণ্ডিতে শিল্পকলাক জীৱনৰ প্ৰতি সদায় সমালোচনাত্মক হ'ব লাগে বুলি মতপোষণ কৰে। কিন্তু এনে সূত্ৰই বাস্তৱবাদী কলাক সহায় নকৰে। বাস্তৱত নেতিবাচক (Negative) দিশো নথকা নহয়। কিন্তু শিল্পই কেৱল নেতিবাচক দিশকেই প্ৰকাশ নকৰে। কলাৰ উচ্চ আদৰ্শ হ'ব লাগে নতুনক আৰু প্ৰগতিশীলতাক আৱিষ্কাৰ কৰা। শিল্পই বেয়া, অসৎ আৰু ধ্বংসাত্মক বাস্তৱক সমালোচনা কৰে। পিচে দ্বন্দ্বাত্মক বাস্তৱৰ স্বাৰ্থত ই প্ৰগতিশীলতাক সমৰ্থন কৰে। লেনিনে সেয়ে লেখিছে—

"If any social phenomenon is examined in its process of development, relics of the past, foundations of the present and germs of the future will always be discovered in it."

(কোনো সামাজিক ঘটনাক যদি সমাজবিকাশৰ ধাৰাৰ প্ৰসঙ্গত পৰীক্ষা কৰা হয় তেন্তে অতীতৰ অৱশিষ্ট, বৰ্ত্তমানৰ ভিত্তিসমূহ আৰু ভবিষ্যতৰ অঙ্কুৰ নিশ্চয় বিচাৰি পোৱা যাব)। লেনিনে সমাজতান্ত্ৰিক বাস্তৱবাদী কলাৰ ব্যাপক ভিত্তিৰ কথাও তেওঁৰ "পাৰ্টি সংগঠন আৰু পাৰ্টি সাহিত্য" পুস্তিকাত লেখি গৈছে— "Greater scope must undoubtedly be allowed for personal initiative, individual inclination, thought, and fantasy, form and content"

(ব্যক্তিগত উদ্যোগ, ব্যক্তিগত আকৰ্ষণ, চিন্তা, ইচ্ছা, কল্পনা-কল্পনা, আঙ্গিক আৰু বক্তব্য প্ৰকাশৰ নিশ্চিত আৰু নিসন্দেহে বৃহৎ সুযোগ সুবিধা থাকিব লাগিব)।

সমাজতান্ত্ৰিক বাস্তৱবাদ সমকালীন আধুনিকতাবাদীইতৰ কেৱল সাহিত্য-সংস্কৃতিৰ যোগেদিয়েই বাস্তৱ জগতখনক প্ৰভাৱিত কৰি উন্নতি সধাৰ নীতি সমৰ্থকসকলৰ সূত্ৰৰ লগত মুখ্যতঃ পৃথক। সমাজক ৰূপান্তৰ কৰাৰ বিপ্লৱীকাণ্ড-কাৰখানাৰ লগত প্ৰকৃত শিল্প

কলাৰ অবিচ্ছিন্ন সম্পৰ্ক। এনাটলী লুনাচাৰ্স্কীয়ে তেওঁৰ "সঙ্গীত আৰু বিপ্লৱ" শীৰ্ষক ৰচনাত সেয়ে সঠিক ভাবেই লেখিছে –"সঙ্গীত আৰু বিপ্লৱ গভীৰভাৱে সম্পৰ্কীত" (Music and Revolution are deeply related)। এই সূত্ৰকেই আমি সকলো বিধৰ সৃজনীমূলক শিল্প-কলা-সংস্কৃতিৰ ক্ষেত্ৰতেই প্ৰয়োগ কৰিব পাৰোঁ। ।

সহায়ক সমলৰাজী

1. K. Dolgov—Artistic creativity and Lenin's theory of reflection.
2. A. Zis—In the light of the interaction of forms of social consciousness
3. B Lukynov—Criteria of aesthetic evaluation.
4. A. Ladygina—Socialist Realism and the historical traditions of World art.
5. L. Mariupolskaya—Art and the philosophical principle of humanism.
6. O. Makarov—Scientific ideology and Socialist art.
7. N. Leizerov—The birth of a new art.
8. Y. Kartseva—On the national and mass character of art.
9. Y. Lukin—The active nature of the art of Socialist realism.
10. I. Kulikova—Socialist realism as the leading artistic method of contemporaneity.
11. A. Bazhenova—The individual as the embodiment of the typical in art.
12. G. Yermash—Socialist realism as a creative process.
13. S. Yutkevich—The solution in poetry.

লেনিন আৰু শিল্প-সাহিত্যৰ সমস্যা

অৰ্থনৈতিক, ৰাজনৈতিক আৰু দাৰ্শনিক ব্যাখ্যাৰ বাহিৰেও মাৰ্ক্স, এঙ্গেলছ আৰু লেনিনে শিল্প-সাহিত্যৰ সৃষ্টি প্ৰক্ৰিয়াৰ সম্পৰ্কেও প্ৰণালীবদ্ধ বিশ্লেষণ ডাঙি ধৰি থৈ গৈছে। বিশেষকৈ লেনিনে তেওঁৰ মন্তব্য, সাহিত্য-সমালোচনা আৰু নীতি নিৰ্দ্দেশনাৰে সাহিত্য গৱেষণাৰ ক্ষেত্ৰটো মৌলিক গৱেষণা যোগাই থৈ গৈছে। অৱশ্যে মানৱ সমাজৰ সামগ্ৰীক ধাৰণাৰ পৰা লেনিনৰ সাহিত্য সমীক্ষাৰ সাৰ্ব্বজনীন আৰু বুনিয়াদী দৃষ্টিভঙ্গীক পৃথকাই চাব নোৱাৰি। সেয়ে তেওঁৰ সাহিত্য চিন্তাক দাৰ্শনিক, ঐতিহাসিক আৰু ৰাজনৈতিক ভিত্তিৰ সৃজনশীল আধাৰতহে অধ্যয়ন কৰিব লাগিব। তথাপি সমাজতন্ত্ৰৰ শত্ৰুইতে মাৰ্ক্স-এঙ্গেলছ-লেনিনৰ বিশ্লেষণ কলাশিল্পৰ সৌন্দৰ্য্যবীক্ষাৰ বাবে প্ৰয্যাপ্ত নহয় বুলি মত প্ৰকাশ কৰি আহিছে।

পিছে নতুন সামাজিক অভিজ্ঞতা আৰু অগ্ৰগামী বৈজ্ঞানিক কলা-চিন্তাৰে মাৰ্ক্স এঙ্গেলছ উভয়ে, বিশেষকৈ লেনিনে সু-সঙ্গত আৰু সুস্থ সৌন্দৰ্য্য চৰ্চ্চাৰ ক্ষেত্ৰ সমৃদ্ধ কৰি গৈছে। লেনিনৰ সৌন্দৰ্য্যবীক্ষাৰ দৃষ্টি কৰ্ম্মই অতীতৰ কলাশিল্পৰ ধ্ৰুপদী ঐতিহ্যৰ লগত সঙ্গতি ৰাখি কেনেকৈ নতুন সমাজবাদী শিল্প নিৰ্ম্মাণ কৰিব লাগে তাৰ পথ প্ৰদৰ্শন কৰিছে। কলাত সত্যবাদীতা আৰু বৃহত্তৰ জনগণৰ পক্ষপাতিতা প্ৰকাশ তেওঁৰ মূলমন্ত্ৰ আছিল। সকলো প্ৰকাৰৰ প্ৰতিক্ৰিয়াশীলতা আৰু ক্ষয়িষ্ণুতাৰ লেনিন ঘোৰ বিৰোধী। যুগসাপেক্ষে সমাজবাদী আৰু আধ্যাত্মিক সংস্কৃতিৰ তেওঁ আছিল পৃষ্ঠপোষক।

শ্ৰমকাৰী মানুহে ভাব জগতত স্বকীয় কলা-সৃষ্টি কৰাত অক্ষম বোলা ধাৰণাক নাকচ কৰি লেনিনে জনতাৰ সংস্কৃতিৰ সমস্যাৰ এক বৈপ্লৱীক সামাধান আগবঢ়াই গৈছে। এইক্ষেত্ৰত কেৱল উচ্চ-শ্ৰেণীয়েহে সংস্কৃতি সৃষ্টি কৰিব পাৰে বুলি ভবা ধাৰণাক তেওঁ বিৰোধীতা কৰিছে। শ্ৰমজীৱি মানুহে শ্ৰেষ্ঠ শিল্প সংস্কৃতি নুবুজে বোলা সূত্ৰৰ বিপৰীতে লেনিনে কলা-শিল্প-বিজ্ঞানাদিৰ সকলো উপকাৰ গ্ৰহণ কৰিব পৰা কৈ জনসাধাৰণক শিক্ষিত, ৰুচীবান কৰি প্ৰস্তুত কৰি তোলাৰ পথ নিৰ্দ্দেশো দিছে।

গণবিচ্ছিন্ন, সীমাবদ্ধ আৰু উদ্ভট দৃষ্টিভঙ্গীৰ বিপৰীতে লেনিনে বিশ্ব সভ্যতা আৰু মানবীয় বিকাশৰ এক আধুনিক ধাৰা ডাঙি ধৰিছে। তেওঁৰ বৈজ্ঞানিক কলা-সমালোচনাই সত্যৰ ওপৰত আধাৰিত হৈ এক অভিনব ৰূপ ধাৰণ কৰিছে। এই নব্য ধাৰাই সংস্কৃতিক বিভিন্ন ৰূপত উন্নততৰ স্তৰলৈ নি সমাজতান্ত্ৰিক বাস্তৱতাৰ দিশলৈ আগুৱাৰ সম্ভেদ দিছে। সকলো যুগতেই কলা সাহিত্যৰ প্ৰগতি মানে জীৱনৰ বৃহত্তৰ পৰিসৰক আকোৱালী লোৱা আৰু জীৱনৰ গভীৰতাক জিজ্ঞাসা কৰা। টলষ্টয় আৰু গৰ্কীৰ ওপৰত কৰা লেনিনৰ ঐতিহাসিক সমীক্ষাই নতুন শিল্পবীক্ষাৰ আঁৰিয়া ধৰিছে।

এই শতিকাৰ সূচনাতেই লেনিনে প্ৰচলিত অমানবীক আৰু অগণতান্ত্ৰিক এলিট-শিল্প ধাৰাৰ প্ৰত্যাহ্বান জনায়। তেওঁ গুৰুত্ব দিয়ে যে শিল্পৰ মানবীয় আৰু বিপ্লৱী ধাৰাইহে সমাজ আৰু শিল্পৰ প্ৰগতি ঘটায়। এনে ধাৰাৰ মূল্যায়ন জনগণৰ দৃষ্টিকোণৰ পৰাহে কৰিব লাগে। এই ক্ষেত্ৰত সাহিত্য-শিল্পৰ ঘটনাৱলী জনসাধাৰণৰ স্বাৰ্থৰ মাপকাঠিৰে বিশ্লেষণ কৰিব লাগে,—ব্যক্তিগত ভাবাবেগেৰে নহয়।

লেনিনে ভাববাদীসকলৰ বিপৰীতে বস্তুবাদী সৌন্দৰ্য্যবীক্ষা চৰ্চ্চা কৰিছিল। নিৰাশাবাদী, বিপ্লৱ বিৰোধী আৰু প্ৰতিক্ৰিয়াশীল শিল্প ধাৰাক তেওঁ কঠোৰভাৱে সমালোচনা কৰিছিল। কাৰণ জন-সাধাৰণৰ অভিনৱ আৰু বৈপ্লৱীক জাগৰণেহে নৱবিশ্বৰ জন্মদাতা

গৰ্কী, মায়াক'ভস্কী, চলোকভ, আৰাঁগ, পল-এলোৱা, বেচাৰ, ব্ৰন্সকী, ফুছিক, ৰাৰ বাছ, লু-চুন, অট্ৰচভস্কী, নেৰুডা আদিৰ জন্ম দিলে। বোম'ৰোঁলা, ড্ৰেজাৰ, শ্ব', ডিকেন্স, গলছ ৱৰ্দী আৰু ৱেলছ আদি অমৰ লেখকসকলৰ ওপৰতো সমাজতন্ত্ৰৰ প্ৰভাৱ পৰে।

লেনিনে ইউজিনি পটিয়েৰক "শ্ৰমজীৱিৰ কবি" সৰ্ব্বহাৰাৰ কবি" আৰু সৰ্ব্বাগ্ৰে গণ্য যুদ্ধা" আখ্যা দিছিল। পটিয়েৰৰ কবিতাক তেওঁ "আন্তৰ্জাতিক সৰ্ব্বহাৰাৰ কাব্য" বুলিছিল। কাৰণ বিশ্বৰ সকলো শ্ৰমিকে পটিয়েৰৰ কবিতাটোক আন্তৰ্জাতিক গীতৰূপে গ্ৰহণ কৰিছিল। লেনিনে এক নতুন বিপ্লৱী সংস্কৃতিৰ সৃষ্টি আৰু প্ৰতিষ্ঠা মানবজাতিৰ সৰ্ব্বোৎকৃষ্ট প্ৰগতিৰ বাহক হব বুলি ধাৰণা কৰিছিল। য'ত সাহিত্য-সঙ্গীত-পেইন্টিং আদিৰ সকলোৰে সমাহাৰ ঘটিব।

জৰ্জ হাৱেৰ গীত, গৰ্কীৰ বিপ্লৱী সৃষ্টি, মাৰ্টিন এণ্ডাৰচন আৰু এনাটনী ফ্ৰাঁ আদিৰ লেখাত লেনিনে প্ৰগতিশীল ভাৱ আৰু সমাজ-বাদী প্ৰজ্ঞা বিচাৰি পাইছিল।

লেনিনে সমাজ-সংস্কৃতি আৰু কলাবিদ্যাৰ সমবিকাশ সমাজবাদী পথেৰেহে সম্ভৱ বুলি ভাবিছিল। এনে বিকাশ সকলো দেশতে সমভাৱে সম্ভৱ নহয় বুলিও তেওঁ বিশ্বাস কৰিছিল। গতিকে পাশ্চাত্যৰ অৰ্থ-ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক প্ৰক্ৰিয়াবোৰৰ সমাজবাদী বিকাশৰ ক্ষেত্ৰটো পুনৰাবৃত্তি হবলাগে বুলি ভবা ধাৰণাৰ তেওঁ বিৰোধীতা কৰিছিল।

আজিৰ নব্য আৰু বিপ্লৱী সংস্কৃতিৰ জাগৰণে ৰঘুমলাৰূপী এলিটসকলৰ নিম্নৰুচীৰ পৰিবৰ্ত্তে সমাজৰ শক্তি সাৰ্মথ ভবিষ্যতৰ কুসুমস্বৰূপ নিযুত কোটি মানুহৰ প্ৰগতি সাধন কৰি লেনিনৰ সাধনাৰ সফলতাৰেই সূচনা কৰিছে। এই আমোঘ সত্য প্ৰগতিবিৰোধী ফটোৱাসকলে স্বীকাৰ নকৰিলেও এইছ, জি, ৱেলছ, আৰু ষ্টিফেন জোৱাগ আদি মহান লেখক সকলে ১৯২০ চনৰ আশেপাশেই মুক্ত

কণ্ঠে স্বীকাৰ কৰি গৈছে।

মহান লেনিন প্ৰদৰ্শিত পথেৰে ৰাচিয়া, সমস্ত সমাজতান্ত্ৰিক দুনিয়া আৰু সমগ্ৰ অগ্ৰগামী মানুহ অগ্ৰসৰ, অনুপ্ৰেৰীত আৰু সমৃদ্ধ হোৱাৰ ঘটনা আজি বিশ্বৰ সৰ্ব্বত্ৰ স্বীকৃত।

শিল্প সাহিত্য জীৱনৰ দাপোণ

লেনিনৰ মতে লেখক শিল্পীৰ জীৱন সম্পৰ্কে গভীৰ জ্ঞানৰ প্ৰয়োজন। কাৰণ জীৱনৰ পৰাই শিল্পই শক্তি সামৰ্থৰ প্ৰত্যয় নিযুক্ত মানুহৰ মন আৰু হৃদয় জয়ৰ ক্ষমতা লাভ, সঠিক ভাবে চিন্তা কৰাৰ পথ, গভীৰ অনুভব শক্তি আৰু ক্ৰিয়া কৰাৰ শিক্ষা পায়। লগতে তেওঁ প্ৰতিটো গুৰু গম্ভীৰ শিল্প কৰ্ম্মকেই যুগৰ প্ৰকৃত ঐতিহাসিক প্ৰতিফলন ঘটোৱা জীৱন্ত মানৱীয় দলিল বুলিও জ্ঞান কৰে। এনে অৰ্থতেই লেনিনে ১৮৬১ চনৰ সংস্কাৰ আন্দোলনৰ কৃষকৰ ভাবানুভূতি প্ৰকাশ, নতুন মানুহৰ ছবি আৰু বিপ্লৱী গণতন্ত্ৰীৰ জীৱন্ত চিত্ৰৰূপেই গগল, তাৰজেন, গৰ্কী, ভেৰাচায়ভ, কৰলেঙ্কো আৰু চাৰনিচেভস্কী আদিৰ লেখা পঢ়ি উদ্দীপিত হৈছিল। একে কাৰণতেই তেওঁ টলষ্টয়ক "ৰুচ বিপ্লৱৰ দাপোণ" আখ্যা দিছিল। যুগ সাপেক্ষ প্ৰকৃত দ্বন্দ্বৰ বিকাশ ঘটাৰ বাবেই লেনিনে গোটে, বালজাক, গগল, টুৰ্গেনিভ, টলষ্টয় আদিৰ সৃষ্টিক আদৰণি জনাইছিল।

ৰাচিয়াৰ পৰম্পৰাগত বিপ্লৱী শিল্পবীক্ষা "সৌন্দৰ্য্যই জীৱন" এই সূত্ৰৰ লগত লেনিনে মাৰ্ক্সবাদী বিকাশৰ নৱজীৱন প্ৰদান কৰিলে। তেওঁ প্ৰতিষ্ঠা কৰিলে যে মানুহেই হ'ল নৱ বিশ্বৰ নিৰ্ম্মাতা।

প্ৰতিফলনৰ সূত্ৰ আৰু শিল্প-সাহিত্য

লেনিনে দৰ্শন, সমাজতন্ত্ৰ কলা-শিল্প সৰ্ব্বত্ৰতেই বস্তু আৰু চেতনাৰ স্পষ্ট পাৰ্থক্য ৰাখি গুৰুত্ব দিছিল। প্ৰকৃতি, পদাৰ্থ, দৈহিক আৰু বাহ্যিক বিশ্ব হ'ল এনে ব্যাখ্যাত মুখ্য। মন, চেতনা, আবেগ-অনুভূতি আৰু অভিজ্ঞতা আদি হ'ল গৌণ। সেয়ে তেওঁ সাহিত্য বিশ্লেষণত 'নতুন চিন্তা', 'নতুন ধাৰা', 'নৱ আৱিস্কাৰ' বা 'নতুন সূত্ৰ'ৰ

নাৰও চলোৱা সকলো ভাববাদী আদৰ্শক সমালোচনা কৰিছিল। গতিকে দাৰ্শনিক কাণ্ট, বাৰ্কলী, শ্বপেনহাৱাৰ, যেকুছিউম আদিৰ এক দিকদৰ্শী ভাববাদী দৰ্শনৰ লেনিনে বিৰোধিতা কৰিছিল। বস্তুৰ অস্তিত্ব অস্বীকাৰ কৰা বাৰ্কলী হামান, কৰ্ক, বাৰ্গচন, ভিৰেই আৰু মাৰ্ক্সৰ ধাৰাও তেওঁ নাকচ কৰিছিল। উটেগাউ গাছেট আদিৰ ব্যখ্যা 'কলা এালটৰ বাবে' সূত্ৰ, বেলমন্টৰ প্ৰতীক বাদত গুৰুত্ব, ফ্ৰয়েডীয় মনস্তত্ত্ব আদিকো লেনিনে অৰক্ষনী আখ্যা দিছিল।

লেনিনে বুৰ্জোৱা সৌন্দৰ্য্যবাদী আৰু চৌখিন আধুনিকতা বাদীহঁতৰ পঙ্গু ব্যাখ্যাৰ মুখা খুলি দিয়ে। তেওঁলোকৰ ধ্যান-ধাৰণাত কোনো নতুনত্ব নাই। বৰঞ্চ অতি সাম্প্ৰতিক বিজ্ঞান, যুক্তি আৰু বস্তুবাদী চিন্তাৰ অৰ্থ বুজিব নোৱাৰি বৈষয়িক জগতখনক অতি সংঘাত জৰ্জৰ, বিশৃঙ্খল আৰু ধ্বংসৰ জ্ঞান কৰি তেওঁলোকে সাহিত্য সংস্কৃতিয়েই সৰ্ব্বস্ব বুলি গণ্য কৰি কঠিন বাস্তৱৰ পৰা পলায়ণ কৰে। শ্বপেন হাৱাৰৰ দৰ্শনেৰে এপ'ল' নেয়াৰে এনে মন্তব্যও কৰিছিল যে কবি শিল্পীসকলৰ অবিহনে বিশ্বখনেই লুপ্ত হ'ব। পিচত কিউবিষ্ট, ফিউচাৰীষ্ট, দাদাইষ্ট, অতি বাস্তৱবাদীহঁতে নৱ বাস্তৱতা উদঘাটনৰ নামত দাৰ্শনিক জৰ্জ চান্তায়ণৰ প্ৰভাৱত পৰি বস্তুজগতৰ পৰা নিলগত থকাৰ মত পোষণ কৰিছিল।

লেনিনৰ "Materialism and Emperio-criticism" আৰু অন্যান্য পুথিয়ে দেখুৱাইছে যে মাৰ্ক্সবাদীসকলেই অতি সু-সঙ্গত ভাবে জাতিৰ বিজ্ঞান আৰু সংস্কৃতিৰ শ্ৰেষ্ঠতম পৰম্পৰাৰ বিকাশ ঘটোৱাৰ সংগ্ৰাম কৰে আৰু জীৱন তথা কলা শিল্পৰ নতুন অভিজ্ঞতাৰ ভিত্তিত বস্তুবাদী ধাৰাৰ পোষকতা কৰে। লেনিনে যান্ত্ৰিক ভাবে মাৰ্ক্সীয় ধ্যান-ধাৰণাক কলাশিল্পলৈ ৰূপান্তৰ কৰা কাৰ্য্যক সমৰ্থন কৰা নাছিল। বৰং কলা-মাধ্যমেদি মনোজগতৰ সৃজনশীলতাৰ ওপৰতহে তেওঁ অধিক গুৰুত্ব দিছিল।

বাগডনভৰ প্ৰভাৱত পৰি গৰ্কীয়ে ঐশ্বৰিক শক্তি সৃষ্টিৰ সমৰ্থন প্ৰকাশ

কথা ঘটনাক লেনিনে তীব্র সমালোচনা কৰিছিল। পৰবৰ্ত্তী কালত লেনিনৰ দুৰদৰ্শী আলোকেৰে সংশোধিত হৈ গৰ্কীয়ে তেওঁৰ "স্বীকাৰোক্তি"ত (confession) প্ৰকাশ কৰিছে। তেওঁৰ শিল্প আলোচনাই অতীত, বৰ্ত্তমান আৰু ভবিষ্যতক সাঙুৰি সুস্থ সবল বিপ্লৱী বুনিয়াদ গঢ়ি থৈ গৈছে। সত্যবাদীতা, জনতাৰ পক্ষপাতিত্ব আৰু বাস্তৱতাৰ লগত নিবীড় সম্পৰ্ক ৰক্ষা লেনিনৰ মুখ্য উপাদান।

লেনিনৰ মতে টলষ্টয়ৰ সৃষ্টিত প্ৰাক্-বিপ্লৱী ৰাচিয়াৰ সামাজিক শক্তি সমূহৰ চৰিত্ৰ আৰু অন্তৰ্দ্বন্দ্বৰ সু-সঙ্গত প্ৰতিফলন ঘটিছিল. গৰ্কীৰ লেখাত বিপ্লৱী জনগণৰ ছবি প্ৰকাশ পাইছিল আৰু বাৰ-বছৰ শিল্পকৰ্ম্মত পুঁজিবাদৰ অনিবাৰ্য্য পতন আৰু বিপ্লৱী ৰাইজৰ অভ্যুত্থানৰ ছবি অঙ্কিত হৈছিল। জন ৰীডৰ "পৃথিৱী কপোঁৱা দহ দিন" গ্ৰন্থত ৰুচবিপ্লৱৰ বিশ্বাসযোগ্য বিৱৰণ দেখা পাইছিল। আন-হাতে জেকলণ্ডনৰ সবল গল্পত এফালে প্ৰচণ্ড শক্তি আৰু আন-ফালে বুৰ্জোৱা নৈতিকতাৰ প্ৰতিফলনো লেনিনে বিচাৰি পাইছিল।

শিল্প-সাহিত্যত মানৱতাবাদী চৰিত্ৰ

জীৱনৰ সত্য আৰু শিল্পীৰ দৃষ্টিভঙ্গী বাস্তৱতাৰ দুই অবিভাজ্য অঙ্গ। লেনিনৰ মতে মানৱ সভ্যতাৰ জ্ঞান অভিজ্ঞতাৰ ওপৰতেই কলা-সাহিত্য মুখ্যতঃ নিৰ্ভৰশীল। তেওঁৰ সৌন্দৰ্য্যদৰ্শনত মানবীয় জ্ঞান অভিজ্ঞতাৰ বহিৰ্ভূত কোনো দৃষ্টি-দৰ্শনৰ স্থান নাই। তেওঁৰ প্ৰতিফলন সূত্ৰৰ আধাৰত সাৰ্ব্বজনীন বাস্তৱতাৰ বেষ্টিত জীৱনৰ লগত সঙ্গতি ৰাখি কোনো শিল্প কিমান বাস্তৱবাদী আৰু মূল্য-বান তাক বিচাৰ কৰা হৈছে। লেনিনে ব্যক্তিনিষ্ঠতা আৰু বস্তুনিষ্ঠতা মানৱ-জীৱনৰ এই দুই অবিভাজনীয় উপাদানৰ একপক্ষীয় ব্যাখ্যা সদায় নাকচ কৰিছিল। জীৱন-জগত-সাহিত্যৰ এনে জটিল সমস্যাৰ অতি সৰলীকৰণ বিশ্লেষণ,— যি ইতিহাস আৰু অৰ্থনীতিক মনোজগতৰ পৰা আৰু বিষয়গত তথা বিষয়ীগত দিশৰ সহজ সীমাৰেখা টানিব খোজে,—তেনে বিশ্লেষণ লেনিনে সমৰ্থন

নকৰিছিল। এতেকে "বাস্তৱবাদ'ৰ ব্যাপক আৰু সঠিক উপলব্ধিয়ে আধ্যাত্মবাদ, বৌদ্ধিক আৰু আবেগিক আদি সকলো উপাদানকেই কলাৰ লগত সংপৃক্ত কৰে।

লেনিনে সামাজিক চেতনাক সামাজিক অস্তিত্বৰ লগত একাকাৰ কৰা উদ্ভট ধাৰণাক নাকচ কৰিছে। তেওঁৰ মতে কলাসৃষ্টি উকা বাস্তৱত নহয়। সামাজিক চেতনা সামাজিক স্থিতিৰহে প্ৰতিফলন। কলা-শিল্পও বাস্তৱৰ গাঢ় প্ৰতিফলনহে। জীৱন, জগত আৰু প্ৰকৃতিৰ সকলো ক্ৰিয়াকাণ্ডই কলাৰ অন্তৰ্ভুক্ত হয়। অৱশ্যে শিল্পীয়ে ব্যাপক অৰ্থত বৌদ্ধিক, আবেগিক আৰু মানৱীক নিৰ্য্যাসেৰে জীৰ্ণ কৰা ৰূপত ব্যক্তিগত আৰু সামাজিক সমন্বয়ৰ পৰিপ্ৰেক্ষাত অভিজ্ঞতাক কলাৰূপ দিয়ে। গ্যেটেৰ ভাষাত ই "দ্বিতীয় সৃষ্টি"ৰ ৰূপ পায়। গৰ্কীয়েও বিজ্ঞানৰ দৰে কলাইও দ্বিতীয় সৃষ্টি কৰাৰ কথাত গুৰুত্ব দিছে। লক্ষণীয় কথা যে বিজ্ঞানৰ সৃষ্টি বহিৰ্জগতৰ আৰু কলাৰ সৃষ্টি অন্তৰ্জগতৰ।

কলাশিল্পৰ এনে মানৱীয় চৰিত্ৰৰ সমৰ্থন লেনিন, গৰ্কী আদি অনেকেই কৰিছে। প্ৰতি মহৎ লেখকেই জীৱনৰ বিভিন্ন দিশক আপোন চিন্তা-অভিজ্ঞতাৰে কলাত ৰূপান্তৰ ঘটায়। এজন শিল্পী সৃজনীশক্তিৰ কল্পদৃষ্টিৰ অবিহনে কেতিয়াও মহান হ'ব নোৱাৰে।

শিল্প-কলা এক নব্যবাস্তৱতা

লেনিনৰ শিল্পদৃষ্টিভঙ্গীৰ পৰা এক বিপ্লৱী প্ৰগতিশীল আৰু মানৱতাবাদী নব্য সৌন্দৰ্য্যবীক্ষাই প্ৰতিষ্ঠা পালে। তেওঁ সকলো প্ৰকাৰৰ পেটি বুৰ্জোৱা, পলায়ণবাদী, ৰহস্যবাদী স্বপ্ন কল্পনাবাদী বুৰ্জোৱা-সামন্তৰ পদলেহী তথাকথিত বাস্তৱবাদী সকলৰ ৰাজনীতি আৰু শিল্পদৃষ্টিক তীব্ৰ প্ৰতিবাদ কৰিছিল। গৰ্কীৰ 'মা' উপন্যাসক তেওঁ অতি মূল্যবান, প্ৰগতিশীল, বাস্তৱবাদী, বিপ্লৱী আৰু চেতনা উদ্দীপক বুলি ভূয়সী প্ৰশংসা কৰিছিল। গৰ্কীৰ 'মা' উপন্যাসে বিশ্বক

এক নতুন নায়ক – সচেতন আৰু সৰ্ব্বহাৰাৰ বিপ্লৱী নায়ক দিলে। গ্লেখানভেও এই মহৎ উপন্যাসত গৰ্কীয়ে মাৰ্ক্সবাদী দৃষ্টিভঙ্গীৰ এক শিক্ষকৰ ভূমিকা পালন কৰা বুলি মত প্ৰকাশ কৰে।

"মহৎ আৱৰ্ত্তণী" নামৰ প্ৰবন্ধত লেনিনে পুৰণিক জয় কৰি নতুনৰ পোখা মেলা অণুপ্ৰেৰণা যোগাবলৈ আহ্বান জনায়। সবল ভদ্ৰ. সাধাৰণ অথচ ক্ৰিয়াশীল সাম্যবাদী ধাৰাৰ জন্ম আৰু প্ৰস্ফু-ৰ্ত্তিত কৰাৰ বাবে লেনিন উদাত্ত আহ্বান জনায়। মায়াকভস্কীৰ কাব্যইয়ো তেনে বলীষ্ঠ আশাবাদী প্ৰেৰণা যোগায়। লেনিনে টলষ্টয়ৰ মন্তব্য উদ্ধৃত কৰিছে–"এজন লেখকে সমগ্ৰ মানৱজাতিৰ বাবে সাৰ্বজনীন কি, অথচ যিটো অদ্যাপিও মানৱজাতিৰ অজ্ঞাত তাক নিশ্চয় জানিব লাগিব"।

সাৰ্ব্বজনীনভাৱে প্ৰগতিশীল সাহিত্যই জীৱনৰ ইতিবাচক আৰু নেতিবাচক উভয় দিশকেই অঙ্কণ কৰে। আজিৰ জীৱন যিমানেই বিকাশশীল আৰু প্ৰতিশ্ৰুতিবদ্ধ হয় সিমানেই লেখক-শিল্পীৰ দৃষ্টিৰ দিগন্তও স্পষ্টতৰ হয়। সেয়ে লেনিনে সৰ্ব্বদাই লেখক-কলাকাৰ আৰু ৰাজনীতিকসকলৰ সমাজৰ গতিশীল ক্ৰিয়া-কাণ্ড সমৰ্থন কৰি-বলৈ কৈছিল। কাৰণ তেনে পথতহে মৰণমুখী সমাজৰ পতন আৰু উত্থানমুখী সমাজৰ অঙ্কুৰণ নিহিত হৈ থাকে। যি কলা-কাৰে নিজ শৈল্পীক কল্পদৃষ্টিৰে সমাজৰ স্থিৰ পথিকৃৎ ৰূপে কাম কৰে তেওঁ সমাজৰ মহৎ উপকাৰ সাধন কৰে। গৰ্কীয়েও অতীত, বৰ্ত্তমান আৰু ভৱিষ্যতৰ ত্ৰয় বাস্তৱতা সৃষ্টিত অধিক প্ৰাধান্য দিছিল। লেনিনে অতীতৰ চিৰ নতুন প্ৰমূল্যবোধৰ ব্যৱহাৰ কৰা আৰু সমাজতান্ত্ৰিক বাস্তৱতাৰ আলোকত ইতিহাসৰ অভিনৱ, প্ৰগতিশীল আৰু উত্থানমুখী সমলবোৰ সমৰ্থন কৰাৰ মতপোষণ কৰিছিল। তেতিয়াহে অতীত বৰ্ত্তমান ভৱিষতৰ সাঁকো নিৰ্ম্মিত হ'ব।

লেনিনৰ মতানুসৰি প্ৰগতিশীল শিল্পী-সাহিত্যিকে সদায় জীৱনৰ প্ৰয়োজনীয় প্ৰপঞ্চৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰে যি আমাৰ

সমূহত সীমাহীন বৈচিত্ৰ্যৰ অৱতাৰণা কৰে। কলাকাৰৰ প্ৰচেষ্টা হ'ল ব্যক্তিবাদক সাৰ্বজনীন ৰূপ দিয়া, বিষয়বস্তুৰ বৌদ্ধিক আৰু আৱেগিক সমন্বয় ঘটোৱা, – কলাশিল্পক সীমাবদ্ধ কৰা নহয়। সুস্থ শিল্পই সৃষ্টি শক্তিৰ ঐক্য আৰু মহত্বতা বৃদ্ধি কৰি সাৰ্বজনীন নিত্য নতুন সত্যৰ দ্বাৰা বিশাল বিশ্বৰ দ্বাৰ উন্মোচন কৰি দিয়ে।

শিল্পত জনসাধাৰণে নিশ্চয় ভৱিষ্যতৰ স্বপ্ন দেখিব লাগিব:

সাহিত্য কলাত বাস্তৱবাদ হ'ল শিল্পসৃষ্টিৰ উচ্চতম স্তৰ য'ত চিন্তাৰ সবলতা, পবিত্ৰ কল্পনা শক্তি আৰু জীৱনৰ সত্যবাদী চিত্ৰৰ পূৰ্ণমিলন ঘটে। লেনিনে সদায় ভৱিষ্যত স্বপ্নৰ বাবে প্ৰেৰণা যোগাইছিল। কাৰণ নতুন স্বপ্ন আৰু কল্পনাশক্তিৰ অবিহনে কোনো মহৎ সৃষ্টি সম্ভৱ হ'ব নোৱাৰে। অৱশ্যে তেনে কল্পনা সামাজিক পৰিবেশ অনুসৰি যুগ সাপেক্ষ হ'বলৈ বাধ্য। পিচাৰোভৰ সৃষ্টি স্বপ্নই লেনিনক উদগনি দি'ছিল। তেনে বিপ্লৱীস্বপ্নৰ লেনিন আছিল চিৰ লগৰী। কাৰণ তেনে বিপ্লৱীস্বপ্নই সকলো সীমা চেৰাই মানুহক আগুৱাই নিয়ে, শক্তি সামৰ্থ প্ৰদান কৰে আৰু ভাৱীকালৰ নবালোক যোগান ধৰে। এনে সৃষ্টি-স্বপ্নৰ অবিহনে কলা-বিজ্ঞান আৰু সমাজৰ সকলো প্ৰপঞ্চই বন্ধ্যা হ'বলৈ বাধ্য। সেয়ে কেৱল কবি-শিল্পীৰেই নহয় সমাজৰ সকলো স্তৰৰ লোকৰেই এনে সৃষ্টি স্বপ্নৰ প্ৰয়োজন।

জ্ঞান-বিজ্ঞানৰ বস্তুবাদী সূত্ৰইও ফলপ্ৰসূ সৃষ্টিশীল কল্পনাক গুৰুত্ব দিয়ে। লেনিনে সৃষ্টিশীল ক্ৰিয়া কাণ্ড কেন্টাছীৰ অৱদানো স্বীকাৰ কৰিছে। অৱশ্যে কোপোলা দিবা-স্বপ্ন নিশ্চয় নিষ্ফল হয়। তেওঁ যুৱ মানসক কৈছিল "হয়, স্বপ্ন দেখা ডেকা ল'ৰা। "স্বপ্নই প্ৰগতি আনে আৰু সবল স্বপ্নই হ'ব সমাজতন্ত্ৰ।" এনে অৰ্থতেই আনকি লেনিনে বিপ্লৱী ৰোমান্টিকতাকো কোনো কোনো সময়ত সমৰ্থন কৰিছিল। তেওঁ আৰু কৈছিল যে মহৎ ভৱিষ্যত দৃষ্টি আৰু লগতে বহুতো ক্ষুদ্ৰ ক্ষুদ্ৰ আৰু বিফল স্বপ্নই সমান্তৰাল ভাবে মহান ঐতিহাসিক ঘটনাত ক্ৰিয়া কৰে। মহৎ কাৰ্য্য সাধনৰ প্ৰেৰণাৰে দেখা মহৎ

কেণ্টাছীয়েও মানব সমাজত আগুৱাই যোৱাত সবল শক্তি দিয়ে।

লেনিনে এজন কবাছী দাৰ্শনিকক কৈছিল যে সুন্দৰ ৰূপসজ্জাত প্ৰকাশ পোৱা অথচ উদ্দীপনা আৰু সাহস নোযোগোৱা চিন্তা হ'ল মৃতচিন্তা। তেনে চিন্তা অসাৰ, যিহেতু সেইবোৰ গতানুগতিক আৰু সৰ্ব্বসাধাৰণ বৌদ্ধিক সমল। বিপৰীতে যন্ত্ৰণা, ক্ৰোধ, ঘৃণা পাশৱিকতা আৰু অত্যুৎসাহ আদি উদ্ৰেক কৰা চিন্তা হ'ল - সবল চিন্তা।

শিল্প-সাহিত্যত দাৰ্শনিক চিন্তাই প্ৰত্যক্ষ ভাবে প্ৰকাশ নেপায়। ই শৈল্পীক ৰূপতহে প্ৰতিফলিত হয়। সেয়ে কোনো সাৰ্ব্বজনীন কলাই কেৱল বৌদ্ধিক আৰু যৌক্তিক ৰূপত মানুহৰ আধ্যাত্মিক জগত আৰু সৃষ্টিশীল বাস্তৱতাৰ সফল প্ৰতিফলন ৰূপে প্ৰকাশ নেপায়। গৰ্কী, মায়্কভ'- স্কী, শ্বেদায়েভ আৰু চ'লকভ আদিয়ে জীৱনৰ সামগ্ৰীক চিত্ৰ বৌদ্ধিক আৰু আনুভূতিক সমন্বয়েৰেহে প্ৰকাশ কৰিছে। অৱচেতনাৰ সমস্যাটোও শিল্পৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ। ই শিল্প-সাহিত্যৰ চৰিত্ৰৰ অন্তৰ্জগত উদ্ঘাটনত সহায় কৰে। মহৎ শিল্পীসকলে যৌক্তিক আৰু আনুভূতিক ক্ৰিয়াকাণ্ডৰে সৃষ্ট চৰিত্ৰ সমূহ জীৱন্ত, মানবীয় আৰু পূৰ্ণাঙ্গৰূপত প্ৰত্যয়পূৰ্ণ ক'ৰ তোলে। গতিকে মনোজগতৰ অৰ্দ্ধচেতন স্থিতি অস্বীকাৰ কৰিলে শিল্প একপক্ষীয়, অসম্পূৰ্ণ আৰু যান্ত্ৰিক হৈ পৰে।

লেনিনে ভাবানুভূতিহীন কলা-শিল্পৰ ধাৰণা কৰা নাছিল। শিল্পৰ উকা সত্যক তেওঁ সমৰ্থন কৰা নাছিল। বিপৰীতে সৎ আৰু অসতৰ বাস্তৱিক সুসংহত ভাবাবেগৰ প্ৰয়োজনত তেওঁ গুৰুত্ব দিছিল। সকলো প্ৰগতিশীল কলা শিল্পতেই বাস্তৱ জীৱনৰ পৰা বুটলা সমল, সমৃদ্ধ ভাবানুভূতি নৈতিক উপাদান নিহিত হৈ থাকে।

শিল্পীৰ বিশ্ববীক্ষা আৰু সৃষ্টি পদ্ধতি

লেনিনীয় শিল্প-পদ্ধতি হ'ল-দ্বান্দ্বিক পদ্ধতি। হেগেলক সমৰ্থন

কৰি লেনিনেও মতপ্ৰকাশ কৰিছে যে পদ্ধতিয়েই কেৱল শিল্পৰ আত্মা হ'ব নোৱাৰে। আঙ্গিক বক্তব্যৰ লগত অবিচ্ছেদ্য। আঙ্গিক কলাৰ কেৱল বাহ্যিক ৰূপ নহয় ই হ'ল বক্তব্যৰ গতি আৰু আত্মাস্বৰূপ। শৈল্পীক প্ৰণালী হ'ল শিল্পসৃষ্টিক বাস্তৱৰূপ দিয়া সামগ্ৰীক ৰীতি। বিশ্ববীক্ষা হ'ল জীৱন আৰু জগত সম্পৰ্কে থকা শিল্পীৰ দৃষ্টিভঙ্গী। এনে বিশ্ববীক্ষা কলা-সাহিত্যৰ মাধ্যমেদি শৈল্পীক পদ্ধতিৰে প্ৰকাশ পায়। কলাকাৰৰ বিশ্ববীক্ষা চেতনা বা অচেতন ভাৱে শিল্পৰ মাজেদি প্ৰকাশ পায়। এনে প্ৰকাশ অতি সূক্ষ্ম, জটিল আৰু দ্বন্দ্বেৰে ভৰা।

উদাহৰণ স্বৰূপে বালজাকৰ বিশ্ববীক্ষা সামাজিক সম্পৰ্কৰ গভীৰ উপলব্ধি অভিজাততন্ত্ৰৰ অনিবাৰ্য্য পতন আৰু প্ৰজাতান্ত্ৰিক নায়কৰ ভূমিকাৰ ঐতিহাসিক বৈশিষ্ট ৰ স্বীকৃতিৰ যোগেদিয়েই প্ৰকাশ পাইছে। গগল হ'ল জটিলতা আৰু দ্বন্দ্বৰ সমাহাৰ। গগলৰ লেখাত স্বৈৰতন্ত্ৰ আৰু ভূমি দাসত্ব বিৰোধী সংগ্ৰামৰ ছবি ফুটি উঠিছে। অথচ ৰাজনৈতি চিন্তাত তেওঁ আপোন শিল্পদৰ্শনৰ বিপৰীত আছিল। টলষ্টয়ৰ ঐতিহাসিক সীমাবদ্ধতাৰ মাজেদি একালে পুৰণি সমাজৰ ধ্বংস আৰু নতুনৰ প্ৰতি অচেতন সহানুভূতি আনফালে প্ৰকাশ পায়। অথচ চিন্তা বিদৰূপে তেওঁৰ স্ববিৰোধ আছিল। টুৰ্গেনিভেৰ অসাধাৰণ প্ৰতিভাৰদ্বাৰা জীৱন্ত চৰিত্ৰ চিত্ৰণ আৰু কৃষকসমাজৰ প্ৰতি গভীৰ আন্তৰিক সহানুভূতি প্ৰকাশ কৰিছে। লেনিন আৰু ৰুচ-ভাষাৰ অতুলনীয় কাৰিকৰ টুৰ্গেনিভৰ সৃষ্টি পঢ়ি অভিভূত হৈ পৰিছিল।

সমালোচনাত্মক বাস্তৱবাদী শিল্পীসকলৰ মাজতো লেনিনে সত্যবাদীতা, উপকাৰীতা আৰু সবল যুক্তি বিচাৰি পাইছিল। ৰোঁমা-ৰোঁলা, আপটন চিনক্লিয়েৰ, শ. ৱেলছ আদি তেনে বিশ্ববীক্ষাৰ লেখক। ৰোঁলাৰ সৃষ্টি সমাজবাদী সত্য আৱিস্কাৰ কৰি ১৯১৭ চনত লেনিনে ৰোঁমাৰোঁলাক ৰাচিয়ালৈ মাতিছিল। কিন্তু ৰোঁলাই লেনিনৰ নিমন্ত্ৰণ প্ৰত্যাখ্যান কৰিছিল। পিচৰ কালত ৰোঁমাৰোঁলাই

লেনিনৰ বৌদ্ধিক নেতৃত্ব সৰ্ব্বান্তকৰণেৰে মানি ল'লে আৰু লেনিনক নব্য-স্বপ্ন আৰু বিপ্লৱীকৰ্ম্মৰ পথিকৃৎ বুলি জ্ঞান কৰে।

এঙ্গেলছে উইলিয়াম মৰিছক "আবেগিক সমাজবাদী' আখ্যা দিয়াৰ দৰে লেনিনেও আপটন চিনক্লেয়াৰক "এক বেলেগ ধৰণৰ ভাব প্ৰৱণ সমাজবাদী" বুলিছিল। চিনক্লেয়াৰে সৰল ভাবে যুদ্ধৰ পৰা সমাজতন্ত্ৰৰ বাবে মুক্তি বিচাৰিছিল। তেওঁ অতি সৰল হ লেও অতি শুদ্ধ আছিল। বিপ্লৱী কাণ্ড আৰু সংগঠনৰ কথা নুবুজিলেও যুদ্ধ আৰু সাম্ৰাজ্যবাদ বিৰোধী চিনক্লেয়াৰ সৎ আছিল। লেনিনে বাৰ্ণাড শ'ক জাৰ্ম্মান বিৰোধী লেখাৰ বাবে প্ৰশংসা কৰিছিল। তেওঁ শ'ক ফেবী-য়ানহঁতৰ মাজত পৰি নষ্ট হোৱা এজন সৎ প্ৰতিভা আৰু তেওঁক সকলো সঙ্গীতকৈ বেচি বামপন্থী বুলি মূল্যায়ন কৰিছে। অৱশ্যে শ'ৰ দুৰ্ব্বলতাখিনিও লেনিনে আপোচহীন ভাবে উন্মুকিয়াই দিছে। ৱেলছৰ সম্পৰ্কত লেনিনে মন্তব্য কৰে যে ৱেলছে ক্ষুধা, নিষ্ঠুৰতা আৰু ধ্বংসহে দেখিছিল। কিন্তু জনসাধাৰণৰ অভূতপূৰ্ব্ব জাগৰণ আৰু বিপ্লৱী সৃষ্টি তেওঁ দেখা পোৱা নাছিল। এসময়ত লেনিনক "ক্ৰেমলীনৰ স্বপ্নদ্ৰষ্টা" আখ্যা দিয়া ৱেলছেও পিচত ৰাছিয়াৰ অভূতপূৰ্ব্ব বিপ্লৱী ৰূপান্তৰ দেখি নিজ মন্তব্য পৰিবৰ্ত্তন কৰিবলৈ বাধ্য হ'ল।

কোটি জনতাৰ প্ৰাণৰ সাহিত্য-শিল্প

মাৰ্ক্সবাদী লেনিনবাদী সৌন্দৰ্য্যবীক্ষাৰ এক মুখ্য উপাদান হ'ল সাহিত্য-সংস্কৃতিৰ সৰ্ব্বহাৰাৰ দলৰ লগত একাত্মবোধ। লেনিনৰ মতে গণ পক্ষপাতিতা হ'ল জনগণৰ বাবে আত্মোৎসৰ্গাৰ উচ্চতম ৰূপ। এনে শিল্পৰ যোগেদি প্ৰগতিশীল শিল্পীৰ প্ৰতিভাৰ সচেতন আৰু মুক্ত প্ৰকাশেৰে সমাজতন্ত্ৰ গঢ়াৰ পথত জনগণৰ প্ৰচণ্ড শক্তিৰ মূৰ্ত্ত ৰূপ দিয়া। জনগণৰ শিল্প প্ৰকাশৰ ক্ষেত্ৰত একনায়কত্ববাদ হ'ল ভ্যাকুতম আৰু জঘন্যতম অন্তৰায়। ১৯শ শতিকাৰ আৰম্ভণীতেই শিল্পৰ গণ পক্ষপাতিতাৰ সূত্ৰ দাৰ্শনিক কাণ্টে ব্যৱহাৰ কৰিছিল।

কাণ্টৰ মতে যি কোনো সকল সৌন্দৰ্য বিচাৰেই হ'ল পক্ষপাতমূলক, ই কোনো প্ৰকাৰেই বিশুদ্ধ ৰুচী প্ৰকাশক নহয়। অৱশ্যে লেনিনে এই সূত্ৰক সম্পূৰ্ণ পৃথক তাত্ত্বিক আৰু ঐতিহাসিক অৰ্থত ব্যৱহাৰ কৰিছিল।

"পাৰ্টি সাহিত্য আৰু পাৰ্টি সংগঠন" পুথিত লেনিনৰ মুখ্য লক্ষ্য আছিল সমাজবাদী আদৰ্শৰ জনগণৰ লগত সম্পৰ্কীত মুক্ত সাহিত্যৰ বিকাশ ঘটোৱা যি সাহিত্য হ'ল কেৱল "উচ্চ শ্ৰেণীৰ" বাবে সৃষ্ট বুৰ্জোৱাৰ বিৰক্তিকৰ সাহিত্যৰ ঘোৰ বিৰোধী। গতিকে লেনিনৰ তত্ত্বৰ অৰ্থ হ'ল "কলা জনসাধাৰণৰ সম্পদ" (Art belongs to people)। শিল্পীক ধনৰ মোনা, ঘৃণ্য নৈতিকতা, নীচক বীৰত্ববাদ আৰু উৎকট ব্যক্তিবাদৰ পৰা মুক্ত কৰাটো হ'ল লেনিনৰ মহান লক্ষ্য। বুৰ্জোৱাৰ নৈৰাজ্যবাদী সংস্কৃতিৰ বিপৰীতে বৈজ্ঞানিক সমাজতন্ত্ৰৰ লক্ষ্যত জনগণৰ কামত অহা আৰু দেশৰ শক্তিৰ আধাৰ ৰাইজৰ পৰা প্ৰেৰণা সঞ্চয় কৰা আৰু প্ৰকৃত মুক্ত সৃষ্টিৰ উদ্যম যোগোৱা শিল্প-সাহিত্য সৃষ্টি কৰা। বুৰ্জোৱা ব্যৱসায়ীৰ সম্পৰ্কৰ পৰা শিল্পক মুক্ত কৰাই হ'ল লেনিনৰ উদ্দেশ্য। লেনিনৰ লক্ষ্য আছিল বিদেশী প্ৰেছ আৰু সামাজিক গণতন্ত্ৰীসকলৰ নৈৰাজ্যবাদৰ বিৰুদ্ধে শিল্পীক সজাগ কৰা। গতিকে তেওঁৰ সেই প্ৰৱন্ধৰ অৰ্থ আমি কেৱল পাৰ্টিবদ্ধ সংকীৰ্ণতাৰ ব্যাখ্যাৰে বিকৃত কৰা উচিত নহয়। লেনিনৰ মহৎ উদ্দেশ্য আছিল "শিল্প-সাহিত্য জনগণৰ সম্পদ," কলাশিল্প সমাজতন্ত্ৰৰ অস্ত্ৰ," "শিল্পীৰ পবিত্ৰ সামাজিক ভূমিকা" আৰু "সৃজনশীল প্ৰক্ৰিয়াৰ মুক্তিদান" আদি নীতি প্ৰতিষ্ঠা কৰা।

লেখক শিল্পীৰ ভূমিকা

লেখকৰ ভূমিকাৰ সম্পৰ্কত লেনিনৰ বিশ্লেষণ অতি শিক্ষণীয়। কবিৰূপে পুস্কিনৰ ভূমিকাৰ সন্দৰ্ভত লেনিনে মন্তব্য কৰিছে যে পুস্কিন ৰাজনীতিৰ প্ৰতি নিৰুদ্বেগ হ'লেও আৰু কবিৰ ভূমিকাৰ সম্পৰ্কত তেওঁৰ দৃষ্টিভঙ্গী বাৰে বাৰে বদলিলেও, আনকি তেওঁৰ

সামাজিক সহানুভূতি সঘনে পৰিবৰ্ত্তন হ'লেও পুস্কিন কাব্যৰ সম্পৰ্কত অতি নিষ্ঠাবান আছিল। আনকি পুস্কিনৰ কাব্যই প্ৰজাতান্ত্ৰিক ভূমিকাৰ আকাঙ্খা প্ৰতিফলন নকৰিলেও তেওঁৰ সৃষ্টি কল্পনাই মুক্ত ভাবে কবিৰ দৃঢ় বিশ্বাসৰ প্ৰকাশ ঘটাইছিল।

শিল্পৰ সামাজিক ভূমিকাৰ সন্দৰ্ভত লেনিনে জনগণৰ লগত মনে প্ৰাণে জড়িত হোৱা শ্ৰমজীৱি মানুহৰ সৌন্দৰ্যলিপ্সা পূৰণৰ বাবে তেওঁলোকৰ সৌন্দৰ্য জ্ঞান সমৃদ্ধ কৰাৰ কাৰণে সচেতন ভাবে আত্মোৎসৰ্গা কৰা নৱজাত শিল্পীৰ সৃষ্টিত অধিক গুৰুত্ব দি'ছিল। এনে নৱজাত শিল্পীয়েই আধুনিক সংস্কৃতিৰ নেতৃত্বলৈ প্ৰগতিশীল, জাগ্ৰত আৰু অনুসন্ধানী চৰিত্ৰ আৰু ধ্যান-ধাৰণা সৃষ্টিৰ গুৰু দায়িত্ব লোৱাতো লেনিনৰ ব্যাখ্যাত ফুটি উঠিছিল। উচ্চ সংস্কৃতিৰ বিশুদ্ধ বুদ্ধিজীৱিসকলে জনসাধাৰণৰ শিল্প-সাহিত্যৰ মোল নুবুজে বুলি কৰা মত প্ৰকাশৰ বিপৰীতে লেনিনৰ সৃষ্টিত সংস্কৃতি-সাহিত্য হ'ল মানুহৰ ভাবজগতৰ সৰাতোকৈ সক্ৰিয় ক্ৰিয়া কাণ্ড। ই সকলো মানুহৰ ঐতিহাসিক প্ৰগতি ঘটোৱা প্ৰচণ্ড শক্তি।

লেনিনৰ মতে সাহিত্যই জনগণৰ অনুভূতি, চিন্তা, ইচ্ছা আৰু আকাঙ্খাৰ ঐক্য সাধন কৰে আৰু বিকাশ ঘটায়। শিল্পীৰ প্ৰচণ্ড ভূমিকাৰ বিষয়ত তেওঁ মন্তব্য কৰিছে "মানুহৰ চেতনাই বস্তুজগতখনৰ কেৱল প্ৰতিফলনেই নকৰে, ই সৃষ্টিও কৰে। .... বিশ্বই মানুহক সন্তুষ্ট কৰিব নোৱাৰিলে মানুহে বিশ্বৰ পৰিবৰ্ত্তন ঘটায়"। কিতাপ, চিনেমা, নাটক আদিয়ে মানুহৰ মনোজগতত ক্ৰিয়া ঘটাই কল্যাণ বা অমঙ্গল সাধন কৰে। কলাই ব্যক্তিৰ অন্তৰ্জগত আৰু সমাজৰ ভাবজগতক এই ব্ৰহ্মাণ্ডত ঘটা ক্ৰিয়া কাণ্ডৰ সত্যবাদী ব্যাখ্যাৰে গঢ় দিয়ে আৰু মানুহ তথা মানব সমাজৰ নিয়তি নিৰূপণ কৰে।

নোবেল বঁটা গ্ৰহণ কৰি মিখাইল চ'ল'কভে মন্তব্য কৰিছিল— "জীৱনক জগাই তোলা আৰু মানবৰ মঙ্গলৰ কাৰণে সমাজৰ পুনৰগঠন কৰাৰ ভাৱ প্ৰচাৰ কৰাকেই মই বাস্তৱবাদ বোলো।

…"এই বাস্তৱবাদে মানৱজাতিৰ প্ৰগতিৰ উত্থান ঘটাবলৈ উদগনি দিয়ে আৰু কোটি কোটি মানুহক ঈপ্সিত লক্ষ্যত উপনীত হ'বলৈ সংগ্ৰামী আলোক প্ৰদান কৰে।" যোঁমাযোঁলাই লেনিনে সমস্ত প্ৰেৰণাৰে কলা-সাহিত্য-বিজ্ঞানক সক্ৰিয় কাৰ্য তোলা বুলি মত প্ৰকাশ কৰিছে আৰু লেনিনৰ কোনো মোহগ্ৰস্ততা, পলায়নবাদীতা নাছিল আৰু তেওঁৰ সবল বাস্তৱতাত সাৰ্ব্বজনীন প্ৰজ্ঞা অন্তৰ্নিহিত হৈ আছিল বুলিও মন্তব্য কৰিছে।

ৰালফ্ ফক্সে লেখিছিল "নব্য বাস্তৱবাদত আমাৰ কাম হ'ল সৃষ্টিকৰা আৰু বুৰ্জোৱা বাস্তৱবাদে এৰা পৰ্য্যায়ৰ পৰা কাম আৰম্ভ কৰা। ই নিশ্চয় দেখুৱাব লাগিব যে কেৱল সমালোচনাত্মক হোৱা বা এখন বিধ্বস্ত দুনিয়াত কেৱল যুদ্ধত ব্ৰতী হোৱাতেই ব্যক্তি-বিশেষৰ ভূমিকা শেষ নহয়। মানুহে কামেৰে নিজ অৱস্থাৰ পৰি-বৰ্ত্তন কৰা, জীৱনক আয়ত্ত কৰা, ইতিহাসৰ লগত সু-সংহত যুঁজ চলোৱা আৰু আপোন নিয়তিৰ স্ৰষ্টা হোৱাটোহে আচল কাম।" লেনিনে সামাজিক প্ৰগতি আৰু ৰাজনৈতিক চেতনা বৃদ্ধিত সং-স্কৃতিৰ ব্যাপক প্ৰভাৱৰ কথা মুক্তকণ্ঠে স্বীকাৰ কৰিছিল। শিল্পীয়ে আপোন অসাধাৰণ প্ৰতিভা আৰু সামাজিক দায়বদ্ধতাৰে শ্ৰমিক শ্ৰেণীৰ আন্দোলনতো অসীম অৱদান আগবঢ়াব পাৰে বুলি তেওঁ মত প্ৰকাশ কৰিছিল।

মাৰ্ক্সবাদ বিৰোধীসকলে জনগণমুখী শিল্প-সাহিত্যই শিল্পীৰ স্বাতন্ত্ৰ্য খৰ্ব্ব কৰা আৰু সংস্কৃতিক পাৰ্টি সংগ্ৰামৰ হাতিয়াৰ কৰা বুলি অভিযোগ আনে। তেনে শিল্প-কলা নিৰপেক্ষ বিচাৰ বুদ্ধিৰ অযোগ্য বুলিও সিহঁতে সমালোচনা কৰে। লেনিনে গণপক্ষতা, সত্যবাদীতা আৰু বৈজ্ঞানিক সৌন্দৰ্য-জিজ্ঞাসাৰে এনে শিল্পই সমাজক সমৃদ্ধ কৰে বুলি দৃঢ়মত প্ৰকাশ কৰিছে। অৱশ্যে সত্যৰ অপব্যাখ্যা আৰু বাস্তৱৰ বিকৃতকৰণে লেনিনৰ সাহিত্য সূত্ৰৰ উলঙ্ঘন কৰা বুজায়। যিহেতু তেনে সৃষ্টিকৰ্ম্মই জীৱনৰ বাস্তৱৰ ওপৰত আধাৰিত নোহোৱা

থাবে বিপ্লৱী প্ৰশংসা হেবোৱাই পেলায়।

শেল্কীক সাহিত্যিক প্ৰৱণতা আৰু সৃষ্টি স্বাধীনতা

লেনিনে গৰ্কীলৈ লেখিছিল যে প্ৰাচীন, বৌদ্ধিক আৰু গোড়া চৰিত্ৰ পৰিহাৰ কৰি শিল্প সমালোচনাক অধিকতৰ পাৰ্টি কাজকৰ্ম্ম আৰু পাৰ্টি নেতৃত্বৰ লগত সম্পৰ্ক ৰক্ষা কৰি চলিব লাগে। বাৰ্তা-লোচনীবোৰে ৰাজনীতি, বিজ্ঞান, ইতিহাস আৰু ৰাজহুৱা জীৱন আদি সাঙুৰি বিশেষভাৱে এক আদৰ্শগত ধাৰা অনুসৰণ কৰা উচিত। শিল্পীৰ সামাজিক ধাৰাৰ লগত সম্পৰ্কৰ বিষয়ত বুৰ্জোৱা ব্যক্তি স্বাধীনতাৰ বিষয়ে অতিৰঞ্জিতকৈ কয়। বিপৰীতে সামাজিক ধাৰাৰ লগত ওতঃপ্ৰোতঃ সম্পৰ্ক ৰক্ষা কৰি সৃষ্টিকৰ্ম্মত ব্ৰতী হোৱা শিল্পীসকলৰ ব্যক্তিত্বহে অধিকতৰ আকৰ্ষণীয়, প্ৰভাৱশালী আৰু শক্তিশালী হোৱা দেখা যায়।

বিপ্লৱে মায়াক'ভস্কীক নৱপ্ৰজ্ঞা আৰু উচ্চতৰ সৃষ্টি স্বাধীনতা প্ৰদান কৰিছিল। তেওঁ স্বীকাৰ কৰিছে "মই এজন মুক্ত মানুহ আৰু স্বাধীন লেখক। বৈষয়ীক ভাৱে মই কাৰোবে ওপৰত নিৰ্ভৰশীল নহও। কিন্তু নৈতিকভাৱে মই বিপ্লৱী আন্দোলনৰ অঙ্গীভূত, যি বিপ্লৱে বাচিয়াক সামাজিক সমতাৰ ভিত্তিত পুনৰ নিৰ্ম্মাণ কৰিছে।' সমাজতন্ত্ৰৰ শত্ৰুৰ ভণ্ডামী উদঙাই দি চ'ল'কভে পাৰ্টি শিল্পীৰ আভ্যন্তৰীণ স্বাধীনতাৰ অনুপম সূত্ৰ ডাঙি ধৰিছে। "আমাৰ ঈৰ্ষান্বিত শত্ৰুসকলে বিদেশত আমাৰ ছোভিয়েট লেখকসকলে পাৰ্টিৰ শ্ৰুত-লিপিমতে লেখা বুলি কয়। আচল অৱস্থাটো পিচে বেলেগ ধৰণৰ। আমাৰ প্ৰতিজনে নিজ হৃদয়ৰ নিৰ্দ্দেশক্ৰমেহে লেখে আৰু আমাৰ হৃদয় পাৰ্টি আৰু জনতাৰ লগত একাত্ম"।

এই ক্ষেত্ৰত লেনিনে স্পষ্টভাৱেই লেখিছে "পুঁজিবাদী সমাজত প্ৰকৃত ক্ৰিয়াশীল স্বতন্ত্ৰতা থাকিব নোৱাৰে। এনে সমাজত শ্ৰম-কাৰী জনসাধাৰণে দৰিদ্ৰ জীৱন যাপন কৰে আৰু এমুঠি ধনীয়ে ৰঘুমলাৰ জীৱন যাপন কৰে। লেখক মহাশয়, বুৰ্জোৱা বাইজৰ

সম্পৰ্কত বুৰ্জোৱা অকাজকৰ পৰা আপোনালোক স্বাধীননে যি সকলে ছবি আৰু পেইন্টিঙত নগ্নতা আৰু মানৱ বিদ্বেষী পবিত্ৰতাৰ পৰিপূৰকৰূপে গণিকা বৃত্তিৰ দাবী কৰে? চূড়ান্ত বুৰ্জোৱা স্বাধীনতা মানে নৈৰাজ্যবাদীতা। কোনোৱে বুৰ্জোৱা সমাজত থাকি বুৰ্জোৱাৰ প্ৰভাৱৰ পৰা স্বাধীন হ'ব নোৱাৰে। এতেকে বুৰ্জোৱা লেখক শিল্পী বা চিত্ৰাভিনেত্ৰীৰ স্বাধীনতা হ'ল মাথোঁন ধনৰ মোনা দুনীতি আৰু বেশ্যাবৃত্তিৰ ওপৰত নিৰ্ভৰশীল কপট স্বাধীনতা।"

লেনিনে অধিক স্পষ্টভাৱে লেখিছে – "সামন্তবাদী নিয়ন্ত্ৰণৰ দাসত্বৰ পৰা গুলাই আহি আমাৰ কোনো ইচ্ছা নাইবা আমি কেতিয়াও বুৰ্জোৱা বেপাৰীৰ সাহিত্য-সম্পৰ্কত বন্দী নহ'ম। আমি ইচ্ছা কৰোঁ। আৰু আমি প্ৰতিষ্ঠা কৰিম্মই মুক্ত প্ৰেছ আৰু প্ৰকাশন-কেৱল পুলিচৰ পৰাই মুক্ত নহয়, পুঁজি, ব্যক্তিবাদ আৰু মুখ্যতঃ বুৰ্জোৱা নৈৰাজ্যবাদৰ উদ্ভট প্ৰৱণতাৰ পৰাও।" তেওঁ দেখুৱাইছে যে কিছুমান মহৎ শিল্পীয়েও ভুলৰ সন্মুখীন হৈছিল। যথা বাল-জাকৰ পৰম্পৰাগত শাসনৰ প্ৰতি অন্ধতা, ডষ্টয়েভস্কীৰ খৃষ্টীয় ধাৰণা আৰু টলষ্টয়ৰ পিতৃতান্ত্ৰিক পূৰ্ব্বধাৰণা আদি। কিন্তু এই লেখক সকলৰ সৃষ্টিকৰ্ম্ম কোন ধ্যান-ধাৰণাৰ সম্পূৰ্ণ বশৱৰ্ত্তী হোৱা হ'লে তেওঁলোকে প্ৰশংসনীয়ভাৱে মৌলিক আৰু সত্যবাদী সৃষ্টি কৰিব নোৱা-ৰিলেহেঁতেন। এই কলাকাৰসকলৰ যুগ সাপেক্ষ ধাৰা, চৰিত্ৰ, দ্বন্দ্ব আৰু জীৱনৰ মুখ্য সমস্যা উত্থাপনতেই মহত্ত্বা নিহিত হৈ থাকিল।

লেনিনে দেখুৱাইছে যে শিল্পীৰ স্বাধীনতা মানৱ সমাজৰ প্ৰকৃত ঐতিহাসিক বিকাশৰ ওপৰতেই নিৰ্ভৰশীল। সমাজৰ প্ৰগতি আৰু কলাৰ উন্নতিয়েহে শিল্পীৰ স্বাধীনতা সূচনা কৰে। জীৱনৰ পৰিমণ্ডলক প্ৰভাৱ কৰিবলৈ যুক্তি আৰু ক্ৰমবৰ্দ্ধমান প্ৰতিভাৱে বস্তুগত স্থিতিক চলাৱলিব পাৰিব লাগিব। কলাৰ স্বাধীনতাৰ আভুৱা ধ্বনিয়ে কেৱল কলাক জীৱনৰ পৰা বিচ্ছিন্ন কৰে আৰু কলাক জগতৰ কেৱল উশৃঙ্খল প্ৰপঞ্চ বুলি উদ্ভট ধাৰণা দিয়ে।

সেয়ে সমাজতান্ত্রিক সৌন্দর্যবীক্ষাই তাৰ বপিৰীতে সৃষ্টিশীল কলা স্বাধীনতাক গুৰুত্ব দিয়ে। কলাকাৰক বৈচিত্ৰময় বাস্তৱতা আৰু জীৱনৰ দৰ্শনক নিয়ন্ত্ৰণ কৰাত ইন্ধন যোগোৱা ৰূপান্তৰ সাধনত সহায় কৰে।

এতেকে লেনিনৰ মতে সৃষ্টিশীলতা লাভ কৰিবলৈ হ'লে শিল্পীয়ে জীৱন বাস্তৱতা আৰু মানৱ প্ৰগতিৰ লগত খোজ মিলাই যাব লাগিব। বাস্তৱতাৰ পৰা পলায়ণ কৰি নহয়, নিৰ্ভীক ভাবে সত্যৰ উদ্‌ঘাটন কৰি, জীৱনৰ তত্ত্ব আৰু দ্বন্দ্বক গভীৰভাৱে অনুধাৱন কৰিহে সাৰ্বজনীন সৃষ্টি স্বাধীনতা দৃঢ় বুনিয়াদ গঢ়িব পাৰি, ভ্ৰান্ত ধাৰণাৰে নহয়। অতীত, বৰ্ত্তমান আৰু ভাৱীকালৰ বাস্তৱতাক দাৰ্শনিক আৰু কলা সুলভ সমাজদায়বদ্ধ মননশীলতা আয়ত্ব কৰিহে শিল্পীয়ে প্ৰকৃত সজীৱ সৃষ্টি স্বাধীনতা পাব পাৰে। যুগৰ মহত্তম সত্যৰ প্ৰতিষ্ঠা কৰি, ইতিহাসৰ চলমান গতিৰ লগত একাত্ম অনুভৱ কৰি আৰু কোটি জনতাক প্ৰভাৱিত কৰিহে কলাকাৰে অকৃত্ৰিম সৃজনী স্বাধীনতাৰ চাবিকাঠী বিচাৰি পাব পাৰে।

প্ৰগতিশীল ধ্যান-ধাৰণাৰ শিল্প-সাহিত্য

সমাজৰ সকলো ক্ষেত্ৰতেই নতুন ধ্যান-ধাৰণাৰ প্ৰয়োজন। লেনিনৰ প্ৰগতিশীল শিল্পৰ দৃষ্টিভঙ্গীত সৃষ্টিশীল কলাৰ লগত নতুন ধ্যান-ধাৰণা অবিভাজ্য। সেয়ে নতুন প্ৰজ্ঞাহীন শিল্পবীক্ষা বন্ধ্যা সদৃশ। গতিকে লেনিনে সামাজিক দ্বন্দ্ব আৰু ধ্যান-ধাৰণা প্ৰকাশক শিল্প কলা সততে উপভোগ কৰিছিল। তেওঁ লেখিছিল যে প্ৰকৃত কলা সদায়, মহৎ সামাজিক আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত। এনে কাৰণতেই লেনিনে পুস্কিন, নেক্ৰাচভ, চাৰ্নিভস্কী, স্কেড্ৰিন, টুৰ্গেনিভ, টলষ্টয়, চেকভ, গৰ্কী, গোয়েটে, জোলা, বেৰাঙ্গাৰ, বাৰবাছ, ৰোঁমাৰোঁলা, ৰেলছ, শ্ব', জেকলণ্ডণ আদিৰ সৃষ্টিক বিশেষ মূল্য দিছিল।

বস্তুতে শিল্প-সংস্কৃতিক স্বাধীন আৰু ই জীৱনৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ প্ৰকাশ,—ইয়াৰ সামাজিক ৰাজনৈতিক চেতনাৰ লগত কোনো সম্পৃক

নাই বোলা ধাৰণাৰ লেনিনে বিৰোধিতা কৰে। সিহঁতে কোৱাৰ দৰে সংস্কৃতি কেতিয়াও উদ্দেশ্যবিহীন নহয়। গতিকে শিল্প আদর্শ মানে জ্ঞান অভিজ্ঞতা আৰু প্ৰগতিশীল ধ্যান-ধাৰণাক উদ্দেশ্য পূর্ণ আশা আকাঙ্খাৰ ভাবানুভূতি আৰু ক্ৰিয়া কাণ্ডৰ লগত সমন্বয় ঘটোৱা। আনহাতে ধ্যান-ধাৰণাবোৰ কেৱল মগজু আৰু বোধগম্যতাৰেই ফচল নহয়,—এইবোৰ হ'ল মানৱ হৃদয়, অনুভূতি আৰু আকাঙ্খাৰো ফচল।

লেনিনে সৰ্ব্বদাই বহুতো প্ৰেছ আৰু লেখকৰ বিকৃত প্ৰচাৰৰ বিৰুদ্ধে নব্য বিপ্লৱী দৃষ্টিভঙ্গীৰ সমৰ্থনত সংগ্ৰাম কৰিছিল। তেনে লেখকে সীমিত ধ্যান-ধাৰণাৰে শিল্প বিপ্লৱৰ পৰৱৰ্ত্তী ঐতিহাসিক বিকাশৰ তথ্যকেই বুজিবলৈ ব্যৰ্থ হয়। শিল্প বিপ্লৱ আৰু পৰৱৰ্ত্তী অক্টোবৰ বিপ্লৱে যে আৰ্থ-সমাজ-ৰাজনীতি আৰু শিল্পবীক্ষাতো যে বিবৰ্ত্তন সাধন কৰিলে তেওঁলোকে তাক উপলব্ধি নকৰে।

বিপ্লৱী কলা-শিল্পই জীৱনক বৈচিত্ৰপূৰ্ণ ভাবে প্ৰকাশ কৰি জীৱনৰ বিকাশ ঘটায়। প্ৰগতিশীল কলাই জীৱনৰ ধ্যান-ধাৰণা, ৰীতিনীতি, গতিধাৰা, লক্ষ্য উদ্দেশ্যৰ গভীৰ সত্যবাদী প্ৰকাশেৰে বাস্তৱতাৰ প্ৰগতি সাধন কৰে। এঙ্গেলছৰ মতে সমাজতান্ত্ৰিক আদর্শ আৰু ঐতিহাসিক সম্ভাৱনাৰ জ্ঞানৰ ওপৰত প্ৰতিষ্ঠিত সাহিত্যই প্ৰগতিশীল চিন্তা আৰু বাস্তৱৰ অধিক সংহতি ঘটায়। তেওঁৰ মতে সাহিত্যত আদৰ্শ ওপৰৰ পৰা জাপি দিয়া বিধৰ হ'ব নেলাগিব। বৰঞ্চ ই পৰিস্থিতি আৰু কাৰ্য্যকৰণৰ পৰা শৈল্পীক স্বতঃস্ফূৰ্ত্তভাৱে নিগৰি আহিব লাগিব।

লেনিনে গৰ্কীৰ 'মা' উপন্যাসৰ অদৰ্শশিক্ষা আৰু উচ্চ কলা মানৰ ভূয়সী প্ৰসংসা কৰিছিল। গৰ্কীৰ 'মা'ৰ সমৃদ্ধ চৰিত্ৰ, নতুন ৰং-ৰস, নতুন ধ্যান-ধাৰণা, বিপ্লৱী প্ৰেৰণা আৰু ঘটনা বৈচিত্ৰই মানুহক উদ্দীপিত কৰে আৰু প্ৰত্যয় জন্মায়। এনে প্ৰসঙ্গত তেওঁৰ দৈনত মত হ'ল যে কলাকাৰৰ সচেতন আদৰ্শগত অৱস্থা জীৱনৰ

পৰা আয়ত্ত কৰা সৃষ্টিস্বপ্নৰ পৰাই প্ৰতিভাত হয়। ই কোনো বাহ্যিকতা, সুদীৰ্ঘ ব্যাখ্যাত্মক বক্তৃতা বা উকা উপদেশৰ উন্নাসিকতাৰ পৰা উদ্ভূত নহয়। কলাসুলভ ৰূপসজ্জা, নিপুনতা আৰু সূক্ষ্ম প্ৰকাশৰ অভাৱত লেখকৰ অগ্নিময়ী ভাষা, বিস্তৃত চৰিত্ৰ বা অতি বৃহৎ আৰু তীক্ষ্ণ তত্ত্ব ব্যাখ্যাইও ক্ষতিপূৰণ কৰিব নোৱাৰে।

সমাজতান্ত্ৰিক আদৰ্শ

লেনিনৰ মতে সামাজিক অৱস্থাৰ প্ৰগতি সাধন কৰা সকলো লোকৰেই এক উচ্চ আদৰ্শৰ প্ৰয়োজন। মানুহৰ মঙ্গল আৰু মুক্তিৰ আদৰ্শ সকলো ধ্ৰুপদী সাহিত্যৰেই আত্মা স্বৰূপ। আদৰ্শহীন সাহিত্যৰ ইতিহাস বন্ধ্যা। প্ৰগতিশীল কলা-সাহিত্যই সৰ্ব্বদাই মুক্তি, মঙ্গল আৰু সুন্দৰৰ বাবে সংগ্ৰামী শিক্ষা দিয়ে। পুস্কিনৰ ভাষাত "কলাৰ লক্ষ্য হ'ল আদৰ্শ" আৰু বেলিনস্কীৰ মত হ'ল যে কলাক সমকালীন আদৰ্শৰ লগত সংপৃক্ত কৰা। চাৰ্নিচেভস্কীৰ মতে জীৱন সৌন্দৰ্যময় যাক আমি আমাৰ ব্যাখ্যানুসৰি কেনে হ'ব লাগে নিৰীক্ষণ কৰোঁ। টলষ্টয়ে সমাজক গতি দিবলৈ, নিজ ভুলৰ প্ৰতি চকু মেলি এক নতুন আধ্যাত্মিক আৰু নৈতিক পূৰ্ণতা প্ৰদান কৰিবলৈ শিল্পত কিবা এটা নতুন আদৰ্শৰ প্ৰয়োজন অনুভৱ কৰিছে। চেকভেওএ কৈছিল যে প্ৰতিজন মহৎ লেখকৰে সৃষ্টিৰ উৎসত এক মহান লক্ষ্য থাকে যি মানুহক উচ্চ মানসিক স্তৰলৈ উদ্বুদ্ধ কৰে।

সকলো স্বপ্ন কল্পনাবাদী Utopia) অলীক দ্ৰষ্টাৰ প্ৰতি লেনিন আছিল সহানুভূতিহীন যদিও তেওঁলোকৰ মানৱতাবাদী আৰু সমাজবাদী সন্ধানক তেওঁ স্বীকাৰ কৰিছিল। লেনিনে শিল্প-সাহিত্য নিহিত সকলো ধৰণৰ মহান প্ৰগতিশীল সমাজ চিন্তাক দৃঢ় আৰু সু-সঙ্গত ভাৱে উৰ্দ্ধত তুলি ধৰিছিল। তাৰোপৰি জীৱনমুখী ইতিবাচক দৃষ্টিভঙ্গীক তেওঁ অধিক সন্মান দিছিল। সমাজৰ চালিকা শক্তি নৱা সমাজতান্ত্ৰিকবীক্ষাক শিল্প-সাহিত্যত উচ্চস্থান দি তেনে

শিল্প বিচাৰৰ বৈজ্ঞানিক ভেটি প্ৰতিষ্ঠা কৰি লেনিনে শিল্পসৃষ্টিৰ পূৰ্ণতা প্ৰাপ্তিৰ পথ প্ৰদৰ্শনাও কৰিছিল। তেওঁৰ মতে বাস্তৱতাৰ প্ৰগতিশীল আৰু বিকাশশীল ধ্যান-ধাৰণাই হ'ল সবলতম ধাৰণা। লেনিনে আৰু কৈছিল, "মানুহে এটা আদৰ্শ বিচাৰে, কিন্তু সেই আদৰ্শ হ'ব লাগিব প্ৰকৃতিৰ লগত বজিতা খোৱা মানবীয় আদৰ্শ, অতিমানবীয় দৈবীক আদৰ্শ নহয়"।

লেনিনৰ সাহিত্যত নৈতিক আদৰ্শৰ মাপকাঠি সামাজিক গণতন্ত্ৰী ইনেচা আৰমেণ্ডলৈ লিখা চিঠিতেই স্পষ্ট হৈ পৰে। সেই পত্ৰত তেওঁ "মুক্ত প্ৰেমৰ দাবী", "প্ৰেমৰ মুখ্য উপাদানৰ পৰা মুক্তি", "সন্তান জন্মৰ পৰা মুক্তি", "প্ৰেমবিহীন চুম্বন", "প্ৰেমবিহীন বিবাহ" আদিৰ দাবীক উদ্ভট, ক্লেদাক্ত আৰু বুৰ্জোৱা ভণ্ডামী বুলি পৰিহণা দিছে।

তেনে মানুহৰ বাবেহে জীৱন সুন্দৰ আৰু সবল যি নিৰবিচ্ছিন্ন ভাবে কাহানিও উপনীত হ'ব নোৱাৰা লক্ষ্যৰ প্ৰতি ধাৱমান হয়। জীৱনৰ সকলো প্ৰগতি, সংস্কৃতি আৰু সংগ্ৰাম সেই দুৰ্লভ লক্ষ্য আদৰ্শৰ প্ৰতিয়েই উছৰ্গীত হ'ব লাগিব। জীৱনৰ সেই স্ব-সৃষ্ট লক্ষ্য আদৰ্শৰ ফালে কৰা অবিৰাম গতি হয়তো এদিন সফলো হ'ব পাৰে।

শিল্পৰ আঙ্গিক অতি গুৰুত্বপূৰ্ণ

লেনিনে শিল্প-সাহিত্যৰ আঙ্গিক আৰু বক্তব্যৰ সমস্যা আলোচনা কৰি মত প্ৰকাশ কৰিছে যে পৰস্পৰে ইটোৰ পৰা সিটো অবিচ্ছিন্ন। আধাৰ আৰু আধেয়ৰ ঐক্যৰ এক দাৰ্শনিক ভিত্তিও আছে। সেই বুলি ৰূপসজ্জা আৰু সাৰ বস্তুৰ সমাৰ্থক নহয়। লেনিনৰ বিশ্লেষণত বক্তব্যৰ ওপৰত আধাৰিত হ'লেও আঙ্গিক নিষ্ক্ৰিয় নহয়, সদায় সক্ৰিয়। আঙ্গিকৰ অবিহনে বক্তব্যই প্ৰভাৱ, ক্ৰিয়াশীল শক্তি আৰু গতিশীলতা হেৰুৱাই কলাৰ বাচ্য-বহিৰ্ভূত হয়। দুৰ্বল

আঙ্গিক বক্তব্য প্ৰকাশৰ প্ৰতিবন্ধক হ'ব পাৰে। বক্তব্যক অস্পষ্ট আৰু বিকৃত কৰিব পাৰে। আকৌ সবল আঙ্গিকে বক্তব্যৰ অধিক সাৱলীল প্ৰকাশক জীৱন্ত কৰি তুলিব পাৰে।

সাহিত্যই কোটিজনতাৰ হৃদয় স্পৰ্শ কৰিব খুজিলে, ৰাইজৰ সম্পদ হ'ব বিচাৰিলে আৰু গণসংস্কৃতিক সমৃদ্ধ কৰিব খুজিলে কলা-গত গুণৰ কাষেৰে পৰাও সি সফল আৰু আকৰ্ষক হ'ব লাগিব। অন্যথাই কলাকাৰৰ বক্তব্যই পূৰ্ণ প্ৰকাশ নেপায়। লেনিনৰ মতেও বক্তব্য প্ৰকাশৰ যথাযথ সফল ৰূপ প্ৰদানো কলাকাৰৰ সবাতোকৈ মূল্যবান গুণ। টলষ্টয়ৰ প্ৰচণ্ড অনুভূতি, ভাবানুবেগ, প্ৰত্যয়পূৰ্ণতা, নতুনত্ব, নিষ্ঠা, সাহস, তেওঁৰ সকলো ঘটনাৰ উৎস উদ্ঘাটন আৰু জনগণৰ দুৰ্দ্দশাৰ প্ৰকৃত কাৰণ বিচাৰি উলিওৱা অসাধাৰণ প্ৰতিভাক লেনিনে গভীৰ শ্ৰদ্ধা কৰিছিল।

চেকভৰ সাহিত্য-ঠাচৰ লেনিন আছিল এজন প্ৰশংসক। তেওঁৰ মতে, "চেকভৰ ষ্টাইলত জীৱনৰ উচ্চতম সত্য, সবলতা আৰু সংক্ষিপ্ত শিল্প-নিপুণ ভাষাৰ অসাধাৰণ সমন্বয় আৰু সংহতি ঘটিছে।" লেনিনৰ বাবে জীৱন্ত চৰিত্ৰ অঙ্কন আৰু সজীৱ বৰ্ণনা হ'ল দক্ষ সাহিত্যকৃতিৰ স্থায়ী গুণ। তেওঁ আনকি বিশ্বৰ গভীৰ উপলব্ধি থকা, জীৱনৰ অৰ্থ বুজাত আৰু জীৱন জগতক ৰূপান্তৰ কৰা অভিনৱ সমল যোগোৱা ৰোমাণ্টিক আঙ্গিককো সমৰ্থন কৰিছিল। গুৰু গম্ভীৰ, অৰ্থবহ, প্ৰকৃতি, জগত আৰু মানৱ সমাজৰ সূক্ষ্ম অৰ্থবহন কৰা বিমূৰ্ত্ত কলা ৰূপকো লেনিনে অনুমোদন কৰে। কাৰণ ব্যক্তিৰ সূক্ষ্ম, বৌদ্ধিক আৰু মনস্তাত্বিক অভিধা প্ৰকাশ কৰিবলৈ এনে কলাৰ প্ৰয়োজন হয়। লেনিনে অৰ্থহীন, ব্যক্তিবাদী, বহিৰ্জগত আৰু অন্ত-ৰ্জগতক নোবুজোৱা প্ৰতিবাদক নাকচ কৰিছিল।

কলা-শিল্প হ'ল জীৱন আৰু জগতক উপলব্ধি কৰা এক জটিল নান্দনিক প্ৰক্ৰিয়া। সেয়ে লেনিনে মত প্ৰকাশ কৰিছে যে কলা

সংস্কৃতিত বিভিন্ন ৰূপ, গঠন, ষ্টাইল, ভাষা আৰু উপস্থাপন ৰীতি প্ৰয়োগৰ প্ৰয়োজন। এতেকে সাহিত্য-শিল্প যান্ত্ৰিক, ধৰাবন্ধা আৰু ৰবমূলা ভিত্তিক হ'ব নোৱাৰে। ই সংখ্যাগৰিষ্ঠতাৰে সংখ্যালঘুৰ ওপৰত চলোৱা শাসনৰ দৰে নীতিবদ্ধ হ'ব নোৱাৰে। সেয়ে প্ৰগতিশীল কলাকাৰে জীৱনমুখী কলাৰ সৰ্ব্বোৎকৃষ্ট প্ৰকাশৰ উত্তম মাধ্যমৰ ব্যৱহাৰ কৰিব লাগে। তেওঁলোকে প্ৰতিক্ৰিয়াশীল কলাকাৰৰ ৰহস্যবাদী, অস্পষ্ট আৰু বিপথগামী কলাৰূপ অৱশ্যেই পৰিহাৰ কৰিব লাগিব।

টাইপ চৰিত্ৰৰ সমস্যা

সাহিত্যত টাইপ চৰিত্ৰ সমৰ্থনত লেনিনৰ মন্তব্য অতি প্ৰণিধান যোগ্য। এঙ্গেলছৰ জনাজাত ৰবমূলা হ'ল-"বাস্তৱত শিল্পৰ সূক্ষ্ম প্ৰতিফলনৰ লগতে টাইপ চৰিত্ৰৰ অঙ্কনৰো প্ৰয়োজন আছে। লেনিনে টুৰ্গেনিভৰ মাটিগিৰীৰ টাইপ চৰিত্ৰ অঙ্কনৰ দক্ষতা বিশেষ ভাবে লক্ষ্য কৰিছে যদিও সেই লেখকৰ বিশ্ব দৃষ্টিভঙ্গীৰ সীমাবদ্ধতা আছিল। টুৰ্গেনিভৰ চৰিত্ৰৰ মাজত তেওঁ উদাৰ সামন্তবাদী ধ্যান-ধাৰণাৰ শিক্ষিত ভদ্ৰলোকৰ মডেল চৰিত্ৰ বিচাৰি পাইছিল।

কলাত টাইপ চৰিত্ৰ চিত্ৰণৰ গুৰুত্বপূৰ্ণ দিশটো হ'ল যে এটা নিৰ্দ্দিষ্ট চৰিত্ৰৰ মাজেদি সমগ্ৰ শ্ৰেণীৰেই প্ৰতিনিধিত্ব কৰা। অৱশ্যে কেৱল সাধাৰণ লক্ষ্যণবোৰ সংগ্ৰহ কৰিয়েই তেনে উদ্দেশ্যত উপনীত হ'ব নোৱাৰি। কলা কৰ্ম্মত উমৈহতীয়া টাইপ চৰিত্ৰ ব্যক্তিগত চৰিত্ৰতেই আৰোপ কৰি মূৰ্ত্ত, বিস্তৃত আৰু বিতংৰূপ দিয়া হয় বা জীৱন্ত ৰূপত অঙ্কন কৰা হয়। মাৰ্ক্সবাদী লেনিনবাদী সৌন্দৰ্য্যবীক্ষাত নিৰ্দ্দিষ্ট ঐতিহাসিক পৰিস্থিতিত কোনো টাইপ চৰিত্ৰই এটা শ্ৰেণীৰ প্ৰতিনিধিত্ব কৰে। লেনিনে সাহিত্যত টাইপ চৰিত্ৰৰে সামাজিক দায়বদ্ধতাৰে জনতাৰ স্বাৰ্থত বিশেষ মনোযোগ দিয়াত গুৰুত্ব দিছে। সেয়ে চৰিত্ৰবোৰৰ শ্ৰেণী চৰিত্ৰৰ গভীৰত লেনিনে প্ৰৱেশ কৰাত অহোপুৰুষাৰ্থ কৰিছিল।

অৱশ্যে লেনিনে টাইপ চৰিত্ৰ নিৰ্মানত অতি সৰলীকৰণ আৰু একপক্ষীয় মূল্যায়নৰ বিৰুদ্ধে সতৰ্কবাণী শুনাইছে। তেওঁ উন্নুকিয়াইছে যে টাইপ চৰিত্ৰকে ধৰি সকলো চৰিত্ৰই বিকাশ লাভ কৰে, স্বাভাৱিকভাৱে উদ্ভৱ হয় আৰু বিশাল বিস্তৃতি লাভ কৰে। ই বিভিন্ন ঐতিহাসিক পৰিপ্ৰেক্ষাত বিভিন্ন বৈচিত্ৰপূৰ্ণ ৰূপ লয়। ৰাচিয়াৰ ভাবীকালৰ মানুহ আছিল শ্ৰমিক শ্ৰেণী। গতিকে ৰাচিয়ান টাইপ চ'ৰিত্ৰ তদনুৰূপ হব। টাইপ চৰিত্ৰৰ উদ্ভৱ হৈছিল ১৯শ শতিকাৰ বাস্তৱবাদৰ অভিজ্ঞতাৰ পৰা। আধুনিক সাহিত্যই এই কৰমূলাৰ অধিক বিকাশ ঘটাইছে। যিহেতু ব্যক্তিয়ে বৃহত্তৰ সামাজিক ক্ৰিয়া কাণ্ডৰ বিকাশ ঘটাইছে সেই হেতুকেই নতুন বিশ্লেষণেৰে নতুন ধৰণৰ টাইপ চৰিত্ৰৰ সৃষ্টিৰো প্ৰয়োজন হৈছে।

শব্দবোৰৰ সক্ৰিয় কাৰ্য্যকলাপ

মাৰ্ক্সে মন্তব্য কৰিছিল "ধ্যান-ধাৰণাই ভাষাৰ পৰা পৃথক হৈ প্ৰকাশ নেপায়। মানুহৰ চেতনা ভাষাৰ যোগেদিয়েই প্ৰকাশ পায়। "ভাষা হ'ল মানুহৰ ভাববিনিময়ৰ সবাতোকৈ গুৰুত্বপূৰ্ণ মাধ্যম।" শব্দবোৰেই হ'ল বাস্তৱতাৰ প্ৰতিফলনৰ মাধ্যম, যোগাযোগৰ বাহন, মানুহৰ জীৱন অভিজ্ঞতাৰ প্ৰকাশ আৰু চিন্তা অনুভূতি প্ৰকাশৰ হাতিয়াৰ।

লেনিনৰ ভাষাৰ আগ্ৰহ বিস্তাৰিত আছিল। চেক, পোলিচ, আদি ভাষা শিকাৰ আগ্ৰহ তেওঁৰ গভীৰ আছিল। হেগেলে "চিন্তাৰ ইতিহাস, ভাষাৰ ইতিহাস" বুলি কৈছিল। এই সন্দৰ্ভত লেনিনৰ মন্তব্যও প্ৰণিধানযোগ্য,—যদিও হেগেলৰ মতৰ লগত তেওঁৰ মতৰ পাৰ্থক্য আছিল। কথিত আৰু সাহিত্যিক ভাষাৰ ব্যৱহাৰৰ ক্ষেত্ৰত লেনিনৰ অৱস্থান সুস্পষ্ট আছিল। তেওঁ সাহিত্যৰ ক্ষেত্ৰত ভাষাৰ সৃষ্টিশীল ব্যৱহাৰ আৰু স্বাভাৱিক ঐতিহাসিক ভাষাৰ ৰীতিক সমৃদ্ধ কৰিবলৈ নিৰ্দেশ দিছিল। ভাষাৰ অৰ্থ আৰু প্ৰকাশ ক্ষমতাৰ

ক্ষেত্ৰত লেনিনে বৈচিত্ৰপূৰ্ণ, সজীৱ আৰু গতিশীল শব্দৰ প্ৰয়োগত গুৰুত্ব আৰোপ কৰিছিল।

ধ্ৰুপদী ৰুচ সাহিত্যই অনুপম সমৃদ্ধ ভাষাৰ সৃষ্টি কৰিছিল যাৰ শিপাই জনসাধাৰণৰ ভাষাৰ গভীৰত খোপনি পুতিছিল। লেনিনে সুন্দৰভাৱে ধ্ৰুপদী ৰুচ ভাষাৰ শক্তি আৰু বৈচিত্ৰৰ সূত্ৰবদ্ধন কৰিছিল। উদাৰ পত্ৰীসকলৰ উত্তৰ দি এখন চিঠিত তেওঁ লিখিছিল— "আপোনালোকতকৈ আমি বেছি ভালকৈ জানো যে টুৰ্গেনিভ, টলষ্টয়, দস্ত্ৰলেয়োভ আৰু চাৰ্নিচেভস্কীৰ ভাষা মহৎ আৰু প্ৰচণ্ড শক্তিশালী। শব্দবোৰেই সক্ৰিয় কাৰ্যকলাপ। এজন লেখকে সৃষ্টিকাৰ্যত ব্ৰতী হৈ একে সময়তে কামক শব্দলৈ আৰু শব্দক কামলৈ ৰূপান্তৰ কৰে।"

গৰ্কীৰমতে লেনিনৰ শক্তিশালী যুক্তি সবল আৰু স্পষ্টশব্দেৰে প্ৰণালীবদ্ধ। শব্দই সক্ৰিয় চিন্তাৰ প্ৰকাশ বোলা লেনিনৰ সূত্ৰই ভাষা কেৱল বক্তব্যৰ সংগঠক ৰূপ আৰু শিল্পচিত্ৰৰ বাহ্যিক নিষ্ক্ৰিয় আবৰণ বোলা সংকীৰ্ণ দৃষ্টিভঙ্গীৰ স্বৰূপ উদঙাই দিয়ে। বাহন হিচাপে শব্দই সাহিত্যত এক সক্ৰিয় আৰু প্ৰভাৱশালী ভূমিকা পালন কৰে আৰু কোনো কোনো ক্ষেত্ৰত বক্তব্যকো ক্ৰিয়াশীল কৰি তোলে। কিন্তু বহু সাহিত্যিকে ভাষাৰ দ্বৈত ভূমিকাৰ কথাও কয়। চিন্তাক প্ৰকাশ কৰোঁতে ভাষাই একে সময়তেই চিন্তাকো প্ৰবোচিত, উদ্বেলিত আৰু প্ৰাণচঞ্চল কৰি তোলে।

লেনিনে আনকি এখন কৰ্তৃত্বশীল সমকালীন ৰুচ সাহিত্যৰ অভিধান প্ৰণয়নতো গুৰুত্ব দি লুনাচাস্কী আদিলৈ লিখিছিল। লেনিনৰ ভাষাৰ বিশুদ্ধতাৰ প্ৰতি ইমান সচেতন আছিল যে তেওঁ আনকি কৈছিল, "আমি ৰুচভাষা নষ্ট কৰিছোঁ। আমি অনাৱশ্যক নতুন শব্দ ব্যৱহাৰ কৰিছোঁ আৰু আমি সেইবোৰ ভুলভাৱেও ব্যৱহাৰ কৰিছোঁ।"" ন-শিকাকৰে নতুনত্ব বুলি ভাবি বিদেশী শব্দ ব্যৱহাৰ কৰিলে তেওঁক ক্ষমা কৰিব পাৰি। অৱশ্যে এজন লেখকৰ

ক্ষেত্ৰত কোনো ৰেহাই নাই,*। তথাপি লেনিনৰ মতে ন্যায়সঙ্গত, যথাযোগ্য আৰু স্বাভাৱিক হ'লে বিদেশী শব্দৰ প্ৰয়োগো গ্ৰহনীয়। তেওঁ এই কথাত সন্তোষ প্ৰকাশ কৰিছে যে "ছোভিয়েট" শব্দটো সকলো ভাষাতেই বোধগম্য হৈছে। লেনিনৰ ভাষাৰ বৈশিষ্ট্য এয়ে যে বিপ্লৱী যুগৰ সহযোগী নব্যপ্ৰমূল্য প্ৰকাশৰ বাবে তেওঁ ভালে-খিনি নতুন শব্দও ব্যৱহাৰ কৰিছে। তেনে শব্দাৱলী কোটি মানুহৰ মুখত আৰু সাহিত্যত জীৰ্ণকৰী হৈ ৰ'ল।

ভাষাত প্ৰতীক ব্যৱহাৰ, সবল প্ৰকাশ ক্ষমতা আৰু মৌলিক ঠাঁচ আৰু সকলো ধৰণৰ বাহ্যিক বেশভূষা আৰু ভেঙুচালীৰ মাজত লেনিনে স্পষ্ট সীমাৰেখা টানিছিল। তেওঁ "অৱক্ষয়ৰ সংৰক্ষক অনাৱশ্যক ৰচনাভঙ্গীবোৰ" নাকচ কৰিছিল। লেনিনে উদ্দেশ্যপূৰ্ণ শিথিল বাক্‌ভঙ্গী, কৃত্ৰিম প্ৰকাশ আৰু শব্দৰ যাদুখেলৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল। যিমানেই নামী-দামী পণ্ডিত নহওক চিন্তাৰ বিকৃত প্ৰকাশ কৰি শব্দৰ ইন্দ্ৰজাল তথা পাণ্ডিত্যাভিমানক তেওঁ গুৰুত্ব নিদিছিল।

লেনিনৰ মতে ভাষাৰ ঐতিহাসিক সমৃদ্ধিৰ প্ৰতি মনোযোগ নিদিয়া লেখকে জনতাৰ আধ্যাত্মিক সংস্কৃতিৰ উন্নতি সাধিব নোৱাৰে। তেনেই সাধাৰণ গতানুগতিক বৰ্ণহীন শব্দাৱলীয়ে কোনো সবল ঘটনা বা চৰিত্ৰৰ চিত্ৰণ কৰিব নোৱাৰে। কলাকাৰে জীপাল ভাষাৰে এনে জীৱন্ত চৰিত্ৰ আৰু সজীৱ চিত্ৰ অঙ্কন কৰিব লাগিব যাক পাঠকে সমাজৰ জীয়া চিত্ৰ-চৰিত্ৰ বুলি ভাবিব পাৰে। শিল্পীয়ে ভাষাৰ বৈচিত্ৰ্যৰে বৌদ্ধিক আৰু আনুভূতিক প্ৰকাশ ক্ষমতা অৰ্জন কৰে আৰু তাৰ যোগোদয়েই তেওঁৰ সামাজিক তথা কলা-সুলভ ব্যক্তিত্ব যুটি উঠে।

লেনিনৰ উচ্চমানৰ শৈল্পিক প্ৰতিভা কলা শিল্পৰ অসাধাৰণ বৈশিষ্ট্যৰ ওপৰত দিয়া তেওঁৰ চিৰিয়াচ দৃষ্টিভঙ্গীৰ পৰা আছত। লেখকৰ ভাষাই তেওঁৰ শৈল্পীক চিন্তা, সৃষ্টিকৰ্মৰ দৃষ্টি, চেতনাৰ স্তৰ

আৰু তেওঁৰ কলাগত গুণাগুণ প্ৰতিফলন কৰে। জীৱনৰ গভীৰত আৰু সজীৱ অনুভূতিত প্ৰবেশ কৰিব নোৱাৰা আৰু বৰ্ণহীন তথা চৰ্বিত চৰ্বন কৰা ভাষা,—প্ৰাণহীন আৰু বিফল। সকল সাহিত্যিক ভাষাৰ ক্ষেত্ৰত লেনিনৰ মনোযোগ আবদ্ধ হৈছিল সাহিত্যৰ বক্তব্য আৰু ভাষাৰ ৰূপৰ পাৰম্পৰিক নিৰ্য্যাসৰ ক্ষেত্ৰত। বিশেষকৈ দৈনন্দিন ব্যৱহৃত ভাষাৰ পৰা বুটলা শব্দই কিদৰে শৈল্পীক ৰূপ পায় আৰু জনগণৰ মুখৰ বৈচিত্ৰপূৰ্ণ কথিত বাচ্যই কি দৰে সাহিত্য শিল্পত অন্তৰ্ভুক্ত হয় এই সম্পৰ্কত লেনিনৰ মনোযোগ আছিল অত্যাধিক। শব্দ আৰু ভাষাৰ নিত্য নতুন কৰ্ষণৰ মাজতেই সাহিত্যৰ প্ৰাণ নিহিত হৈ থাকে। সবল দেহতহে সবল প্ৰাণ থকাৰ দৰে সবল ভাষাইহে সবল সাহিত্যৰ ৰূপ দিব পাৰে। অৱশ্যে এনেক্ষেত্ৰত কলাৰ মান হ্ৰাস কৰা অসাৱধান কাৰ্য্যক লেনিনে সমৰ্থন কৰা নাই।

সাহিত্য আৰু জনগণৰ আন্দোলন

লেনিনে প্ৰমাণ কৰিছে যে শ্ৰেণীবিভক্ত সমাজত মাত্ৰ এটা জাতীয় কলা আৰু জাতীয় সাহিত্য থাকিব নোৱাৰে। যিহেতু প্ৰতি জাতিতেই শ্ৰমিক শ্ৰেণী আৰু শোষক শ্ৰেণী বিদ্যমান সেয়ে তেনে জাতিৰ মাজত গণতান্ত্ৰিক-সমাজতান্ত্ৰিক আদৰ্শৰ সংস্কৃতি আৰু প্ৰতিক্ৰিয়াশীল বুৰ্জোৱা সংস্কৃতি থাকিবই। তেওঁৰমতে প্ৰাচীন সমাজ-সংস্কৃতিৰ গৰ্ভতেই গণতান্ত্ৰিক সমাজবাদী সংস্কৃতিৰ উপাদানো নিহিত থাকে। গতিকে লেনিনে প্ৰগতিশীল উপাদানৰ ক্ৰিয়াকাণ্ডৰ লগত বুৰ্জোৱা প্ৰতিক্ৰিয়াশীল জমিদাৰৰ স্বাৰ্থৰ পাৰ্থক্য স্পষ্টভাবেই উল্লেখ কৰিছিল। লেনিনৰ বিশ্লেষণত শিল্প-সাহিত্যৰ বিকাশত জনগণৰ ভূমিকাৰ গুৰুত্বই অতীতৰ সংস্কৃতিৰ সকলো অৱমূল্যায়নৰেই মুখা খুলি দিয়ে। মহৎ কলাকাৰ সকলৰ সৃষ্টিয়ে জনতাৰ চেতনা বৃদ্ধিত সবল অৰিহণা যোগোৱা আৰু তাৰদ্বাৰা তেওঁলোকৰ ঐতিহাসিক আন্দোলন অগ্ৰসৰ কৰাত সহায় কৰা কথাও লেনিনৰ ব্যাখ্যাত সক্ৰিয়। তদস্বৰূপ

প্ৰগতিশীল ৰুচলেখক সকলৰ ধ্যান-ধাৰণা আৰু সৃষ্টি কৰ্মই ৰুচজাতিৰ চেতনা আৰু ঐতিহাসিক আন্দোলনত মৌলিক অৱদান যোগাইছে।

ৰাচিয়াত মুক্তি আন্দোলনত শিল্পী-সাহিত্যিক সকলৰ অৱদানৰ তিনিটা যুগৰ স্পষ্ট বিশ্লেষণ লেনিনে ডাঙি ধৰিছে। প্ৰথম স্তৰ হ'ল অভিজাতৰ যুগ (১৮২৫- ৮৬১). যি কালছোৱাত ৰাজনৈতিক আৰু সাহিত্যিক কাম-কাজ হাতত হাত মিলাই আগবাঢ়ি গৈছিল। এই যুগৰ সাহিত্যৰ প্ৰতিনিধিত্ব কৰিছিল পুস্কিন, লাৰমোণ্টভ আৰু হাৰজান আদিয়ে। ৰুচ শিল্পী সাহিত্যিক সকলৰ ২য় সিদ্ধান্তকাৰী যুগৰ নেতৃত্ব বহন কৰিছিল চাৰ্নি চেভস্কী, দব্ৰলিয়োৱভ, চেল্টিকভ, স্কেড্ৰিন আদি বিপ্লৱী-গণতন্ত্ৰীৰ শৈল্পিক কাম কাজে। ৩য় আৰু সবাতোকৈ শক্তিশালী যুগ আছিল কমিউনিষ্ট সকলৰ নেতৃত্বৰ সৰ্ব্ব-হাৰা যুগ। এই যুগৰ সৰ্বশ্ৰেষ্ঠ কলা বিশাৰদ আছিল মেক্সীম গৰ্কী।

অৱশ্যে সমাজতান্ত্ৰিক বাস্তৱবাদ আৰু শিল্প-সাহিত্যৰ অন্যান্য অংশৰ লগত নিশ্চয় লৌহপ্ৰাচীৰ টানিব নোৱাৰি। বৰঞ্চ নতুন ইতিহাস আৰু প্ৰগতিশীল কলাৰ সমাজতান্ত্ৰিক বাস্তৱবাদৰ নিশ্চয় নিকট সম্পৰ্ক আছে। গতিকে লেনিনৰ শিল্প ব্যাখ্যাৰ সামগ্ৰী-কতাৰ ওপৰতহে তেওঁৰ শিল্পবীক্ষাৰ সম্যক ধাৰণা ল'ব পাৰি। এই ক্ষেত্ৰত বিভিন্ন বিপ্লৱী কলাকাৰৰ ওপৰত কৰা লেনিনৰ মূল্যা-য়নৰ সংক্ষিপ্ত আলোচনাৰে আমাৰ ধাৰণা স্পষ্ট কৰিব।

ক্ষিপ্ৰধী বেলিনস্কী

লেনিনৰ ব্যাখ্যাত বেলিনস্কী আছিল সবাতোকৈ তীক্ষ্মধী চিন্তা-বিদ সকলৰ ভিতৰত এজন আৰু বিপ্লৱী আন্দোলনৰ অগ্ৰণী পুৰুষ। বহুমুখী প্ৰতিভাৰ আধাৰ বেলিনস্কী ৰাচিয়াৰ বিপ্লৱী গণতান্ত্ৰিক আন্দোলনৰ "আধ্যাত্মিক পিতৃ" আছিল। তেওঁ ৰুচ লেখক সক-লক নতুন পথ দেখুৱালে যি পথ অনুসৰণ কৰি ১৯শ শতিকাৰ শেষাৰ্দ্ধত ৰুচদেশৰ শিল্প-সাহিত্য বিশ্বৰ ভিতৰতে কলা নৈপুন্য আৰু ধ্যান-ধাৰণাৰ দক্ষতাৰে সৰ্বাগ্ৰগণ্য ৰূপ পালে। সেই সময়ত গগল

আৰু বেলিনস্কীৰ গ্ৰন্থ সবাতোকৈ বেচি জনপ্ৰিয় আছিল। লেনিনে দেখুৱালে যে বেলিনস্কীয়ে পশ্চিম ইউৰোপ বা আমেৰিকাৰ পৰম্পৰা অনুসৰণ কৰিছিল যদিও তেওঁৰ নিজস্ব গভীৰ আৰু স্বতন্ত্ৰ চিন্তা আছিল। তেওঁ সামগ্ৰীকভাবে মূল্যায়ন কৰিছিল যে বেলিনস্কীৰ দাৰ্শনিক, সমাজতাত্ত্বিক আৰু সাহিত্যিক নীতি সমকালীন ৰুচ-বাস্তৱতাৰেই প্ৰতিফলন আছিল। দেশৰ ঐতিহাসিক প্ৰগতি সাধন আৰু জনসাধাৰণৰ স্বাৰ্থ ৰক্ষাৰ হেতুকে সমসাময়িক জ্বলন্ত প্ৰশ্নবোৰৰ সমিধান ডাঙি ধৰিছিল।

বেলিনস্কীৰ চৰিত্ৰ সমূহ নিযুত কৃষকৰ বিপ্লৱী উদ্দীপনাৰ ভাব প্ৰকাশক আছিল আৰু তেওঁ ব্ৰতী হৈছিল দৰ্শন আৰু সাহিত্যক জীৱনৰ ওচৰ চপাই অনাৰ যন্ত্ৰণাকাতৰ অহোপুৰুষাৰ্থত। অৱশ্যে তেওঁ ৰুচবিপ্লৱৰ প্ৰকৃত শক্তিবোৰ সততে আৱিস্কাৰ কৰিবলৈ সমৰ্থ হোৱা নাছিল। তেওঁ কৃষক সকলক সংগঠনহীন পদানত অৱস্থাত দেখিছিল। প্ৰতিক্ৰিয়াশীল ১ম নিকোলাছৰ ৰাজত্বত তেওঁ নিজকে সম্পূৰ্ণ নিসঙ্গ অনুভৱ কৰিছিল।

গগললৈ লিখা পত্ৰত বেলিনস্কীয়ে ভূমি দাসত্ব উচ্ছেদৰ বাবে জনগণৰ মহান নেতা ৰূপে প্ৰবল আবেগ প্ৰকাশ কৰিছিল। তেওঁ আঙুলিয়াই দেখুৱাইছিল যে সেইটোৱেই ৰাচিয়াৰ অতিশয় গুৰুত্বপূৰ্ণ কাম আছিল। লেনিনে সেই চিঠিখনক "বৌদ্ধিক অনুভূতিৰ কবিত্বময় ধ্ৰুপদী প্ৰকাশ" বুলিছিল। বেলিনস্কী পাশ্চাত্যৰ বামপন্থী সকলৰ অনুগামী নাছিল। তেওঁ আছিল নতুন যুগৰ ৰুচ সামাজিক বিপ্লৱৰ সম্পূৰ্ণ নতুন পুৰোধা।

বেলিনস্কীয়ে ভূমি দাসত্বৰ ৰুচ অনগ্ৰসৰ সমাজৰ পুঁজিবাদৰ মাজৰ দ্বন্দ্বক তীক্ষ্ণভাৱে উদঙাই দিছিল আৰু বুৰ্জোৱা সমাজৰ নীতিবোৰৰ কঠোৰ সমালোচনা কৰিছিল। পুঁজিবাদৰ সুনিৰ্দ্দিষ্ট প্ৰগতিশীল উপাদানবোৰ স্বীকাৰ কৰিও বেলিনস্কীয়ে পুঁজিবাদ

আৰু বুর্জোৱা শাসনেই মানৱতাৰ ওপৰত সৰ্ব্বশেষ পীড়ণ বুলি মত প্ৰকাশ কৰি গৈছে।

আলেকজেণ্ডাৰ হাৰজেন

১৯১২ চনত লেনিনে হাৰজেনৰ স্মৃতিত এটা প্ৰবন্ধ লিখি ৰাচিয়াৰ মুক্তিসংগ্ৰাম আৰু প্ৰগতিশীল সংস্কৃতিৰ পৰম্পৰাত তেওঁক এক সম্মানীয় স্থান দিছে। হাৰজেনে সমকালীন দাসত্বসুলভ মৌনতা ভঙ্গ কৰি বিপ্লৱী উত্তাপ সৃষ্টি কৰাত সফল হোৱা বাবে লেনিনে তেওঁক গুৰুত্ব দিছে। ১৮৪৮ চনৰ বিপ্লৱৰ চাক্ষুস দৰ্শকৰূপে হাৰজেনে প্ৰকৃত বিপ্লৱী আৰু সমাজবাদীৰ ভূমিকা পালন কৰিছিল।

হাৰজেনৰ বিশ্ববীক্ষাৰ সীমাবদ্ধতাও লেনিনে উনুকিয়াই দিছে। হাৰজেনৰ বিশেষ ধাৰাৰ ৰুচ সমাজতন্ত্ৰৰ স্বপ্ন কল্পনা বিলাসী দৃষ্টিভঙ্গীৰ লেনিনে সমালোচনা কৰিছে। তেওঁ হাৰজেনৰ জাৰতন্ত্ৰৰ বিৰুদ্ধে জনগণৰ বিজয়ৰ বাবে মুক্ত ৰাচিয়াৰ পক্ষে পতাকা উড্ডীন ৰখাৰ ভূমিকাক বিশেষ সন্মান দিছে। এইক্ষেত্ৰত হাৰজেনৰ সম্পৰ্কত প্লেখানভৰ দৃষ্টিভঙ্গীৰ লগত লেনিনৰ দৃষ্টিভঙ্গীৰ বাস্তৱসম্মত আৰু মৌলিক তফাৎ আছিল।

নিকোলাই চাৰ্নিচেভস্কী

চাৰ্নিচেভস্কীয়ে ৰুচদেশৰ বিপ্লৱী পৰিবেশক পৈনত কৰাত সহায় কৰা আৰু ক্ৰিমিয়াৰ যুদ্ধৰ সময়ত ৰাচিয়াৰ সামন্তবাদ আৰু ৰাজতন্ত্ৰৰ পচনশীল ক্লীৱতাই দেশৰ অনগ্ৰসৰতা আৰু অন্ধকাৰতাৰ মূল কথা বুলি কৰা উন্নত ব্যাখ্যাৰ লেনিনে প্ৰশংসা কৰিছে। চাৰ্নিচেভস্কী হাৰজেনতকৈ বহু পৰিমাণে অধিক সংহত আছিল। লেনিনৰ মতে তেওঁৰ সৃষ্টিয়ে "শ্ৰেণী সংগ্ৰামৰ প্ৰেৰণা বহন কৰিছিল আৰু তেওঁ গণতন্ত্ৰ আৰু সমাজতন্ত্ৰ অভিন্ন হৈ থকা যুগৰ গণতন্ত্ৰী আছিল। তেওঁ আছিল প্ৰকৃত কবি আৰু গণতন্ত্ৰী।"

হয়, চাৰ্নিচেভস্কীও স্বপ্ন-কল্পনা বিলাসী গণতন্ত্ৰী আছিল। কিন্তু

লেনিনৰ মতে তেওঁ বিপ্লবী গণতন্ত্ৰীও আছিল। তেওঁ সকলো বাধা, প্ৰতিবন্ধকতা আৰু নিয়ন্ত্ৰণ নেওচিও কৃষক জনগণক সকলো প্ৰাচীন কৰ্তৃত্ব অতিক্ৰমি বিপ্লবী হৈ শিক্ষা আৰু অনুপ্ৰেৰণা দিব পাৰিছিল। সেয়ে লেনিনৰ মতে "চাৰ্নিচেভস্কী স্বপ্ন-কল্পনা বিলাসী সমাজতন্ত্ৰী হোৱা স্বত্বেও তেওঁ চকুত লগাকৈ পুঁজিবাদৰ তীক্ষ্ণ সমালোচক আছিল"। তেওঁ ভাববাদী আৰু বস্তুবাদী ভাব ধাৰাৰ মাজৰ ব্যাখ্যাত এঙ্গেলছৰ দৰে স্পষ্ট নহ'লেও কাণ্টৰ দৰে গোলমলীয়াও নাছিল। লেনিনৰ মতে সমকালীন যুগৰ পশ্চাৎপদীতাই তাৰ বাবে দায়ী। আচৰিতজনক ভাবে টলষ্টয়ৰ সম্পৰ্কত লেনিনৰ লগত তেওঁৰ মতৰ মিল আছিল।

চাৰ্নিচেভস্কীৰ শ্ৰেষ্ঠতম কলা সৃষ্টিৰ পৰ্যায় হ'ল বাস্তৱবাদ সত্যবাদীতা আৰু মহান ভাবানুভূতিৰ সুসম সমন্বয় ঘটোৱাটো। তেওঁ আছিল মহান বৈজ্ঞানিক, জ্ঞানী সমাজবাদী কলাকাৰ। সেয়ে লেনিনে তেওঁক "মহান লেখক" আখ্যা দিছে। মুঠতে ১৮৬১ চনৰ বিপ্লৱীসকলৰ ভিতৰত চাৰ্নিচেভস্কী আছিল সবাতোকৈ গুৰুত্বপূৰ্ণ।

শিল্পী আৰু দাৰ্শনিক ৰূপে লেনিনৰ মতে লিও টলষ্টয়

১৯০৮—১৯১০ চনৰ ভিতৰত লেনিনে টলষ্টয়ৰ ওপৰত লিখা প্ৰবন্ধাৱলী ঐতিহাসিক আৰু দিশ নিৰ্ণয়কাৰী। এই প্ৰৱন্ধাৱলী হ'ল সকলো প্ৰগতিশীলৰ বাবেই পথ প্ৰদৰ্শক স্বৰূপ। তেওঁৰ মতে টলষ্টয় হ'ল "বিশ্বৰ মহানতম কলাকাৰসকলৰ অন্যতম"। টলষ্টয়ৰ শিল্পী আৰু চিন্তাবিদৰূপে সাৰ্বজনীন বৈশিষ্ট্যই মহান ৰুচ বিপ্লৱৰেই প্ৰতিফলন কৰে। তেওঁৰ সৃষ্টিয়ে কোটি কোটি শোষিত-দলিত কৃষকৰ প্ৰতিবাদ, ক্ৰোধ আৰু ঘৃণাৰেই প্ৰতিভাত। লেনিনৰ ভাষাত "ৰুচ বিপ্লৱৰ দাপোণ" টলষ্টয়ে শাসক-শোষকক ঘিণ কৰিবলৈ লোৱা অথচ সিহঁতৰ বিৰুদ্ধে সচেতন সংগ্ৰাম কৰিবলৈ চেতনা নোপোৱা কোটি কোটি ৰুচ কৃষকৰ সামগ্ৰীক সত্যকেই প্ৰকাশ কৰিছে। মুঠতে

ৰুচসমাজৰ দ্বন্দ্ব বিৰোধ টলষ্টয়ৰ সৃষ্টিত সকল প্ৰতিফলন ঘটিছিল। তদানিন্তন ৰুচ সমাজৰ গভীৰত সোমাই টলষ্টয়ে সৰ্ব্বাত্মক শৈল্পীক বিশ্লেষণ কৰি আপোন মহত্বৰ পৰিচয় দিছে। মুঠতে লেনিনে টলষ্টয়ক ইউৰোপৰ অদ্বিতীয় সমাজ বাস্তৱবাদী কলাকাৰ আখ্যা দিছে।

অৱশ্যে লেনিনে টলষ্টয়ৰ যুগসাপেক্ষ সীমাবদ্ধতা আৰু টলষ্টয়-বাদৰ প্ৰতিক্ৰিয়াশীল দিশো আঙুলিয়াই দিছে। তেওঁৰ আধ্যাত্মবাদ, ঈশ্বৰ বিশ্বাস, অহিংসা, প্ৰতিৰোধ, আত্মাৰ মুক্তিৰ বীক্ষা, ৰাজনীতি, বিদ্বেষ ভাব আৰু নৈতিক জয়লাভ আদি অবৈজ্ঞানিক ধ্যান ধাৰণাৰ লেনিনে কঠোৰ সমালোচনা কৰিছিল। তেওঁৰ মতে যুগৰ পাশ্চাৎ-পদীতাই ইয়াৰ বাবে জগৰীয়া। তথাপি অমানৱীয় ক্ষয়িষ্ণু সমাজ ব্যৱস্থাৰ প্ৰতি টলষ্টয়ৰ আপোচহীন গৰিহণা অতি আদৰণিয়। মাটিগিৰীৰ অভিজাত পৰিয়ালত জন্ম আৰু লালন-পালন হৈয়ো জন্মগত ঐতিহ্যক সমালোচনা কৰিব পৰাটো টলষ্টয়ৰ মহৎ শক্তি।

লেনিনে লেখিছে যে টলষ্টয়ৰ, সৃষ্টি দৃষ্টিভঙ্গী, নীতি আৰু দৰ্শনৰ মাজৰ দ্বন্দ্ব অতি লক্ষণীয়। একালে বিশ্বৰ প্ৰথম শ্ৰেণীৰ কলাকাৰৰ দক্ষতাৰে ৰাচিয়াৰ অতুলনীয় চিত্ৰ অঙ্কন আনকালে সামন্ততন্ত্ৰৰ ধাৰণাৰে আড়ম্ব খ্ৰীষ্টীয় বিশ্বাস; এই দুই পৰস্পৰ বিপৰীত ধৰ্ম্মৰ গৰাকী হ'ল মহান টলষ্টয়। এহাতে টলষ্টয়ৰ মাজত প্ৰচণ্ড শক্তিশালী প্ৰতিভা আৰু ভণ্ডামী তথা কপটতাৰ বিৰুদ্ধে তৎকালীন নিষ্ঠাবান প্ৰতিবাদ প্ৰকাশ পাইছে, আনহাতে নিৰামিষাহাৰী আৰু আত্ম পবিত্ৰ কৰণত লিপ্ত এক ব্যক্তিত্ব ফুটি উঠিছে। আকৌ টলষ্টয়ৰ সৃষ্টিত যিদৰে পুঁজিবাদী শোষণৰ নিৰ্ম্মম সমালোচনা, চৰকাৰী অত্যাচাৰৰ স্বৰূপ উদঙাই দিয়াৰ ব্যৱস্থা, প্ৰশাসন আৰু আইন ব্যৱস্থাৰ ভেকো-ভাওঁনাৰ চিত্ৰ অঙ্কন কৰা আৰু ভণ্ড সভ্যতাৰ ফলশ্ৰুতিত হোৱা একালে সম্পদৰ দেউল আৰু আনকালে শ্ৰমকাৰী মানুহৰ মাজত সীমাহীন দাৰিদ্ৰ, স্খলন আৰু দুখ-দৈন্যৰ চিত্ৰ প্ৰকাশ পাইছে। সেইদৰেই ধৰ্ম্ম, অহিংসা, নৈতিকতা, আত্মাৰমুক্তি আৰু প্ৰেম আদিৰ

নামত কৰা আত্ম সমৰ্পনো তেওঁৰ মাজত দেখা যায়। টলষ্টয়ৰ 'শিল্প সৃষ্টি আৰু বিশ্ব দৃষ্টিভঙ্গীৰ মাজৰ এনে স্ব-বন্দৰ সঠিক বিশ্লেষণ কৰি লেনিনে বৈজ্ঞানিক ভাবে গ্ৰহণ - বৰ্জনৰ আদৰ্শ-নমুনা দেখুৱাই থৈ গৈছে।

টলষ্টয়ৰ সবলতা দুৰ্বলতাৰ এনে দ্বৈতভূমিকাৰ ব্যাখ্যা লেনিনৰ মতে এয়ে যে এফালে ভূমিদাসত্ব তথা সামন্তবাদৰ সমগ্ৰ ৰুচ জীৱনতেই সেই সময়ত থাকি যোৱা প্ৰচণ্ড প্ৰভাৱ আৰু আনফালে ক্ৰম-বৰ্দ্ধমান পুঁজিবাদৰ অমানবীয়তাৰ প্ৰভাৱ উভয়ে টলষ্টয়ৰ মাজত থাকি গৈছে। ফলত টলষ্টয়ৰ সৃষ্টিত যেনেকৈ ৰাচিয়াৰ ক্ষয়িষ্ণু শক্তিৰ পতন ঘটিছে তেনেকৈ সমাজৰ পুঁজিবাদী দ্বন্দ্বইও উকমুকাব ধৰিছিল। সেয়ে তেওঁৰ মাজত নতুন জীৱন আনন্দ-সৌন্দৰ্য্য আৰু আশাবাদৰ জীৱন্ত ছবিৰ লগত খৃষ্টীয়ান নৈতিকতাৰ বিৰোধ থাকিলেও তেওঁ শিল্পীৰ নতুন জীৱন সৃষ্টিৰ বাবে থকা শক্তি সামৰ্থৰ ওপৰত গভীৰ আস্থা ৰাখিছিল।

কনষ্টানটিন ফেডিনৰ দৰে লেনিনেও বিশ্বাস কৰিছিল- "টলষ্টয় কেতিয়াও পুৰণি হৈ নেযায়। তেওঁ হ'ল জীৱন্ত প্ৰতিভাৰ অসাধাৰণ শিল্পী। তেওঁৰ সৃষ্টিৰ নিজৰাৰ চিৰ উজ্বল, চিৰ পবিত্ৰ আৰু সদা-সতেজ অমৃত পি কোনোৱে ক্লান্ত নহয়"।

লেনিন আৰু মেক্সিম গৰ্কী

লেনিনৰ মতে ৰুচ দেশত বিপ্লৱী শ্ৰমিক শ্ৰেণীৰ অভ্যুত্থান ঘটাৰ সময়তেই গৰ্কীৰ আবিৰ্ভাৱ হৈছিল। গৰ্কীয়ে সেয়ে শ্ৰমিক শ্ৰেণীৰ অগ্ৰগামী বন্ধুৰূপেই ভূমিকা পালন কৰিছিল। পৰিণতিত ৰুচদেশৰ মুক্তিসংগ্ৰামৰ ৩য় পৰ্য্যায়ৰ সৰ্বহাৰাৰ বিপ্লৱৰ যুগতেই তেওঁৰ শিল্প সৃষ্টিয়ে পৈনতা লাভ কৰিছিল। গৰ্কীৰ শিল্প প্ৰতিভাৰ বিকাশ প্ৰক্ৰিয়াৰ লগত ৰুচদেশৰ সামাজিক গণতান্ত্ৰিক বিপ্লৱ ওতঃপ্ৰোত ভাৱে জড়িত। এই ক্ষেত্ৰত লেনিনৰ অনবদ্য অৱদান উল্লেখ যোগ্য। তেওঁ গৰ্কীক সততে পাৰ্টিৰ লগত জড়িত কৰি ৰাখিবলৈ

প্ৰয়াস কৰিছিল। গৰ্কীয়েও আনকি লিখিছিল “বলশ্বেভীকসকল, লেনিনৰ প্ৰবন্ধ পাতি আৰু বক্তৃতাৱলী আৰু তেওঁক অনুসৰণ কৰা বুদ্ধিজীৱিসকলৰ সৃষ্টিত মই মহৎ উদ্দীপনা অনুভৱ কৰিছিলো।” গৰ্কীৰ ‘মা’ উপন্যাসৰ সমলো আছিল সেয়ে।

পাৰ্টিৰ ৫ম মহাসম্মিলনৰ যোগেদি গৰ্কীৰ মহৎ উপকাৰ হোৱা বুলি তেওঁ নিজেই উল্লেখ কৰিছে। লেনিনেও সেই কংগ্ৰেছত গৰ্কীৰ ‘মা” উপন্যাসক বখানি কৈছিল— “এই গ্ৰন্থখন অতি প্ৰয়োজনীয় বহুতো শ্ৰমিকে চেতনা নোহাৱাকৈয়ে স্বতঃস্ফূৰ্ত্তভাৱে বিপ্লৱী আন্দোলনত যোগ দিছিল। এতিয়া তেওঁলোকে "মা" উপন্যাস পঢ়ি অতিশয় উপকৃত হ'ব।” গৰ্কীয়েও লেনিনলৈ অসীম শ্ৰদ্ধা আৰু সন্মান প্ৰদৰ্শন কৰি লিখিছিল — “পাৰ্টি মোৰ আদৰ্শৰ আশ্ৰয় আৰু বলশ্বেভীক বাদ মোৰ বৰ প্ৰিয়। মই অন্য কোনো পথ দেখা নাই। অন্য সকলো পথে বাস্তৱজগতৰ পৰা আঁতৰাই ৰাখে। এই পথেহে মাথোঁন বাস্তৱজগতলৈ উদ্দীপিত কৰে”।

লেনিনে গৰ্কীক শ্ৰমিক শ্ৰেণীৰ প্ৰিয়বন্ধু বুলি লেখিছে—“অন্যান্য লেখকৰ শ্ৰম বহুলাংশে বৃথা। কমৰেড গৰ্কীয়ে নিজ মহৎ সৃষ্টি ৰাজিৰে নিজকে ৰুচ দেশ আৰু সমগ্ৰ বিশ্বৰে শ্ৰমিক শ্ৰেণীৰ আন্দোলনৰ প্ৰিয়তম বন্ধুৰূপে প্ৰতিষ্ঠা কৰিলে আৰু শত্ৰুৰ ঘৃণাৰ প্ৰত্যুত্তৰ দিলে”। লেনিনে গৰ্কীক জনগণৰ জীৱন আৰু সংগ্ৰামৰ অভিজ্ঞতা আৰ্জন কৰিবলৈ আৰু নতুন জীৱন, সমাজ আৰু বিশ্ব গঢ়িবলৈ জ্ঞান লাভ কৰিবৰ বাবে সমগ্ৰ ৰাচিয়া ভ্ৰমণ কৰিবলৈ উপদেশ দিয়ে। গৰ্কীৰ সাময়িক দ্বিধা আৰু সংশয়ৰ স্বত্বেও লেনিনে তেওঁক সহধৰ্ম্মী চিন্তাবিদ আৰু জনতাৰ প্ৰকৃত লেখক জ্ঞান কৰিছিল। লেনিনে গৰ্কীৰ সীমাবদ্ধতা আৰু ভুল ত্ৰুটিৰ সংশোধনৰো সৰ্ব্বদাই চেষ্টা কৰিছিল। মাজে সময়ে মেনশ্বেভীক আদৰ্শবাদ আদিৰ দ্বাৰা ভ্ৰান্ত মোহত পৰি পথচ্যুত হওঁতে লেনিনে সময়োপযোগী সকিয়নি

দিছে। গৰ্কীৰ এনেধৰণৰ সাময়িক বিচ্ছিন্নতাৰ সময়তো অৱশ্যে লেনিনে দৃঢ় প্ৰত্যয় প্ৰকাশ কৰি লেখিছিল—"মহান সৰ্বহাৰাৰ লেখক গৰ্কীয়ে নিশ্চয় তেওঁৰ ভুল সংশোধন কৰিব। গৰ্কী আমাৰ সমাজতান্ত্ৰিক বিপ্লৱৰ প্ৰিয়তম সখা"।

লেনিনৰ সকিয়নী আৰু ছোভিয়েটৰ নব্য বাস্তৱবাদৰ লগত থকা নিকটতম সম্পৰ্কই গৰ্কীৰ ওপৰত সিদ্ধান্তকাৰী প্ৰভাৱ পেলাইছিল আৰু বিপ্লৱৰ সম্পৰ্কই তেওঁৰ উপলব্ধিক বিশুদ্ধতা দান কৰিছিল। গৰ্কীৰ সৃষ্টিৰ সঠিক মূল্যায়নেই লেনিনে কেৱল কৰা নাছিল, আনকি গৰ্কীৰ নতুন সৃষ্টি আৰু প্ৰতিভা বিকাশত তেওঁ অমূল্য অৰিহণা যোগাইছিল। আনকি গৰ্কীৰ আত্মজীৱনিমূলক লেখা "মোৰ শৈশৱকাল," "মোৰ শিক্ষানবিচী" আৰু "মোৰ বিশ্ব-বিদ্যালয়" আদি মহৎ গ্ৰন্থও লেনিনৰ উপদেশতেই বিৰচিত। গৰ্কীৰ টলষ্টয়ৰ ওপৰত লেখা প্ৰবন্ধাৱলীও লেনিনৰ উপদেশতেই ৰচিত।

লেনিনৰ প্ৰেৰণাতেই গৰ্কীয়েও প্ৰাচীন পুঁজিপতি দুনিয়াৰ ধ্বংস আৰু সমাজতান্ত্ৰিক নতুন দুনিয়াৰ উত্থানৰ শৈল্পীক বাণী প্ৰচাৰ কৰি গ'ল। সেয়ে আছিল এই মহৎ কলাকাৰজনৰ মৌলিক কলাকৃতি। পুঁজিবাদৰ নিষ্ঠুৰতাৰ স্বৰূপ উদঙাই দিয়া আৰু সমাজ-তন্ত্ৰৰ মহৎ পৰম্পৰাৰ প্ৰেৰণা প্ৰতিষ্ঠা কৰি যোৱাটোৱেই গৰ্কীৰ অভূতপূৰ্ব্ব দক্ষতা আৰু অতুলনীয় সফলতা চিৰস্মৰণীয় হৈ আছে।

কলা-সাহিত্য আৰু জীৱনৰ ওতঃপ্ৰোত সম্পৰ্ক

লেনিনে লেখক শিল্পীসকলক জীৱনৰ ওচৰ চাপিবলৈ, জনগণৰ পৰা শিক্ষা লবলৈ আৰু পথাৰ, কাৰখানা সৈন্য বাহিনী আৰু লোক অনুষ্ঠানবোৰৰ পৰা চৰিত্ৰ চিত্ৰণ কৰিবলৈ উপদেশ দিছিল। গাওঁ. নগৰ, শ্ৰমিক, কৃষক আৰু জোৱানসকলৰ দৈনন্দিন জীৱনৰ অভিজ্ঞতাৰ পৰাই শিল্প সৃষ্টিৰ সমল সংগ্ৰহ কৰিবলৈ সদায় পৰামৰ্শ দিছিল। জনসাধাৰণৰ প্ৰতি গভীৰতম সহানুভূতিৰে নৱ সৃষ্টিৰ জীৱন্ত

প্ৰকাশ ঘটাব লাগিব শিল্প-সাহিত্যত। লেনিনে অৱশ্যে সাহিত্য শিল্প আৰু জীৱনৰ নগ্ন আৰু বন্ধ্যা প্ৰকাশক কেতিয়াও সমৰ্থন কৰা নাছিল।

ৰাচিয়াৰ সমাজবাদী মূল্যায়নৰ অন্যতম পুৰুধা লুনাৰ্চাস্কী আৰু লেনিনৰ জীৱন প্ৰায় একেডাল সূঁতাৰে বন্ধা। লুনাৰ্চাস্কী লিখক হিচাপে অভিন্নভাৱে লেনিনৰ লগত জড়িত। লেনিনৰ ব্যক্তিগত প্ৰতিভা আৰু সামগ্ৰীক ধাৰণাৰ দ্বাৰা প্ৰভাৱিত আৰু সৰ্ব্বত্ৰতে পথ প্ৰদৰ্শিত। তেওঁ বহুমুখী প্ৰতিভা, সুক্ষ্ম বিচাৰ-বিশ্লেষণ আৰু সুস্থ মূল্যায়ন লেনিনৰ পথ নিৰ্দ্দেশনাৰ ওপৰতেই আধাৰিত। আনকি ৰুচ সাহিত্যৰ সঠিক সমাজতান্ত্ৰিক বাস্তৱবাদী পথেৰে গতি নিৰ্দ্ধাৰণ কৰাতো লেনিনৰ অৱদান নেতৃস্থানীয়।

প্ৰাচীন আৰু ৰক্ষণশীল শ্ৰেণী স্বাৰ্থৰ সমৰ্থক বিদ্বান-বুদ্ধিজীৱি সকলৰ প্ৰতি লেনিনৰ আছিল প্ৰচণ্ড ক্ৰোধ আৰু ঘৃণা। বলশ্বেভীকসকলক বিভিন্ন ধূৰ্ত্ত কায়দাৰে বে-ইজ্জত কৰা কপট ভণ্ডামীৰ প্ৰবক্তা বুৰ্জোৱা কলাকাৰহঁতক তেওঁ সমূদায় নাকচ কৰি গৈছে। বৃহত্তৰ মানুহৰ সমাজৰ পক্ষ লোৱা সকলো বিজ্ঞানী আৰু লেখক শিল্পীৰেই মহান কৰ্ত্তব্য। তাৰ বিৰোধীতা কৰাসকল নিশ্চয় পুঁজিবাদৰ দালাল।

নতুন মানুহৰ সৃষ্টি

প্ৰতি নতুন যুগে নতুন মানুহ সৃষ্টিৰ প্ৰশ্ন অৱতাৰণা কৰে। ইতিহাসৰ নতুন বৈপ্লৱীক পৰিপ্ৰেক্ষাই সেয়ে শিল্প-সাহিত্যতো নতুন নায়ক সৃষ্টিৰ প্ৰয়োজন আনি দিয়ে। সমাজতান্ত্ৰিক নব্যৱাস্তৱতাৰ আধাৰত লেনিনে বিপ্লৱীনায়ক সৃষ্টিত গুৰুত্ব দিছে, যি জনগণৰ বৈজ্ঞানিক আৰু সমাজতান্ত্ৰিক চেতনাৰ প্ৰতিনিধিত্ব কৰে। সবল, ইচ্ছাশক্তিপূৰ্ণ, দৃঢ় প্ৰতিজ্ঞ আৰু সক্ৰিয় চৰিত্ৰবোৰে তেওঁৰ অধিক সমৰ্থন আদায় কৰে। বীৰত্ববাদ, দেশপ্ৰেম আৰু জনগণৰ মুক্তিৰ বাবে ত্যাগ আৰু আত্মোৎসৰ্গা কৰা ধ্যান-ধাৰণা প্ৰকাশ কৰা

চৰিত্ৰই লেনিনৰ বাবে আদৰ্শ চৰিত্ৰ। গৰ্কীৰ "মা" তাৰ পটন্তৰ। গতিকে সকল কলাকাৰে জীৱন্ত ব্যক্তিত্বৰ সমসাময়িক কালৰ প্ৰগতিশীল নতুন নায়ক নিৰ্ম্মাণ কৰিব লাগে।

লেনিনৰ দৃষ্টিত সমাজতন্ত্ৰৰ আধ্যাত্মিক সংস্কৃতিৰ বিকাশ সমকালীন মানুহৰ বৰ্ত্তমান আৰু ভবিষ্যতৰ নিয়তি নিৰ্ম্মাণৰ ধ্যান-ধাৰণাৰ ওপৰতেই নিৰ্ভৰশীল। তেওঁৰ মতে সমাজতন্ত্ৰৰ মূলনীতি হ'ল মানুহৰ সৰ্ব্বাঙ্গীন উন্নতিৰ বাবে আদৰ্শগত শিক্ষা দিয়া। অৱশ্যে শিল্পৰ নতুন নায়ক সৃষ্টিত বৈচিত্ৰহীন, অতি সৰলীকৰণ আৰু যান্ত্ৰিক চৰিত্ৰ সৃষ্টিক তেওঁ নাকচ কৰিছে। ব্যক্তি চৰিত্ৰৰ মাজেদি সাৰ্ব্বজনীন, অসাধাৰণ, সু-সংহত আৰু আকৰ্ষণীয় চৰিত্ৰ অঙ্কনেই হ'ল সফল চৰিত্ৰ চিত্ৰণ। লেনিনৰ ব্যাখ্যাত নতুন মানুহৰ সূত্ৰ ব্যাপক, বিশাল আৰু বৃহৎ পৰিসৰৰ। দৈনন্দিন জীৱনৰ সংগ্ৰামৰ মাজৰ পৰাই বুটলি অনা হয় নতুন নায়ক, কোনো দৈবীক জগতৰ পৰা নহয়। মাটিক সাৰুৱা কৰা আৰু পৃথিৱীক মহান কৰা এনে নায়ক জনসাধাৰণৰ বীৰত্বব্যঞ্জক জীৱনৰ পৰাই আহৃত।

লেনিনে লেখক শিল্পীসকলৰ মনোযোগ আকৰ্ষণ কৰিছে কোটি কোটি শ্ৰমজীৱি মানুহৰ জীৱনৰ প্ৰতি। তেওঁ "বীৰ" আৰু "সাধাৰণ মানুহ"ৰ পাৰ্থক্যৰ সূত্ৰ নাকচ কৰিছে। সাধাৰণ মানুহৰ শ্ৰম-ঘাম অশ্ৰু-মেদ-আত্মাৰ সংগ্ৰামৰ অভিজ্ঞতাৰ পৰাই নতুন নায়ক গঢ়িব লাগিব। লেনিনৰ মতে নতুন কৰ্ম্মক্ষমতাৰ শিক্ষাৰে নতুন পৃথিৱী গঢ়া মুখ্য নায়কজনেই হ'ল নতুন বীৰ।

লেনিনে পাৰ্টিৰ প্ৰদৰ্শনাৰ নামত কৰ্তৃত্ববাদ, গোড়ামী, নিয়ন্ত্ৰণ আৰু তুচ্ছ হস্তক্ষেপৰ সমৰ্থন কৰা নাছিল। তেওঁ শিল্পীক সৃষ্টিশীল, প্ৰেৰণাদায়ক আৰু নৈতিক পথ প্ৰদৰ্শনাহে পাৰ্টিয়ে দিয়াৰ প্ৰয়োজন অনুভৱ কৰে। এনে কাৰ্য্যত একালে লেখক শিল্পীৰ বুৰ্জোৱা ব্যক্তিত্ব নিয়ন্ত্ৰণ আৰু আনফালে সৃষ্টিশীল স্বাধীনতাৰ ৰক্ষণাবেক্ষণ উভয়েই প্ৰয়োজন।

কলা-সাহিত্য জনগণৰ সম্পদ

লেনিনৰ মতে কলা-শিল্প হ'ল জনগণৰ সম্পদ। সেয়েই বাইজৰ মাজত দকৈ শিপাব লাগিব। মানুহৰ সকলো শ্ৰেষ্ঠ কলা সৃষ্টিয়েই কেৱল সমাজৰ উচ্চ শ্ৰেণীকেই নহয় কোটি কোটি সাধাৰণ লোকৰো উপকাৰ সাধন কৰে। লেনিনৰ মতে ব্যক্তিগত, সাৰ্বজনীন ঐতিহাসিক আৰু জনপ্ৰিয় অভিজ্ঞতাৰে শ্ৰমকাৰী মানুহৰ আশা আকাংক্ষা সম্বলিত কলাকৃতিক জনগণৰ সম্পদলৈ ৰূপান্তৰ কৰিব লাগে। এনে উদ্দীপনাময় কলা সম্পদে জনতাৰ সাংস্কৃতিক জীৱন সমৃদ্ধ কৰি নতুন ব্যক্তিত্ব গঢ়াত সহায় কৰিব। এতেকে শিল্পীয়ে জনগণৰ বাবে সৃষ্টি কৰি জনতাৰ অন্তৰ স্পৰ্শ কৰিব লাগে।

লেনিনৰ লেখা আৰু বক্তৃতাৰ সৰলতা আৰু স্পষ্টবাদীতালৈ লক্ষ্য কৰি ক্লাৰা জেটকিনে প্ৰশ্ন কৰাত তেওঁ মাথোন কৈছিল— "মই ইয়াকে মাত্ৰ জানো যে যেতিয়া তাৰ্কিক ৰূপে বক্তৃতা দিওঁ মই সদায় শ্ৰমিক আৰু কৃষকসকলকেই মোৰ শ্ৰোতাদৰ্শক জ্ঞান কৰো। কাৰণ তেওঁলোকে মোক উপলব্ধি কৰাটো মই বিচাৰোঁ।"

জনসাধাৰণৰ বোধগম্যতাৰ নামত সংস্কৃতিৰ মান হ্ৰাস কৰাটো লেনিনে বুজোৱা নাছিল। বৰঞ্চ সাৰবাৰে জনসাধাৰণৰ শৈল্পীক আৰু সাংস্কৃতিক মানদণ্ড উন্নীত কৰিব লাগিব। জনজীৱনৰ ছবি আঁকা মানে নিশ্চয় সস্তীয়া জনপ্ৰিয়তা অৰ্জন বা বহুৱালী কৰাকো তেওঁ বুজোৱা নাই। মানবীয় ক্ৰিয়া কাণ্ডৰ বিশেষ শাখাৰূপে কলাই মানুহৰ সাধাৰণ বিকাশত সহায় কৰে আৰু সৌন্দৰ্যজ্ঞান বৃদ্ধি কৰে। এনে পাৰস্পৰিক সমৃদ্ধিৰ প্ৰক্ৰিয়াই মানুহক তেওঁলোকৰ বস্তুবাদী জগতক সৌন্দৰ্য্যবীক্ষাৰ ৰীতিৰে উপলব্ধি কৰাৰ সামৰ্থ বৃদ্ধি কৰে।

ভাবীকালৰ বাবে সাধনা

লেনিনৰ শিল্প দৰ্শন হ'ল ভবিষ্যতদৰ্শী বাস্তৱৰ সবল স্বপ্ন। দিন যোৱাৰ লগে লগে লেনিনৰ বিপ্লৱী দৃষ্টিভঙ্গী আৰু ভাবীকালৰ

সৃষ্টি কল্পনা অধিক বাস্তৱভাবে প্ৰয়োগ কৰা হৈছে। ইতিহাসৰ অগ্ৰগতিয়েও তেওঁৰ গতিশীল, প্ৰগতিশীল সুদূৰ প্ৰসাৰী আৰু সাৰ্ব্বজনীন শিল্প দৰ্শনৰ বৰ্ত্তমান আৰু ভৱিষ্যতদৰ্শী দাপোণৰ দৰে স্বচ্ছ হৈ পৰিছে। ভৱিষ্যতৰ সাম্যবাদী মানুহ গঢ়া আদৰ্শ আজি আৰু আমাৰ স্বপ্ন কল্পনা হৈ থকা নাই। বৰঞ্চ বহু প্ৰজন্মৰ আশা আকাঙ্খাৰ মূৰ্ত্তৰূপ হিচাপে সি আজি বাস্তৱত ৰূপায়িত হ'ব লাগিছে। আমাৰ শিল্প বিজ্ঞান আৰু কৃষি বিদ্যাৰ অভিজ্ঞতাৰ মাজেদি গঢ়লৈ উঠা সমকালীন মানুহৰ মাজৰ পৰাই ভাবীকালৰ স্বপ্ন দ্ৰষ্টা লোকৰ সৃষ্টি হ'ব লাগিছে। তেওঁলোকেই নতুন প্ৰকল্প গঢ়ি কুমাৰী পৃথিৱীক উৰ্ব্বৰা কৰি জ্ঞানৰ সমুদ্ৰ মন্থন কৰি অনু পৰমানুৰ অধিকাৰী হ'ব ধৰিছে। এনেদৰেই সোণালী ভৱিষ্যত আৰম্ভ হৈছে। এয়াই হ'ল আমাৰ আদৰ্শ সাধনা, আশা-বাসনা, কায়দা কৌশল আৰু সফল সম্ভাৱনা। ভৱিষ্যত হ'ল অক্লান্ত সাধনা, চিন্তাৰ গৱেষণা, উদ্দীপিত অনুভৱ, জীৱনৰ উপলব্ধি আৰু জীৱনৰ প্ৰগতিৰ সক্ৰিয় বাস্তৱ ৰূপ।

আজিৰ বাস্তৱতাৰ এনে প্ৰচণ্ড আন্দোলন, প্ৰভাৱশালী সফলতা আৰু সীমাহীন আৱিস্কাৰৰ পৰিপ্ৰেক্ষাতেই নব্য-শিল্প অনুসন্ধান আৰু সময়ৰ গতিক অনুপ্ৰেৰিত কৰা নতুন নায়কৰ সবল ৰূপদানৰ প্ৰবল আবেদন আহিছে। লেনিনৰ সমাজতান্ত্ৰিক, ঐতিহাসিক সৌন্দৰ্য্য-বীক্ষাৰ ধ্যান-ধাৰণাই সৃষ্টিশীল শিল্পকলাৰ সৰ্ব্বাঙ্গীন বিকাশেৰে তেনে নব্য বাস্তৱতা গঢ়াৰ আঁৰিয়া ধৰিছে। সেয়ে বিশ্ববীক্ষাই কলাকাৰক বাস্তৱৰ লগত বৃহত্তৰ আৰু গভীৰ এনাজৰী বান্ধিবলৈ শিল্প নৈপুণ্যৰ বিকাশ ঘটাবলৈ শব্দক অস্ত্ৰৰূপে লৈ আপোন চিকুণী দেশৰ নিঃস্বাৰ্থ ভাবে সেৱা কৰিবলৈ অনুপ্ৰেৰণা যোগায়। লেনিন প্ৰদৰ্শিত সবল আধাৰতেই সাহিত্য বহুমুখী সমস্যা সামাধান নৱ নৱ সৃষ্টিৰে আপোন সময় আৰু ভাবীকালৰ আশু সমস্যাৰ নিশ্চয় শৈল্পীক সমাধান কাৰব পৰা যাব। ●

সহায়ক গ্রন্থাবলী

1) Vladimir Shcherbina :—Lenin and the problem of literature.

2) Lenin :—Collected works, Moscow

3) Maxim Gorky :—Collected works, Moscow.

4) A.V. Lunacharsky :—On Art and Literature.

5) Plekhanov :—On Art and Cultuie.

6) Marx and Angels :—Selected works, Moscow.

7) H. G. Wells :—Russia in the Shadow.

8) William Morris :—On Art and Socialism.

9) Romain Rolland :—Compagions de Roule.

10) Ralph Fox :—The novel and the People.

11) Mayakovosky :—Collected works, Moscow.

12) Turganive :—Selected works. Moscow.

13) Anton Chekov :—Collected works, Moscow.

14) Ruskin :—Collected works.

15) Tolstoy :—Selected works, Moscow.

16) Alxender Block :—Collected works.

লেনিনৰ শিল্প সাহিত্য দৰ্শনৰ ভিত্তি

এটি চমুটোকা

লেনিনৰ সমাজদৰ্শনৰ ভিত্তি আছিল দ্বন্দ্বমূলক বস্তুবাদ। এই দৰ্শনৰ উৎসৰূপে গ্ৰীক দাৰ্শনিক হেৰাক্লিটাছ, এপিকুৰিয়াছ আৰু লেইবনিটজ আদিৰ দ্বান্দ্বিক অন্তৰ্দৃষ্টিক লেনিনে অধ্যয়ন কৰিছিল। দাৰ্শনিক হেগেলে লেনিনক মাৰ্ক্সীয় দ্বান্দ্বিক বস্তুবাদৰ ভিত্তি যোগান ধৰিছিল। তেনেদৰে হেগেল, ফায়াৰবাখ, মাৰ্ক্স এঙ্গেলছ আদিৰ চিন্তা দৰ্শনে তেওঁক প্ৰভাৱিত কৰিছিল। এপিকুৰিয়াছৰ "আত্মাও কিছুমান এটমৰেই এক নিৰ্দ্দিষ্ট প্ৰকাশ" বুলি ভবা ধাৰণাক লেনিনে "আশ্চৰ্যজনক" আৰু "বৈজ্ঞানিক ধাৰণা প্ৰকাশ" বুলি মত প্ৰকাশ কৰিছিল। স্পিনোজাৰ সীমাবদ্ধতাৰ স্বত্বেও তেওঁৰ দৰ্শনৰ গুৰুত্ব লেনিনে উপলব্ধি কৰিছিল। লেইবনিটজে স্পিনোজাৰ দৃষ্টিভঙ্গীক অধিক উন্নত কৰিছিল আৰু ফৰাছী দাৰ্শনিক হলবাখৰ সৃষ্টিকো তেওঁ প্ৰশংসা কৰিছিল। জাৰ্মান দাৰ্শনিক ইমানুৱেল কাণ্টৰ দাৰ্শনিক ব্যাখ্যাকো লেনিনে গুৰুত্ব দিছিল যাক হেগেলে বহুদূৰ আগুৱাই নিছিল। মাৰ্ক্স আৰু এঙ্গেলছেই দ্বন্দ্বমূলক বস্তুবাদ দৰ্শনৰ চূড়ান্ত ৰূপ দিছিল যি লেনিনৰ জীৱন দৰ্শনৰ ভিত্তি হৈ পৰিল। ফ্ৰেডেৰিক এঙ্গেলছে মন্তব্য কৰিছিল যে সমগ্ৰ বিশ্ব প্ৰকৃতিয়েই এক বিশাল আন্তঃসম্পৰ্কীত পদ্ধতি যাৰ মৌলিক লক্ষণ সমূহ বিশ্লেষণ আৰু উপলব্ধি কৰিব পাৰি।

লেনিনে উন্মুকিয়াই দিছিল যে দ্বান্দ্বিক বস্তুবাদী পদ্ধতিয়ে মাৰ্ক্স

আৰু এঙ্গেলছক "সামাজিক বিবৰ্তনক এক প্ৰাকৃতিক-ঐতিহাসিক পদ্ধতি" বুলি গণ্য কৰিবলৈ সক্ষম কৰিছিল। এই তত্ত্বই ইয়াকো বুজাইছিল যে "ইতিহাসৰ বৈজ্ঞানিক অধ্যয়নো এক নিৰ্দিষ্ট প্ৰণালী যাক সীমাহীন বৈচিত্ৰ আৰু বৈপৰীত্যৰ মাজতো কিছুমান নিৰ্দিষ্ট নীতিয়ে নিয়ন্ত্ৰণ কৰে"।

সাহিত্য কলাৰ ওপৰত লেনিনৰ দৃষ্টিভঙ্গী তেওঁৰ আদৰ্শাত্মক আৰু তাত্বিক সূত্ৰৰ ওপৰত ওতঃপ্ৰোত ভাবে সম্পৰ্কীত। গতিকে লেনিনবাদৰ গভীৰ অধ্যয়নৰ দ্বাৰাহে তেওঁৰ শিল্প-দৰ্শন বুজা সম্ভৱ। লেনিনৰ সৃষ্টিকৰ্মত তেওঁৰ শিল্পকলাৰ সৃষ্টিশীলতাৰ ওপৰত গভীৰ চিন্তা ভাৱনা আৰু বিভিন্ন লেখক শিল্পীৰ ওপৰত সু-সঙ্গত মূল্যায়ন প্ৰকাশ পাইছে। এই ক্ষেত্ৰত বুৰ্জোৱা সংশোধনবাদীসকলে লেনিনৰ সৌন্দৰ্যবোধক আওকাণ কৰিব খোজা চেষ্টা মাথোন এক গভীৰ কাৰচাজীহে। লেনিনে দাৰ্শনিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক সমস্যাৰাজী—অৰ্থাৎ সামগ্ৰীক বৈজ্ঞানিক চিন্তাধাৰাৰ পৰা সাহিত্য শিল্পক বিচ্ছিন্ন কৰি চোৱা নাছিল। তেওঁৰ মতে সাহিত্য হ'ল জীৱন উপলব্ধিৰ মাধ্যম (An instrument for the cognition of life) কলাৰ সাজেৰে সামাজিক ধ্যান-ধাৰণাক বলীষ্ঠ ভাবে প্ৰতিফলন ঘটাব পৰা শিল্পকৰ্মক লেনিনে বিশেষভাবে ভাল পাইছিল। এনে মহৎগুণৰ বাবেই তেওঁ শক্তিশালী ৰুচ লেখক, গ্ৰিবইডেভ, হাৰজেন, নেক্ৰোছেভ, টলষ্টয়, চেকভ, গৰ্কী আৰু ডেমিয়ান বেডীক গভীৰভাৱে ভাল পাইছিল।

লেনিনৰ দৃষ্টিত সাহিত্য-শিল্প হ'ল সামাজিক প্ৰপঞ্চ। ই শ্ৰেণী বিশ্লেষণৰ প্ৰকাশ আৰু শিল্পীৰ শ্ৰেণী অৱস্থানৰ প্ৰতিফলন। তেওঁৰ ভাষাত ক'বলৈ গ'লে "One cannot live in society and be free from society" (কোনোলোক সমাজত থাকি সমাজৰ পৰা স্বাধীন হৈ থাকিব নোৱাৰে।) শ্ৰেণী সমাজত কলা শিল্পৰো শ্ৰেণী ভিত্তি থাকে। এবিধ হ'ল প্ৰতিক্ৰিয়াশীল আৰু বুৰ্জোৱা

সংস্কৃতি আৰু আনবিধ হ'ল গণতান্ত্রিক আৰু সমাজবাদী সংস্কৃতি। ফলস্বৰূপ সংস্কৃতিৰ পাটি'জান (সৰ্বহাৰাৰ পক্ষভুক্ত) আৰু তথাকথিত জনপ্ৰিয় (স্বৰূপতে বুৰ্জোৱা পক্ষভুক্ত) ভিত্তি থাকে। সেই বাবেই লেনিনে মন্তব্য কৰিছে, 'বুৰ্জোৱা শিল্পীয়ে ধনৰ মোনাৰ ওপৰত ভিত্তি কৰে আৰু তাৰ বিপৰীতে সৰ্ব্ব সাধাৰণ মানুহৰ স্বাৰ্থত সৰ্বহাৰা সাহিত্য শিল্পই স্বেচ্ছাপ্ৰণোদিত ভাবে নিঃস্বাৰ্থী সেৱা আগবঢ়ায়।"

শ্ৰমিক শ্ৰেণী আৰু সকলো শ্ৰমকাৰী মানুহক সুশিক্ষিত কৰাত থকা কলা-সাহিত্যৰ ভূমিকাত লেনিনে অধিক গুৰুত্ব দিছে। চাৰ্নিচেভস্কীৰ উপন্যাস "What is to be done" (কি কৰা উচিত?) এ চামে চামে নতুন পুৰুষক গঢ় দিয়াত লোৱা নৰালোকৰ বিপ্লৱী ভূমিকাক লেনিনে শতমুখে প্ৰশংসা কৰিছে। জনগণৰ ভাৱচিন্তা, অনুভূতি আৰু ইচ্ছা আকাংক্ষাৰ ঐক্য সাধনৰ বাবে শিল্প হ'ল এক 'শক্তিশালী সাংগঠনিক মাধ্যম (A powerfull organising instrument)। লেনিনৰ মতে শিল্পকলাই পাঠক সমালোচকক নিশ্চয় নতুন পথৰ সন্ধান দিব লাগিব। ই মানুহক কিছু হ'লেও আগুৱাই (some what ahead) নিবই লাগিব। নতুন মানুহ নিৰ্মাণত ই ইন্ধন যোগাব লাগিব।

কলা শিল্পৰ সৌন্দৰ্যৰ সম্পৰ্কত লেনিনে জীৱনৰ নান্দনিক প্ৰতিফলনহে বিচাৰিছিল; জীৱনৰ যান্ত্ৰিক প্ৰতিফলন বা ৰূপায়ণ তেওঁ বিচৰা নাছিল। এই ক্ষেত্ৰত কলাকাৰৰ কলাকৌশল, প্ৰতিভা আৰু শিল্প গুণৰ অসীম ভূমিকাকো তেওঁ স্বীকাৰ কৰিছিল। লেনিনে বহুতো শিল্পী সাহিত্যিকৰ শৈল্পীক গুণ গুণো আঙুলিয়াই দি লেখিছিল যে সাহিত্য-শিল্পই জনগণৰ শিল্পজ্ঞান, চেতনা আৰু প্ৰেৰণা বৃদ্ধি কৰে। তেওঁ দৃঢ়ভাৱে বিশ্বাস কৰিছিল সাৰ্ব্বজনীন সাহিত্য নিশ্চয় সহজ-সৰল হ'ব লাগিব আৰু সৰ্ব্বস ধাৰণৰ উপভোগ্য আৰু বোধগম্য হ'ব লাগিব। সাহিত্য-শিল্প প্ৰকৃত আনন্দৰ উৎস হ'ব লাগে বুলিও তেওঁ গণ্য কৰিছিল। লেনিনৰ মতে কলা সাহিত্য

হ'ব লাগে সৰ্ব্বাঙ্গসুন্দৰ (genuinely beautiful)। ই হ'ল—"Propaganda through images and as a relaxing past time (ই হ'ল উপমা-চিত্ৰকল্প-প্ৰতীক আদিৰ যোগেদি কৰা প্ৰচাৰ আৰু ক্লান্তি উপশমৰ মাধ্যম) আৰু "Art gives a profound and lofty enjoyment and good rest." (শিল্প সাহিত্যই গভীৰ আৰু উচ্চস্তৰৰ উপভোগ প্ৰদান কৰে আৰু গাঢ় তথা মহৎ শান্তি প্ৰদান কৰে)।

শিল্পৰ ভূমিকা হ'ল বস্তুবাদী আৰু বিশ্বজনীন। শিল্পৰ এই উভয় ভূমিকা অভিন্ন আৰু একক। পাৰ্থিব জগতৰ চিত্ৰায়নৰ যোগেদি বিভিন্ন ৰূপক আৰু কলা মাধ্যমেৰে ই শৈল্পীক আনন্দ, উপভোগ আৰু শান্তি প্ৰদানো কৰে। ফলত সাহিত্য সাংস্কৃতিৰ পাঠক-উপভোক্তাক প্ৰভাৱিত কৰি তেওঁলোকৰ সৌন্দৰ্য্যজ্ঞানো বৃদ্ধি কৰে। কলা শিল্পৰ সৃষ্টি কৰ্ম্মই বৌদ্ধিক প্ৰমূল্যৰ সৃষ্টি কৰে যি ভাবানুভূতি, চিন্তা, ইচ্ছা আৰু আকাঙ্খাক সু-সংহত কৰি মানুহৰ ৰুচিবোধো উন্নীত কৰে।

বুৰ্জোৱা যি ক্ষেত্ৰত, আনকি অথাকথিত আধুনিকতাবাদীহঁতেও সামগ্ৰীকভাৱে বহুক্ষেত্ৰত যেতিয়া শিল্প-সাহিত্যৰ "বিশুদ্ধ সৌন্দৰ্য্যত বিশেষ গুৰুত্ব দিয়ে, তেতিয়া লেনিনে সাহিত্য কলাৰ বহুমুখীতা, নান্দনিক সমৃদ্ধি আৰু বৈচিত্ৰপূৰ্ণ কাজকৰ্ম্মত গুৰুত্ব দিছে। অৰ্থাৎ তেওঁ সাহিত্যৰ কেৱল আনন্দ প্ৰদানেই একমাত্ৰ কাম বুলি নেভাবে।

লেনিনৰ মতে কলা-শিল্পই স্বতঃস্ফূৰ্ত্ত ভাবে মানুহৰ কেৱল আত্ম প্ৰকাশেই নঘটাই, কলা সৃষ্টিয়ে বিশ্বৰ সকলো ক্ৰিয়া কাণ্ডৰেই সামগ্ৰীক প্ৰকাশ ঘটায়। ই এফালে শৈল্পীক সৃষ্টি আৰু আনফালে নিৰ্দ্দিষ্ট ঐতিহাসিক পটভূমিকাৰ লগত সু-সম্পৰ্ক ৰাখি ৰাজনীতি, দৰ্শন, বিজ্ঞান, অৰ্থনীতি আৰু অন্যান্য সমাজতান্ত্ৰিক দিশৰ প্ৰতি-ফলন ঘটাই সমকালীন বিশ্বক সমৃদ্ধ কৰে আৰু সময়ত পথ নিৰ্দ্দেশো দিয়ে। লেনিনে কলা-সাহিত্যক গভীৰ আৰু ব্যাপক পৰিসৰত মূল্যায়ন কৰিছে। আনকি যিবিলাক কলা-বহিৰ্ভূত উপাদানে সাহিত্য

কলাৰ বিকাশ আৰু ক্ৰম-কাজৰ প্ৰভাৱ বিস্তাৰ কৰে সেই বিলাকতো তেওঁ প্ৰাধান্য দিছে। কাৰণ লেনিনৰ মতে সাহিত্যৰ বিকাশত সাহিত্য শিল্প সৃষ্টিত ক্ৰিয়া কৰা শিল্প বহিৰ্ভূত উপাদানবোৰৰ বিশ্লেষণ নকৰিলে শিল্প-সাহিত্যক একপক্ষীয়, স্থূল আৰু ব্যক্তিবাদী কৰি তোলে।

পাশ্চাত্য সাহিত্য প্ৰতিফলিত হোৱা বুৰ্জোৱা চেতনাৰ দ্বন্দ্বকেই মানৱ সমাজৰ সাৰ্ব্বজনীন চেতনাৰ দ্বন্দ্ব বুলি কৰা প্ৰচাৰক লেনিনে মানি লোৱা নাছিল। তেওঁৰ মতে শিল্প-সাহিত্যকে ধৰি সমাজৰ সকলো ক্ৰিয়াকাণ্ডই হ'ল বাস্তৱ জগতৰ প্ৰতিফলন। শিল্প হ'ল বস্তুজগতৰ মনোগত ৰূপ। সাৰ্ব্বজনীন কলাই শ্ৰোতা-দৰ্শক-পাঠকৰ মনো মনোৰঞ্জন কৰে। সাহিত্যই পাঠকৰ সৃষ্টিশীলতাক অনুপ্ৰাণিত কৰে আৰু তেওঁৰ আবেগিক অস্তিত্বক জগাই তুলি সমৃদ্ধ কৰে। ই কেৱল লেখকৰ কলা-কৌশল প্ৰদৰ্শনৰ মাধ্যম নহয়। অৱশ্যে সৃষ্টিৰ জটিল আৰু একা বেঁকা প্ৰক্ৰিয়াত স্বপ্ন কল্পনাৰ ভূমিকাৰ গুৰুত্বক তেওঁ উলাই কৰা নাই।

মাৰ্ক্সীয় সৌন্দৰ্যবাদে অন্ধ-অনুকৰণক নাকচ কৰে। শিল্পসৃষ্টিত ধ্যান, মগ্নতা আৰু উপলব্ধিৰে শিল্পীৰ মনোবৃত্তিক ঠনধৰি উঠাই বিশেষ সামাজিক আদৰ্শৰ তেওঁ নান্দনিক ৰূপ দিয়ে। এনে ক্ষেত্ৰত বাস্তৱজগত মানৱীয় চেতনাৰ মাজত ক্ৰিয়া-বিক্ৰিয়া ঘটে আৰু কলাকাৰে তাৰ মনোগত ৰূপ শিল্পকলাত দিয়ে। গতিকে লেনিনৰ মতে সাহিত্য কলা হ'ল আমাৰ চৌপাশৰ সমাজ বাস্তৱতাৰ প্ৰাত্যহিক আৰু আধ্যাত্মিক উপলব্ধিৰ সংমিশ্ৰণ। ই হ'ল স্বপ্ন আৰু কল্পনাৰ বাস্তৱিক ৰূপদান। শিল্পৰ প্ৰকৃত বৈশিষ্ট্য হ'ল কলাকাৰৰ বাস্তৱৰ গভীৰতালৈ সোমাব পৰা সামৰ্থ আৰু তাৰদ্বাৰা বিশ্বক ৰূপান্তৰ কৰিবলৈ সক্ৰিয় ভূমিকা ল'বৰ বাবে পাঠক শ্ৰোতা-দৰ্শকক উদ্দীপিত কৰাৰ ক্ষমতা। এনে উচ্চ আদৰ্শ আৰু মহৎ লক্ষ্য কলাশিল্পৰ নিশ্চয় থাকিব লাগিব।

লেনিনৰ মতে জীৱনৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ঘটনাৰ সূক্ষ্ম আৰু বিতং বিশ্লেষণ আকৰ্ষণীয় আৰু সবল ভাষাৰে প্ৰকাশ কৰি সজীৱ আৰু বলিষ্ঠ প্ৰভাব কৰিব পৰা প্ৰতিভা শিল্পীৰ থাকিব লাগিব। প্ৰতি-ক্ষেত্ৰতেই সৃষ্টিকৰৰ সুস্পষ্টতা আৰু সংক্ষেপতাৰ জ্ঞান অতি প্ৰয়োজন। তেওঁৰ মতে ভাব প্ৰকাশৰ সবলতা (Strength of fee-lig ', বিস্তৃততা (Vividness), প্ৰত্যয় পূৰ্ণতা (Convincing-ness), ব্যাপ্তিতা (Contagiousness) আৰু মানুহক ক্ষীপ্ৰভাৱে আকৰ্ষণ কৰিব পৰা শক্তি শিল্প-সংস্কৃতিৰ থাকিব লাগিব। কলা শিল্প কোনো ধ্যান-ধাৰণাৰ উকা প্ৰকাশ নহয়। কলা কৰ্ম্মত অঙ্কিত কৰা সত্যৰ প্ৰতি উপভোক্তাৰ নিশ্চয় সংশয় জন্মিব নেলাগিব। তেওঁলোকে নিজ স্নায়ুৰে সেইবোৰ অভিজ্ঞতা হজম কৰিব পাৰিব লাগিব। প্ৰতিভা হ'ল বিৰল সম্পদ। কলা-সাহিত্যৰ সৃষ্টিত কেৱল প্ৰকৃতিদত্ত প্ৰতিভাৰ ওপৰতো নিৰ্ভৰ কৰিব নোৱাৰি। প্ৰতিভাক নিৰলস শ্ৰম আৰু সাধনাৰে কৰ্ষণ কৰিব লাগিব আৰু শিল্প সৃষ্টিৰ কায়দা-কৌশলৰ নিশ্চয় বিকাশ ঘটাব লাগিব। প্ৰতি-ভাৰ নিশ্চয় সামাজিক প্ৰয়োগ হ'ব লাগিব। সময়ৰ অগ্ৰগামী ধ্যান-ধাৰণাৰ লগত শিল্পীৰ অভিজ্ঞতাৰ মণি-কাঞ্চন সংযোগ ঘটিব লাগিব। জনগণৰ-জ্ঞান-অভিজ্ঞতা, ভাবানুভূতি আৰু আশা-আকাঙ্খাৰ লগত কলাকাৰৰ নিশ্চয় ঘনিষ্ঠ সম্পৰ্ক থাকিব লাগিব। সেয়ে লেনিনে সমাজবাদী লেখক শিল্পীসকলক উপদেশ দিছিল—

"জনসাধাৰণৰ মাজলৈ আৰু কল-কাৰখানা আদিলৈ যোৱা তাত তোমালোকে সৃষ্টিৰ প্ৰেৰণা পাবা আৰু শ্ৰমকাৰীসকলৰ জীৱনৰ পৰা সমল পাবা"।

লেনিনে ধ্ৰুপদী সাহিত্য-শিল্পৰ পৰাও জ্ঞান লাভ কৰিবলৈ ডেকা শিল্পীসকলক উপদেশ দিছিল। কাৰণ অতীত ইতিহাস, সভ্যতা আৰু সংস্কৃতিৰ চহকী ভাণ্ডাৰৰ জ্ঞানৰ অবিহনে ভাবীকালৰ বিপ্লৱী ইতিহাস গঢ়াও সম্ভৱ নহয়। তেওঁ লেখকৰ দক্ষতা

আৰু শিল্প-সাহিত্যৰ উন্নত ভাষাৰ ওপৰতো গুৰুত্ব দিছিল। সুন্দৰ চিত্ৰ কল্প-ৰূপক উপমা আৰু ব্যঙ্গ আদিৰে ৰসাল ভাষা, সঠিক আৰু সূক্ষ্ম ব্যঞ্জনা আৰু তুলনা আৰু যথাযোগ্য প্ৰাঞ্জল বৰ্ণনাৰ শিল্প-সাহিত্যক লেনিনে উচ্চ আসন দিছিল। জীৱন আৰু সমাজৰ তুচ্ছ ঘটনাবো সূক্ষ্ম বিবৰণ আৰু খুঁতি-নাতিৰ বৰ্ণনাক তেওঁ প্ৰশংসা কৰিছিল।

লেনিনৰ মতে আঙ্গিকে পাঠক শ্ৰোতা দৰ্শকক শিল্পৰ বক্তব্য বুজাত সহায় কৰিব লাগে। ই বিভ্ৰান্তি সৃষ্টি কৰিব নেলাগে। তেওঁ সুধিছিল—"Who needs those forms which means nothing to the spectator"? (কোনো অৰ্থ প্ৰকাশ নকৰা আঙ্গিক কোনেনো বিচাৰে?) শ্ৰমজীৱি সকলৰ প্ৰতি লক্ষ্য ৰাখি লেনিনে কলা কৰ্ম্মৰ জটিলতা আৰু কষ্টকল্প ভাষা আৰু আঙ্গিক পৰিহাৰ কৰিবলৈ সমাজবাদী শিল্পী-সাহিত্যিসকলক আহ্বান জনাইছে। সেই বুলি শিল্প সংস্কৃতিৰ মানদণ্ড অবাৰ্চীনতালৈ নিম্নগামী কৰাৰ কথা লেনিনে কোৱা নাই। তেওঁ লেখিছে—"জনপ্ৰিয় লেখকে অতি সহজ সৰল আঙ্গিক আৰু সৰ্ব্ব সাধাৰণে জনা তথ্য পাতিৰেই শিল্প সৃষ্টি কৰি পাঠকৰ মনত গুৰু গম্ভীৰ চিন্তা ভাৱনা আৰু গভীৰ জ্ঞানৰ উন্মেষ ঘটাব লাগিব। এনে সাহিত্যই অবিকশিত পাঠকৰ মনত তেওঁৰ মগজুৰ বিকাশ ঘটাবলৈ গভীৰ বাসনা জগায়, তেওঁক কঠিন আৰু কঠোৰ কামত লিপ্ত হ'বলৈ প্ৰেৰণা যোগায় আৰু এনেদৰে এটাপ আগুৱাই গৈ ক্ৰমে স্বাধীনভাবে শিল্প কৰ্ম্মত প্ৰবৃত্ত হ'বলৈ ইন্ধন যোগায়"। এনেদৰে দৰ্শক শ্ৰোতা পাঠকক ৰুচীবোধ আৰু সৃষ্টি কৰ্ম্মত শিক্ষিত কৰিব পাৰি।

লেনিনে কৈছিল—"He, who thinks in a clear manner, expounds his ideas clearly" (যিজনে স্পষ্টকৈ চিন্তা কৰে সেইজনে তেওঁৰ ধ্যান-ধাৰণাও স্পষ্টকৈ প্ৰকাশ কৰে।) কলা-শিল্পক জনগণৰ মাজলৈ লৈ যোৱা আৰু জনগণৰ শিল্প-সাহিত্যৰ প্ৰতি

আকৰ্ষণ কৰা এই দ্বৈত পদ্ধতিত লেনিনে প্ৰাধান্য দিছিল। সাহিত্য কলা নিশ্চয় জনসাধাৰণৰ ওচৰচপা আৰু বোধগম্য হ'ব লাগিব। জনসাধাৰণৰ সৌন্দৰ্যজ্ঞান বৃদ্ধি কৰিবলৈ কলা-শিল্প বুজিব পৰাকৈ প্ৰস্তুত কৰিব লাগিব যাতে তেওঁলোকে শিল্প-সাহিত্যৰ মূল্যায়নো কৰিব পাৰে।

মাৰ্ক্সবাদী সৌন্দৰ্যবীক্ষাই কেতিয়াও শিল্পীক নতুন আঙ্গিক, অভিনৱ প্ৰকাশভঙ্গী আৰু অফুৰন্ত সম্ভাৱনাৰ সৃষ্টিশীল স্বপ্নকল্পনাক উলাই কৰা নাই। বৰঞ্চ জীৱনৰ এই অসীম অনুসন্ধানক ই আদৰণীহে জনায়। লেনিনৰ প্ৰতিফলন সূত্ৰ (Theory of Reflection) ৰ মতে শিল্পসৃষ্টিৰ বিশাল বৈশিষ্ট্য আৰু বৈচিত্ৰ্য অসীম অভিনৱত্ব আৰু সীমাহীন সম্ভাৱনাক আহ্বান জনোৱাহে হয়। এই সূত্ৰই বস্তুগত আৰু মনোগত জগত আৰু আদৰ্শ তথা বাস্তৱৰ মাজত দ্বান্দ্বিক প্ৰতিফলন ঘটোৱাত আমাক সহায়হে কৰে। লেনিনৰ প্ৰতিফলন সূত্ৰই বাস্তৱৰ সৌন্দৰ্যকৃত ৰূপৰ ব্যাপক নৱদিগন্ত উন্মোচন কৰি দি ভাৱীকালৰ প্ৰগতিশীল সংস্কৃতিৰ আঁৰিয়া ভাঙি ধৰিলে। তেওঁৰ মহান টলষ্টয়ৰ ওপৰত কৰা মূল্যায়ন এই ক্ষেত্ৰত ঐতিহাসিক আৰু আদৰ্শনীয়। ই ছোভিয়েট ৰাচিয়া তথা বিশ্বৰ সাহিত্য-শিল্পবীক্ষাৰ এক দাৰ্শনিক ভেটি প্ৰদান কৰিলে আৰু বিশ্বৰ সাহিত্যলৈ এক আঁৰি ভাঙি ধৰিলে। ●

সহায়ক সক্ষল

1. Lenin – Collected works – Moscow
2. Yuri Lukin – Lenin and Literature.

কলা-শিল্পৰ সৃষ্টি প্ৰক্ৰিয়া আৰু ব্যৱসায়িকতা

শিল্প মনোজগতৰ সৃষ্টি। ই হ'ল জনজীৱন আৰু প্ৰাকৃতিক ক্ৰিয়া কাণ্ডৰ পৰিশীলিত ৰূপ। সমাজৰ সুন্দৰখিনিয়েই হ'ল সংস্কৃতি। এতেকে কেৱল সভ্য সমাজৰহে সংস্কৃতি আছে; বন্য আৰু অসভ্য সমাজৰ নাই। ব্যক্তিজীৱন, সমাজ আৰু প্ৰকৃতিৰ ঘটনা সংঘাতে সৌন্দৰ্যীকৃত ৰূপত কলা শিল্পত প্ৰতিফলিত হয়। পত্তিকে সংস্কৃতিয়ে সমাজক সংযত, ৰুচীবান আৰু সুন্দৰ কৰাত প্ৰেৰণা যোগায়। সেয়ে সভ্যতা আৰু সংস্কৃতি ওতঃপ্ৰোত ভাবে জড়িত আৰু প্ৰায়েই অবিচ্ছিন্ন। অসভ্য সমাজত যেনেকৈ সুস্থ সংস্কৃতিৰ সৃষ্টি নহয় তদনুৰূপ সংস্কৃতিহীন সমাজো কদৰ্য্য আৰু বৰ্বৰ হ'বলৈ বাধ্য। অৰ্থাৎ সভ্যতা আৰু সংস্কৃতিয়ে উভয়ে উভয়ৰ ওপৰত ক্ৰিয়া বিক্ৰিয়া কৰে আৰু পৰস্পৰে হাতত ধৰাধৰিকৈ আগবাঢ়ি যায়। ইতিহাস তাৰ জলন্ত সাক্ষী।

প্ৰশ্ন হয় শিল্প কলা সাহিত্য সংস্কৃতি নোহোৱাকৈ মানুহ বাচি থাকিব নোৱাৰে নেকি? পাৰে। কিন্তু তেনে সমাজ পশু সমাজৰ নামান্তৰ মাথোঁন আৰু তেনে মানুহ নেজ-শিং নোহোৱা দুঠেঙীয়া জন্তু সদৃশ। সেয়েহে কোৱা হয় যে মানুহ কেৱল ইতৰ প্ৰাণীৰ দৰে আহাৰ খায়েই জীয়াই নেথাকে। সভ্য মানুহে জীৱন, সমাজ আৰু জগত সুন্দৰ কৰিব বিচাৰে। নিজ জীৱনৰ সৰ্ব্বক্ষেত্ৰকেই

মানুহে সুন্দৰ কৰিব খোজে। বাহ্যিক সা-সঁজুলি, সা-সম্পদ, ৰীতি নীতি, পৰম্পৰা আৰু ভৱানুভূতি প্ৰকাশ আদি মানুহে ধুনীয়া, মনোমোহা আৰু আকৰ্ষণীয় কৰিব বিচাৰে। তেনে সংস্কাৰযুক্ত সুন্দৰ ৰূপেই শিল্প কলা নাচ গান ছবি আৰু নানা সুকুমাৰ সংস্কৃতিৰ নাম পায়।

কেৱল বাহ্যিক জগতকেই নহয়, কৃষ্টি সংস্কৃতিয়ে ব্যক্তি আৰু সমাজৰ আভ্যন্তৰীণ দিশ, মন-হৃদয় আৰু আত্মাকো সুন্দৰ কৰে। সু-সংস্কৃতিয়ে সেয়ে মানুহৰ চেতনা, সৌন্দৰ্যবোধ, উপলব্ধি আৰু ভাবানুভূতিকো উন্নত স্তৰলৈ বিকাশ ঘটায়। কঠোৰ, নগ্ন, নিষ্ঠুৰ আৰু নিৰ্মম বাস্তৱক শিল্প-সাহিত্যত ৰূপ ৰস আৰু নান্দনিক-ৰূপত প্ৰকাশ ঘটাই মানুহৰ উপলব্ধিৰ জগতত এক গভীৰ আলোড়ণৰ সৃষ্টি কৰে, ফলত সেইবোৰৰ গভীৰ উপলব্ধিয়ে মানুহৰ মনোজগত শান্ত-সমাহিত আৰু উদ্দীপিত কৰে। এতেকে ই বাস্তৱৰ নৱ-সৃষ্টি বা দ্বিতীয় সৃষ্টি আৰু এই নৱ চেতনাই মানুহক আগুৱাই লৈ যায় এনে অৰ্থত সংস্কৃতি সমাজৰ চূড়ান্ত নিৰ্ণায়ক মূল বুনিয়াদ নহ'লেও ই উপৰিসৌধৰ সবাতোকৈ প্ৰভাৱশালী প্ৰপঞ্চ। কাৰণ বহুল অৰ্থত সংস্কৃতিয়ে পৰিশীলিত ৰূপত আদৰ্শ-দৰ্শনাদি সমাজৰ প্ৰায়বোৰ দিশকেই সাঙুৰি লয়। শিল্প-সংস্কৃতিয়ে বৃহত্তৰ পৰিসৰত বিজ্ঞান আদিৰো পিতৃত্ব দাবী কৰিব পাৰে।

আভ্যন্তৰত প্ৰায় প্ৰতিজন মানুহেই একো একোজন শিল্পী, স্ৰষ্টা আৰু খনিকৰ। তেওঁ গাব-লেখিব আঁকিব নাচিব বা অভিনয় কৰিব নোৱাৰিব পাৰে। কিন্তু তেওঁ সেইবোৰৰ চমৎকাৰ উপভোক্তা, সেইবোৰৰ উৎকৃষ্ট বিচাৰক আৰু সেইবোৰৰ নিবিড়-নীৰৱ প্ৰেমিক। অৱশ্যে এনে বস্তুজগতৰ মানসিক প্ৰতিৰূপৰ সুন্দৰ মূৰ্ত্ত-ৰূপ সকলোৱে দিব নোৱাৰে। কেৱল মুষ্টিমেয় ভাগ্যবান প্ৰতিভাইহে মনৰ আভ্যন্তৰত দোলা দি যোৱা স্পৰ্শকাতৰ, সজাগ আৰু তীব্ৰ ভাবানুভূতিবোৰৰ কলাৰূপ দিব পাৰে। সেয়ে তেওঁলোকে সাহিত্যিক,

শিল্পী আৰু কলাকাৰ হিচাপে স্বীকৃতি পায় আৰু সক্রিয় কলা উপভোক্তাসকল তেওঁলোকৰ উদগাতা, অভিভাৱক আৰু অনুপ্ৰেৰণা-দাতা হয়।

সেইবুলি শিল্প সৃষ্টি কেৱল দৈৱপ্ৰদত্ত, স্বতঃস্ফূৰ্ত আৰু অনায়াসলব্ধ সৰল প্রক্রিয়া নহয়। ই হ'ল প্রতিভাশীলৰ শ্ৰম-সাধনা, গভীৰ মননশীলতা, কঠোৰ পৰ্য্যবেক্ষণ আৰু সূক্ষ্ম অনুভূতিৰ ফল-শ্রুতি। সেয়ে সংঘাতময় বাস্তৱতা আৰু বাৰেবৰহনীয়া বৈচিত্ৰপূৰ্ণ প্রকৃতিজগতক সকলোৱে দেখিলেও তাৰ পৰিশোধিত আত্মিক তথা দ্বান্দ্বিক ৰূপৰ কলা সৃষ্টি কৰিব নোৱাৰে। গতিকে আঁচান বদ্ধ আৰু পদ্ধতিগত ভাবে এজন কলাকাৰে অন্ততঃ চাৰিটা মানসিক স্তৰ পাৰ হৈ হে শিল্পৰ পূৰ্ণৰূপ দিব পাৰে। অৱশ্যে এই স্তৰবোৰ বীজ গণিতৰ দৰে একাদিক্রমিক নহ'বও পাৰে। শিল্পীয়ে বহু ক্ষেত্ৰত এই স্তৰবোৰৰ প্ৰতি সচেতন বা অচেতন হৈও থাকিব পাৰে। তথাপি এই স্তৰবোৰ শৃঙ্খলাবদ্ধ বিশ্লেষণত স্পষ্টকৈ ধৰা পৰে। যথা —

প্ৰথমতে কোনো শিল্পী-সাহিত্যিকে তেওঁৰ ব্যক্তিজীৱন, সমাজ আৰু প্ৰকৃতি জগতৰ ক্রিয়া কাণ্ডবোৰত চিৰিয়াচ ভাবে দৃষ্টি দিয়ে। বাস্তৱৰ যিবোৰ সংঘাত দ্বন্দ্বই, সৎ-অসৎ সুন্দৰ-অসুন্দৰ পৰিঘটনাই তেওঁৰ মনত আঘাত কৰে আৰু তেওঁৰ সজাগ অনুভূতিত তীব্ৰ আলোড়ণৰ সৃষ্টি কৰে সেইবোৰক তেওঁ গভীৰ মননশীলতাৰে অৱলোকন কৰে। চৌদিশৰ প্রাত্যহিক ঘটনা-অপঘটনা আৰু প্রকৃতি জগতৰ ক্রিয়া কলাপবোৰে তেওঁৰ মনত তীব্ৰভাবে দোলাদি যায়। তেওঁ সেইবোৰক বুজিবলৈ, জানিবলৈ, উপলব্ধি কৰিবলৈ চেষ্টা কৰে আৰু সেইবোৰৰ পৰা অভিজ্ঞতা অৰ্জ্জন কৰে। সেই বৈচিত্ৰময় ঘটনাই শিল্পীৰ সজাগ পঞ্চেন্দ্ৰিয়ত বিভিন্ন প্ৰকাৰে প্ৰতিক্রিয়া কৰে আৰু শিল্পীয়ে সেইবোৰত আত্মিক অংশ গ্ৰহণ কৰে। বহু সময়ত

এনে অভিজ্ঞতাবোৰে শিল্পীৰ মন আৰু স্মৃতিৰ পৰ্দাত চামে চামে গোট খায়। অৱশ্যে এনে উপলব্ধি বহুৰ গতিৰে বহুক্ষেত্ৰত অচেতন বা অৱচেতনভাৱে কলাকাৰৰ মানসিক জগতত আহৰিত হ'ব পাৰে।

দ্বিতীয় পৰ্যায়ত বাস্তৱৰ আঘাতে শিল্পীৰ মনত বিভিন্ন ধৰণৰ প্ৰাথমিক ধ্যান-ধাৰণাৰ জন্ম দিয়ে। এনে ধাৰণাবোৰে তেওঁৰ মনত ক্ষোভ-আনন্দ-ক্ৰোধ-ঘিণাৰ বেদনা মিশ্ৰিত ভাবানুভূতি জগাব পাৰে। বছৰৰ পিছত বছৰ ধৰি কলাকাৰৰ মনোজগতত সৃষ্টি হোৱা ধ্যান-ধাৰণাবোৰে তেওঁক পৰিপক্ক আৰু সমৃদ্ধ কৰে। তেওঁৰ ক্ৰমলব্ধ ধ্যান-ধাৰণাবোৰে এটা সময়ত শিল্পীৰ মনত এক সবল ৰূপ লয়। শিল্পীয়ে এই ধ্যান-ধাৰণাবোৰক মানসিক প্ৰতিমাৰূপে খনিকৰৰ ভূমিকাৰে জল্পনা-কল্পনা, চিন্তা-ভাবনা আৰু আঁচনি-পৰিকল্পনা কৰে এক মূৰ্ত্ত কলাৰূপ দিবলৈ। এই দ্বিতীয় স্তৰত কবিয়ে কবিতাৰ শব্দালঙ্কাৰ বিচাৰে, সাহিত্যিকে আঙ্গিকৰ কথা চিন্তা কৰে আৰু শিল্পী চিত্ৰকৰে সুৰ তুলিকা আৰু স্কেচৰ সাধনা কৰে। তাৰ পিচতেই আৰম্ভ হয় সৃষ্টি প্ৰক্ৰিয়াৰ পৰৱৰ্ত্তী স্তৰ।

তৃতীয় পৰ্যায়ত শিল্পীয়ে তেওঁ নন্দিত বঞ্চিত আৰু ঈপ্সিত কলাৰ বিষয় নিৰ্ব্বাচন কৰে। শিল্পসৃষ্টিৰ বিষয় নিৰ্ব্বাচনো এক জটিল অথচ সম্ভৱপৰ কাৰ্য্য। প্ৰথম আৰু দ্বিতীয় পৰ্য্যায়ত শিল্পী অভিজ্ঞ, স্পন্দিত আৰু ধাৰণালব্ধ হ'লেও সেই দুই স্তৰত তেওঁ তেওঁৰ নিজ সৃষ্টি কাৰ্য্য কোনো বিষয়ত কেন্দ্ৰীভূত নকৰে। কাৰণ শিল্পীয়ে সসীম জীৱনত অসীম জগতৰ সীমাহীন অভিজ্ঞতাৰ সন্মুখীন হয়। কিন্তু তেওঁ এই সমস্ত অভিজ্ঞতাৰ কলাৰূপ দিব পৰা পাৰদৰ্শীতাৰে পুষ্টলোক নহয়। অতএৱ বিক্ষিপ্ত অভিজ্ঞতাৰ প্ৰতিফলনক শিল্পৰূপ দিব পৰা তেওঁৰ সামৰ্থও নাই, সময়ো নাই আৰু সাধও নাই। গতিকে তেওঁ বাস্তৱৰ কোনো নিৰ্দ্দিষ্ট অভিজ্ঞতাকহে তেওঁৰ শিল্পৰ বিষয় হিচাপে বাচি ল'ব লগা হয়। ভেতিয়াহ'লে কোনবোৰ

অভিজ্ঞতাক তেওঁ নিৰ্ব্বাচন কৰি কলা সৃষ্টিৰ মনোযোগ কেন্দ্ৰীভূত কৰিব ? মাথোন বাস্তৱৰ সেইবোৰ অভিজ্ঞতাকহে শিল্পীয়ে কলা-ৰূপ দিব যিবোৰে কলাকাৰৰ মন-হৃদয়-সত্তা আৰু আত্মাত গভীৰ-তম, তীব্ৰতম আৰু সূক্ষ্মতম স্পৰ্শকাতৰ আলোড়ণ সৃষ্টি কৰিব আৰু যিবোৰক কলাৰূপ দিয়াৰ প্ৰতিভা, সামৰ্থ, যোগ্যতা আৰু আগ্ৰহ তেওঁৰ থাকিব ।

চতুৰ্থ আৰু শেষ স্তৰত শিল্পীয়ে সৃষ্টিৰ মূৰ্ত্তপ্ৰতিমা গঢ়িব। বাস্তৱৰ সজীৱ উপলব্ধিৰ প্ৰতিফলনেৰে তেওঁ কলাশিল্পৰ চূড়ান্ত-ৰূপ দিব। তেওঁৰ জীৱনৰ গভীৰতম জ্ঞানেৰে নিজ আয়ত্তৰ আঙ্গি-কেৰে কলা-সংস্কৃতিৰ বিভিন্ন আৰু বিচিত্ৰ ছবি আঁকে। শিল্পৰ আত্মাস্বৰূপ বাস্তৱৰ জীৱন্ত অভিজ্ঞতাক তেওঁ আপোন প্ৰিয় কলা-ৰূপ গীত-মাত, সঙ্গীত, ছবি, নৃত্য, কাব্য, গল্প, নাটক, উপন্যাস আদিৰ আঙ্গিকেৰে সৃষ্টিৰ গঢ় দিব আৰু সিয়েই শিল্প কলা নাম-বাচ্য হ'ব। মনত ৰাখিব লাগিব যে মানুহৰ মনত ঘটা বাস্তৱৰ প্ৰতিফলন হ'ল এক সৃষ্টিশীল প্ৰক্ৰিয়া। ই কোনো যান্ত্ৰিক ক্ৰিয়া কাণ্ড বা নকলনবীচৰ কাম নহয়। সেয়ে ই সৰল, তৎকালীন কাৰ্য্য বা দাপোণৰ মৃত প্ৰতিফলন নহয়। বৰঞ্চ ই জটিল, বিক্ষিপ্ত, ওখোৰা-মোখোৰা আৰু জীৱনৰ লগত ফেণ্টাছীৰ সংযোগকৰণো কেতিয়াবা হয়— যেনে ডন কুইকছটৰ কাহিনী। তথাপি মুখ্যতঃ শিল্পীৰ জ্ঞান অভিজ্ঞতা, প্ৰতিভা সামৰ্থ, সত্য নিষ্ঠা আৰু জন-গণৰ লগত ওতঃপ্ৰোত সম্পৰ্ক ইত্যাদিৰ ওপৰতেই সফল, মহৎ আৰু বৃহৎ সৃষ্টি নিৰ্ভৰ কৰে।

উল্লেখিত বিশুদ্ধ শিল্প সৃষ্টি প্ৰক্ৰিয়া কেৱল মৌলিক, চিৰিয়াচ আৰু জীৱন মুখী সৃষ্টিৰ ক্ষেত্ৰতহে খাটে। ই এক সুশৃংখল সৃষ্টি পদ্ধতি। কিন্তু আজিৰ সস্তীয়া, বজৰুৱা, নকলজীৱি আৰু কৃত্ৰিম পণ্য সংস্কৃতিৰ ক্ষেত্ৰত এনে সুশৃংখল সৃষ্টি প্ৰক্ৰিয়াৰ প্ৰয়োজন নাই। কাৰণ সৰল-হোজা-অচেতন পাঠক শ্ৰোতা দৰ্শক উপভোক্তাক প্ৰৱঞ্চনা

কৰি আজি কম্পিউটাৰ ভিত্তিক ভাৎকা জিনিচ বাতাবাতি তৈয়াৰ হৈ যায়। এনে সস্তীয়াভাৱে জনপ্ৰিয় কলাৰ সৃষ্টিও সহজ আৰু উপভোগো সহজ (easy to produce and easy to enjoy)। এনে কলাৰ গুণগত আৰু পৰিমাণগত মানৰ কোনো পাৰ্থক্য নাই (No difference of quality and quantity) ইয়াত আনকি বয়স, ৰুচীবোধ আৰু শ্ৰেণী ভেদৰো কোনো পাৰ্থক্য নাই। ই সমূলঞ্চেই ব্যৱসায় বজাৰ ভিত্তিক আৰু ব্যৱসায়িক (Commercialised)। ইয়াত সকলোৱে বুজিব পৰাকৈ কলাৰ নিম্নতম মানদণ্ডহে কেৱল থাকে। নানা মিঠা মিঠা চালাকী ধ্বনিৰে বিজ্ঞপ্তি দিলেও মুনাফালাভহে পণ্য সংস্কৃতিৰ প্ৰকৃত লক্ষ্য। এনে বজৰুৱা সংস্কৃতিত ভাল বেয়া, শুভ-অশুভ আৰু সুন্দৰ অসুন্দৰৰ কোনো লক্ষ্য নেথাকে। ফলত আউটাইবোৰ খিচিৰি হৈ পৰে। এনে বিচাৰহীন সংস্কৃতিত প্ৰাপ্ত- বয়স্কৰ নামত সৃষ্ট শিল্প-সাহিত্যত অপৈনত লোকৰ সমাবেশ ঘটে আৰু কিশোৰৰ বাবে সৃষ্ট ৰহস্য কমিকচ আদিত প্ৰাপ্তবয়স্কৰ ডেট'ৰ অনুপ্ৰৱেশ ঘটে। এনে বজাৰ ভিত্তিক সংস্কৃতি সেয়ে ক্ষয়িষ্ণু, অবক্ষয়ী আৰু অসুস্থ অপ সংস্কৃতি। এনে সংস্কৃতিৰ পৰা মানুহ মানসিকভাৱে পঙ্গু হৈ পৰে। মাৰ্কিন মাৰ্কা এনে নগ্ন আৰু বেশ্যা সাহিত্য সংস্কৃ- তিয়ে আজি সমগ্ৰ সমাজ-দেহ অক্টোপাছৰ দৰে ছানি ধৰা দেখা গৈছে। ফলত ৰুগ্ন হ'ব ধৰিছে মানুহৰ সাংস্কৃতিক জীৱন।

সভ্যতাৰ আদিম কালৰে পৰাই মানুহে আপোন তেজ ঘাম শ্ৰম আৰু বোকা পানীৰ গোন্ধেৰে নিজ কৰ্মজীৱনৰ প্ৰেৰণা সঙ্গী আৰু স্বতঃস্ফূৰ্ত বিকাশৰূপে লোকসংস্কৃতিৰ জন্ম দিছিল। ই যে উচ্চ সংস্কৃতিৰ কোনো সহায় নোলোৱাকৈ শিল্প বিপ্লৱৰ সময়- লৈকে সকলো সাধাৰণ মানুহৰ সংস্কৃতি আছিল ডুৱাইট মেক্- ডনাল্ডে তাক সুন্দৰকৈ লেখিছে— "Folk culture was, untill the Industrial Revolution, the culture of the common people. It grew genuinly out of the life and

work of the people, a spontaneous autochthonous expression of the people. shaped by themselves, pretty much without the benefit of high cutlure." তাৰ বিপৰীতে শ্ৰেণী সমাজ জন্ম হোৱাৰ লগে লগে অৰ্থাৎ শাসক শোষক শ্ৰেণী আৰু শাসিত শোষিত শ্ৰেণীৰ সৃষ্টি হোৱাৰ লগে লগে উচ্চ সংস্কৃতিৰো সৃষ্টি কৰা হ'ল। মেক্‌ডনাল্ডৰ ভাষাত— "High culture is the traditional culture of an educated elite, and was formarly the monopoly of an upper class. Likened to 'a great formal park', it ignored the mob and sought to please only the cognc scenti" (উচ্চ সংস্কৃতি শিক্ষিত এলিটসকলৰ পৰম্পৰাগত সংস্কৃতি আৰু পূৰ্ব্বতে ই উচ্চশ্ৰেণীৰ একচেটীয়া সম্পদ আছিল। অভিজাত সকলৰ বিশাল প্ৰমোদউদ্যান এখনৰ দৰে ই সাধাৰণ মানুহক অৱজ্ঞা কৰিছিল আৰু কেৱল জনাবুজা আলোক প্ৰাপ্তসকলক সন্তুষ্ট কৰিবলৈহে চেষ্টা কৰিছিল।)

আনহাতে পণ্য সংস্কৃতিৰ জন্ম আৰু তাৰ ব্যৱসায়ী ধৰ্ম্মীয়তাৰ সম্পৰ্কেও মেক্‌ডনাল্ড লেখিছে— "Mass culture is fabricated by technicians employed by the ruling social groups, and imposed from above. It consists largely of debased. High culture. Its audiences are passive consumers, and their excercise of choice is more or less limited to buying or not buying," (পণ্য সংস্কৃতি শাসকচক্ৰই নিয়োগ কৰা কল-কাৰখানাৰ বিশেষজ্ঞসকলৰ দ্বাৰা কৃত্ৰিম ভাবে তৈয়াৰ কৰি সমাজত ওপৰৰ পৰা জাপি দিয়া হৈছে। ই মুখ্যতঃ উচ্চ সংস্কৃতিৰ ক্ষয়িষ্ণু ফচল। ইয়াৰ উপভোক্তা সকল নিষ্ক্ৰিয় আৰু তেওঁলোকৰ ক্ৰয় ক্ষমতাৰ ওপৰতেই পণ্য সংস্কৃতি উপভোগৰ ক্ষমতা কম বেছি পৰিমাণে নিৰ্ভৰ কৰে।)

গতিকে দেখা গ'ল যে আদিকালৰ মানুহৰ লোক সংস্কৃতিক চেৰাই গৈ শ্ৰেণী সমাজ আৰম্ভ হোৱাত শাসক-শোষক-পুৰোহিত শ্ৰেণীয়ে আপোন শ্ৰেণী স্বাৰ্থত উচ্চ সংস্কৃতিৰ সৃষ্টি কৰিলে আৰু সাধাৰণ মানুহক তাৰ পৰা বঞ্চিত কৰিব ধৰিলে। শিল্প বিপ্লৱৰ পৰৱৰ্তীকালত বুৰ্জোৱা পুঁজিবাদী সমাজ সৃষ্টি হৈ খিচিৰি পণ্য সংস্কৃতি তৈয়াৰ কৰে আৰু সাহিত্য-শিল্প সংস্কৃতিত ব্যৱসায়ৰ নগ্ন ৰাজত্ব আৰম্ভ কৰি দিয়ে। আধুনিক চেকুলাৰ, গণতান্ত্ৰিক আৰু সমাজবাদী বাতাবৰণত সাধাৰণলোকেও এনে বজৰুৱা সংস্কৃতিত অংশ গ্ৰহণ কৰিব পাৰিলেও এনে সংস্কৃতিত লোক সংস্কৃতিৰ বিশুদ্ধতা, পৱিত্ৰতা, মানবীয়তা আৰু সুস্থতা অনুপস্থিত। ফলত এনে বিক্ৰী-যোগ্য ব্যৱসায়িক সংস্কৃতিত উপভোক্তাসকলে সস্তীয়া পণ্য সামগ্ৰীত পৰিণত হৈছে।

আজি সেয়ে প্ৰকৃত জনগণৰ বাবে গণ সংস্কৃতি, জন সংস্কৃতি বা জনগণৰ সংস্কৃতিৰ (Peoples' Culture) সৃষ্টিয়েই হ'ব আমাৰ কাম্য। গণ সংস্কৃতি হ'ব সুস্থ, সবল, জীৱনমুখী, প্ৰগতিশীল আৰু শ্ৰমজীৱি মানুহৰ প্ৰেৰণাদাত্ৰী আৰু মুক্তিৰ পথৰ আঁৰিয়া। সমাজতান্ত্ৰিক বাস্তৱতা এনে সংস্কৃতিৰ আদৰ্শ। গণ সংস্কৃতি সামাজিকদায়বদ্ধ, আদৰ্শনিষ্ঠ, যুক্তি-বিজ্ঞান ভিত্তিক আৰু দ্বান্দ্বিক বস্তুবাদী ধাৰাৰ ওপৰত আধাৰিত। ই শ্ৰেণী ভিত্তিক। শোষিত বঞ্চিত মানুহৰ স্বাৰ্থৰ কষটি শিলত অতীত আৰু বৰ্ত্তমানৰ প্ৰমূল্য সমূহৰ গ্ৰহণ বৰ্জনৰ দ্বাৰা ইয়াক ভাবীকালৰ বাবে নিৰ্ম্মাণ কৰা হ'ব। কেৱল জনপ্ৰিয়তাই ইয়াৰ মাপকাঠি কেতিয়াও হ'ব নোৱাৰে।

অধুনাকালৰ সৰ্ব্বোন্নত প্ৰচাৰ মাধ্যম বোলছবি, থিয়েটাৰ অনাতাঁৰ, দূৰদৰ্শন, ভি, ডি, অ' কেছেট, বাতৰি-আলোচনী কিতাপ চাৰ্কাছ যাদুদল আনকি বিভিন্ন ধৰ্ম্মানুষ্ঠানৰ দ্বাৰা সৰ্ব্বগ্ৰাসী পণ্য সংস্কৃতিৰ প্ৰচাৰ কৰি জনজীৱন বিষাক্ত কৰি তুলিছে। গতিকে

প্ৰচণ্ড শক্তিশালী শাষক শোষকৰ ক্ৰীড়ণক প্ৰচাৰ মাধ্যমৰ অসংতিৰ বিৰুদ্ধে জীৱনদায়ী জনগণৰ সংস্কৃতিৰ বাবে প্ৰত্যাহ্বান গ্ৰহণ কৰিব লাগিব। ●

সহায়ক সমল

(1) Vladimir Baskakov – Mass Art and Popular Spirit in Art.

2) Larisa Leuchuk – On Creative Process.

(3) Anatoly Yeremevey—The Wrok of Art as Process.

(4) Dwight Macdonald—Mass Culture Published in-Diogenes.

বিপ্লৱী কবি নাট্যকাৰ বাৰ্টোল্ট ব্ৰেখ্‌ট

১৯১৮—১৯ চনত ১৯ বছৰীয়া ক্ষীণদেহৰ, দাড়ি নুখুৰোৱা, জধলা কাপোৰ পিন্ধা চঞ্চল ডেকা এজনে মিউনিকত নাটকৰ পাণ্ডুলিপি এখন লৈ ঘূৰি ফুৰিছিল। যি সময়ত প্ৰায়বোৰ ডেকা লেখকেই পাণ্ডুলিপি প্ৰকাশকক দেখুৱাই সেইখন ৰক্তাক্ত হৃদয়ৰ জ্বলন্ত স্বাক্ষৰ বুলি কোৱাটো সাধাৰণ ঢং আছিল সেই সময়ত সেই ডেকা জনে পিচে কেৱল টকা আৰ্জিবলৈহে নাটক লেখিবলৈ লৈছে বুলি ক'লে। কিন্তু দুৰ্ভাগ্যৰ কথা যে ডেকাজনৰ পাণ্ডুলিপিখনে মঞ্চৰ মুখ দেখাৰ আগতেই বিভলভাৰ, হেণ্ডগ্ৰেণেডধাৰী শ্বেত সৈন্যৰ হাতত‌হে পৰিল। অৱশ্যে জনদিয়েক ছাত্ৰৰ সহায়ত যেনিবা পাণ্ডুলিপিটো যেনে তেনে ৰক্ষা পৰিল।

জাৰ্মানৰ আগচবাৰ্গ নামৰ এখন সৰু চহৰত ১৮৯৮ চনত জন্ম গ্ৰহণ কৰা সেই ডেকাজনৰ নাম বাৰ্টোল্ট ব্ৰেখট আৰু নাটকখনৰ নাম "স্পাৰ্টাকাছ"। এই গভীৰ অন্তৰ্দৃষ্টি সম্পন্ন আৰু সাহসী লেখক জনেই সময়ত বিশ্ববিখ্যাত বিপ্লৱী কবি, নাট্যকাৰ, অভিনেতা, নাটপৰিচালক আৰু কমিউনিষ্ট বুদ্ধিজীৱিলৈ ৰূপান্তৰ হ'ল। বিশ্ব সাহিত্যত ব্ৰেখটীয় ধাৰাৰ অনুকৰণত এক নতুন নাট্যধাৰাৰো প্ৰবৰ্ত্তক হ'ল বাৰ্টোল্ট ব্ৰেখ্‌ট।

এই লেখকজন অতি পৰিশ্ৰমী আৰু ধৈৰ্য্যশীল আছিল। এখন পাণ্ডুলিপি বিশ-ত্ৰিশবাৰ পৰ্যান্ত সংশোধন কৰিবলৈ, আনকি আঠ-দহটা সংস্কৰণ ছপা হৈ যোৱাৰ পিচতো কিতাপখন সংশোধন কৰিবলৈ ব্ৰেখটে কুণ্ঠাবোধ কৰা নাছিল। কোনোবাই কিবা আভ্যন্তৰীণ

অসত্যতা আঙুলিয়াই দিলে তেওঁ তাক লগে লগেই নাটকৰ পৰা বদলাই দিয়ে। নাটকৰ চৰিত্ৰৰ বাহ্যিকতাতকৈ অভ্যন্তৰীণ সূক্ষ্মতা প্ৰকাশতহে ব্ৰেখট বেচি আগ্ৰহী। গতিকে বহুতো সময়ত নাটকত কাহিনীৰ সঙ্গতি ভঙ্গ আৰু যুক্তিৰ অস্পষ্টতাই তেওঁৰ নাটকত দৰ্শকক পীড়া দিয়ে।

ব্ৰেখটে কঠোৰ বাস্তৱতা প্ৰকাশৰ চেষ্টা কৰিছিল। আৱস্তুণীতেই এই প্ৰতিভাবান লেখকজন কোমলতা আৰু কঠোৰতা, বিশৃঙ্খলতা আৰু সুন্দৰতা, যুক্তি আৰু যুক্তিহীনতা, বলীষ্ঠ আৰ্তস্বৰ আৰু সঙ্গীত মাধুৰ্য্যৰ অদ্ভুত সংমিশ্ৰণ আছিল। বহুতকে তেওঁ নিৰুৎসাহিত কৰিলেও এবাৰ যি তেওঁক বুজিছে তেওঁ কেতিয়াও ব্ৰেখটক পাহৰিব নোৱাৰে। ব্ৰেখট বহুবিৰ্তকিত হ'লেও মোহনীয়, বৰ বেয়া হ'লেও মহৎ আৰু নিসন্দেহে ডেকাচাম জাৰ্মান লেখকৰ মাজত তেওঁ সবাতোকৈ প্ৰতিভাধৰ কবি-সাহিত্যিক নাট্যকাৰ আছিল।

এপিক ড্ৰামা (epic drama) নামৰ এক নতুন নাট্যৰীতি ব্ৰেখটে সৃষ্টি কৰে। তেওঁ অভিনয়ৰ মাজত সংঘৰ্ষ সৃষ্টি কৰাটো সমৰ্থন নকৰে। নাটকৰ মঞ্চত পোনপটীয়া উত্তেজনা আৰু সংঘৰ্ষ সৃষ্টি কৰাটো তেওঁ অশ্লীল বুলি ভাবে। ব্ৰেখটৰ মতে নাটকৰ লগত দৰ্শকক জড়িত কৰিব নেলাগে। দৰ্শকে মাথোঁ মঞ্চৰ দৃশ্যাবোৰ জ্ঞান, অভিজ্ঞতা আৰু ধ্বনিৰ বাবেহে দৰ্শন কৰিব লাগে। দৰ্শকে জীৱন বৃত্তান্ত লক্ষ্য কৰিব, মতামত প্ৰকাশ কৰিব আৰু গ্ৰহণ বৰ্জন কৰিব; কিন্তু কদাপিও সহানুভূতি নেদেখুৱাব। দৰ্শকে অভিযুক্তৰ দৰে নাটকৰ ঘটনা নিৰীক্ষণ কৰিব আৰু সমগ্ৰ নাটক নেচালেও হ ব। কাৰণ আৱস্তুণীৰ পৰাই বিভিন্ন স্তৰত নায়কে কেনেদৰে ব্যৱহাৰ কৰিব বা নাটকৰ জটিল আৰু গুৰুত্বপূৰ্ণ পৰিস্থিতিত নায়কে কেনেকৈ যুঁজ কৰিব, তেওঁ কেনেকৈ নিজকে খাপখুৱাই ল'ব, জনসাধাৰণৰ লগত তেওঁৰ সম্পৰ্ক কেনে হ'ব, জনগণৰ সপক্ষে বা বিপক্ষে তেওঁ কেনেকৈ ভূমিকা ল'ব আৰু সময় সংঘাতৰ লগত তেওঁ কেনেকৈ সংগ্ৰাম

কৰিব বা মৃত্যুবৰণ কৰিব ইত্যাদি কৈ দিয়া হয়।

ব্ৰেখটে কাহিনী কাব্য (ballad) ৰে তেওঁৰ কাব্যজীৱন আৰম্ভ কৰিছিল। ইংৰাজ কবি কিপলিঙৰ বাহিৰে সমসাময়িক কাব্যজগতত ব্ৰেখটেই শ্ৰেষ্ঠ কাহিনী কাব্যকাৰ আছিল (ক)।

ব্ৰেখটে সমকালীন সমাজজীৱনৰ নাড়ী-নক্ষত্ৰ ভালদৰে বুজি পাইছিল। তেওঁৰ স্নায়ু-ৰক্তও সমসাময়িক ভয়াবহতাই অনুৰণিত কৰিছিল। ধূসৰ বতাহ, বলয়গ্ৰাসী পোহৰ, নগৰ চহৰ আৰু সমাজ জীৱন এই ভীতি বিহ্বলতাই আচ্ছন্ন কৰি পেলাইছিল। পুতিগন্ধময় ঝঞ্জা জৰ্জৰ সমাজজীৱনৰ উপলব্ধি ব্ৰেখটৰ ধমনীয়েদি বৈছিল। গতিকে তেওঁৰ ভাষাই পাইছিল দুৰ্দ্দমনীয় শক্তি। এই ভাষাৰ যাদু পঞ্চেন্দ্ৰিয়ৰে অনুভৱ কৰা যায়– "This is a language that you feel in your tongue, your palat, your ears, your spine. It omits links and opens up perspective. It is brutally sensual and melancholically tender. It contains sordidness and deepest mourning, grim humour and plaintive lyricism"(খ)

(এই ভাষাক আপুনি আপোনাৰ জিভা, তালু, কাণ আৰু হাড়তো অনুভৱ কৰিব। ই বাহ্যিক সংযোগ বিচ্ছিন্ন কৰি উপলব্ধিৰ দুৱাৰ খুলি দিয়ে। এই ভাষা তীব্ৰ আবেগ সঞ্চাৰী আৰু করুণ ভাবে কোমল। এই ভাষাত উত্তেজনা আৰু গভীৰতম বেদনা, ভয়ঙ্কৰ হাস্যৰস আৰু হৃদয়স্পৰ্শী গীতি ধৰ্মীতা নিহিত হৈ আছে।)

কাৰ বাবে ব্ৰেখটে লেখে? উত্তৰত তেওঁ কৈছিল যে যিসকলে নাটক উপভোগ কৰিবলৈ আহে, যিসকলে নাটক বুজিবলৈ মগজু খটায়, বৌদ্ধিক কছুৰৎ কৰে আৰু নিজ মনস্তাত্বিক শক্তিৰে বাস্তৱ ঘটনাৰ ব্যাখ্যা তথা গ্ৰহণ বৰ্জন কৰিব পাৰে তেনে দৰ্শকৰ বাবেহে তেওঁ নাটক লিখে (গ)।

বাৰ্টোল্ট ব্ৰেখট সফল নাট পৰিচালকো আছিল। তেওঁ নাটকক

প্ৰগতিশীল কলাশিল্পৰূপে আৰু শিক্ষাৰ মাধ্যম হিচাপে লৈছিল। চেপমেনৰ কাহিনী কাবাৰ পৰা চৈনিক নাট্য পৰম্পৰালৈকে ব্ৰেখটৰ নাট্য শৈলীৰ ভেটি আছিল। নাট্য শিল্পৰ যোগেদি তেওঁ ৰহস্যবাদ অন্ধবিশ্বাস আৰু ক্ষয়িষ্ণু বুৰ্জোৱা ধাৰাৰ বিৰুদ্ধে সংগ্ৰাম কৰি সমাজ ৰূপান্তৰৰ শিক্ষা দিছিল (গ)।

আনকি অভিনেতা-অভিনেত্ৰী সকলকো ব্ৰেখটে সংগ্ৰামী প্ৰেৰণা দিছিল। তেওঁৰ থিয়েটাৰ দলৰ বহুতেই স্পেইনৰ গৃহযুদ্ধত যোগদান কৰিছিল। চাৰিজনে যুদ্ধত পাণ দিছিল আৰু ঘূৰি অহা সকলে কেনেকৈ ২৭ টা বিভিন্ন ভাষাত ব্ৰেখটৰ গান ফ্ৰেঙ্কোৰ বৰ্ব্বৰতাৰ বিৰুদ্ধে যুদ্ধত গোৱা হৈছিল তাৰ বীৰত্বব্যঞ্জক বৰ্ণনা দিছিল (ঘ)।

ব্ৰেখটে অভিনেতাৰ ব্যক্তিগত প্ৰতিভাতকৈ দলগত ঐক্যতহে বেচি গুৰুত্ব দিছিল। সেই বাবেই পৰিচালক হিচাপে ব্ৰেখটৰ অভিনেতা নিৰ্ব্বাচন আৰু নাটকৰ ভূমিকা বিতৰণ অদ্ভুত ধৰণৰ আছিল। তেনেদৰে বহুতো অভিনেতাৰ প্ৰতিভা বিকাশত তেওঁ সহায়ো কৰিছিল। সহজ-সৰল ভাষা বিশেষকৈ গ্ৰাম্য জতুৱা কথিত ভাষা তেওঁ অভিনেতাৰ মুখেদি কোৱাইছিল। ব্ৰেখটে বিশ্বাস কৰিছিল যে এনে গ্ৰাম্য ভাষাৰ যোগেদি প্ৰতিপাদ্য বিষয় সহজে দৰ্শকৰ ওচৰ চপাই নিব পৰা যায় (ঙ)।

কবি-শিল্প নাট্যকাৰ ব্ৰেখটে "শিল্পৰ বাবে" সূত্ৰত মুঠেই বিশ্বাস কৰা নাছিল। তেওঁৰ সমস্ত সৃষ্টিৰ যোগেদি পতনমুখী প্ৰাচীনতা আৰু প্ৰগতিশীল অনাগত ভবিষ্যতৰ মাজৰ অনিবাৰ্য্য দ্বন্দ্বই প্ৰকাশ পাইছে। ১৯২০ চন মানৰে পৰাই ব্ৰেখটে বুৰ্জোৱা ৱেইমাৰ ৰিপাব্লিক আৰু ফেচীবাদী বৰ্ব্বৰতাৰ বিৰুদ্ধে অবিৰাম জেহাদ ঘোষণা কৰি আহিছে। আৰম্ভণীৰ পৰাই ব্ৰেখটে কবিতা আৰু নাটকৰ মাধ্যমেদি বুৰ্জোৱাৰ ভ্ৰান্তি, মিথ্যা, ভোগ বিলাস আৰু ভণ্ডামীৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ জনাই আহিছে।

বিশ্বৰ ইতিহাসত চমক লগোৱা ছোভিয়েট বিপ্লৱক ব্ৰেখটে

সৰ্ব্বাস্তঃ কৰণে অভিনন্দন জনাইছিল। নিজ শ্ৰমৰ ফল উপভোগ কৰিবলৈ পোৱা শ্ৰমজীৱি মানুহৰ প্ৰথম সমাজ ব্যৱস্থাৰ সমাজ-তান্ত্ৰিক মানৱতা আৰু নতুন মানৱীয় ঐতিহ্যৰ প্ৰতি ওলগ জনাই ব্ৰেখটে লেখিলে—

"When we saw them riding in their carriages
The work of their hands, we knew.
That this was the fire scene which the great teachers.
Once foresaw · with awe"

(যেতিয়া তেওঁলোকক আপোন হাতৰ সৃষ্ট বাহনত উঠি ফুৰা দেখিছিলো, আমি জানিছিলো যে সেইটোৱেই আছিল সেই সুন্দৰ দৃশ্য যিটোৰ ভবিষ্যত সু-স্বপ্ন এসময়ত আমাৰ মহৎ শিক্ষাগুৰু সকলে আশ্চৰ্য শিহঁৰণেৰে দেখিছিল ।)

শ্ৰমজীৱি মানুহৰ প্ৰতি থকা সংগ্ৰামী প্ৰতিশ্ৰুতিয়েই ব্ৰেখটৰ কাব্য আৰু নাটকত বস্তুবাদী দ্বন্দ্বিক পদ্ধতিৰে প্ৰকাশ পাইছিল আৰু সিয়েই সংগ্ৰামী চেতনা উন্মেষৰ হাতিয়াৰত পৰিণত হৈছিল। ব্ৰেখটে কেৱল সংগ্ৰামৰ চিত্ৰই অঁকা নাছিল। তেওঁ সংগ্ৰাম কৰিবলৈও শিকাইছিল। শুদ্ধ পথেৰে সংগ্ৰামক আগুৱাই নিবলৈ হ'লে সংগ্ৰামৰ শ্লোগানো শুদ্ধ হ'ব লাগিব। (চ)

কনফুচিয়াছৰ দৰ্শনে প্ৰথমে ব্ৰেখটক অনুপ্ৰাণিত কৰিলেও মাৰ্ক্স আৰু লেনিনেহে তেওঁক সমাজ দৰ্শনৰ পথৰ সন্ধান দিয়ে। তেওঁ উৎসাহ আৰু সাহসেৰে লেনিনৰ ৰচনাৱলী উৰাই ঘূৰাই পঢ়িবলৈ লয়। লেনিনৰ সমাজ দৰ্শনে তেওঁক কমিউনিষ্ট ভাবা-দৰ্শত উদ্বুদ্ধ কৰে। এনে নতুন সমাজঅস্ত্ৰলৈ ব্ৰেখট ৰাজআলিত নামি পৰিল। তেওঁ কেৱল বুদ্ধিজীৱিৰ বাবেহে বিপ্লৱী বাণী কঢ়িওৱা নাছিল। ৱেডিং. নিউকলন, এচেন, হাম্বুৰ্গ আদি ঠাইৰ সৰ্ব্বহাৰা সকলৰ প্ৰতিও সৰল ভাষাৰে তেওঁ গভীৰ সত্যৰ

সন্ধান দিলে। ব্ৰেখটে উদাত্ত কণ্ঠেৰে গালে—

Make sure when leaving the world
Not just that you were good, but leave
A good world " (Saint joan...) (ছ'

(এই জগতখন এৰি যাওঁতে এই কথাটো নিশ্চিত কৰি যোৱা যে কেৱল তুমিয়েই সৎ নাছিলা. এখন মহৎ জগতো এৰি গ'লা (চেইণ্ট জোৱান)।

সমসাময়িক জাৰ্মান ভাষাৰ মহত্তম প্ৰতিভা ব্ৰেখটে মাৰ্ক্সীয় আৰু হেগেলীয় দ্বন্দ্বমূলক আৰু ঐতিহাসিক বস্তুবাদী দৰ্শন পুংখানুপুংখ ভাবে অধ্যয়ন কৰে আৰু আন্তৰিকতাৰে গ্ৰহণ কৰে। সঠিক বস্তুবাদী দৃষ্টিভঙ্গীৰে ব্ৰেখটে খৃষ্টান সকলৰ পৰলোক বিশ্বাস নাকচ কৰিছিল। তেওঁ বৰ্তমান অস্তিত্বকেই গ্ৰহণ কৰিছিল। খৃষ্টান পুৰোহিত আৰু দ্ৰষ্টা ব্ৰেখটৰ মাজত মেৰু সদৃশ পাৰ্থক্য (জ)।

তথাকথিত নিৰপেক্ষতাত সমাজ-দায়বদ্ধ শিল্পী ব্ৰেখটে বিশ্বাস কৰা নাছিল। সেয়ে তেওঁৰ শিল্পত সমকালীন সমাজদ্বন্দ্বৰ বাস্তৱ চিত্ৰ অঙ্কন কৰিছিল। শ্ৰেণী দ্বন্দ্ব প্ৰকাশ কৰা ঐতিহাসিক আৰু সামাজিক ঘটনাৰ মূল্য তেওঁৰ বাবে সমানেই গুৰুত্বপূৰ্ণ আছিল। অভিনেতা, পেইণ্টাৰ, পৰিচালক, সঙ্গীতজ্ঞ আৰু লেখক বাৰ্টোল্ট ব্ৰেখটে সেই একে উদ্দেশ্যকেই সফল কৰাৰ অহোপুৰুষাৰ্থ কৰিছিল। শিল্পত ৰাজনীতি চৰ্চা কৰিবলৈ ব্ৰেখটে সমূলি কুণ্ঠাবোধ কৰা নাছিল। বৰং ৰাজনৈতিক কলা শিল্পৰ সম্পূৰ্ণ স্বাভাৱিক সমল হিচাপেহে তেওঁ গ্ৰহণ কৰিছিল। কাৰণ তেওঁ জানে যে ৰাজনীতিক বাদ দি সমাজৰ বাস্তৱ চিত্ৰণ অসম্ভৱ।

ব্ৰেখটৰ বিশাল সৃষ্টিৰাজীক সমালোচক সকলে তিনিটা বৃহৎ ভাগত ভাগ কৰা দেখা যায়। ৱেইমাৰ ৰিপাব্লিকৰ কাল-ছোৱাত তেওঁ অক্লান্তভাৱে প্ৰভুত্ববাদৰ বিৰুদ্ধে যুঁজ কৰিছিল। দেশান্তৰিত হোৱা সময়ছোৱাত ব্ৰেখট হিটলাৰী ফেচীবাদৰ

দুঘো'ৰ শত্ৰু আছিল। পিচৰ জীৱনত তেওঁ ২য় মহাযুদ্ধৰ পিচত সৃষ্টি হোৱা জাৰ্ম্মান গণতান্ত্ৰিক প্ৰজাতন্ত্ৰৰ (GDR) প্ৰকৃত আৰু একনিষ্ঠ বন্ধু-কবি-শিল্পীত পৰিণত হয় (ঝ)।

কেৱল শিল্প কৰ্ম্মতেই সীমাবদ্ধ নেথাকি ব্ৰেখটে বামপন্থী বিপ্লৱী কলা শিল্পক লৈ বিপ্লৱী সৰ্ব্বহাৰা লেখকৰ লীগো (League of Proletarian Revolutionary Writers) গঠন কৰিছিল। জোহানচ্ আৰ বেচাৰ, ইৰিচ ৱেইনাৰট, ফ্ৰেডেৰীক ওলফ, এনা চাঘাৰচ, লাডৱিগ ৰেণ, এগন আৰৱিন কিচ আদি লেখক শিল্পীয়ে সেই বিপ্লৱী সাংস্কৃতিক সংস্থাত যোগদান কৰিছিল।

জাৰ্ম্মান কমিউনিষ্ট পাৰ্টি আৰু সমাজতান্ত্ৰিক ছোভিয়েট ইউনিয়নৰ প্ৰতি ব্ৰেখট অতি সহানুভূতিশীল আছিল। সংগঠিত শক্তিৰ ওপৰত নিজৰ দৃঢ় বিশ্বাস আছিল বাবেই তেওঁ লেখিব পাৰিছিল —

The individual can be destroyed,
But the Party can not be destroyed
(Praise for learning and Praise for communism)
(ব্যক্তি বিশেষক ধ্বংস কৰিব পাৰি, কিন্তু পাৰ্টিক ধ্বংস কৰিব নোৱাৰি)

ব্ৰেখটে কবিতা আৰু নাটকৰ যোগেদি শ্ৰমকাৰী মানুহক কান্ধত কান্ধ মিলাই আৰু খোজত খোজ মিলাই সংগঠিত হ'বলৈ আহ্বান জনাইছিল। শ্ৰেণী সংগ্ৰামৰ অনিবাৰ্য্য প্ৰয়োজনীয়তাৰ কথাও তেওঁ ব্যাখ্যা কৰিছিল। এনেদৰে সকলো শ্ৰমজীৱি, সংগ্ৰামী মানুহ, কমিউনিষ্ট পাৰ্টি আৰু ছোভিয়েট ৰাছিয়া আৰু জি, ডি, আৰ,ৰ সতীৰ্থ হ'ব পাৰিছিল — (ঞ)।

প্ৰায়বোৰ বিপ্লৱীবীৰে জীৱদ্দশাত হোৱাৰ দৰে বাৰ্টোল্ট ব্ৰেখটো ফেচীবাদী হিটলাৰৰ আৰু বুৰ্জোৱা কলাসেৱীৰ নিষ্ঠুৰ সমালোচনা, লাঞ্ছনা, নিৰ্য্যাতন, নাগৰিক অধিকাৰ হৰণ আৰু আনকি নিৰ্ব্বাসন

পৰ্য্যন্ত ভুগিব লগা হৈছিল। বাৰ্লিন থিয়েটাৰৰ মুখ্যাফুটা দেৱদূত কিছুমানে ব্ৰেখটৰ নাটকৰ দৰ্শক সকলক অপমান কৰি কটুমন্তব্য দিছিল, "ব্ৰেখটৰ নাটকবোৰ কিবা জগাখিচিৰিহে। এইবোৰ অপেৰাও নহয় ক্যাবেৰেও নহয়, নাটকো নহয়; বৰঞ্চ আটাইবে অলপ অলপহে। মুঠতে একেবাৰে বদহজমী, অখাদ্য এই নাটকবোৰ প্ৰথম নিশাৰ মঞ্চস্থৰ পিচতেই নাকচ কৰা উচিত বুলিও এই সমালোচক সকলে পৰামৰ্শ দিয়ে। (ট)

১৯৭৪ চনত প্ৰফেচাৰ আৰ্থাৰ কাটচ্চাৰে (Arthur Kutscher) ব্ৰেখটৰ নাটকৰ ওপৰত জঘন্য মন্তব্য কৰি কয়—"Here the dissolution of the drama is complete. Things go so far that four pigs appear and sing. Redhot fanaticism, the coldest cynicism, a combination of christians and oxen. Bolshevic blasphemy. Hostility towards western culture .... Bert Brecht is the apocalyptic beast in German literature." (ঠ)

(নাটকৰ পতন ইয়াত সম্পূৰ্ণ হৈছে। ঘটনাবোৰ ইমান দূৰলৈ যায় যে চাৰিটা গাহৰি ওলায় আৰু গীত গায়। গৰম গৰম ধৰ্ম্মোন্মাদনা, নিষ্ঠুৰতম মানব বিদ্বেষিতা আৰু খ্ৰীষ্টান আৰু ষাড় গৰুৰ সমন্বয়। বলশ্বেভীক নাস্তিকতা। পাশ্চাত্য সংস্কৃতিৰ প্ৰতি ঘোৰ শত্ৰুতা। বাৰ্টোল্ট ব্ৰেখট জাৰ্মান সাহিত্যৰ অধাৰ্ম্মিক পশু।)

ব্ৰেখটৰ "মাতৃ" (The Mother) নাটকখন প্ৰথমে ৩০ বাৰ অভিনীত হয় যদিও পিচত মঞ্চত নিষিদ্ধ কৰা হৈছিল। তেওঁৰ "ষ্টকয়াৰ্ডৰ চেইণ্ট জোৱান" (Saint joan of stockyard) নামৰ নাটকখন মঞ্চতেই নাজী সৈন্য গৈ বন্ধ কৰে। (ড)

শেষ পৰ্য্যন্ত ব্ৰেখটক নিৰ্বাসন দি নাগৰিক অধিকাৰো হৰণ কৰা হয়—"But oh, he (Brecht) has been deprived of his citizenship, he has been withdrawn from that portion

of humanity which created him as a vital organ". (ড)

(কিন্তু হাঁয় ! ব্ৰেখটক নাগৰিকত্বৰ পৰাও বঞ্চিত কৰা হ'ল। তেওঁক মানৱতাৰ সেই অংশৰ পৰা আঁতৰাই নিয়া হ'ল যি তেওঁক মুখ্য প্ৰবক্তাৰূপে গঢ়ি তুলিছিল)।

এনে এক হতাশজনক আৰু কদ্ধশ্বাস পৰিস্থিতিত আন এজন জ্যেষ্ঠ বিপ্লৱী ৰুচ কলা সমালোচক এনাটলী লুনাচাস্কীয়ে ব্ৰেখটক উৎসাহ দি কৈছিল- "ব্ৰেখট, তুমি নাটক লেখি যোৱা, যদিও প্ৰথমতে হয়তো সেইবোৰ কোনেও অভিনয় নকৰিব। কিন্তু মই নিশ্চিত যে কিছু বছৰ মানৰ পিচত বাৰ্লিনত ব্ৰেখট থিয়েটাৰ প্ৰতিষ্ঠা হ'ব -য'ত তুমি নিজেই নাট্যকাৰ, পৰিচালক, সম্ভৱত: অভিনেতাও হ'বা। ব্ৰেখটীয় থিয়েটাৰ দীৰ্ঘজীৱি হওঁক।"- ঢ)

লুনাচাস্কীৰ এনে ভৱিষ্যৎবাণী আখৰে আখৰে ফলিয়ালে। ইমানবোৰ আক্ৰমণ, অৱমাননা আৰু অবদমনেও ব্ৰেখটৰ প্ৰতিভাক স্তব্ধ কৰিব নোৱাৰিলে। নতুন যুগ আৰু চলিত শক্তিকাৰ প্ৰেৰণা স্বৰূপ এই শিল্পীজনাক বিশ্বৰ খাটিখোৱা মানুহ, সচেতন জনতা, বিশেষকৈ শ্ৰমিক-কৃষক-সৰ্ব্বহাৰাৰ দলবোৰে বৈপ্লৱীক অভিনন্দন জনালে। ব্ৰেখটক যুগমীয়া স্বীকৃতি দিলে। হিটলাৰৰ তাচপাতৰ অট্টালিকা চুচুমৈ হৈ গ'ল।

১৯৫৫ চনত বিশ্ব শান্তিত অভূতপূৰ্ব্ব অৰিহণা যোগোৱা বাবে বাৰ্টোল্ট ব্ৰেখটক আন্তৰ্জাতিক লেনিন শান্তি বঁটা প্ৰদান কৰা হয়। আনন্দেৰে শান্তি বঁটা গ্ৰহণ কৰি তেওঁ লেখিছে "আজিৰ দিনত দিব পৰা আটাইতকৈ উচ্চ আৰু আকাঙ্ক্ষিত স্বীকৃতিৰ স্বৰূপ যেন লাগিল এই বঁটা—"(ণ)।

এজন প্ৰকৃত বিপ্লৱী আছিল বাৰ্টোল্ট ব্ৰেখত। হেনচ. আইচ্লাৰৰ মতে, "ব্ৰেখটে সবাতোকৈ অধিক লেনিনৰ পৰাই শিকিছিল। ব্ৰেখটক লেনিনৰ একনিষ্ঠ শিষ্য বুলি ক'বই লাগিব। আজি কালি বহুতো বুৰ্জোৱা সমালোচকে এই সত্যটো ঢাকিবলৈকেই

বহুতো কল্পিত কাহিনী উলিয়াই ব্ৰেখটৰ নৱ নৱ গুণ আবিষ্কাৰ কৰাৰ চাক্ৰান্ত কৰিব লাগিছে। আনকি ব্ৰেখটক "ব্যক্তিবাদী মাৰ্ক্সবাদী" বুলি আখ্যা দিয়াৰ অপপ্ৰয়াসো দেখা গৈছে।

ব্ৰেখটে লেনিনৰ পৰাই এই বিপ্লৱী শিক্ষা লৈছিল যে সংস্কাৰকামী বা অতিবাম স্বপ্নকল্পনাবাদী (Reforming or leftist-utopia) চিন্তাই শ্ৰমিক শ্ৰেণীক বিজয় লাভ কৰাত সহায় কৰিব নোৱাৰে। ব্ৰেখটৰ বাবে লেনিনৰ চিন্তাৰ দৰে সত্য সদায় মূৰ্ত্ত (Concrete)। অক্টোবৰ বিপ্লৱৰ যোগেদি জয়লাভ কৰিব পৰা সমাজতন্ত্ৰ গঢ়াৰ তেওঁৰ সমাজ চিন্তাৰ মাপকাঠি আছিল। সেয়ে শ্ৰমজীৱি মানুহে ব্ৰেখটৰ সৃষ্টিৰাজীত অতীতৰ যুদ্ধ-বিগ্ৰহৰ অৰ্থ বুজি পাইছিল। জীৱনক উপভোগ কৰা আৰু বৰ্ত্তমানৰ বিপদ সংকটক অতিক্ৰম কৰাৰ সমল বিচাৰি পাইছিল (৩)।

বহুতো মাৰ্ক্সবাদী শিল্প-সমালোচকে উপন্যাসকেই সমকালীন সমাজ জীৱনৰ চিত্ৰণৰ উৎকৃষ্টতম মাধ্যম বুলি কয় যদিও প্ৰগতিশীল উপন্যাস সাহিত্য কিয় যুগজয়ী হ'ব পৰা নাই? এই প্ৰশ্নৰ উত্তৰ দি ব্ৰেখটে কৈছে যে ইয়াৰ বাবে ঔপন্যাসিক সকলৰ অপৈনতাই বা প্ৰতিভাৰ সীমাবদ্ধতাই দায়ী নহয়। ইয়াৰ কাৰণ হৈছে যে সৰ্ব্বহাৰাৰ নায়ক অতি সবলভাবে সামূহিক আৰু বৰ শক্তিশালীভাবে বুৰ্জোৱা সৃষ্ট ব্যক্তিবাদী বীৰতকৈ বেচি গণমুখী। এই জনগণৰ কাম কাজবোৰ বৰ্ণনাহে কৰিব পাৰি বীৰৰ চাঁচত অঙ্কন কৰিব নোৱাৰি। গতিকে আমাৰ উপন্যাসবোৰত বহুতো পাৰ্শ্ব নায়ক পাওঁ যি ব্যক্তিগতভাবে বুৰ্জোৱা নায়কৰ দৰে আমাক আকৰ্ষণ কৰিব নোৱাৰে। তাৰোপৰি এই শক্তিকাৰ ইতিবাচক ছবি পুৰণি আঙ্গিকত বা পুৰণি দৃষ্টিভঙ্গীত উপস্থাপন কৰিব নোৱাৰি।

শিল্পকলা উপভোগৰ বিষয়ে বাৰ্টোল্ট ব্ৰেখটে মতপোষণ কৰিছে—

"What is 'art'?" he (Brecht) enquired, "obviously because it gives enjoyment. But we nolonger

have proper healthy appetite; nothing tastes good anymore. Instead of taste we have curious over-bred tongues with miserable taste buds Our glands no longer function, our mouths no longer water at the sight of meat" (খ)

("কলা শিল্পনো কি" ? ব্ৰেখটে প্ৰশ্ন কৰিছিল– "দেখ দেখকৈ কলাই আমাক উপভোগ প্ৰদান কৰে। কিন্তু আমাৰ পিচে এতিয়া সঠিক আৰু সুস্থ শিল্প ক্ষুধা নোহোৱা হৈছে। এতিয়া আৰু একেবাৰে আমাক সুস্থ ৰুচীবোধ প্ৰদান নকৰে। সুস্থ ৰুচীবোধৰ পৰিবৰ্ত্তে অতি দুখ লগা তৃপ্তিবোধৰ সামৰ্থ্যৰে অতি আচৰিত ধৰণৰ ভোগক্লান্ত জিভা এখনহে আমাৰ আছে। আমাৰ ভোগনলীয়ে কাম নকৰা হৈছে আৰু আনকি মাংস দেখিও আমাৰ মুখত লোভৰ পানী নোলোৱা হৈছে)।

১৯৫৭ চনৰ আগষ্টমাহত এই মহানবিপ্লৱী শিল্পী কবি নাট্যকাৰ-জনৰ মৃত্যু হয়। জোহান্স আৰ বেচাৰৰ দৰে আমিও কৈছোঁ "আগষ্ট মাহ আহিছে কিন্তু বুকুভঙা খবৰ–ব্ৰেখট আৰু নাই। শত্ৰু মিত্ৰ সকলোৰে বাবে এয়া হৃদয়বিদাৰক কৰুণ বাতৰি। তথাপি শোকগীতি গাওঁতেও জীৱনৰ আশাবাদী আনন্দেৰে ধ্বনি শুনিছোঁ। ব্ৰেখট তোমাক ধন্যবাদ।" ●

সহায় সমলবাজী

ক) Lion Feuchtwonger– Bertold Brecht presented to the British.

খ) Herber Jhering– Bert Brecht the Dramatist.

গ) Bernard Guillemin – On what are you workirg? A talk with Bert Brecht.

ঘ) Lottle Lenya weill– Threepenny Opera.

ঙ) Sergei Tretyakov – Bert Brecht.

চ) Berthold Vierlet– Bert, Robbed of citizenship.

ছ) Ruth Berlan - My first collaboration with Bert.

জ) Max Fri – Diary, 1948.

ঝ) Max schroeder – Brecht's stage style.

ঞ) Paul Killa – Brecht From 1918, to 1950.

ট) Angelika Hurwicz – Brecht's work with Actors.

ঠ Anna Seghers— Brecht.

ড) Johannes R, Becher— Summer lament.

ঢ) Konstantin — Bertolt Brecht.

ণ) Katha Rulicke weiler – "Since then the word has Hope."

ত) Ernst Schumcher – He will Remain,

থ) Werner Mittenzwei – Brecht—1973—Speech on his 75th birth day.

ক্রিষ্টফাৰ কডৱেল আৰু বুর্জোৱা অপসংস্কৃতি

সভ্যতাই আজি সঁচাকৈ এক গভীৰ সংকটৰ সম্মুখীন হৈছে যি অভূতপূৰ্ব্ব। মধ্যযুগৰ ধৰ্ম্ম-ঈশ্বৰ বিশ্বাস আৰু নানা অন্ধ বিশ্বাস তথা কুসংস্কাৰৰ বিৰুদ্ধে যুঁজ কৰিব লগা হৈছিল। পিছে আজি পুঁজিবাদী, অৰ্দ্ধসামন্তবাদী আৰু সাম্ৰাজ্যবাদী সমাজ ব্যৱস্থাই সমাজ জীৱনৰ সৰ্ব্বত্ৰতেই প্ৰচণ্ড আক্ৰমণ কৰিছে। অৰ্থনীতি, ৰাজনীতি, সমাজনীতি আৰু সংস্কৃতি আদি সকলোতেই আজি বুৰ্জোৱা সমাজৰ সৰ্ব্বগ্ৰাসী প্ৰভাৱৰ ফলত আজি আইন, শাসন-নীতি, নৈতিকতা, মানৱতাবোধ, আনকি বিবেক বিবেচনাতো মূল্যবোধৰ ভয়ানক অৱক্ষয় ঘটিছে আৰু স্বৰূপাৰ্থত এক সৰ্ব্বাত্মক অৰাজকতা বিৰাজ কৰিছে। আনকি বিজ্ঞান, যুক্তিবাদ আৰু বস্তুবাদী চিন্তাৰো নিৰ্লজ আৰু নগ্ন বিকৃতি ঘটাইছে যাক সাধাৰণ অজ্ঞ আৰু অসচেতন মানুহে বিশ্বাসো কৰিছে। বুৰ্জোৱা সামন্ত প্ৰভুহঁতে সিহঁতৰ মতলবী চিন্তাধাৰাকেই বিজ্ঞান বুলি চলাই দিছে আৰু তাৰেই অনুসৰণকাৰী অসংখ্য শিষ্যৰো সৃষ্টি কৰিছে। তাৰেই পৰিণতিত আজি এসময়ৰ সমাজতান্ত্ৰিক ছোভিয়েটতো কৃষ্ণ সংস্কৃতিৰ প্ৰভাৱ বাঢ়িল। চিকাগো চহৰত আন্তৰ্জাতিক ধৰ্ম্ম সন্মিলনো বহিল আৰু সমগ্ৰ ভাৰতত সংঘ পৰিয়ালৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পালে। অসমতো শঙ্কৰ সংঘকেই বিজ্ঞান ভিত্তিক বুলি চলাই দিছে। আনফালে আমেৰিকাই কোকা কোলা, কমিকচ, ৰহস্য, আতঙ্ক, অপৰাধমূলক আৰু ডিটেকটিভ কাহিনীৰ

বেপাৰী সংস্কৃতিৰে মানুহৰ মন দূষিত কৰি তুলিছে। ফলত সকলো বিধৰ সুস্থ চিন্তা-চেতনা, সমাজ-নৈতিকতা, মূল্যবোধ আৰু জীৱন ধাৰাতেই পচন ধৰিব লাগিছে। আনকি ছোভিয়েট আৰু পূব ইউৰোপৰ সমাজতান্ত্ৰিক সমাজ ব্যৱস্থা পৰ্য্যদস্ত হোৱাৰ পিচত পুঁজিবাদী ক্ষয়িষ্ণু সমাজ সংস্কৃতিয়েই অৱধাৰিত ভবিষ্যত বুলি এক হতাশাগ্ৰস্ত মনোভাৱ পোষণ কৰিবলৈ লোৱা দেখা গৈছে।

তথাপি বুৰ্জোৱা সংস্কৃতি অজৰ-অমৰ বুলি ভবাৰ থল নাই। মধ্যযুগীয়া ভাববাদী কুসংস্কাৰাচ্ছন্ন সংস্কৃতিক সংশয়বাদী - যুক্তিবাদী আৰু বাস্তৱবাদী ধ্যান ধাৰণাই যিদৰে পচন ঘটালে সেইদৰে বুৰ্জোৱাৰ অপসংস্কৃতিও ক্ৰমে বৈজ্ঞানিক বস্তুবাদী আৰু সমাজতান্ত্ৰিক বাস্তৱবাদী ভাবাদৰ্শৰ আক্ৰমণত জৰ্জৰ হ'ব ধৰিছে। ভগৱৎবাদতকৈ মানৱতাবাদে যিদৰে অধিক প্ৰাধান্য লাভ কৰিলে তদনুৰূপ বুৰ্জোৱা কুবেৰবাদৰ অসুস্থ ভাবধাৰাতকৈ ক্ৰমে বৈজ্ঞানিক সমাজবাদী উজ্জ্বল আদৰ্শই পুঁজিবাদী পণ্য সংস্কৃতিক পতনমুখী কৰি তুলিছে। সেয়ে ক্ৰিষ্টফাৰ কডৱেলে মন্তব্য কৰিছে—

"...... ... Bourgeoise culture is seriously ill. In art, science, religion, economics and ethics, there is dissension, and a thousand confessions of bewilderment and pessimism could be drawn from the writings of the acknowledged leaders of contemporary culture from Einstain to Freud .... Bourgeoise culture is dying of a myth" (Forword, 'Studies in a dying culture')

(বুৰ্জোৱাৰ সংস্কৃতি সাংঘাতিক ভাবে কগ্ন। কলা, বিজ্ঞান, ধৰ্ম অৰ্থনীতি, নৈতিকতা আদি সকলোতেই ভয়ানক বিশৃঙ্খলতা। বুৰ্জোৱাৰ বন্যতা আৰু হতাশাবাদৰ হাজাৰ স্বীকাৰোক্তি সমকালীন

সংস্কৃতিৰ স্বীকৃত নেতা আইনষ্টাইনৰ পৰা ফ্ৰয়েডলৈকে সকলোৰে লেখনিত পাব পাৰি। বুৰ্জোৱা সংস্কৃতি হ'ল মৃত্যুমুখী কল্প কাহিনী" — "মুমূৰ্ষু সংস্কৃতিৰ অধ্যয়ন" পুথিৰ আগকথা)

সঁচা কথা, বুৰ্জোৱা সভ্যতাই প্ৰায় এটা শতিকাত অসম্ভৱ সফলতা লাভ কৰিলে। নব নব আৱিষ্কাৰ আৰু নতুন নতুন চিন্তাৰ উন্মেষেৰে পৃথিৱীৰ চেহেৰা বদলাই দিয়াৰ লগে লগেই মানৱ মনৰো অভূতপূৰ্ব্ব পৰিবৰ্ত্তন ঘটালে। অৱশ্যে লগে লগেই সি অসম্ভৱ ব্যক্তিকেন্দ্ৰীকতা, নিষ্ঠুৰ স্বাৰ্থপৰতা, নিৰ্দ্দয় অমানৱীয়তা, অমানুষিক শোষণ বঞ্চনা যুদ্ধৰ ভয়াবহ বিভীষিকা আৰু সীমাহীন অৰাজকতাৰ সৃষ্টি কৰিলে। এনে বৰ্ব্বৰ পুঁজিবাদী দৌৰাত্ম্যৰ বিৰুদ্ধে কবৰ খান্দিবলৈ শ্ৰমিক সৰ্ব্বহাৰা শ্ৰেণীৰো জন্ম হ'ল। গতিকে বুৰ্জোৱা সৃষ্ট নবা ভগৱান, নতুন ধৰ্ম্ম, অত্যাধুনিক নৈতিকতা ধনীক শ্ৰেণীৰ গণতন্ত্ৰ আৰু ভণ্ডামীৰ সম্পৰ্কত মানুহৰ মোহভঙ্গ হ'বলৈও ধৰিলে। অৱশ্যে মাৰ্কিন প্ৰভুৰ নেতৃত্বৰ বুৰ্জোৱাই আজি নব নব চলাহীৰে মনুৰ পেখম মেলিব ধৰিছে। সিহঁতৰ খেমাধৰা ভাৰতীয় বুৰ্জোৱাইও আজি নতুন অৰ্থ উদ্যোগ শিক্ষা সংস্কৃতিৰ নীতিৰ নামত নতুন মোহ সৃষ্টি কৰিব ধৰিছে। তাৰ জাতীয়-আন্তৰ্জাতিক ভিত্তিক চন্দ্ৰ, সূৰ্য্য দিবাকৰ বনাই খীতাপ প্ৰদান কৰি জনমানসত এক ভুৱা উজ্জ্বল ভাৱমূৰ্ত্তি গঢ়ি তুলিবৰ বাবে বিভিন্ন স্তৰত বঁটা বিতৰণ কমিটিও গঠন কৰি দিছে।

অৱশ্যে তীক্ষ্ণ মাৰ্ক্সবাদী দৃষ্টিভঙ্গীৰ বাদে অন্য দৃষ্টিৰে বুৰ্জোৱাৰ এনেবোৰ অতি সূক্ষ্ম জটিল-কুটিল আৰু কোৱাভাতুৰীয়া ভণ্ডামীৰ অৱলোকন কৰা নাযায়। কাৰণ মাৰ্ক্সবাদ হ'ল সমাজদেহ দৰ্শনৰ কষটিশিলৰ প্ৰিজমস্বৰূপ। তথাপি বুৰ্জোৱাইও যে সেইবোৰ একেবাৰে নেদেখে তেনেও নহয়। শ্ব', ডিকেন্স, ফ্ৰয়েড, লৰেন্স, ৱেলছ আদি উচ্চমানৰ মহা প্ৰতিভাশালী বুৰ্জোৱাইও সেইবোৰ দেখিছিল। কিন্তু নিজ শ্ৰেণীচৰিত্ৰৰ সীমাবদ্ধতাৰ বাবেই তেওঁলোক তাৰ উৰ্দ্ধলৈ

গৈ প্ৰকৃত বিপ্লৱী হ'ব নোৱাৰিলে। ফলত তেওঁলোক স্বপ্নকল্পবাদী, ফেবীয়ান বা গান্ধীবাদী হৈয়ে থাকিল। কাৰণ—

"The bourgeois may be familiar with Marxism and keenly critical of social system and anxious to change it, and yet this leads only to an ineffectual beating of the air because he believes that man is in himself free." (caudwell-George Bernard shaw)

(বুৰ্জোৱা সকল মাৰ্ক্সবাদৰ লগত পৰিচিত হ'ব পাৰে। তেওঁলোক সমাজ ব্যৱস্থাৰ প্ৰতি তীক্ষ্ণ সমালোচক হৈ এই অৱস্থাৰ পৰিবৰ্ত্তনৰ বাবেও আগ্ৰহী হ'ব পাৰে। তথাপি এই সকলোবোৰ শূণ্যত গদা ঘূৰোৱাৰ দৰেহে হয়। কাৰণ তেওঁলোকে বিশ্বাস কৰে যে মানুহ নিজতেই মুক্ত)। সেয়ে সংঘবদ্ধভাৱে সমাজক মুক্ত কৰাৰ আদৰ্শ তেওঁলোকে নিজ শিল্প কৰ্ম্মত ৰূপায়ণ কৰি বিপ্লৱী চেতনাৰ ধাৰক বাহক হ'ব নোৱাৰে।

বুৰ্জোৱা বুদ্ধিজীৱি সকলৰো ভৱিষ্যতৰ বাবে এক স্বপ্ন থাকে। কিন্তু মধ্যশ্ৰেণী সুলভ ব্যক্তিবাদীতাৰ ফলত বাস্তৱতাক নিয়ন্ত্ৰণ কৰাৰ যি বৈজ্ঞানিক বিধি তাক মানি চলিবলৈ তেওঁলোকৰ ধৈৰ্য্য নেথাকে। গতিকে জীৱৰ উৎপত্তিৰ ডাৰউইনৰ তত্ত্ব, পৰিয়াল গঠনৰ মৰগানৰ সূত্ৰ আৰু ঐক্যবদ্ধ শ্ৰেণী সংগ্ৰামৰ যি মাৰ্ক্সবাদী বিধি আদি বাস্তৱবাদী নীতিবোৰ নেমানি তেওঁলোকে খেয়ালখুচিৰ প্ৰবৃত্তি চৰিতাৰ্থ কৰাৰ চেষ্টা চলায়। ফলস্বৰূপে তেনে সৃষ্টিয়ে সমাজত কিছু আলোড়ণৰ সৃষ্টি কৰিলেও সি নিৰ্ণায়ক ভূমিকা ল'বলৈ জনমানসক প্ৰেৰণা নোযোগায়। ইংলেণ্ডৰ পুঁজিবাদী সমাজক নিষ্ঠুৰ আৰু ক্ষমাহীনভাৱে সমালোচনা কৰা ডিকেন্সৰ অমৰ উপন্যাসৰাজী আৰু শ্ব'ৰ ঐতিহাসিক নাটকবোৰে ইংলেণ্ড তথা বিশ্বৰ শ্ৰেণী সংগঠন আৰু বিপ্লৱৰ বাবে চূড়ান্ত ইন্ধন যোগাব নোৱাৰিলে। অথচ গৰ্কী, লুচুন আদিয়ে

মধ্যশ্ৰেণীৰ অৱস্থান ত্যাগ কৰি শ্ৰমিক শ্ৰেণীৰ আদৰ্শেৰে সাহিত্য ৰচনা কৰা বাবেই কচ চীনৰ বিপ্লৱৰ পুৰোধাৰ ভূমিকা আদৰ্শৰ দিশত ল'ব পাৰিছিল।

আনহাতে স্বপ্ন কল্পবাদ (Utopia) হ'ল এখন কল্পিত বিশ্ব য'ত ক্ষমতা থাকে বুদ্ধিজীৱি আমোলাৰ হাতত আৰু যিখন কল্পিত সমাজ ওপৰৰ পৰা জাপি দিয়া (Utopia is planned world imposed from above in which the organisation is in the hands of a bureaucracy of intellectuals)। সমাজতান্ত্ৰিক বাস্তৱবাদে পিচে বুদ্ধিজীৱিৰ সমাজ বিচ্ছিন্ন ব্যৱস্থাৰ পৰিবৰ্ত্তে বুদ্ধিজীৱিৰ সমাজদায়বদ্ধ পথ-প্ৰদৰ্শনাৰ শ্ৰমজীৱিসকলৰ সক্ৰিয় ভূমিকাৰে ৰাষ্ট্ৰ পৰিচালনাৰ নীতিৰহে সমৰ্থন কৰে / এনে স্বপ্ন কল্পনাবাদী ধ্যান-ধাৰণা টমাচ মুৰৰ পৰা আৰম্ভ কৰি প্ৰায় সকলোবোৰ বুৰ্জোৱা বুদ্ধিজীৱিৰ সৃষ্টিত বিশেষকৈ এইচ, জি, ৱেলছৰ ৰোমান্স সদৃশ উপন্যাসবোৰত অধিক পৰিমাণে পোৱা যায়।

মধ্যশ্ৰেণীৰ এনে ত্ৰিশঙ্কুৰী স্বপ্নৰ সম্পৰ্কত কডৱেলে অতি সুন্দৰ মন্তব্য কৰিছে—

"This world was a pleasant dream of the middle class, which neither owned the world like the capitalist, nor had the certainity of one day owning it like proletariate. It is an unrealisable dream which yet holds the intellectual away from the proletariate and makes him a bullwork of reaction and Fascism" (George Bernard Shaw).

(এই বিশ্বখন মধ্য শ্ৰেণীৰ বাবে অতি বিনন্দীয়া স্বপ্ন আছিল যিখনৰ পুঁজিপতিসকলৰ দৰে তেওঁলোক গৰাকী হ'ব নোৱাৰিলে আৰু সৰ্ব্বহাৰাসকলৰ দৰে এদিনাখন গৰাকী হোৱাৰ নিশ্চয়তাও

নেপালে। ই তেওঁলোকৰ বাবে এক দুৰ্লভ স্বপ্ন যি বুদ্ধিজীৱিসকলক সৰ্বহাৰাসকলৰ পৰা আঁতৰাই ৰাখি তেওঁলোকক প্ৰতিক্ৰিয়াশীলতা আৰু কেচীবাদৰ জঘন্য ক্ৰীড়ণকত পৰিণত কৰে।)

বুৰ্জোৱা সংস্কৃতিসেৱীসকলে ভালদৰেই জানে যে পুঁজিবাদী শাসক শ্ৰেণী ক্ষয়িষ্ণু, শ্ৰমকাৰীসকলৰ ওপৰত জঘন্য শোষণকাৰী আৰু উৎপাদনকাৰীসকলৰ মূৰত কঠাল ভাঙি খোৱা পৰজীৱি ৰঘুমলা স্বৰূপ। তথাপি তেওঁলোকে টকা-যশ-খ্যাতি সন্মান আৰু সংস্কাৰবাদৰ স্বাৰ্থত নীচক আপোচ কৰে। যিজনে এই সমাজ ব্যৱস্থাৰ পৰিবৰ্ত্তনৰ বাবে কোনো সক্ৰিয় পদক্ষেপ নলয় তেওঁ সেই সমাজ ব্যৱস্থা বাচি থকাত সহায়হে কৰে। (He, who takes no active steps to change the system, helps to maintain the system)। পিছে সমাজ পৰিবৰ্ত্তনৰ কথা ক'লেও কেনেকৈনো সমাজখনৰ আমূল পৰিবৰ্ত্তন হ'ব তাৰ প্ৰত্যয়পূৰ্ণ উত্তৰ তেওঁলোকৰ সৃষ্টিত প্ৰকাশ নেপায়। অৱশ্যে এনেক্ষেত্ৰত তেওঁলোক সকলোৱেই মতলববাজী বা অসাধু বুলিও কোৱা নাযায়। কাৰণ শ্ৰেণীগত চিন্তাচৰ্চাৰ সীমাবদ্ধতাৰ কাৰাগাৰত তেওঁলোক এনেদৰে বন্দী যে সকলো শ্ৰেষ্ঠতাৰ স্বত্বেও যে এসময়ত এই বিচক্ষণ বুৰ্জোৱা সমাজ সৃষ্ট অজ্ঞ অজলা শ্ৰমিক শ্ৰেণীৰ হাতেতেই ভাগি পৰিব পাৰে সেই ক্ষয়িষ্ণু কাঠামো আৰু তাৰ ওপৰতেই যে নতুন সভ্যতা গঢ়ি উঠিব পাৰে তাৰ তেওঁলোক ভৱিষ্যতদৰ্শী হ'ব নোৱাৰে। ফলত অতীতৰ গৌৰৱোজ্বল সংস্কৃতিৰে সমৃদ্ধ বুৰ্জোৱা শ্ৰেণীক দাৰিদ্ৰ শোষণ বঞ্চনা আৰু দমনপীড়ণে অজ্ঞ, অসংস্কৃত আৰু জন্তুবৎ কৰি ৰখা শ্ৰমজীৱিতকৈ শ্ৰেষ্ঠ জ্ঞান কৰে।

তেনেধৰণৰ উদাহৰণ আমি শ্ব', ডিকেন্স, ৱেলছ্, লৰেন্স, প্ৰাউষ্ট, হাক্সলী, ৰাচেল, ফৰষ্টাৰ, ৰাচাৰমেন, হেমিংৱে, গজচৰজী আদি বুৰ্জোৱা ভাবাপন্ন শিল্পী সাহিত্যিকৰ মাজত পাওঁ যিসকল তেওঁলোকৰ যুগৰ প্ৰতিভু স্বৰূপ। তেওঁলোকে বুৰ্জোৱা সংস্কৃতিৰ

ওপৰত মোহভঙ্গ হোৱা বুলি ঘোষণা কৰিছে অথচ মোহভঙ্গ হৈও তাতোকৈ কোনো শ্ৰেষ্ঠতৰ সমাজ আদৰ্শ গ্ৰহণ কৰিব নোৱাৰিলে বা বুৰ্জোৱা সংস্কৃতিৰ স্বৰূপ উদঙাই দিবও নোৱাৰিলে কেৱল ব্যক্তি স্বাধীনতা আৰু ব্যক্তিবাদৰ অনুসৰণ কৰা বাবেই। ব্যক্তি স্বাধীনতা ৰক্ষাত সদাব্যস্ত থকাৰ বাবেই তেওঁলোকে সংগঠিত শ্ৰেণী সংগ্ৰামৰ দ্বাৰা সমাজ মুক্তিৰ প্ৰকৃত প্ৰবক্তা হ'ব নোৱাৰিলে। গতিকে ব্যৰ্থতাৰ করুণ চৰিত্ৰতকৈ পুতৌলগা ব্যক্তিত্বতহে তেওঁলোক পৰিণত হ'ল। তেওঁলোক সমকালীন সৰ্ব্বগ্ৰাসী পৰিস্থিতিৰ সীমাবদ্ধতাৰ বাবে নহয়, আপোন বুৰ্জোৱা আদৰ্শৰ মোহৰ ফলতেই অসহায়, অক্ষম আৰু বিফল প্ৰতিভা হৈ ৰ'ল।

বুৰ্জোৱা সভ্যতাৰ ব্যক্তিবাদী বিকাশে ইউৰোপত এলানি বীৰ নক্ষত্ৰৰ জন্ম দিলে। ক্ৰমৱেল, মেলবোৰো, লুথাৰ, ৰাণী এলিজাবেথ, ৱিলিংটন, পিট, নেপোলিয়ন, গুষ্টাভ এডলফাচ, জৰ্জৱাছিংটন আদি বীৰ চৰিত্ৰৰ বিশেষত্বই হ'ল ব্যক্তিবাদ। কাৰ্লাইলে এই সকলৰ বহুতকেই তেওঁৰ 'বীৰ আৰু বীৰ পুজা" (Hero and Hero Worship) গ্ৰন্থত বীৰ সাজি পুজা কৰিবলৈ উপদেশ দিছে। তেওঁলোকৰ অনুকৃতিত অঙ্কিত বীৰ চৰিত্ৰৰ লক্ষণ হ'ল যে তেওঁলোকে যি বিশ্বক পৰিবৰ্ত্তন কৰিবলৈ গৈছে সেই সম্পৰ্কে তেওঁলোক অচেতন। চীজাৰে কেতিয়াও সচেতনভাবে সাম্ৰাজ্য গঠনৰ বাসনা কৰা নাছিল। তদ্ৰূপ আলেকজেণ্ডাৰেও হেলেনীক সংস্কৃতিৰ জন্মৰ প্ৰতি সচেতন নাছিল। তাৰ ফলত লেনিন, মাও ছে টুং, হো, চি, মিন আদিৰ বিপৰীতে হয়তো জন্ম হ'ল কেৰেনেস্কী, হিটলাৰ, চিয়াংকাইচেক, মুছোলিনী আদি ধ্বংসকাৰী বীৰৰ। অথচ পুঁজিবাদী সামাজিক সম্পৰ্কৰ লগত নতুন উৎপাদিকা শক্তি উদ্ভৱৰ শ্ৰেণী দ্বন্দ্বৰ পৰিণতিত জন্ম হৈছিল বীৰ লেনিনৰ। সাম্ৰাজ্যবাদী শক্তিৰ লগত স্বাধীনতা কামী শক্তিৰ সংঘাতৰ পটভূমিত জন্ম হ'ল মানবতাবাদী বীৰ মহাত্মা গান্ধীৰ।

এজন বীৰৰ মৃত্যু তেওঁক স্বীকৃতি দিয়াৰ আগতেই হ'ব পাৰে, যি দৰে যীশুখ্ৰীষ্ট, চক্ৰেটিছ, গেলিলিও আৰু মাৰ্ক্স আদিৰ হৈছিল। কিন্তু তেওঁৰ শিক্ষা টিকি থাকে। তেওঁৰ জীৱনজোৰা সংগ্ৰাম-সাধনাই তেওঁক বৰ্ত্তমানৰ মহ'লেও ভবিষ্যতলৈ বচাই ৰাখে। তেওঁ দেখা স্বপ্ন কল্পনাৰ বাস্তবায়নে ভাবী কালৰ ইতিহাসত তেওঁক অমৰ কৰি ৰাখে। বীৰসকল সম্ভৱতঃ এক ব্যতিক্ৰম অভিব্যক্তিৰেই জন্ম লাভ কৰে আৰু পৰিস্থিতিয়ে তেওঁলোকক তৈয়াৰ কৰে। ভাৰতৰ পৰাধীন পৰিবেশে আৰু জাৰ শাসিত ৰাচিয়াৰ অমানুষিক পৰিবেশে ক্ৰমে গান্ধী আৰু লেনিনৰ দৰে যুগজয়ী সৃষ্টিশীল বীৰৰ জন্ম দিছিল। অতীতৰ বীৰসকল ভবিষ্যতৰ প্ৰতি অজ্ঞ আছিল বাবেই তেওঁলোক আছিল অনিশ্চিত ভবিষ্যতৰ অন্ধ প্ৰবক্তা। কিন্তু বৰ্ত্তমানৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সহায়ত আৰু বস্তুবাদী সমাজ বিজ্ঞানীসকলৰ জৰিয়তে বহু ভবিষ্যতবাণী কৰিব পৰা হৈছে। সেয়ে লেনিনে বিজ্ঞানীৰ দৃষ্টিৰেই সকলো সংশয়-সন্দেহৰ ৰহস্যভেদী বৈজ্ঞানিক সমাজতন্ত্ৰৰ ভবিষ্যত সুস্পষ্ট ভাবে দেখিছিল। মাথোন এজন আত্মসচেতন বীৰেহে এখন আত্মসচেতন সমাজলৈ লৈ যাব পাৰে। (Only the self-conscious hero could lead man towards the self-conscious society—Caudwell) গতিকে যদিহে আমাৰ স্ৰষ্ট আৰু দ্ৰষ্টা হিচাপে শিল্পী-সাহিত্যিক বুদ্ধিজীৱিসকলৰ শোষণ-বঞ্চনা-বৈষম্যহীন মুক্ত আৰু সুন্দৰ সমাজ গঢ়াৰ মহৎ লক্ষ্য আছে তেন্তে তেওঁলোকে সেই সম্পৰ্কে শিল্পকলাৰ নিজস্ব ধৰ্ম্ম ৰক্ষা কৰিও সেই ইপ্সিত দিশলৈ সচেতন ভাবে ধাৱমান হ'ব লাগিব। অন্যথাই বুৰ্জোৱা দ্বিধা-দ্বন্দ্বৰ ধামখুমীয়াত শিল্প-সাহিত্য পথভ্ৰষ্ট হৈ শূন্যত গদা ঘূৰোৱা বিধৰ নিষ্ফল সৃষ্টি হ'বলৈ বাধ্য। সেয়ে সৎ উদ্দেশ্য আৰু মহৎ লক্ষ্য এই ক্ষেত্ৰত অতীব প্ৰয়োজন।

এইখিনিতে বুৰ্জোৱাসকলে নিশ্চয় প্ৰশ্ন কৰিব এই বুলি

যে কলা-সাহিত্য-শিল্প এক স্বাধীন আৰু মুক্ত প্ৰপঞ্চ। উপভোগেই হ'ল ইয়াৰ মূল লক্ষ্য। তাত আকৌ অন্য লক্ষ্য উদ্দেশ্য কি থাকিব পাৰে, যেনে সাহিত্য-সংস্কৃতি কেৱল প্ৰচাৰগন্ধী আৰু শ্লোগানধৰ্মীহে হ'ব-ইত্যাদি। বুৰ্জোৱাসকলৰ এনে অবাধ সাহিত্যৰ প্ৰশ্নটো নিশ্চয় কোনো যুক্তিসঙ্গত নহয়। বৰঞ্চ এনে উদ্দেশ্যহীনতাৰ দোহাই দি কেৱল কলা উপভোগৰ বাবে বুলি কৈ বুৰ্জোৱাসকলেও আপোন শোষক শাসক প্ৰভুত্বৰ সেৱা কৰে। তেওঁলোকক পৰোক্ষ নিৰাপত্তা প্ৰদান কৰা হয় যাতে সাধাৰণ মানুহ প্ৰকৃত সমাজ বাস্তৱতাৰ পৰা বিদূৰত থাকে আৰু বুৰ্জোৱা প্ৰভুৰ পৰা তেওঁলোকেও সময়োচিত দান দক্ষিণা পাই থাকিব পাৰে।

দৰাচলতে বিশ্বৰ সকলো মহৎ সৃষ্টিয়েই কোনো মহৎ উদ্দেশ্য লৈয়েই ৰচিত হৈছে। প্লেটোৰ পৰা মেথিউ আৰ্ণল্ডলৈকে সৰহ সংখ্যক দাৰ্শনিক সমালোচকেই কাব্যৰ এনে নৈতিকতাৰ ওপৰতেই অধিক গুৰুত্ব দি আহিছে। বেদ-উপনিষদ, ইলিয়াদ-ওডিচী আদিৰো এনে লক্ষ্য-উদ্দেশ্য আছিল। উত্তৰ ভাৰতত উন্নত উৎপাদন ব্যৱস্থাৰ গৰাকী আৰ্য্যসকলৰ প্ৰভাৱ বিস্তাৰৰ আদৰ্শীকৃত কলাৰূপ হ'ল মহাভাৰত আৰু দক্ষিণ ভাৰতত তদ্ৰূপ কলাৰূপ হ'ল ৰামায়ণ মহাকাব্য। কীৰ্ত্তন পুথিৰ "কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভনে"ৰ লক্ষ্যও ধৰ্মীয় প্ৰচাৰ আৰু ইউৰোপৰ নৱজাগৰণ (ৰেণেচাঁ) আৰু সংস্কাৰ আন্দোলনৰ ফলশ্ৰুতিত সৃষ্টি হৈছিল ৰাণী এলিজাবেথৰ স্বৰ্ণযুগ, ইটালি-ইংলেণ্ড-ফ্ৰান্স আৰু জাৰ্ম্মানীৰ মহৎ সৃষ্টিৰাজী। "টম খুড়াৰ চোতাল" আমেৰিকাৰ স্বাধীনতা সংগ্ৰামৰ প্ৰেৰণা আছিল আৰু "গ'ন উইথ দি উইণ্ড" উপন্যাসখন হ'ল আমেৰিকাৰ গৃহ যুদ্ধৰ প্ৰতিচ্ছবি। টলষ্টয়ৰ ৰচনাৰাজী জাৰতন্ত্ৰত জৰ্জ্জৰিত কৃষক সমাজৰ অভ্যুত্থানৰ অচেতন ছবি আৰু গৰ্কীৰ "মা" আছিল তাৰেই সচেতন আৰু সংগ্ৰামী ৰূপ। বালজাকৰ উপন্যাসবোৰ ফৰাচী ৰাজ-

ভক্তৰ পচনধৰা সমাজৰ প্ৰতিচ্ছবি। লু-চুনৰ গল্পবোৰ হ'ল প্ৰাক্ বিপ্লৱী চীন দেশৰ উত্তৰণমুখী বিপ্লৱী ছবি। আমাৰ দেশত প্ৰেমচন্দ, ইকবাল, কৃষণচন্দৰ, নজৰুল-সুকান্তৰ আৰু অসমৰ দীৰেণ দত্ত, অমূল্য বৰুৱা, জ্যোতি প্ৰসাদ, বিষ্ণু ৰাভাৰ সৃষ্টি তেনে মহৎ উদ্দেশ্য লৈয়েই সৃষ্ট। এতেকে সাহিত্য-সংস্কৃতিত উদ্দেশ্যধৰ্মীতাক বৰ্জন কৰা মানে প্ৰায় সমস্ত মহৎ সৃষ্টিকেই আওকাণ কৰা আৰু সংস্কৃতি জগতৰ বিপ্লৱী ইতিহাসকেই নাকচ কৰা।

মনত ৰাখিব লাগিব যে শিল্প-সাহিত্যত আঙ্গিকে বক্তব্য নিৰ্দ্ধাৰণ নকৰে। বৰং বক্তব্যইহে আঙ্গিক নিৰ্দ্ধাৰণ কৰে। অৰ্থাৎ প্ৰাপ্তত বক্তব্যইহে কোনধৰণৰ আঙ্গিকৰ প্ৰয়োজন হ'ব বা কেনে অঙ্গিকেৰে বক্তব্যৰ শিল্পীক সৰস প্ৰকাশত সহায়ক হ'ব তাক নিৰ্দ্ধাৰণ কৰে। গতিকে আঙ্গিকৰ গুৰুত্ব থাকিলেও বক্তব্যৰ গুৰুত্ব অধিক। এনে অৱস্থাত কোনো লক্ষ্য উদ্দেশ্য নোহোৱা সৃষ্টিৰ বক্তব্যক গুৰিবঠা নোহোৱা নাৱক সোঁতে যেনি তেনি লৈ যোৱাৰ দৰে পথভ্ৰষ্ট কৰি লৈ যাব। কলমক মৰণৰ গতি স্থিৰ কৰিবলে এৰি দিলে আওমাণৰ ভয়েই অধিক। সংস্কৃতিৰ যোগেদি এনে আওমৰণ বুৰ্জোৱা হঁতে সধাৰণ মানুহৰ বাবেই আনি থাকে।

বুৰ্জোৱা সংস্কৃতিয়ে সস্তীয়া অপসংস্কৃতিৰ প্ৰচাৰ কৰে শাষক শোষকৰ পৰোক্ষ-প্ৰত্যক্ষ চত্ৰছাঁয়াত। চাৰ্লক হোমচ বা হেডলী চেজৰ ডিটেকটিভ আৰু অপৰাধমূলক সাহিত্যৰ কেনে বৌদ্ধিক প্ৰমূল্য আছিল নেজানো, আজি ইংৰাজী আৰু বঙালীৰ যোগেদি অহা যিবোৰ সস্তীয়া বিস্ময়-আতঙ্ক আৰু অতি ভৌতিক কাহিনীৰ ৰোমাঞ্চক সাহিত্য আৰু নাটক-থিয়েটাৰ চলিছে সি অসুস্থ বাতাবৰণহে বিয়পাই দিছে। লগে লগে ব্লুফিল্ম, হালধীয়া সাংবাদিকতা, যৌন উত্তেজক নগ্ন সৃষ্টি আৰু টেটুকলা অখাদ্য কেছেটৰ ওৱাদানীয়ে কয়িষ্ণু সংস্কৃতিৰ উন্মাদ বতাহ কেউকালে বিলাই দিছে। ইকালে কাঠফুলাৰ দৰে গজি উঠা মঠ-মন্দিৰ-দেৱালয়,

পূজাপাৰ্ব্বন আৰু ধৰ্ম্মীয় উত্তেজনাৰ উত্তাল বন্যাতে সমস্ত গণমানসকেই বিষাক্ত কৰি তুলিছে।

এনেবোৰ অপসংস্কৃতিৰ পৰা কাৰ লাভ হৈছে? নিশ্চয় শাসক-শোষক বুৰ্জোৱা শ্ৰেণীৰ। সস্তীয়া ৰহস্য উপন্যাসকে ধৰি হিপ্পিকালচাৰৰ পৰা কৃষ্ণ-সংস্কৃতিলৈকে এই সকলোবোৰ হল সিহঁতৰদ্বাৰা সৃষ্ট ক্ষয় ৰোগৰ বীজাণু। এল, ডি, মৰিজোৱানা আদি ক্ষয়ঙ্কৰী ড্ৰাগছেৰে আজি সমগ্ৰ তৰুণ সমাজকেই ৰোগগ্ৰস্ত কৰিব ধৰিছে। তৰুণ-তৰুণী সমাজক এইডছ্ ৰূপী এই শাৰীৰিক মানসিক দুৰাৰোগ্য ব্যাধিত ভোগাই সিহঁতে সকলো সুবিধা আদায় কৰিছে। ভাগ্য-অদৃষ্ট-দৈৱ-পৰজন্ম আদি অপবিশ্বাসত তেওঁলোকক মজাই ৰাখি হতাশা-নিৰাশা-পলায়নবাদী কৰি জীৱন বিমুখ কৰি তুলিছে। সবলো সৎ-সাহস আৰু মানৱীয় প্ৰমূল্যকো আজি কুৰুচ সংস্কৃতিৰ দ্বাৰা অৱক্ষয়ী কৰা হৈছে। সংস্কৃতি যে প্ৰকৃত সত্য প্ৰতিষ্ঠা, সমাজক সুন্দৰ কৰা আৰু মানুহৰ মঙ্গল সাধন কৰাৰহে মাধ্যম তাক বুৰ্জোৱা সংস্কৃতিয়ে বুজিবলৈ নিদিয়ে। বৰঞ্চ ই ব্যক্তিগত ভোগ বিলাস, মনোৰঞ্জন আৰু আমোদ প্ৰমোদৰহে সামগ্ৰী বুলি বুৰ্জোৱাই অহৰহ প্ৰচাৰ কৰি আছে। অৱশেষে সিহঁতৰ জীৱন যৌৱন সুন্দৰ সফল কৰি গৰিষ্ঠ সংখ্যক সাধাৰণ মানুহৰ জীৱনক সিহঁতে নিৰ্লজ ভাবে আওকাণ কৰিছে। কোটি কোটি সাধাৰণ মানুহৰ কাৰণে সংস্কৃতিৰ একোকে কৰিবলৈ নাই বুলিয়েই সিহঁতৰ ধাৰণা।

বুৰ্জোৱা সংস্কৃতিয়ে প্ৰচাৰ কৰে যে সংস্কৃতিৰ ৰাজনীতিৰ লগত কোনো সম্পৰ্ক নাই। ই সম্পূৰ্ণ স্বতন্ত্ৰ। তেওঁলোকৰ মতে ৰাজনীতি অতি কদৰ্য্য। গতিকে তাৰ পৰা বিদূৰত থকাটো ভাল। কথাটো সঁচানে? মুঠেই নহয়। সঁচা কথা, সংস্কৃতি সংস্কৃতিয়েই। ই নিশ্চয় ৰাজনীতিৰ হাত ধৰা লিগিৰী নহয়। সেই বুলি সমাজক নিয়ন্ত্ৰণ কৰা ৰাজনৈতিক কাণ্ড কাৰখানাৰ

পৰা শিল্প-সাহিত্যৰ তেল পানীৰ দৰে পাৰ্থক্য হ'ব কেনেকৈ ? আচলতে বুৰ্জোৱাই ৰাজনীতি নকৰাৰ নামতেই ৰাজনীতি কৰে। বুৰ্জোৱা শিল্পী-সাহিত্যিকৰ শোষক—শাসকৰ লগত সম্পৰ্ক দেখোন ভাত পানীৰ নিচিনা। ৰজা—মহাৰজা-সামন্ত প্ৰভু সকলে ৰাজ কবি ৰাখিছিল। গতিকে তেৰাসবৰ ৰাজ প্ৰশস্তিৰ পয়োভৰ অধিক। পুঁজিবাদী যুগতো বিভিন্ন সা-সুবিধা আৰু পুৰস্কাৰ-খীতাপেৰে বহুতো পদলেহী শিল্পী—সাহিত্যিক বুদ্ধিজীৱিক অঘোষিত ভাবে পুহি ৰাখিছে। তেওঁলোকে ৰাজনীতি নকৰা বিশুদ্ধ কলা-কৈৱল্যবাদৰ নামতেই পৰোক্ষ ৰাজসেৱা কৰিছে। অন্ততঃ সাধাৰণ মানুহে যাতে এই অমানুষিক সমাজ ব্যৱস্থাৰ উৱাদিহ নেপায় আৰু এই অভিশপ্ত সমাজ ব্যৱস্থা বদলোৱাৰ সঁচাৰ-কাঠী যে তেওঁলোকৰ হাতভেই আছে তাৰ যাতে ভূ নেপায় তাৰ বাবেই সংস্কৃতিৰ যোগেদি, ধৰ্ম্মৰ মাজেদি আৰু তথাকথিত বিশুদ্ধতাৰ মাধ্যমেদি কৌশলী ব্যৱস্থা কৰি অহা হৈছে।

বুৰ্জোৱা সংস্কৃতি অসুস্থ, ক্ষয়িষ্ণু আৰু পঙ্গু, সেয়ে সি অপাংক্তেয়। সি জীৱনবীমুখী, পশ্চাৎপদী আৰু ক্ষমতাশীলৰ ৰক্ষা কৱচ। এতেকে ই বৰ্জনীয়। ই কৃত্ৰিম, বজাৰ ভিত্তিক আৰু জগাখিছিৰী। সেয়ে ই নিন্দনীয়ও। লোক সংস্কৃতিৰ কৰ্ম্ম জীৱনৰ মাটি—ঘাম-তেজৰ পৰা উদ্ভুত যি সুস্থ-সঞ্জীৱনী সুধা সি পণ্য সংস্কৃতিত শুকাই-ক্ষীণাই নিচিহ্ন হৈ কোৱাভাতুৰীয়া হৈ পৰিছে। লোকসংস্কৃতিৰ দলবদ্ধ জীৱনৰ শ্ৰমউদ্দীপনাৰ ছন্দে ছন্দে সৃষ্ট যি স্বতঃস্ফুৰ্ত্ত লহৰ, বুৰ্জোৱা সংস্কৃতিত সি মৰি শেষ হৈ গৈছে। লোক-সংস্কৃতিৰ যি সহজ-সৰল, অকৃত্ৰিম-নিভাঁজ আৰু স্বভাৱ সুন্দৰ জীৱন সংগ্ৰামৰ এষণা আৰু নৈতিকতা, মানৱতা তথা ঐক্য-সংহতিৰ দ্যোতনা সি বেপাৰী সংস্কৃতিত লুপ্তপ্ৰায় হৈ গৈছে। আজি অনাতাঁৰ-দূৰদৰ্শন-কেছেট-বাৰ্তালোচনীৰ যোগেদি যি সাহিত্য-সংস্কৃতিৰ প্ৰবল বান উঠিছে সি জনজীৱনক উটাই নি শক্তিমন্ত শ্ৰেণীৰ

পদদলিত কৰাৰ ব্যৱস্থাই কৰিছে। আজি শুনকচোন হিন্দীমাৰ্কা গীতমাত, চাওকচোন ব্যৱসায়িক ফৰ্ম্যুলাৰ নাটক বোলছবি আৰু পঢ়কচোন আটক ধুনীয়া অঙ্গসজ্জাৰ বজকৰা কাকত-আলোচনী। পাবনে তাত প্ৰকৃত সুস্থ জীৱনৰ বলিষ্ঠ ছবি ? মানুহ হোৱাৰ, জীয়াই থকাৰ আৰু সুস্থ সমাজ গঢ়াৰ প্ৰেৰণা ?? অসমীয়া আধুনিক গীত, বনগীত,বিহুগীত মিলি আজি এক অদ্ভুত খিচিৰী গীতৰ জন্ম হৈছে য'ত নেপায় আধুনিকতাৰ আলোক, বনগীতৰ মুক্তস্বৰ আৰু বিহু গীতৰ উদ্দামতা। নাটকত দেখিব সস্তীয়া আবেগৰ কিছুমান বজকৰা উদ্ভট কাহিনী। বাতৰি আলোচনীত হত্যা-লুণ্ঠন-ধৰ্ষণ সন্ত্ৰাস-অপহৰণৰ পৃষ্ঠাভৰা উত্তেজক বিৱৰণ আৰু কিতাপবোৰত পাব কিছুমান নিৰাপদ দূৰত্বৰ ব্যক্তিবাদী নৈৰাজ্য অথবা ধ্বংক্ৰোধ-ক্ষোভ-বিদ্ৰোহৰ নিস্ফল প্ৰকাশ।

মুক্ত অৰ্থনীতি যিদৰে বুৰ্জোৱাৰ বজাৰ সেইদৰে তথাকথিত মুক্ত সংস্কৃতিও বুৰ্জোৱাৰ দায়িত্বহীন। বিলাস নিয়ন্ত্ৰিত আৰ্থ-সংস্কৃতিৰ সমাজতান্ত্ৰিক ছোভিয়েট ভঙ্গৰ পিচত আজি তাৰ ডেকা গাভৰু ড্ৰাগছ সেৱন নগ্ননাচ আৰু বেশ্যাবৃত্তিৰ বাবে লালায়িত হৈছে। এনে উন্মাদ উপভোগৰ বুৰ্জোৱা সংস্কৃতিয়ে কি দৰে স্বাস্থ্যকৰ ৰুচীবোধ গঢ়ি তুলিব ? এনে সংস্কৃতিত গুণগত উৎকৰ্ষৰ প্ৰশ্নটো গৌণ। মুখ্য পৰিমাণগত সংখ্যাধিক্যৰ নিচা গ্ৰস্ততাৰ উন্মাদনা। গতিকে কেইখন উন্নত মানৰ আৰু মানৱীয় প্ৰমূল্যৰ কথাছবি-বাৰ্তালোচনী আদি সৃষ্টি হৈছে সেয়া এনে জনপ্ৰিয় সংস্কৃতিৰ বাবে গুৰুত্বপূৰ্ণ কথা নহয়। প্ৰধান কথা হ'ল সাধাৰণ মানুহক উন্মাদ কৰি কেনেদৰে সংস্কৃতিৰ ঠিকাদাৰহঁতৰ চন্দুক ভৰাব পৰা যায় সেইটোহে।

ইকালে জাতি-ভাষা-জনজাতি গোষ্ঠী-সম্প্ৰদায়ৰ নামত আজি যি সাংস্কৃতিক সংঘাত চলিছে—সিও মূলতঃ বুৰ্জোৱা-মধ্য শ্ৰেণীৰেই সৃষ্টি। বিভিন্ন গোষ্ঠী উপজাতি ক্ষুদ্ৰজাতিৰ প্ৰাচীন কালৰ পৰাই

আছে বাবেবহনীয়া গীত-মাত-নৃত্য-সাধু আদি লোকসংস্কৃতি। পিচে সেইবোৰৰ মাজত সংকীৰ্ণতা বিদ্বেষ আৰু উগ্ৰতা নাছিল। বৰঞ্চ পাৰস্পৰিক মিলা প্ৰীতি, একতা, সৌহাৰ্দ্য আৰু ভাতৃত্ববোধহে সেইবোৰত নিহিত হৈ আছিল। আজি জাতীয়তাবাদৰ নামত বিভিন্ন জনগোষ্ঠীৰ মাজত যি উত্তাল উত্তেজনা আৰু সংঘৰ্ষ সৃষ্টি হৈছে সেয়া বহুলাংশেই বুৰ্জোৱা মধ্য শ্ৰেণীৰ আত্ম প্ৰতিষ্ঠাৰ উচ্চাকাংক্ষাৰেই ফলশ্ৰুতি। ভেদবাদী আৰু দ্বেষমূলক সংস্কৃতিৰ সৃষ্টি, প্ৰচাৰ আৰু তীব্ৰতা বৃদ্ধিও বুৰ্জোৱা অপসংস্কৃতিৰেই বিষক্ৰিয়া।

বুৰ্জোৱা সংস্কৃতি আধুনিক সমাজত এক প্ৰকাৰ নিৰঙ্কুশভাৱে চলিলেও এই সংস্কৃতিৰ অৱস্থা ক্ৰমে মুমূৰ্ষু হ'ব ধৰিছে আৰু এনে অপসংস্কৃতিৰ প্ৰাদুৰ্ভাব চলা আধুনিক সমাজো আজি ৰুগ্ন আৰু অৱক্ষয়ী হ'বলৈ বাধ্য হৈছে। আধুনিক সমাজক এনে প্ৰদূষণৰ পৰা ৰক্ষা কৰিবলৈ প্ৰগতিশীল আৰ্থ-সামাজিক আৰু ৰাজনৈতিক প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ লগে লগে বুৰ্জোৱাৰ ক্ষয়িষ্ণু সংস্কৃতিৰো পৰিবৰ্তন সাধন কৰিব লাগিব। সমাজৰ ৰাজনৈতিক অৰ্থনৈতিক বৈপ্লৱীক পৰিবৰ্ত্তন সাধনৰ সংগ্ৰামৰ লগে লগে মানুহৰ বৌদ্ধিক আৰু সাংস্কৃতিক উত্তৰণৰো সমান্তৰাল আন্দোলন চলাই যাব লাগিব।

আমাৰ সাম্প্ৰতিক গেলা পচা-আবৰ্জনা আৰু দুৰ্গোন্ধেৰে ভৰা এই বুৰ্জোৱা সমাজখন এমুঠি ভাগ্যবানৰ বাবে স্বৰ্গৰ নন্দন কানন স্বৰূপ আৰু বৃহত্তম গৰিষ্ঠ সংখ্যক ক্ষুধা-বুভুক্ষা-লাঞ্ছনা পীড়িত মানুহৰ বাবে নৰক সদৃশ। আমাৰ প্ৰচলিত জনপ্ৰিয় কলা-সাহিত্যও মুষ্টিমেয় সৌভাগ্যশালীৰ জীৱন সুখৰ আৰু সুন্দৰ কৰাৰ আহিলা হ'ল। ফলত আপোন সৃষ্ট সমাজ-সাহিত্য-সংস্কৃতিৰ পৰা সৃষ্টিকৰ শ্ৰমকাৰী মানুহেই শোচনীয় ভাবে বঞ্চিত হ'ল।

তথাপি নিৰাশা-হতাশাত ভাগি পৰিলে নহ'ব। ইতিহাসৰ পৰা শিক্ষা লৈ বুৰ্জোৱা ক্ষয়িষ্ণু সমাজ সংস্কৃতিৰ বিৰুদ্ধে কঠোৰ সংগ্ৰাম কৰিব লাগিব। অৱশ্যে সি স্বতঃস্ফূৰ্ত্ত ভাবে বা দৈৱৰ

বলন্ত নহয়। তাৰ বাবে আৰ্থ-ৰাজনৈতিক-সামাজিক সংগ্ৰামেই এক মাত্ৰ পথ। যুক্তি-বিজ্ঞান আৰু সমাজতান্ত্ৰিক আদৰ্শই এক-মাত্ৰ পথৰ আঁৰিয়া। সুস্থ-বলীষ্ঠ-আদৰ্শ নিষ্ঠ সাংস্কৃতিক সংগ্ৰামেই হ'ব সেই বিপ্লবী পথৰ বিশ্বস্ত সঙ্গী। ●

সহায় লোৱা হৈছে

Christopher Caudwell— (1) Illusion and Reality
(2) Studies in a dying Culture.

●

প্ৰগতিশীল শিল্প-সাহিত্যৰ সমস্যা

শিল্প-সাহিত্য, অৰ্থ-ৰাজনীতি আৰু সমাজৰ বিভিন্ন প্ৰক্ৰিয়াত নিজকে প্ৰগতিশীল বুলি জাহিৰ কৰাটো আজি এক ৰকম পোছাকী ঢঙত পৰিণত হৈছে। আনকি নীচক গোড়াৰ, জঘন্য প্ৰতিক্ৰিয়াশীল আৰু কদৰ্য্যতাৰ ধাৰক বাহকই তেও নিজকে প্ৰগতিশীল বুলি জাহিৰ কৰাটো সাধাৰণ ঘটনাত পৰিণত হৈছে। কিন্তু প্ৰগতিশীল চিন্তা আৰু কলা-সাহিত্য আধুনিক যুক্তিবাদী, বৈজ্ঞানিক আৰু সমাজতান্ত্ৰিক চিন্তাৰ লগত ওতঃপ্ৰোত ভাবে জড়িত। সমাজ-সংস্কৃতি-ভাবাদৰ্শ আৰু সৌন্দৰ্য্য সাধনাৰ যি আদৰ্শই উত্তৰণৰ গতিশীলতাৰ ফালে প্ৰবাহমান কৰে তেনে চিন্তাধাৰাকহে প্ৰকৃতাৰ্থত প্ৰগতিশীল আখ্যা দিব পাৰি। তেনে ভাবাপন্ন শিল্প কলাই সৃষ্টিশীল প্ৰক্ৰিয়াৰে ন ন ধ্যান ধাৰণাসহ সমাজৰ দৰ্শন, নৈতিকতা আৰু মননশীলতাক বহল পৰিসৰলৈ আগুৱাই নিয়ে।

প্ৰগতিশীল শিল্প বীক্ষাই মানুহৰ বৌদ্ধিকতাৰ বিকাশ ঘটাই ব্যক্তি আৰু সমাজক উন্নত চেতনাৰ ফালে ধাৱমান কৰে। গতিকে কোনো শিল্পৰ অমৰত্ব নিৰ্ভৰ কৰে তাৰ বিপ্লৱী বিশ্ববীক্ষা আৰু কলাত্মক সফলতাৰ ওপৰত। বিপৰীতে সংকীৰ্ণমনা, বক্ৰকৰা ধ্যান-ধাৰণা আৰু প্ৰতিক্ৰিয়াশীল সমাজৰ শিল্প-সাহিত্যৰ অপমৃত্যু সুনিশ্চিত। সুস্থ সাহিত্য-কলা উপকাৰীতাবাদৰ ওপৰত নিৰ্ভৰশীল নহয়। এনে সাহিত্য সংস্কৃতিৰ কাম হ'ল মানুহ আৰু সমাজক উন্নততৰ আধ্যাত্মিকতা, অনুভূতিৰ মহানুভৱতা আৰু বৌদ্ধিক উচ্চতা প্ৰদান কৰা।

কলা-শিল্প হ'ল মনোজগতৰ প্ৰক্ৰিয়া। শিল্পীয়ে তেওঁৰ মনোজগতত প্ৰতিফলিত হোৱা বাস্তৱতাক কলাত্মক ৰূপ দি

আনকো তাৰ দ্বাৰা প্ৰভাৱ মনাৰ খোজে। কলাকাৰৰ সৃষ্টিত সেয়ে মানুহ-প্ৰকৃতি-জগত আদি প্ৰতিভাত হয়। এতেকে মহৎ সাহিত্য সামাজিক আৰু নৈতিক ধাৰণাৰে প্ৰগতিশীল হ'বলৈ বাধ্য। বুর্জোৱা অপসংস্কৃতিয়ে কেৱল হিংসা, ঘৃণা, জাত্যাভিমানৰ প্ৰকাশেৰে বিচ্ছিন্নতাবাদী আৰু কেটীবাদী কলাৰহে জন্ম দিয়ে।

ইতিহাস আৰু জীৱন সংগ্ৰামৰ অভিজ্ঞতাই সৃজনীশীল কলাকাৰক গণতান্ত্ৰিক আৰু প্ৰগতিশীল দিশলৈ উন্নীত কৰে। চলমান শ্ৰেণীদ্বন্দ্ব, শ্ৰেণী সংগ্ৰাম, আন্দোলন-বিক্ষোভ আৰু জাতীয় সংগ্ৰাম আদিয়ে শিল্পীৰ সৃষ্টিত মূৰ্ত্তমান হৈ উঠে। ক্ৰমবৰ্দ্ধমান শান্তি, মানৱতা আৰু সমাজবাদী আন্দোলনে শিল্পীৰ মনত প্ৰচণ্ড আলোড়ণৰ সৃষ্টি কৰি তেওঁৰ সৃষ্টিত ভাসমান হৈ উঠে। মহৎ শিল্পই মানুহক প্ৰভাৱিত কৰে আৰু অনুপ্ৰেৰণা দিয়ে। তাৰ অন্তৰ্নিহিত সবল ভাবাদৰ্শৰ ভৱিষ্যতে যেনেদৰে বোনচা শিল্পই মানৱ মুক্তি বিশ্ব দৃষ্টিত অতুলনীয় অৰিহণা যোগাইছিল।

মানুহে অবিৰামভাৱে সমাজৰ বৌদ্ধিক বিকাশৰ বাবে অহো-পুৰুষাৰ্থ কৰে। সাহিত্য-সংস্কৃতিয়ে সমাজ জীৱনত ঘটা এনে বৌদ্ধিক বিকাশৰ কলাৰূপ দিয়ে আৰু উত্তৰোত্তৰ সাধনৰ পথ প্ৰদৰ্শনও কৰে। কলা শিল্পই সমাজ জীৱনৰ সুস্থ বৌদ্ধিক প্ৰমূল্য সমূহক সৌন্দৰ্যীকৃত ৰূপ দিয়ে। এনে সৃষ্টিয়ে মহান আৰু সুন্দৰ হ'বলৈ সমাজ পটভূমিৰ বৃহত্তম পৰিপ্ৰেক্ষাত সচেতনতা আৰু প্ৰগতিশীলতাৰ নৱ-মূল্যায়ন কৰে। ফলত এনে বৃহৎ সৃষ্টিয়ে সমাজৰ সকলো প্ৰক্ৰিয়াৰ বিজ্ঞান-দৰ্শন ৰাজনীতি-আদৰ্শ দ্বন্দ্ব আৰু নৈতিকতা আদিক সাঙুৰি কলাৰ সমলৰূপে লৈ সেইবোৰৰ প্ৰগতি ঘটায়।

মানুহ আৰু সমাজক প্ৰগতিশীল সংস্কৃতিয়ে মহত্তম দিশলৈ উত্তৰণ সম্ভেদ দিয়ে। এনে মহৎ শিল্প-সাহিত্যক প্ৰাত্যহিক তুচ্ছতা আৰু নীচক কদৰ্য্যতাই অসুন্দৰ কৰিব নোৱাৰে। এনে সংস্কৃতিয়ে মানুহৰ সামাজিক কাজ কৰ্ম আৰু মানসিক বিকাশৰ মাজত

সমন্বয় সাধন কৰি চূড়ান্ত পৰ্য্যায়ত সমাজক সুস্থ, সভ্য আৰু সুন্দৰ কৰাত ইন্ধন যোগায়। অৱশ্যে সুন্দৰ কলা সৃষ্টি প্ৰচুৰ সৃজনশীল অভিজ্ঞতা, কঠোৰ অধ্যৱসায় আৰু উন্নত গুণগত মানদণ্ডৰ শিল্প-সাধনাৰ বিশাল প্ৰতিভাৰ ওপৰতহে নিৰ্ভৰশীল। উচ্চ ভাবাদৰ্শ সৎ উদ্দেশ্য আৰু মহৎ চিন্তা-চৰ্চাৰ ওপৰতহে প্ৰগতিশীল সাহিত্য-সংস্কৃতিৰ বুনিয়াদ নিৰ্ম্মাণ হয়।

যুক্তি-বিজ্ঞান-বিবেক-নৈতিকজ্ঞান আৰু উদাৰ মানৱতাবোধ প্ৰগতিশীল চিন্তা-চৰ্চাৰ প্ৰধান উপজীব্য। কলা-শিল্পত এনে চিন্তাই মুৰ্ত্তিমান হৈ আধুনিক উন্নত প্ৰচাৰ মাধ্যমৰ যোগেদি সমাজৰ চেতনা, বৌদ্ধিকতা আৰু সৌন্দৰ্য বৃদ্ধিত সহায় কৰে। এনে কলা শিল্পৰ ক্ষেত্ৰ বিশাল আৰু বিশ্বজনীন। ই মানুহৰ নান্দনিক চিন্তাক জগতৰ সকলো বৈচিত্ৰ্যময় ক্ষেত্ৰৰ লগতেই জড়িত কৰে। এনে উন্নত শিল্প-সাহিত্যই মানুহৰ সৌন্দৰ্য্যজ্ঞান আৰু ৰুচীবোধ বৃদ্ধি কৰি তাক বহুল সমাজ জীৱনলৈ গতিশীল কৰে। ফলত ই মানুহৰ সামাজিক চেতনা, প্ৰগতিশীল ধ্যান-ধাৰণা, দায়বদ্ধ অনুভূতি, সুস্থ দৃষ্টিভঙ্গী, সবল মতামত আৰু বুদ্ধিদীপ্ত বিশ্ববীক্ষা গ্ৰহণ কৰিবলৈ মানসিক প্ৰেৰণা যোগায়।

প্লেটো-এৰিষ্ট'টোলৰ দিনৰে পৰা সাম্প্ৰতিক কাললৈকে শিল্পকলাৰ প্ৰভাৱ মানুহৰ সমস্ত সমগ্ৰ ইতিহাস জুৰি পৰি আছিছে। কলা-শিল্পত অন্তৰ্নিহিত শ্ৰেষ্ঠতা আৰু সুন্দৰতাই মানুহৰ কল্পনাক সদায় উদগাই আহিছে। গতিকে এজন প্ৰকৃত প্ৰগতি-শীল শিল্প-সাহিত্যিক প্ৰতিভাবান, মৌলিক ভাবে চিন্তাশীল আৰু উচ্চ বৌদ্ধিকতা সম্পন্ন হ'বই লাগিব। কাৰণ তেওঁৰ সৃষ্টিৰ যোগেদি মানুহৰ সাৰ্ব্বজনীন আত্মিক প্ৰয়োজন, অনুসন্ধিৎসা আৰু জ্ঞান-উপলব্ধিৰ বিকাশ আদি ঘটিবই লাগিব। যাৰ ফলত মানুহৰ মানসিক আৰু আধ্যাত্মিক বিকাশ সাধন হয়। সংস্কৃতিয়ে আনকি মানুহৰ নৈতিকতাবোধকো জগাই তোলে।

বহুমুখী সাহিত্যৰ গৰ্ভত সমাজৰ সমস্ত প্ৰক্ৰিয়া অন্তৰ্নিহিত হৈ থাকিলেও প্ৰগতিশীল শিল্প কেৱল সভ্য মানুহৰ দ্বাৰা মানুহক অধিকতৰ সংস্কৃত কৰাৰ বাবেহে সৃষ্টি হয়। গতিকে এনে সাহিত্য শিল্প মানুহৰ—বিশেষকৈ দুৰ্গত মানুহৰ পৰম প্ৰিয়তম বন্ধু, বিশ্বস্ত সংগী আৰু মানৱ বন্দনাৰ জয়গান গাবই লাগিব। এনে শিল্প সাহিত্য কলাকাৰৰ ব্যক্তি মানস-হৃদয়-অনুভূতি আৰু সমাজ চেতনাৰ কলাত্মক ৰূপ হ'লেও ই বৌদ্ধিক ভাবে উন্নত সমাজ গঠনত ব্যক্তি মনৰ আৰু মহৎ বিশ্ববীক্ষাৰ সু সমন্বয় ঘটাই এক প্ৰগতিশীল সমাজ ব্যৱস্থা প্ৰতিষ্ঠাতো উদ্দীপনা যোগায়। মুঠতে প্ৰগতিশীল সাহিত্যই এক বাস্তৱসন্মত বস্তুবাদী দৃষ্টিভঙ্গীৰে বিবৰ্তন, প্ৰগতি আৰু বৈপ্লৱীক উত্তৰণৰ ফালে মানুহৰ চেতনাক ধাবিত কৰে।

পিচে গণতন্ত্ৰ, জাতীয় মুক্তি আৰু সমাজতান্ত্ৰিক বিপ্লৱৰ যুগতো প্ৰগতিশীল সংস্কৃতিৰ বিকাশৰ পথ সুগম হোৱা নাই। কাৰণ চৌপাশে সাম্ৰাজ্যবাদী-কেন্দ্ৰীবাদী-সামন্তবাদী-পুঁজিবাদী-বুৰ্জোৱা-প্ৰতিক্ৰিয়াশীলৰ বাবেবঙৰ কাৰচাজী আৰু সিহঁতৰ দ্বাৰা সৃষ্ট, লালিত পালিত আৰু বহু প্ৰচাৰিত অপসংস্কৃতিৰ বজকৰা বেশ্যালীয়ে সৎ, সুস্থ, সুন্দৰ আৰু উন্নততৰ বিশ্ববীক্ষাৰ সমুখত জঘন্য অন্ধকাৰৰ সৃষ্টি কৰিছে। সিহঁতৰ কুক্ষীগত উন্নত প্ৰচাৰ মাধ্যমবোৰে অত্যাধুনিক কায়দাৰে সিহঁতৰ পঙ্গু সংস্কৃতিৰ গণিকা পোহাৰ মেলি জটিল ৰহস্যৰ উন্নাদিহ নোপোৱা সহজ-সৰল মানুহৰ মাজত মোহ বিভ্ৰান্তি আৰু চাকচিক্যৰ সৃষ্টি কৰিছে। শাসক-শোষক বুৰ্জোৱাৰ এনে সন্তীয়া, বজকৰা অৱক্ষয়ী কুসংস্কৃতিয়ে সাধাৰণ মানুহৰ চিন্তা চৰ্চা—আদৰ্শ আৰু সাংস্কৃতিক জীৱন স্খলন কৰাত বহুলাংশেই সফলো হৈছে। সেয়ে আজি প্ৰগতিশীল সাহিত্য-সংস্কৃতিৰ সৃষ্টি প্ৰচাৰ প্ৰসাৰ আৰু জনপ্ৰিয় কৰণত প্ৰচণ্ড প্ৰতিবন্ধক আহি পৰিছে।

শ শ, হাজাৰ বছৰৰ পূৰ্ব্বৰ এচকাইলাচ্ছ, ইউৰিপাইডিচ, হোমাৰ ডাণ্টে, কালিদাস, বাল্মিকী, শঙ্কৰদেৱ, চেইক্সপিয়েৰ, মিল্টন, গ্যেটে,

ডিডাৰো, বালজাক, টলষ্টয়-পুস্কিন আদিৰ মহৎ সৃষ্টি পঢ়ি আজিও আনন্দিত হওঁ। পিচে তাৰ দ্বাৰা আজিৰ প্ৰগতিশীল শিল্প বিকাশত আমি কিমান উপকৃত হৈছো সঠিককৈ ক'ব পাৰোঁনে? এই প্ৰসঙ্গত মেক্সীম গৰ্কীয়ে উচিত ভাবেই আঙুলিয়াই দিছে যে প্ৰতিজন কলাকাৰৰ সৃষ্টিয়েই তেওঁৰ পূৰ্ব্বগামীসকলৰ সৃষ্টিৰ লগত সম্পৰ্কীত। তেওঁৰ নতুন সৃষ্টিত উত্তৰাধিকাৰী সূত্ৰে পূৰ্ব্ব-গামীসকলৰ সমল কম বেছি থাকিবই। কাৰণ বৌদ্ধিক বিকাশৰ প্ৰক্ৰিয়া ধাৰাবাহিক, সাংস্কৃতিক পৰম্পৰাৰ লগত জড়িত আৰু পূৰ্ব্বগামী সকলৰ দ্বাৰা প্ৰভাবিত। ফৰাচী সাহিত্যত ষ্টেনঢেল, বালজাক, ফ্লবাৰ আৰু মোপাঁছা আদি মহৎ সাহিত্যিক-শিল্পী সকলে ইজনে-সিজনৰ সহায়ৰ অবিহনে বিকশিত হ'ব নোৱাৰিলেহেঁতেন।

প্ৰগতিশীল শিল্পধাৰাত ধৰ্ম্মান্ধতা, অন্ধবিশ্বাস, কু-সংস্কাৰ আৰু তৎজনিত যুক্তি-বিজ্ঞানহীন পলায়নবাদীতা, হতাশা-নৈৰাশ্য, অতি ভৌতিক ৰহস্যবাদ, জন্মান্তৰবাদ, আত্মা-পৰমাত্মা, মুক্তি-নিৰ্ব্বানাদিৰে সৰ্ব্বগ্ৰাসী আধ্যাত্মবাদে প্ৰচণ্ড হেঙাৰৰ সৃষ্টি কৰে। ধৰ্ম্মৰ সৃষ্টি ভাব আৰু অজ্ঞানতাৰ পৰা আৰু সংস্কৃতিৰ সৃষ্টি হৈছে কৰ্ষিত জ্ঞানৰ পৰা। আদিম কালৰে পৰা মধ্য যুগলৈকে নানা কল্পকাহিনী, পৰীৰ সাধু, ধৰ্ম্মীয় আখ্যান-উপাখ্যান আৰু ৰূপ কথাৰ লগত সংস্কৃতিক মিশ্ৰিত কৰি আহিলেও ধৰ্ম্ম আৰু শিল্পকলাৰ মাজত পাৰ্থক্য সুস্পষ্ট। কাৰণ মহৎ সংস্কৃতিত কেণ্টাছী আৰু কল্পনাৰ থল থাকিলেও প্ৰকৃততে সি জীৱনৰহে প্ৰতিফলন। সংস্কৃতি সাধা-ৰণভাবে আৰু প্ৰগতিশীল সংস্কৃতি বিশেষকৈ জীৱন আৰু বাস্তৱতাক বিকৃতি আৰু অপব্যাখ্যাৰ পৰা মুক্ত কৰাৰ এক নিৰলস প্ৰক্ৰিয়া। ধৰ্ম্মীয় ধুৰঁলি-কুৰঁলি আৰু অজ্ঞান-আন্ধাৰৰ পৰা মুক্ত হৈ প্ৰগতি-শীল শিল্প সাধনাই মানুহৰ মনোজগতক আপোন সৃষ্টি প্ৰতিভাৰ ওপৰত অধিক আত্মবিশ্বাস জন্মাই মানুহৰ নিজ শক্তিক অধিক সবল কৰে।

স্থবিৰতা, গতানুগতিকতা, ৰক্ষণশীলতা, গোড়ামী পৌৰুষহীনতা, একঘেঁয়ামী, চৰ্ব্বিত-চৰ্ব্বন আৰু আপোচকামীতা আদি বিপ্লৱী শিল্প চেতনাৰ ক্ষেত্ৰত প্ৰবল অন্তৰায়। কাৰণ প্ৰগতিশীলতাৰ কষটি শিলত সংস্কৃতি চিৰ গতিশীল, পৰিবৰ্ত্তনশীল, প্ৰবাহমান, বিকাশশীল আৰু বৈপ্লৱীক বিবৰ্ত্তনকামী। সমাজ পৰিবৰ্ত্তনৰ আগে পিছে যিহেতু সমাজৰ ধ্ৰুনীয় ৰূপ সংস্কৃতিৰো পৰিবৰ্ত্তন হৈ আহিছে সেই হেতুকে এনে চলমান ঐতিহাসিক-সাংস্কৃতিক সুদীৰ্ঘ প্ৰক্ৰিয়াত সংস্কৃতিৰ সমল মানুহৰো ভাবানুভূতি, আদৰ্শ জ্ঞান, অভিজ্ঞতা, ৰুচীবোধ আৰু মননশীল চেতনাৰো বৃদ্ধি পাই আহিছে। ইতিহাসৰ কোনো কোনো যুগ শিল্প বিকাশৰ বাবে অনুকূল বা প্ৰতিকূল হ'লেও সাংস্কৃতিক শূণ্যতা- (Cultural Vacuum) কোনো কালেই হোৱা নাই। সেয়ে কোনো যুগতেই স্তব্ধ হৈ যোৱা নাই। আনকি অন্ধকাৰ মধ্য যুগতো শিল্প-সংস্কৃতিৰ অপ-মৃত্যু ঘটা নাছিল।

বিপৰীতে প্ৰগতিশীল শিল্পকলাই আদৰ্শ জগতৰ নতুন সৃষ্টিৰ দ্বাৰা আনকি বাস্তৱ জগতৰ ন-সৃষ্টিতো ক্ৰিয়া কৰে। উদাহৰণ স্বৰূপে টলষ্টয়ে ১৯শ শতিকাৰ উপন্যাসক মহাকাব্যিক ৰূপ দি সাহিত্য-শিল্প আৰু সমাজ বিকাশৰো এক নৱ দিগন্ত উন্মোচন কৰিছিল। তদনুৰূপ গৰ্কীয়ে টলষ্টয়-পৰৱৰ্ত্তী কালছোৱাৰ গণতান্ত্ৰিক কলাশিল্পৰ উত্তৰণ ঘটাই সমাজৰ তল শ্ৰেণীৰ শ্ৰমজীৱি মানুহৰ বিপ্লৱী চেতনাৰ নতুন অধ্যায় তেওঁৰ সৃষ্টিৰ যোগেদি সূচনা কৰি গ'ল। গৰ্কীয় বিশ্বৰ ইতিহাসত পোন প্ৰথমবাৰৰ বাবে শ্ৰমিক শ্ৰেণীৰ বীৰত্ব ব্যঞ্জক কাহিনীৰে বিপ্লৱী সৰ্ব্বহাৰাৰ সমাজতান্ত্ৰিক সংস্কৃতিৰ ভেটি দৃঢ় কৰি গ'ল। ভিক্টৰ হিউগ'ই নৈতিক আত্ম শোধনত গুৰুত্ব দিছিল। জোলাই দৈহিক সাহসৰ দৃঢ়তা প্ৰকাশ কৰিছিল। ডষ্টয়েভস্কী আৰু টুৰ্গেনিভ আদিয়ে আধ্যাত্মিক মনোজগতত প্ৰবেশ কৰিছিল। কিন্তু গৰ্কীয়ে মানুহ-দেহ-আত্মা

তাক সমাজ মুক্তিৰ বৈপ্লৱিক কিৰণ তেওঁৰ সৃষ্টিত দি গ'ল। তদ্রূপ মহাচীনৰ বিপ্লৱৰ পিছত লু চুনেও কৃষক-বনুৱাৰ শোষণ মুক্তিৰ সবল আৰু প্ৰোজ্জ্বল বৰ্তা তেওঁৰ সৃষ্টিত প্ৰচাৰ কৰি গ'ল।

অৱশ্যে গতিশীল সংস্কৃতিও সমাজৰ অন্যান্য পৰিঘটনাৰ দৰেই দ্বন্দ্বাত্মক। ইয়াৰ গতিপথো ওখোৰা-মোখোৰা, জটিল আৰু সাংস্কৃতিক উত্থান পতনৰেই ইতিহাস। আজিৰ শ্ৰেণী বিভক্ত সমাজত প্ৰগতিশীল সাহিত্য-শিল্পৰ বিকাশো সকলোতে সমভাবে হোৱা নাই আৰু নহ'বও। সেয়ে সংস্কৃতিৰ ইতিহাসো জয়-পৰাজয়ৰ সুদীৰ্ঘ একা-বেঁকা পথ-পৰিক্ৰমাৰ মাজেদিয়েই বাট-বুলি আহিছে। পটন্তৰ স্বৰূপে যেনেকৈ যুগে প্ৰাচীন গ্ৰীক্ মহাকাব্যিক যুগৰ সৰলতা হেৰুৱাইছিল, যেনেকৈৰ তুলনাত সপ্তদশ শতিকাৰ ধ্ৰুপদী-বাদে অনুভূতিৰ মুক্ত প্ৰকাশক নিয়ন্ত্ৰণ কৰিছিল অথচ সি গণতান্ত্ৰিক সমাজ ব্যৱস্থাৰ সমুখ-সমস্যাৰ এক মহৎ আৰু গভীৰ উপলব্ধিও লাভ কৰিছিল। ইতিহাসৰ পাতে পাতে তেনে উদাহৰণ ভেটাৰ পাব পাৰি।

উকা শ্লোগান, উৎকট প্ৰচাৰ ধৰ্মীতা আৰু অনাহক উন্নাসিকতাও প্ৰগতিশীল শিল্প-সাহিত্যৰ প্ৰতিবন্ধক হৈ পৰে। কাৰণ প্ৰগতিশীলতা এক নতুন আদৰ্শগত শ্লোগান হ'লেও সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত সি কলাত্মক ৰূপ পৰিধান নকৰিলে সফলতা লাভ কৰিব নোৱাৰে। প্ৰগতিশীল সংস্কৃতিও মূলগত: স্বাভাৱিক কলা-শিল্পই। সেয়ে ই শিল্প-গুণ পৰিগ্ৰহ কৰিবই লাগিব। শিল্পৰ আত্মা স্বৰূপ প্ৰগতিশীল বক্তব্যই সুন্দৰ ৰূপসজ্জাৰ মাজত জীৰ্ণকৰী ৰূপত প্ৰকাশ পাব লাগিব। ৰাজনৈতিক পোষ্টাৰ সদৃশ শিল্পৰ বক্তব্য যিমানেই শক্তিশালী নহওক লাগে সি কেতিয়াও জনপ্ৰিয় হ'ব নোৱাৰে আৰু তাক ৰসজ্ঞ পাঠক-শ্ৰোতা-দৰ্শক-উপভোক্তাই গ্ৰহণ নকৰে। কাৰণ তেনে শিল্প-সাহিত্যই উত্তেজনা

যোগালেও মহৎ নান্দনিক আনন্দ যোগাব নোৱাৰে আৰু কলত মানুহৰ মনোজগতত শৈল্পিক আলোড়ণৰ সৃষ্টি নহয়। এতেকে সুন্দৰ, কলাত্মক আৰু আকৰ্ষণীয় কলা-শিল্পইহে প্ৰকৃত প্ৰগতিশীল আদৰ্শ চেতনা যোগাব পাৰে।

ইতিহাসৰ সকলো যুগতেই যুগসাপেক্ষ ৰোমাণ্টিকতা আৰু সমকালীন আধুনিকতা অন্তৰ্নিহিত হৈ থকাৰ দৰে তুলনামূলকভাবে প্ৰগতিশীলতাও কম-বেচি নিহিত হৈ থাকে। কাৰণ প্ৰগতিশীলতা হ'ল এক আপেক্ষিক (Relative) সূত্ৰহে। প্ৰাচীন কাল, মধ্যযুগ আৰু আধুনিক কালতো তদস্বৰূপ শিল্প-সংস্কৃতিয়ে আপেক্ষিক প্ৰগতিশীল ভাৱধাৰা প্ৰকাশ কৰি আহিছে। ই প্ৰাচীন লোকায়ত দৰ্শন আৰু এপিকুৰিয়াচ-হেডনৰ চিন্তাধাৰাৰ পৰা বস্তুবাদী ভাবাদৰ্শৰ বুনিয়াদত ভিত্তি কৰি ৰেনেচাঁৰ মানৱতাবাদ আৰু চেকুসাৰ গণতান্ত্ৰিক প্ৰতি-বাদী, বিদ্ৰোহী, প্ৰগতিশীল আৰু বিপ্লৱীৰূপ পৰিগ্ৰহ কৰিছে। শিল্প-সাহিত্যতো সি বাস্তৱবাদ, সমালোচনাত্মক বাস্তৱবাদ আৰু সমাজতান্ত্ৰিক বাস্তৱবাদৰ যোগেদি প্ৰগতিশীল সাজ পিন্ধিছে। অনেক সংঘাত, আক্ৰমণ জয় পৰাজয়ৰ আৰু উত্থান পতনৰ সীমাহীন সমস্যাৰ মোকাবিলা কৰি প্ৰগতিশীল শিল্প-সাহিত্যই অগ্ৰগতিৰ বাট বুলিছে। গৰ্কীৰ হাতত সমাজতান্ত্ৰিক বাস্তৱবাদৰ ৰূপত প্ৰগ-তিশীল শিল্পৰীক্ষাই এক পৰিপূৰ্ণ ৰূপ পালে। ●

সহায়ক সমলৰাজী :

(1) Dmitry Markov—Socialist Literature : Problems of Development.—Rudga Publishers.

(2) Gella Erasmash—Art's lofty ideas,-Moscow.

(3) Anatoli Yegrove—The Progressive Development of Art.

(4) Victor Vanslove—On the essence of Socialist Realism.

(5) Evgent Yakovley—Concerning the system of the main categories of Marxist-Leninist aesthetics.

(6) Lyndmila and Byckoy—Technology, Art and man.

(7) Vladimir Bashakov—Mass Art and popular Art.

(8) Fyador Kondralenka—Value of Beauty.

সমাজতান্ত্ৰিক সংগ্ৰামৰ মহাকাব্য গৰ্কীৰ 'মা' আৰু শ্ৰমিক শ্ৰেণীৰ মানৱতাবাদ

"বিপ্লৱী মানবিকতাই শ্ৰমিক শ্ৰেণীক দিছে পুঁজিবাদৰ বিৰুদ্ধে নিৰ্মম সংগ্ৰাম চলোৱাৰ আৰু বুৰ্জোৱা জগতৰ নৃশংস ভিত্তিক ধ্বংস আৰু নিৰ্মূল কৰাৰ ঐতিহাসিক অধিকাৰ। মানৱৰ ইতিহাসত এয়ে সৰ্ব্বপ্ৰথম প্ৰকৃত মানৱ প্ৰেমক সৃষ্টিশীল শক্তিৰূপে সংগঠিত কৰা হৈছে। ক্ষুদ্ৰ সংখ্যালঘুৰ অৰ্থহীন অমানুষিক ক্ষমতাৰ হাতৰ পৰা কোটি কোটি শ্ৰমজীৱি মানুহক মুক্ত কৰাৰ দায়িত্ব গ্ৰহণ কৰিছে মানৱ প্ৰেমে। এই মানৱ প্ৰেমেই কোটি কোটি কায়িক শ্ৰমজীৱিৰ ওচৰত ঘোষণা কৰিছে যে সমস্ত সংস্কৃতি সম্পদ সৃষ্টি কৰিছে তেওঁলোকৰ মেহনতীৰদ্বাৰা আৰু এই সম্পদৰ সাহায্যেৰেই শ্ৰমিক শ্ৰেণীয়ে গঢ়ি তুলিব এক নতুন; সাৰ্ব্বজনীন, মানৱীক সমাজতান্ত্ৰিক সংস্কৃতি। এই সংস্কৃতিয়েই দুনিয়াৰ মেহনতী মানুহৰ মাজত প্ৰভুত্ব আৰু সাম্যৰ দৃঢ়বন্ধন প্ৰতিষ্ঠা কৰিব" (মেক্সিম গৰ্কী-"শ্ৰমিক শ্ৰেণীৰ মানৱতাবাদ")

শ্ৰমিক শ্ৰেণীৰ মানৱতাবাদ প্ৰতিষ্ঠাৰ শৈল্পীক প্ৰতিৰূপ মেক্সিম গৰ্কীৰ মহান আৰু অমৰ উপন্যাস "মা"ৰ মূল্যায়নৰ শিৰোনামত 'মহাকাব্য" আখ্যাটো ব্যৱহাৰ কৰা দেখি কোনো কোনোৱে হয়তো বিসদৃশ দেখিব পাৰে। আচলতে একো একোটা মহৎ সভ্যতাৰেই কলাত্মক ৰূপ ৰামায়ণ, মহাভাৰত, ইলিয়াড, অডিচীৰ দৰে মহাকাব্যৰ সদৃশ আধুনিক গদ্য ৰূপ মহৎ আৰু বিশাল উপন্যাসবোৰ পাব পাৰে। প্ৰাচীন সাধু, আখ্যান-উপাখ্যান আদিয়ে আধুনিক ব্যস্ত আৰু কঠবাস্তৱৰ ভাগিদাত চুটী গল্প আৰু একাঙ্ক নাটৰ ৰূপ লোৱাৰ দৰে কোনো যুগ আৰু জাতীয় জীৱনক প্ৰাচীন কালত সাঙুৰি

জোৱা মহাকাব্যৰ দৰে আধুনিক যুগতো ইতিহাসৰ বিশাল পৰিসৰ আগুৰি লৈছে কালজয়ী বৃহৎ উপন্যাসবোৰে। সেয়ে তেনে অৰ্থতেই উপন্যাসখনক মহাকাব্য আখ্যা দিয়া হৈছে।

ঠিক তেনে অৰ্থতেই টলষ্টয়ৰ "যুদ্ধ আৰু শান্তি"কে ধৰি উপন্যাস বাশিক ৰুচ দেশৰ প্ৰাক্‌-বিপ্লৱী কালৰ জাৰ শাসিত কৃষক সমাজ আৰু মহাযুদ্ধকালীন সমাজৰ মহাকাব্য, বালজাকৰ উপন্যাসবোৰক ফ্ৰান্সৰ ৰাজতন্ত্ৰৰ অৱক্ষয়ী সমাজৰ মহাকাব্য, ডিকেন্সৰ উপন্যাসবোৰক পুঁজিবাদ আগ্ৰাসী দুৰ্গত মানুহৰ জীৱনৰ মহাকাব্য আৰু মাৰ্গাৰেট মিটচেলৰ 'গান উইথ দি উইণ্ড' আমেৰিকাৰ গৃহযুদ্ধৰ মহাকাব্য বুলি ক'ব পাৰি। তদনুৰূপ ১৯০৫ চনৰ ৰুচ দেশৰ গণতান্ত্ৰিক বিপ্লৱৰ যি উত্তাল গণজোৱাৰ তাৰ পটভূমিতেই ৰচিত মেক্সিম গৰ্কীৰ এই মহৎ উপন্যাস "মা"। বিশেষকৈ শ্ৰমিক শ্ৰেণীৰ মাৰ্ক্সবাদী বিশ্বদীক্ষাৰ আলোকত সংগঠিত আৰু উত্তিষ্ঠিত শ্ৰেণী সংগ্ৰামৰ নিখুঁত কলাত্মক ৰূপ ফুটি উঠিছে গৰ্কীৰ এই মহাকাব্যখনত। সাহিত্যিক স্ৰষ্টা আৰু দ্ৰষ্টা হোৱা বাবে ৰুচদেশত নিটক পৰৱৰ্ত্তীকালত যি বিশ্ব বিজয়ী ঐতিহাসিক সমাজতান্ত্ৰিক অক্টোবৰ / নৱেম্বৰ বিপ্লৱ ঘটিল তাৰেই পূৰ্ব্বাভাষ যেন গৰ্কীয়ে প্ৰদৰ্শন কৰিলে তেওঁৰ এই যুগজয়ী গ্ৰন্থখনত। গৰ্কীৰ ভৱিষ্যতদৰ্শী শৈল্পীক চিত্ৰ প্ৰকাশ পাইছিল "মা" উপন্যাসত।

কেইবা শ পৃষ্ঠাৰ বৃহৎ কলেবৰৰ উপন্যাসখন গৰ্কীৰ "মা"। বহুলভাবে ২টা ভাগত আৰু ক্ষুদ্ৰাংশত ২৯টা ভাগত উপন্যাসখন সজোৱা হৈছে। এই বিশাল গ্ৰন্থখনৰ প্ৰতিটো পৃষ্ঠাই প্ৰেৰণাৰ উৎস। ক'তো, যান্ত্ৰিকতা নাই, জড়তা নাই আৰু ওপৰৰ পৰা জাপি দিয়া ধৰণৰ শ্লোগান ধৰ্মী-প্ৰচাৰগন্ধীতাও নাই— যিটো দোষ সাধাৰণতে এনে ধৰণৰ বিপ্লৱী লেখাৰ ওপৰত আৰোপ কৰা হয়। কোনো অসাধাৰণ বা অতি নাটকীয় পদ্ধতিৰেও পুথিখনৰ আৰম্ভনী, কাহিনীৰ বিকাশ আৰু সামৰণিৰ পৰিণতি ঘটোৱা হোৱা নাই।

নিতান্ত স্বাভাৱিক আৰু স্বতঃস্ফূৰ্ত ঘটনাৱলী।

উনৈশ আৰু কুৰিশতিকাৰ দোমোজাৰ মদখাই মাৰপিত কৰা, অসংযত আৰু অমাৰ্জিত শ্ৰমিক সমাজখনেই প্ৰতিভূ মিখাইল ভ্লাছভ— যি সকলে নিজ জীৱনৰ উন্নতি বা পৰিবৰ্তনৰ কল্পনাও কৰিব পৰা নাছিল। ভ্লাছভৰ মাতলামী আৰু যৈনীয়েকৰ ওপৰত চলোৱা অত্যাচাৰ সহ্য কৰিব নোৱাৰি তাৰ একমাত্ৰ ১৪ বছৰীয়া ল'ৰা পাভেলেও সাহেৰে এটা হাতুৰী লৈ বাধা দিবলৈ বাধ্যহৈ কৈছিল— "খবৰদাৰ, হাত নিদিবি ... যথেষ্ট হৈছে, আৰু মই সহি নেথাকো"।

অৱশ্যে হাৰ্নিয়া ৰোগত বাপেক মৰাৰ পিচত পুতেক পাভেলেও মদখোৰা, ধপাতখোৰা পথ: কষ্ট অনুসৰণ কৰাত স্বামীৰ হাতত "অতিশয় নিৰ্যাতিতা, আত্মত্বহীনা আৰু ভয়ত আতুৰা" দুৰ্দশাগ্ৰস্ত মাকে অসহায়ভাৱে কেৱল করুণ বিননি হে জুৰিব লগা হৈছিল। মাতৃত্বৰ স্বাভাবিকতাকে মঙ্গিয়াত আঠুকাঢ়ি বহি নীৰৱে যীশুৰ ছবি মেলি, পুত্ৰৰ মঙ্গলাৰ্থে প্ৰাৰ্থনাহে জনাইছিল। কিন্তু ক্ৰমে ক্ৰমে পাভেলৰ পৰিবৰ্ত্তন হ'বলৈ ধৰে। পূৰ্ব্বৰ দৰে তাৰ লোতেৰা সঙ্গবোৰ ঘৰলৈ আহিবলৈ এৰে। গধূলি ঘৰলৈ ঘুৰি আহোঁতে সি সদায় কিছুমান কিতাপ বান্ধি লৈ আহে। পাভেলে লুকাই লুকাই কিতাপবোৰ পঢ়ে আৰু কিতাপবোৰৰ পৰা কিছুমান টোকা কৰি সি সেইবোৰো লুকুৱাই ৰাখে। মাকে কিতাপবোৰ ইমানকৈ আৰু লুকুৱাই পঢ়াৰ কাৰণ সোধাত পাভেলে ক'লে —

"মা, মই চৰকাৰে নিষেধ কৰা কিতাপ পঢ়িছোঁ। এই কিতাপ বিলাকত আছে আমাৰ বন্ধুৱা জীৱনৰ সত্যৰ কাহিনী আৰু এই সত্য কথা থকাৰ বাবেই চৰকাৰে এই কিতাপবোৰৰ প্ৰচাৰ বন্ধ কৰি দিছে। এইবোৰ গোপনে ছপা হয়। এই কিতাপ বিলাক মোৰ লগত পালে মোৰ কাটেকো হ'ব পাৰে।" কাটেকৰ কথা শুনি ভয় খাই সৰল মাকে কন্দা দেখি পাভেলে দেউতাকৰ চৰিত্ৰ ব্যাখ্যা কৰে —

"ভাবি চা মা, আমি কেনেকুৱা ঘৃণনীয় জীৱন যাপন কৰিছোঁ। আজি এই দুকুৰি বছৰৰ জীৱনত কি পালি, কি দেখিলি ?... সেউতাই তোক নিতৌ মাৰ কিল কৰিছিল। মই আজি তাৰ কাৰণ বুজি পাইছোঁ। তেওঁৰ জীৱনত যিবিলাক অসহনীয় অত্যা-চাৰ অবিচাৰ সহ্য কৰিব লগা হৈছিল, নিৰুপায় হৈ প্ৰতিশোধ লৈছিল তোৰ ওপৰত! মাকে তাক তাৰ কৰ্ত্তব্যৰ সম্পৰ্কে সোধাত পাভেলে উত্তৰ দিলে –

"প্ৰথমতে মই নিজে শিকিব খোজোঁ, বুজিব খোজোঁ। তাৰ পিছত আনক শিকাব খোজোঁ। আমাৰ বণুৱাসকলক শিকাব খোজোঁ। তেওঁলোকক বুজাই দিব লাগিব এই নিদাৰুণ বণুৱা জীৱনৰ কষ্টৰ কাৰণ কি? লগতে পাভেলে মাকক এই কথাও জনায় যে পৃথিবীত এনে মানুহো আছে যি সত্যৰ বাবে শত্ৰুৰ হাতত নিৰ্বাসন, কাৰা-দণ্ড ভুগিও, নিজ জীৱন দিও চিৰকাল অমৰ হৈ আছে'। নতুন উপলব্ধিৰে সি মাকক কৈ যায়– "আজি মই মানুহক এক নতুন দৃষ্টিৰে দেখিছোঁ। মানুহৰ প্ৰতি মোৰ অন্তৰত এটা নতুন দৰদে ঠাই পাইছে। মই আজি বুজি পাইছোঁ মানুহৰ এটা সত্য আছে"।

পাভেলৰ মাকৰ নাম হ'ল–পেলায়েগা নিলভনা। তাৰ জীৱ-নৰ নৱ জন্মৰ আৱৰ্ত্তণীতে মা আছিল স্বাভাৱিক ভয়াতুৰ মাতৃ। পিচে পুতেকৰ সঙ্গীবোৰে তেওঁৰ ঘৰত অধ্যয়ন আৰু বিপ্লবী আ-আলোচনা তথা তৰ্কাতৰ্কিৰে গৰম কৰিবলৈ ধৰাত মাৰ সাহস ক্ৰমে বৃদ্ধি পাবলৈ ধৰে। মা আচৰিত হ'ল যে আনকি চোৰৰ ল'ৰা নিকোলাইও এনে সৎ সমাজৰ সঙ্গী হ'ল। পাভেলহঁতৰ সঙ্গী আন্দ্ৰেছাখা মিকোলাই আৰু নাটাছাহঁতৰ সংযত, মাৰ্জিত আৰু মধুৰ ব্যৱহাৰ দেখি মাৰ অতীতৰ কথা মনত পৰি যায়–তেওঁ অতীতত পাইছিল ডেকা ল'ৰাবোৰে খোৱা মদৰ গোন্ধ আৰু শুনি-ছিল সিহঁতৰ অশ্লীল গালি–শপনি, ঠাট্টা-বিদ্ৰূপবোৰ। নাটাছাৰ

মুখত যেতিয়া তেওঁ শুনে-", মুক্তিয়েই হ'ব আমাৰ আন্ধাৰৰ জোঁৰ আৰু এই অজ্ঞান-আন্ধাৰত পৰি থকা সকলোৰেই আমাক দেখিব, বুজিব এই জোঁৰৰ পোহৰত." আৰু "জন্তুৰ দৰে অকল দুবেলা দুমুঠি ভাতৰ কাৰণে এই জীৱন নহয়। আমি মানুহ। এই পৃথিবীত প্ৰকৃত মানুহৰ দৰে জীয়াই থাকিবলৈ আমাৰ অধিকাৰ আছে। আজি আমাক যি দাসত্বই শৃঙ্খলিত কৰি ৰাখিছে, মনুষ্যত্বৰ পথা বঞ্চিত কৰি এই ঘৃণ্য জীৱন যাপন কৰিবলৈ বাধ্য কৰিছে; আমাৰ শৌৰ্য্য-বীৰ্য্য সিহঁতত্তকৈ অনেক বেচি, অনেক শ্ৰেষ্ঠ বুলি আমি সিহঁতক দেখুৱাব লাগিব" বুলি তেতিয়া মাৰ মনত নতুন অনুভূতি জাগিলেও ভয় আৰু অজানিত আতঙ্কত মাৰ গা শিয়ঁৰি উঠে আৰু ফুচফুচাই কয় "হে ভগৱান, ৰক্ষা কৰা!"

তাৰোপৰি পাভেলহঁতে আলোচনা চলোৱাৰ মাজতেই ছাশাই যেতিয়া প্ৰথম ঘোষণা কৰিলে— "আমি ছচিয়েলিষ্ট" বুলি তেতিয়া মাৰ মুখত মাত নাইকীয়া হ'ল। আনকি সভা ভগাৰ পিচত মাই পাভেলক সেই সম্পৰ্কে সুধিয়েই পেলালে। পাভেলে তেতিয়া মাকক স্পষ্টীকৰণ দিব লগা হ'ল। মা আৰু অবাক হ'ল যেতিয়া সিহঁতে জাৰ্মান, ইটালি, ফৰাছী, ইংৰাজ আদি সকলো শ্ৰমিকৰেই ঐক্য সংহতিৰ ধ্বনি দিলে আৰু ঘোষণা কৰিলে—

"জগতৰ সকলো বণুৱাই আমাৰ মিত্ৰ আৰু যত শাসকৰ দল, ধনীৰ দল, সিহঁত আমাৰ শত্ৰু। দুনিয়ালৈ চকু দিলে আমি দেখিবলৈ পাওঁ অগণিত বণুৱাৰ দল.. জাৰ্মান শ্ৰমিক, ফৰাছী শ্ৰমিক, ইংৰাজ শ্ৰমিক, ইটালীয় শ্ৰমিক-সকলোৰেই একে ভাবতেই উদ্বুদ্ধ হোৱা দেখা পাওঁ।" আৰু প্ৰতিদিনে এনে সৎ-সবল আৰু উদ্দীপিত দৃশ্য দেখি মায়েও তেওঁৰ অন্তৰৰ নিভৃততম কোণত অনুভৱ কৰিলে যে পুৱ আকাশৰ অৰুণৰ দৰে জগতত এটা নতুন সত্যৰ পোহৰ জিলিকি উঠিছে।

মাই লক্ষ্য কৰিলে পাভেলৰ কথা সকলো কমৰেডেই শুনে,

আনকি তাতকৈ বয়সত ডাঙৰ বোৱেও গুনে। মাই আৰু লক্ষ্য কৰিলে যে সমুখৰ কঠোৰ সংগ্ৰামৰ আহ্বানত আন্দ্ৰেই নাটাছাৰ লগত থকা আৰু পাভেলে ছাৰাৰ লগত থকা ব্যক্তিগত প্ৰেমকো জলাঞ্জলি দিছে। অৱশ্যে পাভেলৰ প্ৰতি সকলো আকৰ্ষিত হোৱাত মাৰ একালে যেনেকৈ আনন্দ, আনকালে শঙ্কাও কম হোৱা নাছিল। তথাপি ভয়-ভীতি নেওচি ক'লে, ঈশ্বৰে তহঁতক সুখী কৰক।" বৈজ্ঞানিক বিশ্বাসৰ আন্দ্ৰেই অৱশ্যে উত্তৰ দিলে,— "সুখ হ'লে ভালেই পাওঁ মা। কিন্তু সুখৰ ভিক্ষাৰী আমি নহওঁ।"

পাভেলহঁতৰ ঘৰ তালাচী কৰোঁতে পুলিচ বিষয়াই কৰা কঢ় আৰু অসভ্য ব্যৱহাৰ দেখি মাৰ উপলব্ধি হ'ল যে ইহঁতেই হৈছে আমাৰ সাধাৰণ মানুহৰ নিৰ্মম শত্ৰু। সাধাৰণ মানুহৰ প্ৰতি ইহঁতৰ কোনো দয়া-মমতা নাই। ইহঁতে মানুহক ঘৃণা কৰে আৰু এই ঘৃণাত আছে আভিজাত্যৰ গোন্ধ। আন্দ্ৰে আৰু নিকোলাইক পুলিচে গ্ৰেপ্তাৰ কৰিলে। খানা তালাচীৰ সময়ত সাক্ষী হিচাপে বলেৰে নিয়া ৰিবিনে পাভেলক ক'লেহি— "কালি মোক পুলিচে লগধৰি আনিছিল, আজি মই নিজেই আহিছোঁ।" ৰিবিনে আৰু ক'লে— "মানুহবোৰে তোমাৰ কথা কয়। তুমি বোলে নাস্তিক। কাৰণ তুমি গীৰ্জালৈ নোযোৱা। গীৰ্জালৈ ময়ো নেযাওঁ। আৰু সেই বে-আইনী কতোৰা বিলাক তোমাৰেই কাম নিশ্চয়।" পাভেলে স্বীকাৰ কৰাত মাই অকলে পাভেলক দায়বদ্ধ কৰিবলৈ শঙ্কা বোধ কৰিছিল।

আনকালে নাস্তিকতাৰ কথা শুনিও মাৰ গা শিয়ঁৰি উঠিল। সেয়ে তেওঁ ক'লে "ঈশ্বৰ সম্পৰ্কে তহঁতে যি ভাবিছ বা যি কৰিছ তাতেই তহঁতৰ সন্তোষ আৰু সুখ। কিন্তু মোৰ নিচিনা বুঢ়ীৰ ভগবানৰ বাহিৰে আশ্ৰয়েইবা ক'ত? চিৰকাল তেওঁকেই আশ্ৰয় কৰি আহিছোঁ। তহঁতে যদি এতিয়া তাকো কাঢ়ি নিয় তেন্তে মোৰ দুখ-কষ্টৰ ভৰসাই বা ক'ত?"

মাই আঘাত পোৱা যেন দেখি পাভেলে ক'লে— "মই পাহৰিয়েই গৈছিলো মা। তই বুঢ়ী মানুহ। তোৰ যি বিশ্বাস তাক আমি কাঢ়ি নিব খোজা নাই।" ৰিবিনেও দৃঢ়ভাৱে ক'লে— "গীৰ্জাৰ ঈশ্বৰ হ'ল ভয় থুৱাই আমাক ডৰাই ৰখাৰ কাৰণে। মা আমি এনেকুৱা ঈশ্বৰৰ ঠাইত নতুন ঈশ্বৰ প্ৰতিষ্ঠা কৰিব লাগিব। আমি এই কলঙ্ক কালিমামণ্ডিত ঈশ্বৰক উদ্ধাৰ কৰি শুদ্ধ আৰু পৰিষ্কাৰ-পৰিচ্ছন্ন ভূষণেৰে ভূষিত কৰিব লাগিব।" তথাপি যুগ যুগ জোৰা ঈশ্বৰ বিশ্বাসী মাৰ মনত নাস্তিকৰ প্ৰতি ঘৃণা নুগুচিল। বৰঞ্চ তেওঁ ভাবিলে— "নাস্তিক। বিদ্ৰোহী! ইয়ালৈ আহে কেলৈ?" তথাপি তেওঁৰ ভয় ভাব বহুতো কমিল। প্ৰতি সপ্তাহে তেওঁ কিতাপ পত্ৰ আৰু খোৱা কাপোৰ আনোক দিবলৈ জেললৈ অহা যোৱা কৰি মাইও যেন সহযোগ কৰিলে।

কাৰখানাত পাভেলে শ্ৰমিকসকলক উদাত্ত আহ্বান জনালে— "প্ৰকৃত মানুহৰ জীৱন আমি তেতিয়ালৈকে লাভ কৰিব নোৱাৰোঁ, যেতিয়ালৈকে আমি বুজোঁ যে আমি সকলোৱেই সহযাত্ৰী সহকৰ্মী, একে পৰিয়ালৰহে মানুহ।" আৰু বুজিব লাগিব যে প্ৰত্যেকেই সকলোৰে কাৰণে, আৰু সকলোৱেই প্ৰত্যেকৰ কাৰণে" বুলি।

বৃদ্ধ ছিজভকে ধৰি অনেকৰে শুভেচ্ছাসত্ত্বেও পাভেলহঁতে বহুতো বাধা-বিঘিনি, হতাশা নিৰাশাৰ সন্মুখীন হ'বলগা হৈ অধিক অভিজ্ঞতাৰে বুজিলে "অকল কথাৰেই মানুহক বুজাব নোৱাৰি। বহু নিৰ্যাতন সহ্য কৰি, তোমাৰ প্ৰতিটো কথা তেজেৰে বঞ্জিত কৰি প্ৰমাণ দিব লাগিব। তেহে মানুহ পতিয়ন যাব।"

অন্য উনপঞ্চাশজনৰ লগতে পাভেলকো গ্ৰেপ্তাৰ কৰিলে। মা চিন্তিত হ'লেও সাহস বাঢ়িলে। পাভেলহঁতক সন্দেহৰ পৰা বচাবলৈ মাই নিজেই ক'লে— "প্ৰচাৰ পত্ৰবোৰ মোক দিয়া। ময়েই গোপনে কাৰখানাত বিতৰণ কৰিম; ইয়েগৰে উল্লাসত জোৰ দি ক'লে, "মা, জগতৰ ভিতৰত সঁচাকৈয়ে আপুনি শ্ৰেষ্ঠা নাৰী।...

কাজিলৈ প্ৰচাৰ পত্ৰবোৰ আপোনালৈ পঠাই দিম। আকৌ চকৰি ঘূৰক। ধ্বংস হওক হেজাৰ বছৰৰ স্তূপীকৃত অন্ধকাৰ। জয় হ'ক স্বাধীন চিন্তাৰ অধিকাৰ। চিৰ সুন্দৰ হ'ক মাতৃৰ হৃদয়।" সাৰ্ব্বজনীন মঙ্গলময়ী মাতৃ নিলভনাই— যিসকল লোকক পাভেলে আনি মাৰ লগত পৰিচিত ক'ৰি দিছিল, অতি আগ্ৰহেৰে তেওঁ সেই সকলোৰে মঙ্গল কামনা কৰিছিল।

পোহাৰী মাৰিয়াইও বুজি পাই মাক সহায় কৰাৰ সন্মতি জনাই কয়— "তোমাৰ পুতেৰাই নিজৰ কাৰণে জেল খোৱা নাই। সি জেল খাইছে সকলোৰে কাৰণে, সকলোৰে হিতৰ কাৰণে।" ফলত পিচদিনাই মাই মাৰিয়াৰ তৈয়াৰী চুপাচি খোৱা বস্তুৰ পোহাৰ লৈ কাৰখানাত উপস্থিত হ'ল আৰু মাৰিয়াই নিজে বজাৰত পোহাৰ মেলিলে, মাই চলচাই কাৰখানাত প্ৰচাৰ পত্ৰ বিলালে। মা ক্ৰমে দৃঢ় হ'ব ধৰিলে — "জেললৈ নিয়ে যদি নিব। মোৰ দুৰ্ভগীয়া জীৱনটোও এটা কামত লাগিব" বুলি ক'ব পৰা হ'ল। তেওঁৰ উপলব্ধি হ'ল - "ময়ো ক্ৰমে জীৱনক চিনিছোঁ, বুজিছোঁ। মানুহে আজি যি মহৎ উদ্দেশ্যৰ কাৰণে যুঁজিছে, তাক মই মৰ্মে মৰ্মে উপলব্ধি কৰিছোঁ।" মাই ক'ব পৰা হ'ল— 'সকলোৰে প্ৰতি অকৃত্ৰিম ভালপোৱা লৈয়েই যেন শেষ নিশ্বাস ত্যাগ কৰিব পাৰোঁ।" তেওঁৰ মহৎ উপলব্ধি হ'ল যে প্ৰকৃত সত্য হ'ল— যেতিয়ালৈকে পৃথিৱীত শোষণ-কাৰী ধনকুবেৰৰ দল থাকিব, আৰু আনফালে এদললোকে পুৱাৰ পৰা গধূলিলৈকে এমুঠি অন্নৰ কাৰণে খাটি মৰিব, তেতিয়ালৈকে পৃথিৱীত কোনেও শান্তি নেপায়। তথাপিও মাৰ দোদুল্যমানতা সম্পূৰ্ণ বিদূৰ নোহোৱাত আন্দ্ৰেই বুজাই কয়— "সিইঁতেই আচল মানুহ যি মানুহৰ মন শৃঙ্খলৰ পৰা মুক্ত কৰিবলৈ আগবাঢ়ে। আপুনিও আজি তাকেই কৰিব লাগিব মা।"

মাই সেই প্ৰৌঢ়া বয়সতো আন্দ্ৰেইঁতৰ উদগণিত আখৰ শিকে, বৰ্ণমালা শিকি কিতাপৰ ওপৰত তেওঁ মনোযোগ দিলে। পুনৰ

ভ্ৰপত্ৰলৈকে পঢ়ে আৰু জোঁটাই। ঝিৰিনৰ ৰাচিয়াৰ গাওঁ, চহৰৰ অগণিত জনসাধাৰণৰ মাজলৈ যোৱাৰ দৃঢ় সিদ্ধান্তৰ প্ৰতিও মাৰ গভীৰ শ্ৰদ্ধা জাগে।

আন্দ্ৰেই কাম ইস্তাফা দি আন্দোলনত লগাৰ বাবেও মাতৃৰ হৃদয়ে কান্দে। নিকোলায়ে মাহৰ ৭৫ কবলৰ ৫০ কবলেই পাৰ্টিক দিয়া, বহুতৰে ছান্দা আৰু আনকি অৰ্দ্ধাহাৰে অনাহাৰে থকা বিশ্ববিদ্যালয়ৰ ছাত্ৰইও এপইচা এপইচাকৈ জমাই পাৰ্টিক দিয়া বুলি জানি মাৰ ভক্তিত হৃদয় ভৰি পৰে। পত্তিকে মাৰ আশা দৃঢ় হয় যে এনে এটা দিন আহিব যিদিনা পৃথিবীৰ মানুহে সকলো পীড়ণ, শোষণ আৰু বন্ধনৰ পৰা মুক্ত হ'ব, মানুহৰ দুখ-দৈন্য অশান্তিৰ ওৰ পৰিব।

পুলিচৰ চৰিত্ৰৰ সম্পৰ্কত আন্দ্ৰেই মাক বুজায়— "সিহঁত কোনোটোৱেই মানুহ নহয় মা। আমাৰ নিচিনা মানুহক যাতে খুন্দি-পিটি, ৰাষ্ট্ৰৰ ইচ্ছামতে চলাব পাৰে তাৰ যন্ত্ৰ বিশেষ। চৰকাৰৰ ইচ্ছামতেই সিহঁত চলে। মালিক বা ওপৰৱালাৰ সিহঁত আজ্ঞাবহ ভৃত্য। মুখেৰে মাত নমতাকৈ নিৰ্বিবাদে মালিকৰ হুকুম তামিল কৰাই সিহঁতৰ ধৰ্ম।" মা ক্ৰমে যথেষ্ট সাহসী আৰু বুদ্ধিমতী হৈ পৰে। আনকি মাৰিয়াৰ সৈতে নিজেই কাৰখানালৈ গৈ কবিভজা, মাংস, জোল আৰু অন্যান্য বস্তুৰ লগত প্ৰচাৰ পত্ৰ বিলোৱাৰ কামো কৰে বুলি জেলত পুতেক পাভেলক ইঙ্গিতেৰে জনায়।

মাই স্বাভাবিক ভাবেই লক্ষ্য কৰে যে নাটাছাৰ সমুখত আন্দ্ৰে উৎসাহী হৈ পৰে আৰু নাটাছাৰ অবিহনে সি যেন বিষণ্ণ হৈ পৰে। আনফালে ছাশ্বাৰ প্ৰেম নিবেদনত কৰ্তব্যৰ খাতিৰত প্ৰাভেল কঠোৰ হৈ পৰে। ছাশ্বাই তেতিয়া কয়—

"কিন্তু পাভেল, মই মানুহ, ৰক্ত-মাংসৰে গঢ়া মানুহ," তেতিয়া পাভেলে উত্তৰ দিয়ে "অকল মানুহেই নহয়। তুমি আচৰিত

মানুহ। তুমি অতি প্ৰিয়। সেই কাৰণেই তুমি মোক এনে অনুৰোধ কৰা উচিত নহয়।" আন্দ্ৰেকো পাভেলে কঠিন উত্তৰ দিয়ে—

"যি স্নেহ আৰু বন্ধুত্বই বাধা দিয়ে, তেনে স্নেহ আৰু মৰম প্ৰীতি আমাক নালাগে।" আন্দ্ৰে আৰু পাভেলৰ যুক্তিতৰ্ক আৰু বক্তৃতা মাই ওবেৰাতি শুনি যায়। আন্দ্ৰেই কৈ যায়—

"মানুহৰ দুখ-কষ্টৰ এতিয়াও অৱসান হোৱা নাই। এতিয়াও বহু দুখ-কষ্ট বৰণ কৰিব লাগিব। বহু ৰক্ত দিবলৈ এতিয়াও বাকী। কিন্তু ইতিমধ্যেই আমাৰ হৃদয়ত, আমাৰ মানস পটত যি আত্মচেতনা জাগিছে, আমাৰ প্ৰতি শিৰাই শিৰাই যি নতুন আনন্দৰ প্ৰেৰণা, যি নতুন আশাৰ আলোক জিলিকি উঠিছে, তাৰ তুলনাত সেই দুখ আৰু ৰক্তদানৰ তুলনা নহয়। অন্তৰত দীপ্ত হৈ উঠিছে উজ্জ্বল নক্ষত্ৰৰ দৰে এক নতুন জ্যোতি। হৃদয় আজি এক নতুন আনন্দৰ অনুভূতিত বলীয়ান। ইয়াক ধ্বংস কৰিব পৰা শক্তি কাৰোৰেই নাই আৰু যাৰ বলতেই সহ্য কৰিম অনন্ত দুখ, বৰণ কৰিম অসীম ত্যাগ।"

এনেবোৰ দীপ্তমান আলোচনাৰ মাজেদি মাৰ মনৰ স্তুপীকৃত ভয়-শংকা দূৰ হৈ যায়। মাৰ অন্তৰত যি বেদনাই কাঁইটে বিন্ধাদি বিন্ধিছিল সেই বেদনা যেন শাম কাটিলে।

পুলিচৰ চৰ ইছাইক হত্যা কৰা হল। শুনিয়েই মা উচপ খাই উঠিল। ইছাইৰ শ-ৰ কাষত থিয় হৈ মাতৃয়ে এক দীৰ্ঘনিশ্বাস এৰি ক্ৰুচচিহ্ন আঁকি দিলে। জীৱিতকালত তাৰ প্ৰতি মাৰ যথেষ্ট ঘৃণা আছিল যদিও আজি মাৰ তাৰ প্ৰতিও যথেষ্ট দুখো উপজিল। অৱশ্যে ইছাইৰ হত্যাত আন্দ্ৰেৰ বৰঙণি থকাৰ বাবে তাৰ মনতো পাপবোধ জাগিছিল। পাভেলে হত্যাৰ সম্পৰ্কে মাক কয়— "আমি এজনক ঘোচা মাৰিলেই সেয়া হয় পাপ। ই হয় অন্যায়। ই হয় ঘৃণনীয় আৰু লজ্জাকৰ। কিন্তু সিহঁতে অতি নিষ্ঠুৰভাবে ধীৰ আৰু স্থিৰ ভাবে হেজাৰ হেজাৰ মানুহক হত্যা কৰে আৰু

হত্যাকৰি আত্মতৃপ্তি লাভ কৰে। সিহঁতে মানুহৰ আত্মাক অৱমাননা আৰু হত্যা কৰে সিহঁতৰ ঐশ্বৰ্য্য আৰু ক্ষমতা ৰক্ষাৰ কাৰণে। মা, তই যদি সিহঁতৰ এই অন্যায়, এই অপমান আৰু ভণ্ডামী উপলব্ধি কৰিব পাৰ, তেতিয়া বুজিবি আমি যি সত্য আৰু আদৰ্শৰ কাৰণে যুঁজ কৰিছোঁ সি কিমান মহান আৰু কিমান গৌৰৱৰ।" পাভেলৰ বক্তব্য শুনি মা উত্তেজিত হৈ পৰে। তেওঁৰ ইচ্ছা হ'ল যেন তেওঁৰ হৃদয় পুত্ৰৰ হৃদয়ৰ লগত এক দীপ্তশিখাত মিলাই এক উজ্জ্বল বস্তিৰ সৃষ্টি কৰিব। তেওঁ ক'লে– "মই বুজিছোঁ, অলপ বুজিছোঁ।।

কৃষকৰ মাজত কাম কৰিবলৈ আৰু কৃষকক পঢ়ুৱাবলৈ গ্ৰামে-গ্ৰামান্তৰে আত্মোৎসৰ্গী কৰা ৰিবিন, ইয়েকিমহঁতকো মাই চিনিব পৰা হ'ল। সেয়ে পাভেল-আন্দ্ৰেক তেওঁ ক'ব পাৰিলে–

"ৰিবিনক দেখিছাহঁক। তেওঁ যেন জন্মাবধি কৃষক। কোনো কাৰখানাত কাম কৰা নাই। নিজৰ চেহেৰাটোও কেনে ভয়ঙ্কৰ কৰি তুলিছে।"

পাভেল-আন্দ্ৰেইহঁতে শ্ৰমিকসকলক জগাই তোলে, সংগঠন কৰে। বিপ্লৱী গীত-মাত বক্তৃতা আৰু কাম-কাজেৰে সিহঁতক উদ্বুদ্ধ কৰে। পাভেলে গায়– 'জাগা জাগা, মজদুৰ ভাই জাগা / ৰণৰ সাজেৰে আজি সাজা। আন্দ্ৰেই শ্ৰেণী চেতনাৰে বক্তৃতা দিয়ে– "দুনিয়াত জাত মুঠেই দুটা। ধনী আৰু গৰীব। ধনী সকলৰ সাজপাৰ বেলেগ হ'ব পাৰে, ভাষা বেলেগ হ'ব পাৰে, জাতি হিচাপে ইংৰাজ, ফৰাচী, জাৰ্মান হ'ব পাৰে, কিন্তু মজদুৰ সকলৰ লগত ব্যৱহাৰ কৰোঁতে সকলো ধনীয়েই একেজাতৰ। ধ্বংস হওক দুনিয়াৰ এই ধনীৰ দল। সিহঁতৰ মুখা সুলকি পৰক।"

মে'-দিৱসৰ আন্দোলনত পাভেলে ৰক্ত পতাকা উড্ডীন কৰোঁতে অনা যি বাৰজনে পতাকাৰ খুটাটো খামোচ মাৰি ধৰিছিল তাৰ ভিতৰত মাৰ হাতো আছিল। আন্দ্ৰেই শোভাযাত্ৰীদলক সম্বোধি

ক'লে— "এই যাত্ৰা এজন নতুন দেৱতাৰ নামত। সেই দেৱতা হ'ল সত্য আৰু সুন্দৰৰ দেৱতা, জ্ঞান আৰু মুক্তিৰ দেৱতা, ন্যায় আৰু পবিত্ৰতাৰ দেৱতা।" সিহঁতে গালে— "শান্তি দিও জীৰ্ণ জগত/ যাত্ৰী আমি নতুন যুগৰ।•দলিয়াই পেলাওঁ পদধূলি / সেই অতীত সমাজৰ। জাগা, জাগা অনশন বন্দী / জাগা ক্ষুধিত শোষিতৰ দল। কৰাতে কৰা আত্মদান / পবিত্ৰ ৰণত দিয়াহে প্ৰাণ / ওৰ পৰিব অত্যাচাৰ / জাগিব জনতা শতবাৰ।" সমুখৰ হিংস্ৰ চিপাহীদলকো নেওচি নিৰ্ভয়ে আগবাঢ়িল পাভেল আন্দ্ৰে, ছমোয়লভ আৰু মাজিন। সশস্ত্ৰ সৈনিক ত্ৰাস-সন্ত্ৰাস আৰু ৰক্তাক্ত আক্ৰমণ সংঘৰ্ষৰ মাজৰ পৰা পাভেল-আন্দ্ৰেইহঁতক ধৰি লৈ গ'ল— মাই মাত্ৰ দূৰৰ পৰা শুনিলে— "বিদায় মা ! বিদায় কমৰেডসকল !" পাভেলৰ কণ্ঠস্বৰ। মা প্ৰথমে হতভম্ব হ'লেও অৱলীলা ক্ৰমেই জুমৰ মাজত সোমাই হাতৰ বস্তা নিচান লৈ মাই তুবাহু মেলি ক'বলৈ ধৰিলে— "হে' মোৰ প্ৰিয় বন্ধুসকল, মই ভগৱানক সাক্ষী কৰি কওঁ, এবাৰ মোৰ কথা শুনা। তৰুণদলৰ এই বিদ্ৰোহ, এই জয়যাত্ৰা তোমালোক সকলোৰে কাৰণে। সিহঁতে যুঁজত নামিছে সমস্ত দুনিয়াৰ, সমস্ত মানৱ আৰু মেহনতী মানুহৰ কাৰণে। সিহঁতৰ ওপৰত আস্থা ৰাখা, সিহঁতক সহায় কৰা।"

মেক্সিম গৰ্কীৰ "মা" উপন্যাসৰ ২য় খণ্ড আৰম্ভ হৈছে আনকি পোহাৰী মাৰিয়াৰ মুখতো মালিকৰ্তৰ প্ৰতি প্ৰচণ্ড ঘৃণা প্ৰকাশেৰে— "কুকুৰৰ দল।" মাই বিপ্লৱৰ সুখস্বপ্নত শুনিছে প্ৰেৰণাময়ী গীত— জাগি উঠা মজুৰদল / সংগ্ৰামত দিয়া বল। গোৱা গোৱা স্তুতিৰ গান/যীশুৰ আজি হ'ব পুনৰ উত্থান। তথাপি মা তেতিয়াও ধৰ্ম্ম-ভীকতাৰ পৰা মুক্ত হ'ব পৰা নাছিল। প্ৰাৰ্থনা তেতিয়াও তেওঁ এৰা নাছিল। সৰালৰিকৈ তেওঁ বিগ্ৰহ-মূৰ্ত্তিৰ ওচৰলৈ গৈ কন্তেক থিয় হৈছিল। তেনে অৱস্থাতেই পাভেল জেলত থকাত নিঃসঙ্গ গাঁৱৰ ঘৰৰ পৰা মাক নিয়া হ'ল নগৰৰ ভাংৰেলা নিকোলাইৰ ঘৰলৈ।

সহজ সৰল মিকোলাই। চকুত বুদ্ধি আৰু জ্ঞানৰ ত্ৰিজিত্তি। শিক্ষকতাৰ কামতেই তেওঁ লাগি আছে। পিতাৰ কাৰখানাৰ মেনেজাৰ। গাঁৱৰ মজুৰসকলক কিতাপ পত্ৰ দিয়াৰ অপৰাধতেই মিকোলাইৰ জেইল নিৰ্ব্বাসন আদি দণ্ড হ'ল কেইবাবছৰ। তেওঁৰ বিধবা বায়েক ছোৱালীয়াও সেই ঘৰত মাজে সময়ে থাকে। অৱশ্যে ছোকিয়া সকলো ঠাইতেই থাকে। য'তেই সাহসীলোকৰ প্ৰয়োজন, তাতেই তেওঁ উপস্থিত হয়। ছোকিয়াই পিয়ানোত বিষাদৰ ৰাগিণী তুলি মাৰো অতীত জগাই তুলে। তাইৰ পাল্লাত পৰি ক্ৰমে মাৰো সঙ্গীত অনুভূতি জাগি উঠে। ছোকিয়াই কেনেকৈ ছদ্ম নাম লৈ, পাৰপত্ৰ জাল কৰি, চোৰাংচোৱাৰ চকুত ধূলি দি, দ'মে দ'মে বে-আইনী কিতাপ নগৰে নগৰে বিলাই ফুৰি, নিৰ্বাসিত বন্ধুক পলোৱাৰ ব্যৱস্থা কৰি আৰু গুপ্ত ছপাখানা চলাই বিভিন্ন ৰূপত বিপ্লৱী কাম কৰে বুলি মাক বিৱৰি কোৱাত মা স্তম্ভিত হয়। মাই উচ্ছ্বাসী হৈ ক'লে— "তোমালোকৰ সবাতোকৈ এই কথাটোৱেই মোৰ ভাল লাগে যে মানুহৰ অন্তৰত কেনেকৈ সোমাব লাগে তাক তোমালোকে ভালকৈ জানা। তোমালোকৰ আগত মানুহে দ্বিধাহীন ভাবে প্ৰাণৰ কথা খুলি কয়। মানুহে স্ব-ইচ্ছাই তেওঁৰ প্ৰাণৰ দুৱাৰ তোমালোকৰ আগত খুলি দিয়ে। মোৰ বিশ্বাস হৈছে তোমালোকে পৃথিৱীত চলি থকা অন্যায়-অধৰ্ম নিশ্চয় জয় কৰিব পাৰিবা।"

মা ইতিমধ্যেই বিপ্লৱী কামকাজৰ সক্ৰিয় কৰ্মী হৈ পৰিল। যি কোনো বিপ্লৱী কামৰ বাবে তেওঁ নিজকে প্ৰস্তুত কৰিলে। আনকি তেনে বিপদ সঙ্কুল কাম কৰিছে তেওঁ শান্তি পোৱা হ'ল। সেয়ে প্ৰচাৰৰ বাবে ভেশচন ধৰি মা আৰু ছোকিয়া দূৰ দূৰণিৰ গাঁৱলৈ যাত্ৰা কৰিলে। বহু কষ্টমষ্টে তেওঁলোক গৈ আলফতাবে জু টুৰি পুতুৰি বিৰিন-ইয়াকিমৰ কৰ্মস্থল পাই মাই ক'লে— "আমি তীৰ্থ যাত্ৰালৈ ওলাই আহিছোঁ। বিৰিনে কেইজনমান বান্ধ ল'বাক

দেখুৱাই আনন্দোল্লাসত কলে—"দেখিছা, সিহঁতে পুতেকক কাটি নিছে সচাঁ, কিন্তু সেই ঠাই পূৰাইছে তেওঁৰ মাকে," হাবিৰ মাজৰ পৰা ওলাই অহা কণ্ঠ ছাভেলিয়েও যোগ দিয়ে, "এই গান অকল মোৰে নহয়, এই গান হাজাৰ হাজাৰ মানুহৰ। কিন্তু তেওঁলোকে নেজানে, নুবুজে এই নিৰানন্দময় হতভাগ্য জীৱন যে মানুহৰ আগত কিমান এটা উত্তম শিক্ষা। অহৰহ কঠোৰ পৰিশ্ৰমে কিমান মানুহক মৰণৰ বাটলৈ ঠেলি দিছে, কিমানক পঙ্গু কৰিছে, কিমানক বিকলাঙ্গ কৰিছে, কিমানে নীৰৱে অন্নবস্ত্ৰহীন হৈ প্ৰাণ দিছে, তাৰ আদি অন্ত নাই।"

কিস্তাপৰ কথাতকৈ যে ছাভেলিৰ কথা বহুগুণে চোকা আৰু সেইবোৰ যে জনাৰ প্ৰয়োজন মাই তাক গম্ভীৰভাবে উপলব্ধি কৰে। সেয়ে তেওঁ ছাভেলিৰ কথা মনোযোগেৰে শুনি যায়— "সিহঁতৰ আৰু মতলব হৈছে যাতে মানুহৰ ৰক্তৰ বিনিময়ত সিহঁতৰ সুখ-সম্ভোগ আৰু বিলাসৰ সামগ্ৰী কিনি লব পাৰে। আমি দিওঁ বুকুৰ তপত তেজ আৰু তাৰে সিহঁতে কিনি লয় সন্তানৰ কাৰণে বহুমূলীয়া খেলনা—কিনে সিহঁতৰ গাড়ী, বাজিৰ ঘোৰা, পকাঘৰ সোণৰ থাল-বাচন আৰু বেশ্যা। আমি অহোৰাত্ৰী কাম কৰি হাড়ক মাটি কৰোঁ, তেজক পানী কৰোঁ, আৰু আমাৰ পৰিশ্ৰমেৰে সিহঁতে মুনাফা লুটে, আৰ্জিত ধনেৰে সিহঁতে কিনে বেশ্যাৰ পিকদানি।" মাই অনৰ্গল শুনি চিন্তাত বিভোৰ হৈ ভাবে সেই বেমাৰী মানুহজনে কেনে এটা বেদনাদায়ক আৰু জঘণ্য কথা ক'লে! হাঁয় ভগবান মানুহে জান প্ৰাণ দি খাটিব আৰু সেই খাটনিৰে অৰ্জা ধনেৰে মালিকে ফুৰ্তি কৰিব, লুটিব! ই কি ন্যায়!"

দিন যোৱাৰ লগে লগে আৰু মাৰ উপলব্ধি গম্ভীৰ হোৱাৰ লগে লগে তেওঁ বুজি পালে যে পাভেল-আন্দ্ৰেহঁতৰ লগত শ্ৰমিক-সকল যিমান সহজ হ'ব পাৰে নিকোলাইৰ লগত তেনেকুৱা নোৱাৰে। কাৰণ নিকোলাই হ'ল নগৰীয়া আৰু সেয়াই হ'ল শ্ৰেণীগত মানসিকতাৰ

পাৰ্থক্য। কৰবলৈ গ'লে বিভিন্ন ছদ্মবেশত কিতাপ পত্ৰ বিলাই ফুৰাটো মাৰ একমাত্ৰ কাম হ'ল। মাই চাৰিওফালে দেখিবলৈ পায় কেৱল মানুহৰ শোষণৰ ঠগ, প্ৰৱঞ্চনা, লুট অপহৰণ আৰু ব্যক্তিগত মুনাফাৰ কাৰণে মানুহৰ শেষ ৰক্ত বিন্দু শোষণৰ উলঙ্গ লিপ্সা, অপচেষ্টা। এই বিশাল অন্নপূৰ্ণা বসুন্ধৰাত মাই দেখিবলৈ পায় অৰ্দ্ধনগ্ন, অন্নক্লিষ্ট শত শত মানুহৰ দল। দীন-দুখীসকল গীৰ্জালৈ আহে শান্তনা বিচাৰি। কিন্তু তাৰ ঠাইত তেওঁলোকে দেখে কি? ক্ৰুছবিদ্ধ যীশুৰ সোণৰূপাৰ খচিত দেহৰ শাস্তিপাৰ আৰু সান্ত্বনা বিচাৰি অহা সেই দিন-দুখীসকলৰ কাৰণে সেই সোণৰূপৰ জিলিঙণি হৈ পৰে নিষ্ঠুৰ পৰিহাস। সেয়ে মাই উপলব্ধি কৰিছে। যে তেওঁ নিজেই মানুহক এই অন্যায়-অত্যাচাৰৰ কথা বজাই কব। কেতিয়াবা কেতিয়াবা এই ভাৱ দমন কৰি ৰখা তেওঁৰ বাবে কঠিন হৈ পৰে। ক্ৰমে তেওঁৰ দৃষ্টিত নতুন আলোকে ধৰা দিয়ে। তেওঁৰ আগত স্পষ্টভাবে জিলিকি উঠে প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য্য আৰু মানুহৰ প্ৰচণ্ড শক্তি।

নিকোলায়ে জেলৰ পৰা আহি মাক পাভেলৰ খবৰ দিয়ে আৰু কয় যে জেলতো পাভেলেই সকলো বন্দীৰেই নেতা। তেওঁক সকলোৱে মানি চলে, সন্মান কৰে আৰু জেল কৰ্ত্তৃপক্ষৰ লগত তেৱেঁই সকলোৰে হৈ কথা পাতে। শুনি মাই গৰ্ব্ব অনুভৱ কৰে।

নিৰ্বাসন আৰু জেইলত ৰুগ্ন হৈ ইয়েগৰৰ অপমৃত্যু ঘটাত মা শোকত কান্দি উঠে। তথাপি ইয়েগৰৰ তত্ত্বাৱধায়িকা লুডমিয়া শোকত ভাগ পৰাত মাই তেওঁক সান্ত্বনা, সাহস আৰু মনোবল দিবলৈ চেষ্টা কৰিলে। পিচে বিপ্লৱীৰ মৃত্যুতো শান্তি নাই। শৱাধাৰৰ ঢাকনিৰ পৰা ৰঙা ফিটাখোৰ পুলিচে জোৰেৰে খুলি পেলালে। সিহঁতে মানুহক এজন সহকৰ্মীক ইচ্ছানুসৰি কবৰ দিবলৈকো নিদিয়াত মাৰ প্ৰচণ্ড ঘৃণা জাগিল। তথাপি কমৰেডসকলে ইয়েগৰক বিদায় দি ক'লে—"বিদায় হে বন্ধু, বিদায়।" কবৰতলীত শ্ৰদ্ধা দিবেদন

কৰা ভেকাকো পুলিচে গ্ৰেপ্তাৰ কৰিলে। কাণ্ড দেখি গাৰোৱানেও খেদোক্তি কৰিলে।

গৰ্কীয়ে মাৰ চৰিত্ৰত কোনো দেৱত্ব বা অতিমানৱীয় গুণ আৰোপ কৰিব খোজা নাই। সেয়ে বৃহত্তৰ সমাজ দায়বদ্ধতাৰ স্বত্বেও তেওঁৰ মাতৃ হৃদয়ত পুত্ৰৰ বাবে স্নেহ-মমতা যেন উপচি পৰে দুখ-বেদনাত অন্তৰৰ কলিজা তেনেই সঙ্কুচিত হৈ যায়। তাৰ পিচত তেওঁৰ এই মাতৃ সুলভ ভাবনাৰ শিখাত বৃহৎ মানৱতাবোধৰ ভাৱনা যেন ডেই-পুৰি ছাই হৈ যায় আৰু সেই মহান গৌৰৱ-অনুভূতিৰ ছাইৰ মাজত সৃষ্টি হয় অসহ্য বেদনা, বুকুত ধৰফৰণি উঠে। তেওঁৰ ভাব হয় তাৰ সৰ্ব্বনাশ হ'ব .. সিহঁতে তাক মাৰি পেলাব'। এনে বেদনাৰ মাজতেই মাই পুত্ৰ পাভেলক কাৰাগাৰত লগ ধৰে। চতুৰ বুদ্ধিমত্তাৰে তেওঁ পাভেলৰ লগত কথাবাৰ্ত্তা আৰু ভাবৰ আদান প্ৰদানো কৰে। তাৰ মাজতেই মাৰ বিপ্লবী চেতনা বৃদ্ধি পায়। 'কমৰেড' বুলি মাতিলে তেওঁ বৰ আনন্দ পায়।

ৰিবিনক চুৰ সাজি পুলিচে ধৰি নি জাকজাক মানুহৰ মাজত সাজু কৰিলে। ৰিবিনে গম্ভীৰ ভাবে ক'লে, 'কৃষক বন্ধুসকল! মই চোৰ ডকাইত নহও। মই যুঁজ কৰোঁ নিচা, বেশ্যা আৰু অসত্যৰ বিৰুদ্ধে। এই কাৰণেই তেওঁলোকে মোক জব্দ কৰি আনিছে। এইযে প্ৰচাৰ পত্ৰ আৰু কিতাপ বিলাক তাতেই কৃষকসকলৰ প্ৰকৃত সত্য আৰু বাস্তৱজীৱনৰ কথা লেখা আছে। সেইবোৰৰ কাৰণেই মোৰ এই অৱস্থা হৈছে, বাইজৰ মাজত ময়েই সেইবোৰ বিলাই ফুৰিছো।" ৰিবিনৰ স্পষ্ট কথাত ক্ৰোধান্বিত হৈ চৰ্জেণ্ট এজনে জপিয়াই জপিয়াই ৰিবিনৰ মুখত, বুকুত, পেটত চৰ-ঘোচা মাৰিবলৈ ধৰিলে। ৰক্ত ৰঞ্জিত দুহাতেৰে বাইজক ওলগ জনোৱা ৰিবিনক সমবেত বাইজে চন্তৰীৰ হাতৰ পৰা মুক্ত কৰি দিয়ে। চিপাহীয়ে পুনৰ ৰিবিনক ধৰিব খোজাত ৰিবিনেও সাহস দেখুৱাই চিঞৰিলে—

"চয়তান, ইমান সাহস। মোৰ গাত আকৌ হাত উঠালে

কথা যেয়া হব কিন্তু।" অৱশ্যে মানুহবোৰ ঘৰাঘৰি যোৱাৰ পিছত বিবিনক পুলিচে পুনৰ হাত ভৰি বান্ধি গাড়ীত ভৰালে। গাড়ীৰ ভিতৰৰ পৰাই বিবিনে পুনৰ চিঞৰিলে— "তোমালোকে অনাহাৰে উপবাসে থকিবা কিয়? মুক্তিৰ কাৰণেই সংগ্ৰাম কৰা। প্ৰকৃত আজাদী হলেহে পাবা ৰুটি আৰু ন্যায়ৰ বিচাৰ। বন্ধুসকল, বিদায়।"

মাই ক্ৰমে পুতেক পাভেলৰ কথা গৰ্বেৰে কব পৰা হ'ল। এনে-দৰে— "ভাবনাৰে মানুহ আৰু বহুতো আছে আৰু নতুনকৈ জন্ম-লাভ কৰিছে। যিসকলে আজীৱন স্বাধীনতা, সততা আৰু মুক্তিৰ কাৰণে যুঁজ কৰিব।" জীৱনৰ ঘাত-প্ৰতিঘাত আৰু সুখ দুখৰ মাজেদি মাৰ অভিজ্ঞতা বাঢ়িছে আৰু কলত তেওঁৰ অন্তৰত প্ৰেম মৰম আৰু স্নেহ-দয়া বিকশিত হৈ উঠিছে। মাৰ মনত সুদৃঢ় প্ৰত্যয় জন্মিছে যে যিসকল মহৎলোক তেওঁলোকৰ শক্তি অসীম আৰু সময়ৰ সেইজন্য এই শক্তি বাঢ়িহে লাগিছে। যিদিনালৈকে বিজয় লাভ নহয়, সিমিনালৈকে সত্যই পুনৰ্জন্ম নেপায়, সেইদিনালৈকে এই শক্তি বাঢি যাব। মাৰ সাৰগৰ্ভ, সৈনত আৰু উদ্দীপনাময় বক্তব্য শুনি তাতিয়ানাই কবলৈ বাধ্য হ'ল—

"আপোনাৰ কথা শুনি ভাব হৈছে যে বাচি থাকিবলৈ হলে জীৱন এনেকুৱাই হোৱা উচিত আৰু কি আচৰিত, আপোনাৰ কথা শুনিহে চেতনা পাইছোঁ যে এইবিলাক কথা মইও চব জানো। কিন্তু এনেকুৱা কথা আগেয়ে কাৰো মুখত শুনাও নাই আৰু মই নিজেও ভবা নাই।" তাতিয়ানাই অভিযোগ দিলে— 'তুমিও প্ৰাৰ্থনা নকৰা। মইও ঈশ্বৰ নাই বুলিয়েই ভাবো। কোনো অলৌকিক শক্তিও হয়তো নাই"। মাই নিজৰ সবল বিশ্বাসেৰে উত্তৰ দিলে—

"ঈশ্বৰৰ অস্তিত্বৰ কথা ময়ো ভালকৈ নেজানো। কিন্তু যীশুৰ ওপৰত মোৰ বিশ্বাস আছে। তেওঁ কৈছিল—" তুমি নিজক যেনেকৈ ভাল পোৱা, তেনেকৈ ওচৰ চুবুৰীয়াকো ভাল পাবা।' এই কথাত

মই বিশ্বাস কৰোঁ ।"

শ্ৰমিক নেতাসকলৰ লগতে সাধাৰণ কৰ্মচাৰী নিকোলাই ইভানভিচ ইভৰো চৰম ত্যাগৰ মুহূৰ্ত্ত আহি পৰে । তেওঁৰ ঘৰ পুলিচে লণ্ড ভণ্ড কৰাৰ পিচত নিকোলায়ে মাকক কলে যে সোনকালেই তেওঁক চাকৰিৰ পৰাও বৰ্খাস্ত কৰিব । তাৰ বাবে তেওঁৰ আক্ষেপো নাই । কাৰণ খোৰাঁ নোহোৱা কৃষকৰ হিচাপ লেখি তেওঁ হায়ৰাণ হৈ গৈছে । সেইবোৰ কৰি পইচা লবলৈ নিকোলাইৰ লাজো লাগিছে । তথাপি তেওঁ দাসত্ব মানি নলয় । কাৰণদাসত্ব বৰণ কৰাসকল ঘৃননীয়ভাবে বিকাৰ গ্ৰস্তও হয় । নিকোলাই মাৰ মানৱ প্ৰেম দেখি অভিভূত হৈ কলে- "মানুহৰ ওপৰত আৰু তেওঁলোকৰ মুক্তিত আপোনাৰ অবিচল বিশ্বাস মা ! এই কাৰণেই আপুনি মোৰ মাতৃতকৈও মৰমৰ আৰু শ্ৰদ্ধেয়া ।" বন্ধুৱাসকলৰ ওপৰত অসীম আস্থা ৰাখি তেওঁ কৈ গ'ল —" কি সুন্দৰ এই মানৱ'বলাক, কি কম নিলভনা । মানে এই ডেকা বন্ধুৱাসকলৰ কি যে শক্তি । কি অনুভূতিশীল মন । জ্ঞানৰ কাৰণে তেওঁলোকৰ কি অদম্য হাবিয়াস ! তেওঁলোকৰ পিনে চালেই মনত পৰে ৰাচিয়াক । এই ৰাচিয়া এদিন পৃথিবীৰ সৰাতোকৈ গণতান্ত্ৰিক দেশ হৈ উঠিব ।" নিকোলাইৰ কণ্ঠত যে সেয়া ভাবীকালৰ সমাজতন্ত্ৰৰ ভবিষ্যৎবাণী । পাভেলৰ দৃঢ়তাৰ নিকোলাইয়ে শুদ্ধমত প্ৰকাশ কৰে — "মই পাভেলক খুব ভালকৈ জানো । তেওঁ কেতিয়াও জেলৰ পৰা পলায় নাহে । তেওঁ বিচাৰৰ সমুখীন হব খোজে । তেওঁ মূৰ ডাঙি, বুকু ডাঠি থিয় হব খোজে । এনেকুৱা এটা সুযোগ তেওঁ কেতিয়াও নেৰে । এবিৰই বা কিয় ? চাইবেৰিয়াৰ পৰা পিচত পলাই আহিব ।"

এনেদৰেই মাৰ মন-হৃদয়-সত্তাই স্নেহময়ী মাতৃৰ ঐশ্বৰ্য্যৰে পৰি-পূৰ্ণ হৈ পৰে । এই নাম নুশুনা আৰু চকুৰে নেদেখা বীৰ কৰ্ম্মী সকলৰ প্ৰতিমূৰ্ত্তি যেন মাৰ মনত ভাহি উঠে । মাৰ ভাব হয় যেন তেওঁৰ হৃদয়ৰ সমস্ত স্নেহ তেওঁলোকৰ প্ৰতি ঢালি দিব ।

সমস্ত মিলি একোটি বিৰাট মানৱ মূৰ্ত্তি ধৰি এই প্ৰতিমূৰ্তিবিলাক যাৰ কল্পনাত যেন জিলিকি উঠে। শৌৰ্য্য-বীৰ্য্যৰ অফুৰন্ত ভাণ্ডাৰ যেন এই পুৰুষৰ। সি যেন অবিৰাম এই পৃথিবীৰ বাজ পথত ধীৰে ধীৰে পদক্ষেপ কৰি আগবাঢ়িব লাগিছে আৰু দুহাতেৰে স্তুপীকৃত আৱৰ্জনা দূৰ কৰি মানুহৰ চকুৰ আগত ডাঙি ধৰিছে জীৱনৰ সহজ, সবল আৰু মহান সত্য, যি সঞ্জীৱিত কৰি তুলিছে মুমূৰ্ষু মানৱক। এই মহাপুৰুষে জনতাৰ মাজত বিলাই দিছে সাম্যৰ বাণী. বিলাই দিছে সমস্ত দুনিয়াক কলুষিত কৰা ত্ৰিদৈত্য-স্বৰূপ, মিছা, বেশ্যা আৰু লোভৰ পৰা মুক্ত হোৱাৰ অঘোষ বাণী!

আত্মোৎসৰ্গী আৰু সেৱাপৰায়ন মাই জেইলৰ পৰা ক্ষত-বিক্ষত দেহেৰে পলায় অহা ইগনতৰ ভৰি পিটিকি ধূই দি আটো-পুতো কৰা দেখি অভিভূত হৈ ইগনাতে আশ্চৰ্য্য প্ৰকাশ কৰিলে" এহাতে দেখিছো মুখত ঘোচা দিয়া আৰু আনহাতে দেখিছো ভৰি ধুৱাই মালিচ কৰা।" উচ্ছ্বসীত সুৰে সি কলে— "কৃষক বিলাকে নিজেই মাটি কাটি লব। কৃষকে এতিয়াই মাটি ভাগ বটোৱাৰ কৰি লোৱা কাম হাতত লৈছে। কিমান দিন থাকিব সিহঁতৰ জমিদাৰি? কৃষকসকলে তেজৰ সোঁত বোৱাই দিব, আৰু সেই তেজৰ সোঁতত উটি ভাহি যাব ধনী জমিদাৰৰ দল। তেতিয়া ধনীও নেথাকে আৰু গৰীবো নেথাকে। এয়ে হ'ব বাস্তৱ অৱস্থা। যদি এয়ে নহয় তেন্তে সংগ্ৰাম কিহৰ?"

স্বামীৰ কিলত বিয়াৰ আগৰ সকলো কথা মগজুৰ পৰা লোপ পোৱা বুলি ভবা মাই জেইলৰ পৰা বিবিনক পলোৱাত সক্ৰিয় ভূমিকা লব পৰা হ'ল আৰু পুলিচ-বাৰ্ডাৰকো ভুল পথ দেখুৱাই ঠগাব পৰা হ'ল। আদালতত পাভেল আন্দ্ৰেই'ভৰ বিচাৰ আৰম্ভ হ'ল। মাই উদ্বেগেৰে অপেক্ষা কৰিলে— এনেতে পাভেলৰ কণ্ঠস্বৰ শুনা গ'ল— "ইয়াত কোনো আচমীও নাই, আৰু বিচাৰকো নাই। আছে কেৱল বন্দী আৰু বিজেতা।" আন্দ্ৰেই হাত জোকাৰি

চকু পকাই সুধিলে— "মই জানিব পাৰোঁ নে কিহৰ দোষ স্বীকাৰ কৰিব লাগে? মই চুৰ কৰা নাই আৰু কাকো হত্যাও কৰা নাই। কেৱল এনেকুৱা এটা জীৱনৰ বিৰোধীতা কৰিছোঁ যি মানুহক চুৰ-ডকাইতি কৰিবলৈ আৰু পৰস্পৰে মৰা-কাটা কৰিবলৈ বাধ্য কৰে।"

মাজিৰে বুকু ডাঠি কলে,— "মই মোৰ পক্ষ সমৰ্থনৰ বাবে কোনো উকীল ধৰিবলৈ ৰাজী নহয়। মই কোনো জবাব নিদিও। এই আদালতৰ বিচাৰৰ কোনো অধিকাৰ নাই। কোনে তোমালোকক এই বিচাৰৰ অধিকাৰ দিলে? মই স্বীকাৰ নকৰো আৰু নেমানো।"

আচামীৰ কাঠগড়াৰ পৰাই পাভেলে এটা অতি মূল্যবান আৰু ঐতিহাসিকভাবে বিপ্লবী বক্তৃতা দিয়ে। ছোফিয়া, মা আৰু অন্যান্য কমৰেডসকলে সেই বক্তব্যৰ হাজাৰ হাজাৰ কপি ছপা কৰি সমগ্ৰ ৰাছিয়াতেই বিতৰণ কৰি বিপ্লবী জোৱাৰ তুলে। বক্তৃতাৰ কিয়দাংশ হ'ল— এটা পাৰ্টিৰ সভ্য হিচাপে মই কেৱল সেই দলৰ সিদ্ধান্তহে মানো। গতিকে আন্দোলনত মই মোৰ পক্ষ সমৰ্থনৰ কাৰণে থিয় দিয়া নাই।.. চৰকাৰী উকীলে অভিযোগ কৰিছে যে আমি চচিয়েল ডেমোক্ৰেছীৰ যি পতাকা লৈ শোভা যাত্ৰা কৰিছিলো, সেয়া হেনো চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহ। তেওঁৰ অভিযোগ হ'ল যে আমি জাৰৰ ক্ষমতাৰ পৰা ওফৰাই পেলোৱাৰ কাৰণেই এই বিদ্ৰোহ কৰিছোঁ। মই পৰিস্কাৰকৈ জনাব খোজো যে আমাৰ কৰ্ত্তব্য হ'ল জাৰৰ শিকলিৰ পৰা জনসাধাৰণক মুক্ত কৰা।"

"আমি কমিউনিষ্ট। অৰ্থাৎ আমি ব্যক্তিগত মালিকানাৰ বিৰোধী। সমাজত ধৰা ভাঙোন, পৰস্পৰৰ মাজত বিৰোধ, ব্যক্তি স্বাৰ্থৰ সংঘাত, মিছাৰ আশ্ৰয় আৰু মানুহৰ মাজত মিছা-বেশ্যা, শঠতা আৰু ঘৃণাবতাৰ সোমোৱাই দিয়াৰ কাৰণে দায়ী এই ব্যক্তিগত সম্পত্তিয়েই। আমি শ্ৰমিক। আমাৰ ধ্বনি হ'ল— 'ব্যক্তিগত

ব্যক্তিগত মালিকানা ধ্বংস হওক,' 'উৎপাদনৰ সকলো আহিলা আৰু সমস্ত ক্ষমতা জনসাধাৰণৰ হাতলৈ আহিব লাগিব,' 'কাম নকৰাকৈ কোনেও বহি খাব নোৱাৰিব,' অৰ্থাৎ আমি কেৱল বিদ্ৰোহীয়েই নহওঁ।"

"আমি বিপ্লৱী। যেতিয়ালৈকে সমাজত এদলে নিজে একো নকৰি আনৰ ওপৰত হুকুম চলাই যোৱাৰ আৰু এদলে কেৱল খাটি মৰিব লগাৰ ব্যৱস্থা থাকিব, তেতিয়ালৈকে আমি বিপ্লৱী হৈয়েই থাকিম। আমাৰ ওপৰত আপোনালোকে প্ৰভুৰ দৰে বহিছে হয়, আচলতে কিন্তু আপোনালোকৰ অৱস্থা আমাতকৈ নিকৃষ্ট অৱস্থাৰ গোলামৰ নিচিনাহে। আমাৰ দাসত্ব কেৱল দৈহিক—কিন্তু আপোনালোকৰ দাসত্ব মনৰ আৰু চিন্তাৰ।"

"চাওক, আপোনালোকৰ শ্ৰেণীৰ নৈতিক আদৰ্শৰ কাৰণে যুঁজ দিব পৰা আজি আপোনালোকৰ মাজত কোনো নাই। ইতিহাসৰ ন্যায্য বিচাৰত আত্মৰক্ষাৰ্থে যুক্তিৰ সঁফুৰা আপোনালোকৰ শেষ। ভাব জগতত নতুনত্ব আনিবলৈ আপোনালোক পঙ্গু। আধ্যাত্মিকতাত আপোনালোক বন্ধ্যা। কিন্তু নতুন চিন্তা, নতুন আদৰ্শৰ বাহক আমি। নতুন সেই চিন্তা, সেই আদৰ্শ আজি ভাব জগতত কামধেনুৰ দৰে জিলিকি উঠিছে আৰু ই উদ্বুদ্ধ কৰিছে, সংগঠিত কৰিছে স্বাধীনতাৰ সংগ্ৰামত শত সহস্ৰজনক। দুনিয়াৰ লক্ষ্য লক্ষ্য শ্ৰমিক আজি এই ভূমিকা আৰু কৰ্ত্তব্য পালনৰ কাৰণে মহান ঐক্যসূত্ৰত আৱদ্ধ।"

মাজিনেও দুৰ্দ্ধৰ্ষ সাহসেৰে ঘোষণা কৰিলে—"মই প্ৰতিজ্ঞা কৰিছোঁ, আপোনালোকে মোক য'লৈকেই নিৰ্বাসিত নকৰক লাগিলে, তাৰ পৰাই মই পলাই আহিম। আহি জীৱন থাকে মানে পুনৰ কামত লাগিম। এয়াই মোৰ প্ৰতিজ্ঞা।"

বিচাৰৰ নামত প্ৰহসন কৰাৰ পিচত পাভেল আন্দ্ৰে-মাজিনহঁতৰ নিৰ্বাসনৰ হুমুক দিয়া হ'ল। মাই সকলোকে বিদায় দি কলে—

"ভগৱানে তোমালোকৰ মঙ্গল কৰক। অৱশ্যে কান্দিবলৈ তেওঁৰ মন গৈছিল যদিও লাজ লাগিল। সকলোৱে মাক পুত্ৰ পাভেলৰ বাবে গৌৰৱৰ অধিকাৰী বুলি বখানিলে। ধ্বনি উঠিল— "ৰাচিয়াৰ শ্ৰমিক শ্ৰেণী দীৰ্ঘজীৱি হওক," "জনগণৰ শত্ৰু কচ দেশৰ ৰাক্ষসহঁত জহন্নামে যাওক।"

নিজ পুত্ৰৰ নিৰ্বাসনদণ্ড হোৱাৰ পিচত মাক তেওঁৰ অনুভৱৰ কথা সুধাত মাই কলে যে তেনে পুত্ৰ জন্ম দিয়াতো সুখ আছে আৰু তাৰ বাবে তেওঁৰ ভয়ো লগা নাই। অৱশেষত মাই খবৰ পালে যে নিকোলাইক সিহঁতে গ্ৰেপ্তাৰ কৰিলে। লুডুমিলাই নিজ জীৱনৰ ট্ৰেজেডী সুৰঁৰি থোকাথুকি মাতে ভাগি পৰা সময়ত মাই সুদীৰ্ঘ ভাষণেৰে সাহস দিলে—

"আমাৰ ডেকা-গাভৰু দলে এনেদৰেই আগবাঢ়ি যাবলৈ ধৰিছে। মই বুজিচোঁ, দলে দলে আমাৰ ডেকা-গাভৰুহঁত সমস্ত পৃথিৱীৰ চাৰিও পিনৰ পৰা লʼৰি আহিছে আৰু লক্ষ্যৰ অভিমুখে আগবাঢ়িছে। অন্তৰ যাৰ সকলোতকৈ নিৰ্ম্মল, বিশুদ্ধ, মন যাৰ নিস্কলঙ্ক আৰু শ্ৰেষ্ঠ, সিহঁতেই অবিৰাম গতিত শোষণ-পীড়ন, অত্যাচাৰৰ বিৰুদ্ধে অবিচল ভাবে যুঁজিছে। যি অসত্যতাক সিহঁতে গচকি-পিচি ধ্বংস কৰিছে। বয়সত সিহঁত চালুকীয়া। কিন্তু সিহঁতৰ স্বাস্থ্য, শক্তি, উদ্যম আছে আৰু লক্ষ্য সাধন আৰু ন্যায় প্ৰতিষ্ঠাৰ বাবে সমস্ত শক্তি নিয়োজিত কৰিছে। সিহঁতেই পৃথিৱীলৈ নতুন সূৰ্য্যৰ পোহৰ আনিব। সিহঁতে সমস্ত ছিগা-ভগা বুকু জোৰা লগাব, একগোট কৰিব। জীৱনক সিহঁতে প্ৰতিষ্ঠা কৰিব সত্য, শুদ্ধ আৰু পবিত্ৰ কৰি। কৰিবই কৰিব। আমাৰ এই যুৱক-যুৱতী দলৰ বিশ্ব প্ৰেম আৰু মানৱতাৰ পৰাই সৃষ্টি হব পৃথিৱীত জীৱনৰ নতুন সুঁতি। এই প্ৰেম আৰু ভালপোৱা বোধ কৰিবৰ কাৰোৰ শক্তি নাই। কোন শক্তি আছে ইয়াতকৈও মহান? এই নৱ প্ৰেৰণা আৰু উদ্বুদ্ধ শক্তিক দমন কৰিবৰ ক্ষমতা কাৰোৰে নাই। ধৰণীয়ে

তাক জন্ম দিছে আৰু সমস্ত জীৱনে তাৰ বিজয় বিচাৰিছে– সমস্ত জীৱনে।"

পুত্ৰেকে পাভেলৰ ছপা বক্তৃতা বিলাবলৈ পাই গৌৰৱ অনুভৱ কৰি মাই লুড্‌মিলাক কয়–

"যাওঁ সোনকালেই যাওঁ। তুমি নেজানা মই কিমান বং পাইছোঁ। লোকৰ আগত মই নিজ তেজ-মাংসৰে গঢ়া আপোন পুত্ৰৰ বাণী প্ৰচাৰ কৰিব পাৰিম। ই যে কিমান আনন্দৰ আৰু কিমান সুখৰ কথা। মোৰ আত্মাকে যেন তেওঁলোকক বিলাই দিম।" গভীৰ উপলব্ধিৰে মাই আৰু কলে— "জনতাৰ মন্দিৰত আজি নতুন দেৱতাই জন্ম লাভ কৰিছে। এই গণদেৱতাৰ অৰ্থ মই বুজিছোঁ- সকলোৱেই প্ৰত্যেকৰ কাৰণে, প্ৰত্যেকেই সকলোৰে কাৰণে, প্ৰকৃত কথা হ'ল আমি সকলোৱে সহযাত্ৰী সহকৰ্মী-কমৰেড। একেই সঙ্গী, একেই প্ৰাণ। আমাৰ সকলোৰে জননী হ'ল সত্য। সত্যই আমাৰ মাতৃ। এই সত্যৰ আমি সকলো সন্তান।" লুড্‌মিলাই আবেগেৰে কলে।

"মা, আপোনাৰ লগত থাকি কিমান ভাল লাগে তাক আপুনি জানে ?"

পাভেলৰ বাণী বিলাই মা এতিয়া ভয়মুক্ত। পাভেলহঁতে যেতিয়া ভয় কৰাই নাই তেওঁ কিয় ভয় কৰিব। ভয় কৰা মানে পাভেলহঁতক অপমান কৰাহে হব। গতিকে সকলো দ্বিধা সংশয়, মনৰ দোধোৰ-মোধোৰ ভাব আৰু বুকুৰ ধিপধিপনি মাই চম্ভালি ললে। অৱশেষত চোৰাংচোৱাই তেওঁৰ পিচ ললে। বেঞ্চ এখনতে বহি থকা মাক গাৰ্ড এটাই চুৰুণী বুলি কৈ মাৰ গালত চৰ-ঘোচা মাৰিবলৈ ধৰিলে। মই তেওঁ চুৰুণী নহয়, সেয়া মিছা কথা বুলি টেটুকালি চিঞৰিলে 'চোৰা, সকলোৱে চোৰা' বুলি খপহকৰে কাগজ এসোপা মুঠিত লৈ থিয় হৈ মুৰৰ ওপৰত জোকাৰিবলৈ ধৰিলে। মানুহবোৰ চাৰিওকালৰ পৰা মাৰ কাষলৈ দৌৰি আহিল। মাই কলো—

"কালি নিশা বিচাৰ হৈ যোৱা বাজবন্দীবিলাকৰ এজন মোৰ ল'ৰা ভ্লাছভ পাভেলৰ আদালতৰ বক্তৃতা ছপা কৰি আপোনালোকৰ মাজলৈ লৈ আহিছোঁ। এইবোৰ পঢ়ি শুনি আচল সত্য কি বুজিব আৰু জানিব।"

প্ৰচাৰ পত্ৰবোৰক লৈ মানুহৰ মাজত হুলস্থূল লাগি যোৱাত আৰু সেইবোৰ কিছুমানে কোটৰ জেপত আৰু কিছুমানে চোলাৰ ভিতৰত ভৰাই লোৱা দেখি সাহস কৰি মাই কলে—

"দৰিদ্ৰতা, অনাহাৰ আৰু নানা ৰোগ, নানা ৰোগ-ব্যাধি। এয়ে হ'ল মেহনতী মানুহৰ পৰিশ্ৰমৰ ফলাফল। হাৰভঙা খাটনিৰ বিনিময়ত আমি তাকেই পাইছোঁ। আমি পাওঁ কুকুৰৰ জীৱন। আৰু আমাৰ মুৰৰ ওপৰত ধনীৰ দলে লুটি লয় দুনিয়াৰ সকলো সুখ-সম্ভোগ। মোৰ পুত্ৰই যি কথা কৈ গৈছে সেয়া খাঁটি মেহনতী মানুহৰ প্ৰাণৰ কথা- যিসকলে নিজৰ আত্মাক কাৰোৰ ওচৰত বিক্ৰী নকৰে। তেওঁৰ নিৰ্ভীক কথা শুনিলেই বুজা যায় যে সেয়া নিৰ্ভাঁজ সত্য কথা,"

হঠাৎ মাৰ বুকুত প্ৰচণ্ড আঘাত পৰিল! মা বেঞ্চৰ পৰা ঢলি পৰিল তথাপি নিজক চম্ভালি মাই চিঞৰিলে— "মজুৰ ভাইসকল তোমালোকৰ ছিন্ন-ভিন্ন শক্তি একত্ৰিত কৰি এক মহা শক্তিত পৰিণত কৰা। তোমালোকে ভয় নাখাবা গোটেই জীৱন ধৰি তোমালোকে যি অত্যাচাৰ ভোগ কৰিছা, তাতকৈ ভয়ঙ্কৰ শাস্তি একো নাই। যি যন্ত্ৰনাই তিলতিলকৈ প্ৰতি দিনে মৃত্যুৰ মুখলৈ ঠেলি দিয়ে তোমাৰ সৰ্ব্ব শক্তি শুহি নিয়ে তাতকৈ বেচি যন্ত্ৰণা দুখ-বেদনা একো নাই।"

"চুকণী, ডাইনী" বুলি গালি পাৰি আঘাত কৰাত মাৰ বিস্ফোৰণৰ দৰে চকু-মুখ জ্বলি উঠিল। শৰীৰ অন্তিম শক্তি প্ৰয়োগ কৰি মাই চিঞৰিলে— "মোৰ পুনৰুজ্জীৱিত আত্মাক সিহঁতে হত্যা কৰিব নোৱাৰে। আমাৰ মনবোৰক বক্তাক্ত কৰাৰ সাধ্য ইহঁতৰ নাই।"

মাৰ মৃতুত, গাত, পিঠিত চাবিওকালৰ পৰা আউৰিয়ে আউৰিয়ে কিন্ত পৰিবলৈ ধৰিলে। বেদনাত অৱশ হ'লেও মাৰ চকুৰ তীব্ৰ জ্যোতি হ্ৰাস নেপালে। তেওঁৰ চকুৰ দৃষ্টি জনতাৰ লগত মিলি গ'ল। মাই দেখিলে সেই দুঃসাহসী চকুযোৰত জলন্ত অগ্নি শিখা। চিপাহীয়ে টানি নিয়া মাই ক'লে—

"সত্যক তহঁতে ৰক্তসমুদ্ৰত ডুবাই দিব নোৱাৰ। মুৰ্খ হঁত! নিতৌ তহঁতে জগাই তুলিছ তহঁতৰ প্ৰতি মানুহৰ ঘৃণা আৰু তীব্ৰ বিদ্বেষ। এনে দিন আহিব, যিদিনা তহঁত সেই বিদ্বেষ আৰু ঘৃণাৰ অগ্নিত জাহ যাবি"। চিপাহীয়ে মাৰ ডিঙি চেপি ধৰিলে। মাৰ উশাহ বন্ধ হোৱাৰ উপক্ৰম হ'ল। মাৰ অস্পষ্ট স্বৰ ধ্বনিত হ'ল: "হতভাগা, মুৰ্খৰ দল ...।" কোনোবাই উচুপি কান্দিলে আৰু তীব্ৰ ঘৃণা তথা ভয়ানক অভিশাপ প্ৰকাশ পালে মাৰ মহৎ আত্মোৎসৰ্গত।

এই বৃহৎ আৰু মহৎ উপন্যাসখনত জীৱনৰ প্ৰধানতম অঙ্গ প্ৰেমক একেবাৰে আওকাণ কৰা হোৱা নাই। কিন্তু বৃহত্তম মানৱ প্ৰেমৰ জোৱাৰত দৈহিক প্ৰেম উপভোগ চৰিতাৰ্থ হোৱাৰ আহৰি এই যুযুৎসু মহাকাব্যত পাব পৰা নাই। যথা পাভেল আৰু ছাশাৰ প্ৰেমৰ সম্পৰ্কত ইয়েগৰে মাক কৈছে—

"পাভেল আৰু ছাশাই মিলনৰ সুযোগ পোৱা নাই। আপুনি দেখিছেই নহয়— তাই যেতিয়া বাহিৰত, পাভেল তেতিয়া জেলত আৰু পাভেল যেতিয়া বাহিৰত, তাই তেতিয়া জেলত"। ছাশাই মাক কৈছে —

"হয়তো সিহঁতে মোকো ছাইবেৰিয়ালৈ নিৰ্বাসন দিব পাৰে। তেতিয়া তেওঁ(পাভেল) য'ত থাকে তালৈকে মোকো পঠাবলৈ কম।" ইফালে মাৰ স্বাভাৱিক মাতৃসুলভ বাসনা প্ৰকাশ পাইছে— "তাৰ পাছত, তোমালোকৰ (পাভেল-ছাশাৰ) যেতিয়া ল'ৰা-ছোৱালী হ'ব মই তেতিয়া তোমালোকৰ লগলৈ গৈ সিহঁতক ওমলাম। আৰু

আমি তাতেই ভালদৰে দিন কটাম। পাভেলে কাম যোগাৰ কৰি ল'ব। তাৰ হাত চুমা খাম।"

নিকোলাইও তাৰ প্ৰেম-বিচ্ছেদৰ বৰ্ণনা মাক দিছে "মোৰ বিশ্বাস ছোৱালীজনীয়েও মোক ভাল পাইছিল। কিন্তু ঘটনা হ'ল- মই যেতিয়া জেলত, তেওঁ তেতিয়া বাহিৰত। মই যেতিয়া বাহিৰত তেওঁ তেতিয়া জেলত বা নিৰ্বাসনত। শেষত এজন ভাল কমৰেডেই ঘনিষ্ঠ হৈ তেওঁক বিয়া কৰালে।"

আন্দ্ৰে (খোখল) আৰু নাটাছাৰ প্ৰেমো তদ্ৰূপ ব্যস্ততাৰ মাজত অপ্ৰকাশিত আৰু অপূৰ্ণ হৈ ৰ'ল।

মুঠতে কোটি কোটি শ্ৰমজীৱি মানুহৰ জীৱন বেদ, সংগ্ৰামী মানুহৰ প্ৰেৰণাৰ উৎস আৰু বিপ্লৱী সমাজতান্ত্ৰিক আদৰ্শ-চিন্তা-চৰ্চা সংগঠন-উত্তৰণৰ মহাকাব্য মেক্সিম গৰ্কীৰ 'মা' বিশ্ব সাহিত্য তথা গণমানসত একক, অদ্বিতীয় অৰু চিৰ সেউজ হৈ আছে আৰু থাকিব। ই হ'ল শ্ৰমিক শ্ৰেণীৰ মানৱতাবাদৰ পূৰ্ণ প্ৰকাশ। ●

(আলোচনাটোৰ বাবে শ্ৰীযদুনাথ শইকীয়া অনুদিত, হেম শৰ্মাৰ দ্বাৰা সম্পাদিত আৰু মস্কোৰ 'ৰাদুগা' প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত "মা" গ্ৰন্থৰ মুখ্যতঃ আলম লোৱা হৈছে।)

কলমৰ সৈনিক মুন্সী প্ৰেমচন্দ

"সাহিত্যিকৰ কাম কেৱল আনন্দ দিয়াই নহয়। সেইটো হ'ল বিদূষকৰ কাম। সাহিত্যিকৰ স্থান ইয়াতকৈ বহুত ওপৰত। তেওঁ আমাৰ পথ প্ৰদৰ্শক। তেওঁ আমাৰ মনুষ্যত্বক জগাই তোলে, সদ্ভাৱৰ সঞ্চাৰ কৰে আৰু দৃষ্টিক স্বচ্ছ কৰে। অন্ততঃ সেইটোৱেই তেওঁৰ উদ্দেশ্য হোৱা উচিত। ...কোনো বিষয়ৰ নীৰস বৰ্ণনাই প্ৰচাৰ। অনুভূতি আৰু সৌন্দৰ্যাৰে সিক্ত প্ৰচাৰেই প্ৰকৃত সাহিত্য। ...কেৱল ৰাজনৈতিক নেতাসকলেই দেশৰ মানুহৰ ভাগ্য ঘূৰাই আনিব নোৱাৰে। লেখক আৰু শিল্পী সকলৰ তেনে কামত গুৰুত্বপূৰ্ণ ভূমিকা আছে।" (প্ৰেমচন্দ)।

কেৱল মনোৰঞ্জনৰ বাবে কেতিয়াও কলম নধৰা "প্ৰেমচন্দ কেৱল এজন বহুমুখী লেখকেই নাছিল— তেওঁ আছিল সমাজতান্ত্ৰিক, আজন্ম বিদ্ৰোহী, দেশপ্ৰেমিক, স্বাধীনতা সংগ্ৰামী আৰু ভাৰতীয় সাহিত্যৰ প্ৰগতি আন্দোলনৰ অগ্ৰদূত। এই শতিকাৰ দ্বিতীয় দশকত হিন্দী আৰু উৰ্দু সাহিত্যলৈ তেওঁ বাস্তৱতাৰ এক নতুন ঢৌ আনিছিল আৰু বাস্তৱবাদী সাহিত্যত এক দিগন্তৰ তেওঁ সূচনা কৰিছিল।" (ডাঃ কামাল ৰাইচ)।

জীৱন আৰু সৃষ্টি

এই অবিনাশী বিপ্লৱী পুৰোধা, যাৰ গল্পৰ ভূমিকা লেখাৰ যোগ্যতা কেৱল ৰবীন্দ্ৰনাথৰ হে আছিল বুলি স্বয়ং শৰৎচন্দ্ৰইও মন্তব্য কৰিছিল, প্ৰেমচন্দৰ জন্ম হৈছিল বাৰানসীত ১৮৮০ চনৰ ৩১ জুলাইত। নিম্ন মধ্যবিত্ত পৰিয়ালত জন্মা প্ৰেমচন্দৰ মাতৃভাষা আছিল উৰ্দু হে। তেওঁৰ আচল নাম আছিল ধনপত ৰায়। ১৯০৬ চনত তেওঁৰ গল্পপুথি বুটিছ চৰকাৰে বাজেয়াপ্ত কৰাত বাধ্য

হৈ ঘনিষ্ঠ বন্ধু দয়ানাৰায়ণ নিগমৰ প্ৰস্তাৱ ক্ৰমে তেওঁ 'প্ৰেমচন্দ' বুলি ছদ্মনাম গ্ৰহণ কৰে। ৭ বছৰ বয়সতেই তেওঁ মাতৃক হেৰুৱায় আৰু ১৮৯৭ চনত এণ্ট্ৰেন্স পৰীক্ষাৰ আগতেই তেওঁৰ পিতৃৰো মৃত্যু হয়।

এণ্ট্ৰেন্স পাচ কৰি প্ৰেমচন্দই মাহে ৫ টকাত ছাত্ৰ পঢ়াবলৈ লয়। ১৮৯৯ চনত মাহে ১৮ টকাত চুনাৰৰ মিচনেৰী স্কুল এখনত শিক্ষকতা আৰম্ভ কৰে। তাৰ পিচত মাহে ২৫ টকাৰ দৰমহাত কানপুৰৰ চৰকাৰী বিদ্যালয়ত যোগদান কৰে। ১৯০৩ চনৰ ভিতৰত প্ৰেমচন্দৰ প্ৰথম উৰ্দু উপন্যাস 'আসৰাৰে মআবিদ' (মন্দিৰৰ ৰহস্য) প্ৰকাশ পায় সাপ্তাহিক কাকতত ধাৰাবাহিক হিচাপে। তেওঁৰ দ্বিতীয় উপন্যাস "হম খুৰমা-ব-হম-সওয়াৰ" (হিন্দী ৰূপান্তৰ 'প্ৰেমা') ১৯০৭ চনত প্ৰকাশ পায়। অকুতোভয় সৈনিকৰ ভূমিকাত উপন্যাসৰ মাজেদি ক্ৰমে প্ৰেমচন্দৰ কালজয়ী প্ৰতিভাৰ স্ফুৰণ ঘটিবলৈ ধৰে।

১৯০৭ চনত প্ৰেমচন্দৰ 'কিশনা' উপন্যাসৰ বিজ্ঞাপন আৰু সমালোচনা "জমানা" কাকতত প্ৰকাশ পাইছিল যদিও আৰু পিছত পোৱা নগ'ল। ধাৰণা হয় যে সেই উপন্যাস পৰৱৰ্তী উপন্যাস 'গবণ'ৰ প্ৰেৰণা আছিল। ১৯০৬ চনত প্ৰেমচন্দই ১মা পত্নীৰ লগত মনোমালিন্য হোৱাত বালবিধবা শিৱৰাণী দেৱীক বিয়া কৰে।

প্ৰেমচন্দৰ প্ৰথম চুটিগল্প — "দুনিয়া কা সবসে অনমোল ৰতন" ১৯০৭ চনত প্ৰকাশ পায়। তেওঁৰ প্ৰথম চুটিগল্পৰ সংকলন "সোজ এওয়াতন" ১৯০৮ চনত ৫টা গল্পসহ প্ৰকাশিত হয়। গল্পবোৰ আছিল দেশাত্মবোধক। এই গল্পপুথিখন জিলা মেজিষ্ট্ৰেটে বাজেয়াপ্ত কৰা বাবেই ধনপতৰায়ে প্ৰেমচন্দ ছদ্মনাম ল'বলৈ বাধ্য হ'ল। এই ছদ্মনামেৰে প্ৰথম প্ৰকাশ হয় তেওঁৰ "বৰে ঘৰ কী বেটি" নামৰ বিখ্যাত চুটিগল্পটো। এই গল্পতেই প্ৰেমচন্দই পোন প্ৰথমে আঁকে বাস্তৱজীৱন আৰু সামাজিক সমস্যাৰ ছবি। এই গল্পৰ দ্বাৰাই তেওঁ সাহিত্যজগতত অমৰ শিল্পী হোৱাৰ জয়যাত্ৰা আৰম্ভ কৰে।

১৯১১ চনত মুন্সী প্ৰেমচন্দৰ "জালওৱাই ইসৰ" নামৰ উপন্যাসখন ছপা হয়— যিখন "বৰদান" নামে হিন্দীভাষালৈ অনুদিত হয়। গ্ৰাম্যজীৱনৰ সাৰ্থক বৰ্ণনা আৰু অপৰিসীম দাৰিদ্ৰতা তথা শোষণৰ বাস্তব চিত্ৰ তেওঁৰ ৰচনাত প্ৰকাশ পাবলৈ ধৰে। ৰোগৰ চিকিৎসাৰ বাবে ছুটি লৈ প্ৰেমচন্দই ঘৰত থকাৰ সময়ত তেওঁৰ বিখ্যাত গল্প সংকলন "প্ৰেম-পঁচিশী"ৰ প্ৰথমখণ্ড প্ৰকাশ পায়। "বড়ে ঘৰ কি বেটি" "নমক কা দাৰোগা" "ৰাণী সাৰন্ধা" প্ৰভৃতি গল্প সেই সংকলনৰ অন্তৰ্ভুক্ত হৈছিল। জিলাৰ তহচিলদাৰ শ্ৰীযুত ত্ৰিবেদীৰ উৎসাহৰ ফলতেই তেওঁৰ হিন্দী ভাষাৰ প্ৰতি অনুৰাগ বাঢ়ে আৰু প্ৰেমচন্দই হিন্দীত সাহিত্য ৰচনা কৰিবলৈ আৰম্ভ কৰে।

১৯১৬ চনত প্ৰেমচন্দ গোৰক্ষপুৰ নৰ্ম্মাল স্কুলৰ শিক্ষকৰ পদত নিযুক্ত হয়। ১৯১৭ চনত তেওঁৰ প্ৰথম হিন্দী গল্প-সংকলন "সপ্ত সৰোজ" প্ৰকাশিত হয়। অলপ দিনৰ পিছতেই তেওঁৰ আন এটা গল্প সংকলন "প্ৰেম পূৰ্ণিমা"ও প্ৰকাশ পায়। ১৯১৬-১৭ চনত উৰ্দুভাষাত ৰচনা কৰা প্ৰেমচন্দৰ প্ৰথম সাৰ্থক উপন্যাস "সেৱা সদন" ১৯১৮ চনত হিন্দী ভাষাত প্ৰকাশ হয়। বোধ হয় হিন্দী আৰু উৰ্দু ভাষাত "সেৱাসদনে"ই প্ৰথম সাৰ্থক সামাজিক উপন্যাস। এই উপন্যাসেৰে প্ৰেমচন্দই সৰ্ব্বপ্ৰথম পাঠকক জীৱনৰ কঠোৰ বাস্তৱ ৰূপৰ মুখামুখী কৰি দিয়ে। ১৯২০ চনত ৰচনা সমাপ্ত কৰা তেওঁৰ দ্বিতীয় মহৎ উপন্যাস "প্ৰেমাশ্ৰম" প্ৰকাশ পায় য'ত ক্ৰমবৰ্দ্ধমান স্বাধীনতা সংগ্ৰামৰ পটভূমিত গান্ধীজীৰ সত্যাগ্ৰহ আন্দোলন, ৰাও লাট আইন, জালিয়ানৱালাবাগৰ হত্যাকাণ্ড আদিৰ প্ৰভাৱ পৰিছিল।

গোৰক্ষপুৰত থাকোঁতেই প্ৰেমচন্দই এলাহাবাদ বিশ্ববিদ্যালয়ৰ পৰা বি. এ, পাচ কৰে। ক্ৰমে চৰকাৰী গোলামীৰ প্ৰতি বিৰক্ত হৈ উঠে। কালেক্টৰ চাহেবৰ লগত তেওঁৰ কাজিয়া আৰম্ভ হয়। আনকি তেওঁ আদালতত মানহানিৰ কেচো ৰুজু কৰে। অৱশেষ শেষত উভয়পক্ষৰ মাজত আপোচ হয়। ফলস্বৰূপে প্ৰেমচন্দই চৰকাৰী চাকৰি

ইস্তফা দিয়ে ১৯২৯ চনৰ ১৫ ফেব্ৰুৱাৰীত। তাৰ পিচত "মৰ্য্যাদা" আৰু "আজ" কাকতত নিয়মিত ভাৱে লেখিবলৈ লৈ প্ৰেমচন্দই "সৰস্বতী প্ৰেছ" নামৰ এটা প্ৰেছ খুলি বৰ খৰচান্ত আৰু হাৰাশাস্তি হয়।

১৯২২ চনৰ পৰা প্ৰেমচন্দই সাহিত্য সাধনাত বিশেষ মনোযোগ দিবলৈ ধৰে। ১৯২৪ চনৰ ভিতৰত তেওঁ "সংগ্ৰাম" আৰু "কাৰবালা," বহুতো চুটিগল্প আৰু তেওঁৰ বিখ্যাত উপন্যাস "ৰঙ্গভূমি'ৰ ৰচনা সম্পূৰ্ণ কৰে। সামাজিক অন্যায়ৰ বিৰুদ্ধে শিৰ উচ্চ কৰি থিয় হোৱাৰ বলীষ্ঠ আবেগিক আহ্বান এই উপন্যাসত প্ৰকাশ পায়। দ্ৰুতগতিত জনপ্ৰিয়তা লাভ কৰা প্ৰেমচন্দক উৰ্দু আৰু হিন্দী পাঠক সমাজে "সাহিত্য সম্ৰাট" উপাধি প্ৰদান কৰে। ১৯২৪–২৭ চনৰ ভিতৰত প্ৰেমচন্দই "সেৱা সেৱ গেহু" "শতৰঞ্জ কে খিলাড়ী" আৰু "কায়াকল্প" উপন্যাস কেইখন প্ৰথম হিন্দীতে লিখি ছপা কৰে। সেই সময়ত আলোৱাৰৰ মহাৰাজাই তেওঁক মাহে চাৰিশ টকা দৰ্মহা, এখন মটৰগাড়ী আৰু এটা বঙলাসহ চাকৰি যাচে। কিন্তু স্বাধীনমনা প্ৰেমচন্দই সেই অপমানজনক প্ৰস্তাৱ প্ৰত্যাখ্যান কৰে। এই কালছোৱাৰ ভিতৰতে তেওঁ "নিৰ্ম্মলা" আৰু "প্ৰতিজ্ঞা" নামৰ উপন্যাস দুখন আৰু তেওঁৰ হাস্যমুখৰ গল্প "মোটেৰাম শাস্ত্ৰী" নামৰ গল্প প্ৰকাশ পায়। এই ব্যঙ্গগল্পটোৰ বাবে প্ৰেমচন্দৰ বিৰুদ্ধে লক্ষ্মৌৰ এজন বিখ্যাত বৈদ্যই আদালতত মোকৰ্দ্দমা তৰে যদিও লেখক অভিযোগমুক্ত হয়। মুন্সী প্ৰেমচন্দৰ লেখা ইমান ক্ষুৰধাৰ সামাজিক অন্যায়, কুসংস্কাৰ, শোষণ অত্যাচাৰ বিৰোধী হৈছিল যে কোনো কোনো সমালোচকে তেওঁক "ঘৃণা আৰু হিংসাৰ মতবাদ" প্ৰচাৰক বুলিও আক্ৰমণ কৰিছিল। তেওঁৰ কলমৰ এনে প্ৰচণ্ড শক্তিৰ বাবেই প্ৰেমচন্দক "কলমৰ সৈনিক" বুলি সঠিক ভাবেই আখ্যা দিয়া হৈছে।

১৯৩১ চনত সৰস্বতী প্ৰেছৰ পৰাই প্ৰেমচন্দৰ অমৰ উপন্যাস

"গবণ" প্ৰকাশ পায়। ১৯৩২ চনত তেওঁৰ অন্য এখন মহৎ উপন্যাস "কৰ্ম্মভূমি" প্ৰকাশিত হয়। তেওঁৰ মৃত্যুৰ অলপ দিনৰ আগতে ১৯৩৬ চনৰ জুন মাহত "গোদান" নামৰ বিখ্যাত উপন্যাস খন ছপা হয়। অসুস্থ অৱস্থাতে প্ৰেমচন্দই "মঙ্গলসূত্ৰ" নামৰ আন এখন উপন্যাস ৰচনাত হাত দিছিল যদিও সেইখন সম্পূৰ্ণ কৰিবলৈ তেওঁ কাল নেপালে। 'গবণ,' "কৰ্ম্মভূমি" আৰু "গোদান" এই উপন্যাসত্ৰয়ীয়ে প্ৰেমচন্দক হিন্দী সাহিত্যৰ সৰ্ব্বকালৰ অমৰ উপন্যাস সম্ৰাট কৰি ৰাখিছে।

১৯৩৭ চনত প্ৰেমচন্দই 'মজদুৰ' নামৰ হিন্দী বোলছবি এখনৰ সংলাপ ৰচনা কৰে। পিচে ছবিখনে শ্ৰমিকসকলৰ মাজত প্ৰচণ্ড আলোড়ণৰ সৃষ্টি কৰাত ভাৰত চৰকাৰে ছবিখনৰ প্ৰদৰ্শনী বন্ধ কৰি দিয়ে। এনে বিপ্লৱী উত্থানৰ ভয়তেই প্ৰেমচন্দৰ গল্প-উপন্যাসৰ চিত্ৰৰূপ দিবলৈ প্ৰযোজকসকল অনিচ্ছুক হ'ল। চিনেমা জগতৰ এনে ভণ্ডামী দেখি ১৯৩৫ চনৰ ৪ এপ্ৰিলৰ চুক্তিৰ শেষৰ আগতেই প্ৰেমচন্দই বোলছবিৰ জগত ত্যাগ কৰে।

প্ৰেমচন্দই লেখক জৈনেন্দ্ৰৰ লগলাগি হিন্দী আৰু উৰ্দু লেখক-সকলক একত্ৰিত কৰি সংগঠিত কৰাৰ উদ্দেশ্যেৰে হিন্দুস্তানী সভাৰ শাখা গঠন কৰে। ১৯৩ চনৰ ১০ এপ্ৰিলত লক্ষ্ণৌত বহা প্ৰগতিশীল লেখক সন্মিলনত প্ৰেমচন্দই সভাপতিত্ব কৰে। তেওঁ সভাপতিৰ অভিভাষণত কয়— "মোৰ এই কথা ঘোষণা কৰাত কোনো দ্বিধা নাই যে অন্যান্য সম্পদৰ দৰে সাহিত্যকো আমি জনকল্যানৰ মাপকাঠীৰে বিচাৰ কৰিব লাগিব। আমাৰ সৌন্দৰ্য্যবোধৰ ধাৰণাকো বদলাই পেলাব লাগে। কলা বুলিলে এতিয়াও সংকীৰ্ণ অৰ্থত কেৱল মাত্ৰ আঙ্গিকৰ গুৰুত্বকেই বুজায়। জীৱন সংগ্ৰামৰ যোগেদি যি শ্ৰেষ্ঠ সৌন্দৰ্য্যৰ প্ৰকাশ ঘটিছে তাক লক্ষ্য কৰা ধৰণৰ ধাৰণা এতিয়াও কলা শিল্পত গঢ়ি উঠা নাই। ...যি সকল অৰ্থলোভী সাহিত্যৰ মন্দিৰত তেওঁলোকৰ স্থান নাই। ইয়াত মাথোঁন সেইসকল

ভক্তৰ স্থান হ'ব যিসকলে জনসেৱাকেই জীৱনৰ একমাত্ৰ লক্ষ্য ৰূপে গ্ৰহণ কৰিছে, যি সকলৰ গভীৰ বেদনা অনুভৱ কৰাৰ ক্ষমতা আছে আৰু যি সকলে প্ৰকৃত ভালপোৱাৰ শক্তিৰে শক্তিমান হৈ উঠিব পাৰে। ..আমিয়েই হলো অগ্ৰণী সৈনিক আৰু আমিয়েই সমাজৰ পতাকা উৰ্দ্ধত তুলি ধৰোঁ।"

১৯৩৬ চনৰ জুনত 'আজ' পত্ৰিকাৰ কাৰ্য্যালয়ত অনুষ্ঠিত মেক্সিম গৰ্কীৰ মৃত্যুৰ শোক সভাত প্ৰেমচন্দই যোগদান ক'ৰে আৰু সেই উপলক্ষে এটি ভাষণো ৰচনা কৰে। কিন্তু সভাতে তেওঁ অতি দুৰ্ব্বল হৈ পৰাত ভাষণটি আনে পাঠ কৰিব লগা হয়। "হংস" পত্ৰিকাৰ চেপ্তেম্বৰ সংখ্যাত প্ৰেমচন্দৰ শেষ ৰচনা "মহাজনী সভ্যতা" প্ৰকাশিত হয়। সেই ৰচনাতেই তেওঁৰ শিল্প ভাৱনাৰ শেষ কথা প্ৰকাশ পায়। তাত প্ৰেমচন্দই লেখিলে "এই পুঁজিবাদী সংস্কৃতিত অৰ্থলাভেই সকলো কাৰ্য্যকলাপৰ একমাত্ৰ লক্ষ্য। পুঁজিপতি আৰু মহাজনসকলে যাতে মুনাফাৰ পাহাৰ বনাব পাৰে সেই উদ্দেশ্যেৰেই প্ৰতিখন সমাজৰ তথা দেশৰ শাসন পৰিচালিত হয়। মানব সমাজ আজি দুটা ভাগত ভাগহৈ গৈছে। .. দূৰ প্ৰতিচ্যত নতুন সভ্যতাৰ সূৰ্য্য উদয় হৈছে। এই সভ্যতাত মহাজনীৰাজ বা পুঁজিবাদৰ উচ্ছেদ হৈছে।"

প্ৰেমচন্দৰ জীৱনৰ শেষ ৰাতি আছিল ১৯৩৬ চনৰ ৭ অক্টোবৰ। ৰাতি ৩ টা পৰ্য্যন্ত সতীৰ্থ জৈনেন্দ্ৰ তেওঁৰ মৃত্যুশয্যাত বহি আছিল। পুৱতি বেলা প্ৰেমচন্দ সংজ্ঞাহীন হৈ পৰে আৰু ১৯৩৬ চনৰ ৮ অক্টোবৰত এই মহান মনীষাৰ মৃত্যু হয়। নীৰৱেই এই মহৎ বিপ্লৱীৰ জীৱনৰ সমাপ্তি ঘটিল। ৰবীন্দ্ৰনাথে আৰ্দ্ৰ কণ্ঠেৰে মন্তব্য কৰিলে— "এক মহান ৰত্ন আজি হেৰুৱালোঁ।"

প্ৰেমচন্দৰ কালোত্তীৰ্ণ প্ৰতিভাৰ মূল্যায়ন:

সাহিত্যত আদৰ্শৰ সকল প্ৰচাৰ সম্পৰ্কে প্ৰেমচন্দই মন্তব্য কৰিছিল– "আঙ্কল টম'চ কেবিন" দাসত্বৰ বিৰুদ্ধে এক প্ৰচাৰ,

কিন্তু সি কি ধৰণৰ প্ৰচাৰ! তাৰ প্ৰতিটো শব্দই গভীৰ অনুভূতি পূৰ্ণ। এই গ্ৰন্থক আপুনি কেৱল প্ৰচাৰ বুলি উৰাই দিব নোৱাৰে। বাৰ্ণাৰ্ড শ'ৰ নাটক, এইচ, জি, ৱেলছৰ উপন্যাস, গলছৱৰ্দীৰ নাটক আৰু উপন্যাস, ডিকেন্স, মেৰী কৰেলী, ৰো'মাৰো'লা, টলষ্টয়, ডষ্টয়েভস্কী, মেক্সিম গৰ্কী, আপটন চিনক্লিয়েৰ—এনেধৰণৰ অসংখ্য মহান লেখকৰ নাম ল'ব পাৰি যিসকলৰ লেখাত সাহিত্য আৰু প্ৰচাৰৰ মিলন ঘটিছে।"

প্ৰেমচন্দৰ লেখাৰ ধৰণ আছিল আশ্চৰ্য্যজনক। সহজ, সাধাৰণ ভাষাত মানুহৰ কথন ভঙ্গীৰেই তেওঁ গল্প ক'ব পাৰে। বাটে পথে, গাঁৱে-গাঁৱে প্ৰতিদিনে শুনা সাধাৰণ মানুহৰ ভাষাৰেই তেওঁ ৰচনা কৰিছে জীৱন্ত সাহিত্য। মানুহৰ সুখ-দুখৰ কাহিনীয়েই প্ৰেমচন্দৰ সম্বল। তেওঁৰ কথনভঙ্গী লৌকিক আৰু সাহিত্যিক সাজসজ্জা তথা অলংকাৰ অতি অনাড়ম্বৰ। সূত্ৰধাৰৰ দৰে তেওঁ ঠায়ে ঠায়ে নিজৰ কথাও কয়। অথচ চৰিত্ৰবোৰক তেওঁৰ আত্ম প্ৰকাশৰ দ্বাৰা কেতিয়াও ভাৰাক্ৰান্ত নকৰে।

তথাপি প্ৰেমচন্দৰ সাহিত্য আৰু সমাজ চিন্তা সমসাময়িক পৃথিৱীৰ চলমান ধাৰাৰ লগতো যুক্ত আছিল। তেওঁ নিজে অনুবাদ কৰা বাংলা, উৰ্দু আৰু বিদেশী গল্পৰ তালিকাখন চালেই সেই কথা ক'ব পাৰি। তেওঁৰ প্ৰায়বোৰ লেখাতেই এক বিশ্বজনীন ভাব প্ৰকাশ পাইছিল। আধুনিক যুগচেতনাৰ লগত তেওঁৰ লৌকিক ৰীতিৰ যি সু-সমন্বয় ঘটিছিল তাৰ উৎকৃষ্ট ফচল ৰাশিক টুৰ্গেনিভ, গৰ্কী, চেকভ আদিৰ ৰচনাৰ লগত তুলনা কৰা হয়। তেওঁৰ বিখ্যাত 'কফন' গল্প তাৰ উৎকৃষ্ট উদাহৰণ। এই গল্পক শৰৎচন্দ্ৰৰ "অভাগীৰ স্বৰ্গ" গল্পৰ লগতো বিচাৰ পাৰি। কিন্তু শৰৎচন্দ্ৰৰ য'ত প্ৰকাশ পাইছে নিম্নশ্ৰেণীৰ মানুহৰ মোহভঙ্গৰ করুণ আৰ্তি, প্ৰেমচন্দৰ তাত প্ৰকাশ পাইছে এক ভাবালুতাবৰ্জিত স্বাৰিকল্পনিৰ্মোহতা।

বিপুল প্ৰতিভাৰ অধিকাৰী প্ৰেমচন্দৰ চৰিত্ৰবোৰ প্ৰসাধনহীন,

অবিকল, অকৃত্রিম মানুহৰ জীৱন্ত প্ৰকাশ। অৱশ্যে এনে অনায়াস আৰু সাৱলীল ৰচনা শৈলীৰ স্বত্বেও তেওঁৰ গল্প উপন্যাসৰ অসামান্য নিৰ্মাণ কৌশলে প্ৰেমচন্দৰ ৰচনাৱলীত এক অসীম গভীৰতা প্ৰদান কৰিছে। তেওঁৰ গল্পৰ নাটকীয় পৰিণতিয়ে এক ভয়ঙ্কৰ বিস্ফোৰণৰ দৰে পাঠকৰ ওপৰত চূড়ান্ত আঘাতৰ প্ৰবল প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। সেয়ে হিন্দী সাহিত্যৰ জগতত প্ৰেমচন্দৰ আবিৰ্ভাৱ এক ৰকম অস্বাভাবিক ঘটনা। তেওঁৰ আবিৰ্ভাৱ হিন্দী সাহিত্যত মৰুভূমিত মৰুদ্যান সৃষ্টি হোৱা সদৃশ আছিল। ইংৰাজী সাহিত্যৰ ছেইক্স-পিয়েৰ আৰু বাংলা সাহিত্যৰ ৰবীন্দ্ৰনাথৰ দৰেই প্ৰেমচন্দৰ স্থানো হিন্দী সাহিত্যত অনন্য সাধাৰণ।

সাধাৰণ মানুহৰ জগত প্ৰেমচন্দৰ আত্মীয়তা আছিল গভীৰ আৰু আন্তৰিক। সেয়ে তেনে আত্মীয়তাই তেওঁৰ লেখাক দুৰ্ব্বল, ক্ষুদ্ৰ বা অশ্লীলতো কৰা নাছিলেই বৰং তেওঁৰ লেখাক অধিক মহীয়ান আৰু গৰীয়ান কৰিহে তুলিছিল। এনে কাৰণতেই প্ৰেমচন্দ আৰু তেওঁৰ ৰচনা সাধাৰণ মানুহৰ মাজত অতি জনপ্ৰিয় আছিল। ফলত তেওঁলোকে প্ৰেমচন্দক শ্ৰদ্ধা আৰু ভক্তি কৰিছিল আৰু সৰ্ব্বদাই তেওঁৰ লেখা পাঠ কৰিছিল। প্ৰেমচন্দৰ ৰচনা হৈ পৰিছিল জীৱন্ত ক্লাছিক। কাৰণ সাধাৰণ মানুহৰ মাজতেই জন্ম লৈ, ডাঙৰ দীঘল হৈ আৰু তেওঁলোকৰ মাজতেই থাকি প্ৰেমচন্দই সাধাৰণ মানুহৰ সমাজখনক গভীৰভাৱে ভাল পাইছিল আৰু সেই সমাজখনক সুন্দৰ, মানৱীক আৰু শান্তিময় কৰি তুলিবলৈ তেওঁ আজীৱন সংগ্ৰাম কৰিছিল। তাৰ বাবেই তেওঁ নিজ সৃষ্টি-স্বপ্ন আৰু জীৱন উচৰ্গা কৰিছিল।

প্ৰেমচন্দই চিত্ৰিত কৰি যোৱা ভাৰতৰ চিত্ৰখন অদ্যাপিও বিদ্যমান। "কফন" বা "পুষ কী ৰাত" গল্পত অত্যন্ত জীৱন্তভাৱে অঁকা দেশৰ সেই নিৰ্মম দাৰিদ্ৰ্যৰ ছবিখন আজিও বৰ্ত্তমান। "গোদান" আৰু "প্ৰেমাশ্ৰম" উপন্যাসৰ আৰু অজস্ৰ গল্পৰ সেই

জোটদাৰ, জমিদাৰ, মহাজন, পাটোৱাৰীৰ শোষণ আজিও চলমান। গাঁৱত ভূমিহীন হৈ নগৰলৈ গৈ শ্ৰম বিক্ৰী কৰা মজুৰ বা ভৃত্যৰ প্ৰেতাত্মা ঘূৰি ফুৰিছে প্ৰেমচন্দৰ "বলিদান" গল্পত। "বৰদান" গল্পৰ নায়ক আকৌ কু-সংস্কাৰ আৰু তন্ত্ৰ-মন্ত্ৰত বিশ্বাসী। "প্ৰতিজ্ঞা" উপন্যাসৰ যুৱতী বিধৱা লোকাচাৰৰ নিষ্ঠুৰ নিয়মৰ বলি হৈ গোটেই জীৱন বৈধব্যৰ বেদনাত ভোগে। "নিৰ্মলা" উপন্যাসত কমবয়সীয়া নাৰীৰ বৃদ্ধৰ লগত বিয়া হোৱাৰ ছবি বৰ্ণিত হৈছে। "সেৱাসদন"ৰ নায়িকা সুমনৰ দৰে হাজাৰ হাজাৰ নাৰী আজিও অভিশপ্ত হৈ বেশ্যালয়ৰ যাত্ৰী হ'ব লাগিছে। "ৰঙ্গভূমি" উপন্যাসৰ ভূমিচ্যুত সুৰদাসৰ দৰে আজিও হাজাৰ হাজাৰ মানুহ পুঁজিবাদী শিল্পায়নৰ সমস্যাৰ বিৰুদ্ধে সংগ্ৰাম কৰি আছে। ৰাজনৈতিক ক্ষমতাত বলীয়ান হৈ মানুহ লোভী, উচ্চাকাঙ্খী আৰু আত্মসৰ্ব্বস্ব হোৱাৰ চিত্ৰ "কায়াকল্প" উপন্যাসত বৰ্ণিত হৈছে। নাৰীৰ অলংকাৰ প্ৰিয়তাৰ সমস্যাৰ ভেটিত ৰচিত হৈছে প্ৰেমচন্দৰ "গবণ" উপন্যাস। ভাৰতীয়ৰ জীৱনৰ আজিও অবিচ্ছেদ্য অঙ্গস্বৰূপ ঘোচৰ সমস্যাক লৈ লেখা হৈছে তেওঁৰ "নমক কা ডাৰোগা।" সুৰা আৰু নাৰী ভোগৰ চিত্ৰ তুলি ধৰিছে তেওঁৰ "অসৰাৰ-এম-আবিদ" নামৰ উৰ্দু উপন্যাসখনত।

এনেধৰণৰ উদাহৰণ প্ৰেমচন্দৰ সাহিত্যজগতত অসংখ্য। কাৰণ তেওঁ সচেতন আৰু সজীৱভাবে সমাজ বাস্তৱতাৰ চিত্ৰ অঙ্কণ কৰিছে। সমকালীন সমাজ জীৱনৰ পৰিবৰ্ত্তন নোহোৱা পৰ্যন্ত এইবোৰৰ প্ৰাসঙ্গিকতা থাকি যাব। আনকি এই সমস্যাবোৰ সমাধান হ'লেও প্ৰেমচন্দৰ সৃষ্টি পুৰণি হৈ নেযায়। কাৰণ তেওঁ তেজ মাংসৰ জীৱন্ত মানুহৰ গভীৰত দৃষ্টিপাত কৰিছে, আৰু তেওঁলোকৰ মানৱীয় প্ৰবৃত্তিবোৰক চিত্ৰায়িত কৰিছে আৰু সঁচা জীৱনৰ পৰাই তেওঁ চৰিত্ৰাৱলী আহৰণ কৰিছে। এনে লেখক কেতিয়াও সময়চেৰা নহয়।

এজন চৰকাৰী কৰ্ম্মচাৰী হৈও প্ৰেমচন্দ্ৰ সাহসী স্বাধীনমনা আৰু বিপ্লৱী আছিল। সেয়ে বুঢ়িছৰ ফাঁচীশালত আত্মাহুতি দিয়া শ্বহীদ ক্ষুদিৰামৰ প্ৰতি সহানুভূতি দেখুৱাই তেওঁ দুঃসাহস দেখুৱাব পাৰিছিল। এনে বিপ্লৱী সহানুভূতি প্ৰেমচন্দই বিভিন্ন ৰচনাৰ জগতে তেওঁৰ "সোজ-এ-ওৱাতন" গল্পপুথিত প্ৰদৰ্শন কৰিছিল— যিখন বাজেয়াপ্ত কৰি পুৰি পেলোৱা হৈছিল। এনে দুঃসাহস, আত্মত্যাগ, শৌৰ্য বীৰ্য্যৰ ভেটিত প্ৰেমচন্দই বিচাৰিছিল উত্তাল গণচেতনাত উদ্বুদ্ধ হোৱা এক সৰ্ব্বব্যাপক মুক্তি আন্দোলন।

ৰাজনৈতিক আদৰ্শৰ ক্ষেত্ৰত প্ৰেমচন্দই সৰ্ব্বপ্ৰথমে গোখলেৰ প্ৰতি আকৰ্ষিত হৈছিল। পিচত কংগ্ৰেছৰ 'গৰমদল' লাল-বাল-পালৰ মাজত সম্ভৱ তেওঁ বিদ্ৰোহৰ বীজ বিচাৰি পাইছিল। ১৯০৮ চনৰ পৰৱৰ্ত্তীকালত তেওঁ সমাজ সংস্কাৰৰ প্ৰতি আকৃষ্ট হৈছিল। 'আৰ্য সমাজ' আৰু "ছোচিয়েল ৰিফৰ্ম লীগ"ও তেওঁক আকৰ্ষণ কৰে। "প্ৰেমা" নামৰ উপন্যাসত সেয়ে প্ৰেমচন্দই বিধবা বিবাহৰ সমস্যাক চিত্ৰিত কৰে। অহিন্দুসকলক হিন্দুকৰণৰ "শুদ্ধি আন্দোলন"ৰ বিৰোধিতা কৰি তেওঁ লেখিছিল— "কাহাতুৰিজ্জাল" অৰ্থাৎ "প্ৰকৃত আৰু সত্যাশ্ৰয়ী মানুহৰ দুৰ্ভিক্ষ" নামৰ প্ৰবন্ধ।

অৱশ্যে প্ৰেমচন্দই কাৰোৱেই ওচৰত নিজ স্বাধীন চিন্তাক বন্ধকত ৰখা নাছিল। প্ৰয়োজন হ'লে নিঃসঙ্গ যাত্ৰালৈকো তেওঁ কুণ্ঠাবোধ কৰা নাছিল। গান্ধীবাদৰ সম্পৰ্কেও তেওঁৰ নীতি তদ্ৰূপ আছিল। গান্ধীজীক তেওঁ গভীৰভাৱে ভাল পাইছিল আৰু গান্ধীবাদকো তেওঁ আগ্ৰহেৰে গ্ৰহণ কৰিছিল। গান্ধীজীৰ মূলনীতি "হৃদয় পৰিৱৰ্ত্তন"কো তেওঁ সমৰ্থন কৰিছিল। অৱশ্যে এইক্ষেত্ৰত সম্ভৱতঃ গান্ধীজীতকৈ টলষ্টয়ৰ ওপৰতহে তেওঁৰ অধিক অনুৰক্তি আছিল। টলষ্টয়ৰ গল্পবোৰ প্ৰেমচন্দই হিন্দীলৈ অনুবাদ কৰাৰ কাৰ্য্যাই তেওঁৰ ওপৰত টলষ্টয়ৰ গভীৰ প্ৰভাৱৰ স্বাক্ষৰ বহন কৰে। তথাপি তেওঁ গান্ধীৰ অন্ধভক্ত নাছিল। অন্ততঃ গান্ধীৰ

ৰামৰাজ্যক লৈ তেওঁ সন্তুষ্ট নাছিল। কাৰণ জনজাগৰণ আৰু সংগ্ৰামত তেওঁ দৃঢ়ভাৱে বিশ্বাস কৰিছিল। আনকি ১৯২১ চনত স্বাধীনতাৰ সম্পৰ্কে স্পষ্ট ধাৰণা নহওঁতেই প্ৰেমচন্দই স্পষ্ট ভাষাত লে'খছিল— "যেতিয়া দেশৰ সৰ্বময় কৰ্তৃত্ব জনগণৰ হাতলৈ আহিব তেতিয়া তাকেহে প্ৰকৃত স্বৰাজ বোলা হ'ব।" ১৯১৯ চনত তেওঁ এজন বন্ধুলৈ লিখিছিল— "মই এতিয়া বলচেভিক আদৰ্শত প্ৰায় বিশ্বাসী।"

পুঁজিবাদী—সামন্তবাদী সমস্ত শোষণ-অত্যাচাৰ বন্ধ কৰি শ্ৰমিক কৃষক-সাধাৰণ মানুহৰ মুক্তিৰ কচ বিপ্লৱক প্ৰেমচন্দই সাৰ্বিক অভিনন্দন জনাইছিল। সাধাৰণ মানুহৰ প্ৰতি তেওঁৰ স্থিৰ আৰু দৃঢ় বিশ্বাস স্বাধীনতাৰ উত্তাল তৰঙ্গৰ সময়ত ১৯৩১ চনৰ "আহুতি" গল্পত প্ৰকাশ কৰিছে—

"যদি দেশৰ স্বাধীনতাৰ পিচতো এই শিক্ষিত সম্প্ৰদায়ৰ অৰ্থৰ লোভ আৰু স্বাৰ্থপৰতা এতিয়াৰ দৰেই থাকে তেতিয়া হ'লে মই ক'বলৈ বাধ্য হ'ম যে তেনেকুৱা স্বাধীনতা যেন নাহে। বৃটিছ পুঁজিবাদী আৰু আমাৰ শিক্ষিত সমাজৰ স্বাৰ্থপৰতাই আমাক খাই মাৰিছে। আমি আজি যিবোৰ অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিদিনে যুঁজ কৰিছো সেইদিনাও কেৱল বিদেশী নহয় ভাৰতীয় শাসক বুলিয়েই সকলো মানি চলিব লাগিব নেকি?" এনেধৰণৰ ক্ৰোধ প্ৰেমচন্দৰ "পুৰণি দিন, নতুন দিন," "মহাজনী সভ্যতা" নামৰ প্ৰবন্ধ আৰু "মঙ্গল সূত্ৰ" নামৰ অসমাপ্ত উপন্যাসত প্ৰকাশ পাইছে। সেই উপন্যাসখনত তেওঁ কি দৰে চূড়ান্ত ভাৱে গান্ধীজীৰ লগত সম্পৰ্ক ছেদ কৰিছে তলৰ উক্তি'য়েই তাৰ জলন্ত নিদৰ্শন— "চিকাৰী পশুবিলাকৰ মাজত বাস কৰি বাচি থাকিবলৈ হ'লে অস্ত্ৰ হাতত ল'বই লাগিব। তাহাঁতৰ নখৰ আঁচোৰত মৃত্যু বৰণ কৰাটো কোনো দেৱদূত সুলভ আচৰণ নহয়, বৰং বুৰ্বকামীহে,"। আদৰ্শ চিন্তাৰ, এনে গতিশীলতা আৰু ভৱিষ্যতদৰ্শীতা ভাবীকালৰ বাবে প্ৰেমচন্দৰ অমূল্য অৱদান।

মুন্সী প্ৰেমচন্দৰ ইতিহাস চেতনা আছিল অতি প্ৰখৰ আৰু গভীৰ। তেওঁৰ মতে "ইতিহাসত নাম আৰু তাৰিখৰ বাদে কোনো সত্যতা নাই আৰু উপন্যাসত নাম আৰু তাৰিখৰ বাদে কোনো অসত্যতা নাই। সামন্ত তন্ত্ৰৰ অৱক্ষয় আৰু বাণিজ্যিক সভ্যতাৰ উন্মেষ কালৰ পটভূমিকাৰ মহান জীৱন নাটৰ গভীৰত দৃষ্টিপাত কৰা বালজাক, জোলা আৰু ডিকেন্স আদিৰ দৰে প্ৰেমচন্দইও ভাৰতৰ গ্ৰাম্যজীৱনৰ ওপৰত বৃটিছ ঔপনিবেশিকতাৰ প্ৰভাৱৰ ফলত সৃষ্ট মানুহৰ ট্ৰেজেডীৰ জীৱন্ত চিত্ৰ তেওঁ গল্প উপন্যাসত অঙ্কণ কৰি আন্তৰ্জাতিক খ্যাতি অৰ্জন কৰিছে। একালে ঔপনিবেশীক ভাৰতবৰ্ষৰ তৎকালীন সমাজৰ সম্পৰ্কে তেওঁৰ গভীৰ ঐতিহাসিক অন্তৰ্দৃষ্টি, আনকালে তেওঁৰ অনন্য সাহিত্যিক কল্পনাৰ মনিকাঞ্চন সংযোগৰ ফলত প্ৰেমচন্দৰ ৰচনাত কুশীলৱ হিচাপে ভাৰতীয় কৃষক সমাজৰ প্ৰৱেশ ঘটিল। ইতিহাস চেতনা আৰু সাহিত্য প্ৰতিভা- এই দুই বৈশিষ্ট্যৰ ফলত প্ৰেমচন্দৰ 'গোদান'' এ তাৰ অমৰ বিয়োগান্ত চৰিত্ৰ পৰিহাৰ কৰি ঔপনিবেশীক ভাৰতৰ কৃষক সকলৰ মূৰ্তপ্ৰতীক হৈ উঠিল। 'গোদান''ত প্ৰেমচন্দ গান্ধীবাদী দৰ্শনৰ সীমাবদ্ধতাৰ পৰা মুক্ত।

প্ৰেমচন্দৰ ছুটী গল্প আৰু উপন্যাসবোৰৰ কালজয়ী তাৎপৰ্য্যৰ কাৰণ এয়েই নহয় যে এইবোৰ ঔপনিবেশীক আৰু অৰ্দ্ধ সামন্ত তান্ত্ৰিক ভাৰতবৰ্ষৰ সমাজৰ দাপোন। সাহিত্য ৰসৰ লগত বাস্তৱৰ সমালোচনাৰ দৃষ্টি মিলি প্ৰেমচন্দৰ পৈনত ৰচনাৱলীয়ে এক যুগান্তকাৰী বৈশিষ্ট্য প্ৰদান কৰিছে। গল্প উপন্যাসক মাধ্যমৰূপে লৈ তেওঁ ঔপনিবেশীক আৰু আধা সামন্ততান্ত্ৰিক সমাজ ব্যৱস্থাৰ সমালোচক ৰূপ কেৱল ভাৰতীয় সাহিত্যৰেই নহয় আনকি তেওঁ ভাৰতৰ ইতিহাসবো যুগপুৰুষ ৰূপে চিহ্নিত হৈছে। এনেদৰেই প্ৰেমচন্দৰ কথা শিল্পই সমাজ বাস্তৱক আলোকিত কৰিছে, হৃদয়া- নুভূতিক জাগ্ৰত কৰিছে আৰু সংগ্ৰামী দেশপ্ৰেমীক তথা বিপ্লৱী

যোদ্ধাসকলক প্ৰেৰণাও যোগাইছে ।

ডঃ বিশ্বনাথ ত্ৰিপাঠীয়ে প্ৰেমচন্দৰ চৰিত্ৰবোৰৰ সম্পৰ্কত মন্তব্য কৰিছে, "প্ৰেমচন্দৰ বাহিৰে আন কোনো হিন্দী বা উৰ্দু লেখকে ইমান বাস্তৱ, জীৱন্ত আৰু স্মৰণীয় চৰিত্ৰ সৃষ্টি কৰিব পৰা নাই । তেওঁৰ দ্বাৰা সৃষ্ট জগতৰ বস্তুনিষ্ঠ চৰিত্ৰবোৰে খুব স্বাভাৱিক ভাৱে নিজ নিজ ভূমিকাত অৱতীৰ্ণ হৈ চৌপাশৰ বাস্তৱ জগতখনকেই জীৱন্ত কৰি তোলা যেন লাগে । প্ৰেমচন্দৰ নাৰী চাৰত্ৰবোৰ অতি উজ্জ্বল আৰু প্ৰাণৱন্ত । সমগ্ৰ হিন্দী সাহিত্যতেই— সি আদৰ্শবাদী বা বাস্তৱবাদী যিয়েই নহওক লাগে — ভাৰতীয় সমাজৰ শ্ৰেষ্ঠ নাৰী প্ৰতিনিধি হ'ল তেওঁৰ "সেবাসদন" উপন্যাসৰ নায়িকা সুমন । সুমনেই হিন্দী সাহিত্যৰ প্ৰথম নাৰীচৰিত্ৰ যি সমস্যাৰ মুখামুখী হৈছে আৰু শৃঙ্খলিত জীৱনৰ পৰা মুক্তি বিচাৰিছে । হিন্দী উপন্যাসৰ সমস্ত জগতত সুমনতকৈ অধিক আত্মসন্মানবোধ সম্পন্ন নাৰী চৰিত্ৰ বিচাৰি পোৱাটো দুষ্কৰ আৰু অসম্ভৱো । প্ৰেমচন্দৰ কৃতিত্ব এইখিনিতেই যে তেওঁ পাৰিপাৰ্শ্বিক প্ৰভাৱৰ মাজতেই চাৰত্ৰবোৰৰ বিকাশ ঘটায় । অন্তৰ আৰু বহিৰ্দ্বন্দ্বত ক্ষত-বিক্ষত তেওঁৰ চৰিত্ৰবোৰে নিজ নিজ বাহ্যিক আৰু আভ্যন্তৰীণ কাৰ্য্যকলাপৰ মাজেদি আপোন পৰিচয় গঢ়ি তোলে । নাৰীজাতিৰ প্ৰতি গভীৰ সহানুভূতি আৰু দাসত্ব মুক্তিৰ বাবে সংগ্ৰাম প্ৰেমচন্দৰ নাৰীচৰিত্ৰৰ একক বৈশিষ্ট্য । একমাত্ৰ তুলসী দাসেই নাৰীজাতিৰ দাসত্বৰ যন্ত্ৰণা অনুভৱ কৰিছিল আৰু একমাত্ৰ প্ৰেমচন্দৰ নায়িকাই দাসত্ব বন্ধনৰ বিৰুদ্ধে সংগ্ৰাম কৰিছে । সামাজিক আৰু ঐতিহাসিক যিবোৰ কাৰণক অন্যান্য নাৰীয়ে ভয় কৰে — "সেৱাসদন"ৰ সুমনে কিন্তু ভয় নকৰে ।"

সাহিত্যাদৰ্শৰ সম্পৰ্কত প্ৰেমচন্দই আদৰ্শবাদ আৰু বাস্তৱবাদৰ সমন্বয় সাধনৰ কথা কৈছে — "মই সেই উপন্যাসকেই উচ্চস্তৰৰ বুলি ভাবোঁ যাৰ মাজত Realism (বাস্তৱবাদ) আৰু Idealism (আদৰ্শবাদ) ৰ সমন্বয় ঘটিছে । ইয়াকে আপুনি Idealistic realism

(আদর্শবাদী-বাস্তৱবাদ) বুলিব পাৰে। Idea (ধ্যান-ধাৰণা) খিনিক সজীৱ কৰিবলৈ Realism ৰ আৱশ্যকতা আছে আৰু ভাল উপন্যাসৰ এইটোৱেই হ'ল এটা বিশেষত্ব।"

প্ৰেমচন্দ্ৰ সমসাময়িক ঘটনাৰ নীৰৱ দৰ্শক নাছিল। বৰং চৰকাৰী চাকৰি ত্যাগ কৰিও তেওঁ স্বাধীনতাৰ আন্দোলনত যোগ দিছিল। তেওঁৰ পত্নী শিৱৰাণীও কাৰাৰুদ্ধ হৈছিল। একপ্ৰকাৰে চাবলৈ গ'লে সমকালীন ৰাজনৈতিক আৰু অন্যান্য আন্দোলনৰ অৱলম্বনত প্ৰেমচন্দ্ৰৰ প্ৰায়বোৰ ৰচনাই আছিল আত্মজীৱনীমূলক। তেওঁৰ ৰচনাৱলীত দেশৰ নানা মৰ্মান্তিক ঘটনাত প্ৰচণ্ড ক্ৰোধ প্ৰকাশ আৰু বিদেশী শোষণ-শাসনৰ শৃংখলা ভাঙি পেলোৱাৰ সংগ্ৰামৰ প্ৰতি প্ৰগাঢ় সমৰ্থন স্পষ্টভাৱে প্ৰকাশ পাইছে। মানুহৰ লগত একাত্মতাই প্ৰেমচন্দ্ৰৰ সাহিত্যৰ সকলোতকৈ পৱিত্ৰ আবেদন।

কৃষকৰ মুক্তি সংগ্ৰামৰ প্ৰতি প্ৰেমচন্দ্ৰৰ সাহিত্য আছিল অতি প্ৰেৰণাদায়ক। "প্ৰেমাশ্ৰম" উপন্যাসত বাধ্যতামূলক শ্ৰমৰ বিৰোধিতা কৰি তৰুণ বলৰামে কৈছে— "তোমাৰ চালচলন দেখি এনে ভাব হয় যেন কৃষকসকল মানুহেই নহয়। যেন সিহঁতে কেৱল জমিদাৰৰ চাকৰ খাটিবলৈহে জন্ম লৈছে। কিন্তু আমি খবৰ কাগজত পঢ়িছোঁ যে ৰাচিয়াত হেনো এই কৃষকসকলেই শাসন চলাইছে। তেওঁলোক বোলে স্বেচ্ছাই চলে।"

অক্টোবৰ বিপ্লৱৰ সমাপ্তিৰ লগে লগেই প্ৰেমচন্দ্ৰই ভাৰতবাসীক সেই বিপ্লৱৰ তাৎপৰ্য্য জনাই দিবলৈ ধৰিলে। উপন্যাস, গল্প নাটকবোৰত তেওঁৰ শ্ৰেণীদ্বন্দ্বৰ বিষয়ে সচেতনতা ক্ৰমে বৃদ্ধি পাবলৈ ধৰিলে। শ্ৰেণী সংগঠনৰ স্বাৰ্থতেই তেওঁ সম্প্ৰদায়িকতাৰ তীব্ৰ বিৰোধিতা কৰি লেখিছিল—

"সংস্কৃতিৰ ছদ্মবেশতেই সাম্প্ৰদায়িকতাই দেখা দিয়ে—কেতিয়াবা ই আচল ৰূপটো নেদেখুৱায়। ...হিন্দুসকলে মহা প্ৰলয়ৰ দিন পৰ্য্যন্ত তেওঁলোকৰ সংস্কৃতি বজাই ৰাখিবলৈ বিচাৰে। মুছলমান

সকলেও তাকেই বিচাৰিব। কিন্তু তেওঁলোকে পাহৰি গৈছে যে হিন্দু সংস্কৃতি, মুছলমান সংস্কৃতি বুলি একেবাৰেই নাই। পৃথিবী এটা সংস্কৃতিৰেই অধীন, তাৰ নাম হ'ল অৰ্থনৈতিক সংস্কৃতি। ধৰ্মৰ লগত সংস্কৃতিৰ কোনো সম্পৰ্ক নাই। আৰ্য্য সংস্কৃতি, ইৰাণী সংস্কৃতি, আৰৱ সংস্কৃতি আদি থাকিব পাৰে। কিন্তু খৃষ্টান, হিন্দু বা মুছলীম সংস্কৃতি বুলি একেবাৰেই নাই।" প্ৰেমচন্দই সকলো সময়তেই পুৰোহিত শ্ৰেণীক আক্ৰমণ কৰিছিল আৰু সিহঁতৰ ভণ্ডামীও উদঙাই দিছিল। তেওঁ বিশ্বাস কৰিছিল যে পুৰোহিত শ্ৰেণী সামন্ত প্ৰভু, মহাজন আৰু শোষক শ্ৰেণীৰ প্ৰতিনিধি।

প্ৰেমচন্দই এই কথাও বিশ্বাস কৰিছিল যে শ্ৰেণীদ্বন্দ্ব আৰু তজ্জনিত অন্যায় আৰু কুফলবোৰ সমাজৰ এক মৌলিক বাস্তৱ সত্য। বৈজ্ঞানিক সমাজতন্ত্ৰৰ আদৰ্শত উদ্বুদ্ধ হৈ গান্ধীজীৰ অহিংসা নীতিৰো তেওঁ বিৰোধিতা কৰিছিল। প্ৰেমচন্দই নবাগত ছোভিয়েট সভ্যতাক সমস্ত তথাকথিত সভ্যতাৰ উৰ্দ্ধত স্থান দিছিল। কাৰণ এই শ্ৰেণীহীন সমাজতান্ত্ৰিক সমাজে যি নতুন সংস্কৃতিৰ জন্ম দিলে সি সমস্ত শোষণৰ পৰা মুক্ত, ন্যায়ৰ পক্ষাৱলম্বী আৰু মানৱতা তথা শান্তিৰ পূজাৰী। প্ৰেমচন্দৰ মতে "জনসাধাৰণ আৰু চৰকাৰ উভয়েই বিচাৰে যে লেখকসকল তেওঁলোকৰ ক্ৰীড়ণক হওক।" কিন্তু লেখক স্বাধীনমনা হ'ব লাগে আৰু হ'ব লাগে জনসমাজ মুখী।

প্ৰেমচন্দ আন্তৰ্জাতিক ঘটনাৱলীৰ প্ৰতি সম্পূৰ্ণ সচেতন আছিল। জাৰ্মান আৰু ইটালিৰ ফেচীবাদী বিপদৰ প্ৰতিও তেওঁ সচেতন আছিল। ১৯৩৩-৩৬ চনত লেখা তেওঁৰ "অন্ধ পুঁজিবাদী" আৰু "ৰাষ্ট্ৰীয়তা আৰু আন্তঃৰাষ্ট্ৰীয়তা" আদি প্ৰবন্ধই তাৰ প্ৰমাণ। প্ৰেমচন্দই পুঁজিবাদী ব্যৱস্থাক সমালোচনা কৰি সমাজতন্ত্ৰৰ পক্ষ লৈছিল। তেওঁ লেখিছিল—"ভাৰতবৰ্ষৰ দৰে দেশ য'ত অধিকাংশ মানুহেই দৰিদ্ৰ আৰু য'ত শিক্ষিত-অশিক্ষিত উভয়েই শোষণৰ ঘূৰ্ণী কান্ধত লৈ শ্ৰম কৰিব লাগে, তাত সমাজতন্ত্ৰৰ বাহিৰে অন্য কোনো বিকল্প নাই।"

পশ্চিমত হয়তো বুর্জোৱা শিল্পমাধ্যম ৰূপে উপন্যাসে আত্ম প্ৰকাশ কৰিছিল, কিন্তু হিন্দী ভাষাভাষী অঞ্চলত কৃষক জীৱনৰ মহাকাব্য ৰূপেই প্ৰেমচন্দৰ "প্ৰেমাশ্ৰম," "ৰঙ্গভূমি," "কৰ্ম্মভূমি" আৰু "গোদান" আদি উপন্যাসৰ যোগেদিয়েই প্ৰকাশ লাভ কৰিছে। হিন্দীত প্ৰেমচন্দৰ হাতত উপন্যাস সাম্ৰাজ্যবাদ-সামন্তবাদ বিৰোধী সংগ্ৰামৰ এক অমিত শক্তিৰ অস্ত্ৰ হৈ বাস্তববাদৰ নান্দনিক মতাদৰ্শ ৰূপে বিকশিত হয়। প্ৰেমচন্দৰ ৰচনাৰ বিষয় ক্ৰমে সমৃদ্ধ হৈ উঠে আৰু ৰচনা শৈলীৰ সূক্ষ্মতাও দ্ৰুত বৃদ্ধি পায়। যেহেতু সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰাম অদ্যাপিও শেষ হৈ যোৱা নাই, সেয়ে প্ৰগতিশীল সময়ৰ লগত খোজ মিলাই প্ৰেমচন্দৰ সমাজতান্ত্ৰিক বাস্তৱবাদী সাহিত্য ধাৰাক অধিক চৰ্চা-সমৃদ্ধ আৰু জনপ্ৰিয় কৰাৰ প্ৰয়োজন আছে। সেয়ে মহান প্ৰতিভা প্ৰেমচন্দৰ বিপ্লৱী প্ৰতিভা আৰু বিশাল কৰ্ম্মৰাজী সৰ্ব্বকালৰ বাবে অমৰ আৰু উপাদেয়। ●

সহায়ক সমলৰাজী :

১) প্ৰদীপ দাসগুপ্ত — প্ৰেমচন্দৰ শতবাৰ্ষিকী সংকলনৰ "সম্পাদকৰ কথা।"

২) প্ৰেমেন্দ্ৰ মিত্ৰ :— উক্ত সংকলনৰ ভূমিকা : "কথাশিল্পী প্ৰেমচন্দ ."

৩) বিনয় বন্দোপাধ্যায় :— উক্ত সংকলনত অন্তৰ্ভুক্ত— 'কলম কা সিপাহী।"

৪) অমৃত ৰায় :— 'The Contemporary Relevance of Premchand "

৫) ডঃ পি, চি, যোশী :— "Munshi Premchand and the Indian village."

৬) ডঃ বিশ্বনাথ ত্ৰিপাঠী :— "Women characters of Prem chand."

৭) ডঃ কামাল বাইচ :— "Relevance of Premchand's Heritage."

৮) অধ্যাপক নামওৱাৰ সিং :— "Novel and Realism — A note."

অসমীয়া সাহিত্যত প্ৰগতিশীল চিন্তা

অন্যান্য সকলো প্ৰমূল্যৰ দৰে সাহিত্যিক প্ৰমূল্যও আপেক্ষিক। অৰ্থাৎ কোনো প্ৰমূল্যই চিৰন্তন বা চূড়ান্ত নহয়। প্ৰায় সকলো বোৰ মূল্যবোধেই যুগসাপেক্ষ। সেয়ে এটা যুগৰ সাহিত্যিক চিন্তা প্ৰগতিশীল হ'লেও আন এটা যুগত সেই চিন্তা ৰক্ষণশীল বা প্ৰতিক্ৰিয়াশীলো হ'ব পাৰে। যথা, আদিম মৌখিক সাহিত্যৰ যি সহজ সৰল ৰূপ আৰু অজ্ঞ মানুহক প্ৰকৃতিৰ ৰহস্য ভেদ কৰিব নোৱাৰা যি যাদু বিদ্যা বিশ্বাসী সাধু গীত-মাত-নাচ সেইবোৰ পৰৱৰ্ত্তীকালত বহুতো ক্ষেত্ৰত সময়চেৰা আৰু পশ্চাৎপদী বুলি বিবেচিত হৈছে। তদনুৰূপ সামন্তবাদী সমাজৰ কুসংস্কাৰ, অন্ধবিশ্বাস আৰু যুক্তিহীন ৰাজপ্ৰশস্তিৰ সাহিত্যও আধুনিক বিজ্ঞান-যুক্তি-প্ৰযুক্তিবিদ্যাৰ নবালোকত প্ৰগতিবিৰোধী বুলি গণ্য কৰা হৈছে। আনকি পুঁজিবাদী সমাজৰ বিশুদ্ধ নন্দনতাত্ত্বিক, ব্যক্তিবাদী আৰু কেৱল মনোৰঞ্জনৰ সাহিত্যও আজিৰ গণতান্ত্ৰিক-সমাজবাদী যুগত সমাজ-বিচ্ছিন্ন বুলি সমালোচিত হৈছে। অতি সাম্প্ৰতিকে পুঁজিবাদী-সামন্তবাদী সমাজক কঠোৰভাবে আক্ৰমণ কৰা সমালোচনাত্মক সাহিত্যও সমাজ বিৱৰ্ত্তন আৰু শোষিত সমাজৰ উত্তৰণৰ পথৰ ইঙ্গিত বহন নকৰা বাবে সমাজতান্ত্ৰিক বাস্তৱবাদৰ সমুখত অতি সীমাবদ্ধ বুলি গণ্য কৰা হৈছে।

এতেকে ইতিহাসৰ প্ৰতি যুগতেই শিল্প-সাহিত্যৰ অগ্ৰগামী চিন্তাৰ উন্মেষ ঘটে আৰু প্ৰতিটো যুগতেই ৰক্ষণশীল চিন্তাই অগ্ৰগতিৰ গতিক স্তব্ধ কৰাৰ চক্ৰান্ত চলায়। এনেদৰেই আৰ্থ-সমাজ-ৰাজনীতিৰ দৰেই সাহিত্য-সংস্কৃতিৰ চিন্তাতো প্ৰগতি আৰু প্ৰতিক্ৰিয়াৰ নিৰন্তৰ সংগ্ৰাম চলি আহিছে। এই নিৰবিচ্ছিন্ন সংগ্ৰামত

প্ৰগতিশীল চিন্তা সামগ্ৰিকভাৱে প্ৰযোজ্য হ'লেও ইতিহাসৰ সুদীৰ্ঘ পৰিক্ৰমাত প্ৰগতিশীল চিন্তাৰ স্বীকৃতি আৰু সৃষ্টি'য় সমাজক আগুৱাই নিয়ে। সেয়ে নোহোৱা হ'লে সমাজ–সাহিত্য স্থবিৰ হৈ পৰিলেহেঁতেন আৰু সময়ৰ গতিশীলতা স্তব্ধ হৈ প'লহেঁতেন। গতিকে অন্যান্য প্ৰপঞ্চৰ দৰে সাহিত্যতো প্ৰগতিশীল চিন্তা অতি গুৰুত্বপূৰ্ণ। ই পদে পদে সংঘাত, আক্ৰমণ আৰু নিৰ্যাতনৰ সমুখীন হ'লেও অধিক উন্নত সভ্যতাৰ বাবেই অতি প্ৰয়োজন আৰু চিৰকালৰ বাবে প্ৰতিৰোধ কৰিব পৰা বিধৰ নহয়।

অসমীয়া সাহিত্যতো অন্ততঃ যোৱা ৫শ বছৰৰো অধিক কাল জুৰি বিভিন্ন চিন্তা চৰ্চাৰ সংঘাত,বিকাশ আৰু উন্মেষ ঘটি আহিছে। বোঁৱতী নদীৰ গতিশীলতাৰে অসমীয়া সাহিত্যতো অৰ্দ্ধসামন্তীয়, অৰ্দ্ধ জনজাতীয় আৰু অৰ্দ্ধ পুঁজিবাদী চিন্তাৰ যিদৰে প্ৰাদুৰ্ভাৱ ঘটিছে, সেইদৰে সামন্তবাদ বিৰোধী পুঁজিবাদ বিৰোধী, জনজাতীয় আৰু লোক সংস্কৃতিৰ উন্নত প্ৰমূল্য প্ৰয়াসী আৰু সমাজদায়বদ্ধ প্ৰগতিশীল সাহিত্য–চিন্তাও কম বেচি পৰিমাণে চলি আহিছে। অৱশ্যে চিন্তাৰ এনে গতিশীলতাত প্ৰাচীন ভাৰতীয় দৰ্শন আৰু পাশ্চাত্য সাহিত্য চিন্তাই ইংৰাজীৰ যোগেদি আনকি বঙালীৰ যোগেদিও অসমীয়ালৈ আমদানী হৈ আহিছে।

অসমীয়া সাহিত্যৰ প্ৰগতিশীল চিন্তাক, বহলভাৱে সীমাবদ্ধ প্ৰগতিশীলতা আৰু সমাজবাদী প্ৰগতিশীলতা—এই দুটা ভাগত পাব পাৰি। সীমাবদ্ধ প্ৰগতিশীলতাৰ আকৌ তিনিটা স্তৰ আছে। ১) প্ৰাক শ্ৰেণী বিভক্ত আৰু জনজাতীয় শতধা বিভক্ত সমাজক ঐক্য-বদ্ধ সামন্ত গাঁথনিৰে বন্ধাৰ উন্নত চিন্তা (২) সাম্ৰাজ্যবাদী বৃটিছৰ আগ্ৰাসনৰ পৰা অসমীয়া ভাষা-সাহিত্য জাতিৰ প্ৰতিষ্ঠাৰ চিন্তা (৩) ইংৰাজক খেদি স্বাধীনতা অনাৰ আৰু কৰকাল গণতান্ত্ৰিক চিন্তা। সমাজবাদী প্ৰগতিশীলতা হ'ল মাৰ্ক্সীয় দৰ্শন আৰু ৰুচ–চীন আদি সমাজতান্ত্ৰিক বিপ্লৱী বিশ্বৰীক্ষাৰে উদ্বুদ্ধ উন্নততৰ প্ৰগতিশীল চিন্তা।

সীমাবদ্ধ প্ৰগতিশীলতাৰ প্ৰথম চাৰণ চিন্তাবিদ হ'ল মহাপুৰুষ শঙ্কৰদেৱ। অসমীয়া সাহিত্য-সংগীত-অভিনয় আৰু সমাজ সংস্কাৰৰ দ্বাৰা অসমীয়া জাতি গঠনত তেওঁৰ অৱদান অনবদ্য। শঙ্কৰদেৱেই সৰ্বভাৰতীয় ঐতিহ্যক অসমলৈ আৰু আমাৰ মানসিকতাক সৰ্বভাৰতলৈ সম্প্ৰসাৰণ কৰা প্ৰধান ব্যক্তি। তেওঁৱেই উদাৰ গণতান্ত্ৰিক বুনিয়াদ অসমৰ জনজীৱনৰ মাজত গঢ় দি গ'ল। প্ৰাচীন প্ৰাক্ শ্ৰেণী বিভক্ত আৰু জনজাতীয় শংখা বিভক্ত সমাজৰ ব্যভিচাৰী তান্ত্ৰিকতাৰ বিপৰীতে একদেৱ, একসেৱ, একেশ্বৰবাদৰ যোগেদি শঙ্কৰদেৱে সামন্তপ্ৰভু, ৰজা মহাৰজা বা সম্ৰাটৰ আনুগত্য দেখুৱাই সমাজক সামন্তীয় ঢোলেৰে বন্ধাৰ আদৰ্শীকৃত পথ পৰিষ্কাৰ কৰি দিছিল। প্ৰাক্ সামন্তযুগৰ বিক্ষিপ্ত বা উশৃঙ্খল উৎপাদন ব্যৱস্থাক এক শৃঙ্খলাবদ্ধ পদ্ধতিলৈ অনা সামন্তবাদ আপেক্ষিকভাবে প্ৰগতিশীল। সমকালীন অসমৰ কোনো কেন্দ্ৰীয় শাসন নোহোৱা অৱস্থাত সামন্ত ভূঞা বংশৰ প্ৰতিভু শঙ্কৰদেৱে অসমত সামন্তীয় শাসন প্ৰৱৰ্তনৰ ভাবাদৰ্শগত প্ৰচাৰক ৰূপেই কাম কৰিছিল।

অৱশ্যে একালৰ সাম্যবাদী, বিপ্লৱী প্ৰতিভা, অসমীয়া ভাষা-সাহিত্য জাতিৰ জনক, দাৰ্শনিক আৰু সমন্বয়ৰ প্ৰতীক শঙ্কৰদেৱৰ যুগসাপেক্ষ সীমাবদ্ধতা নিশ্চয় লক্ষণীয়। তেওঁৰ আধ্যাত্মবাদী চিন্তা নিশ্চয় পশ্চাৎপদী। শঙ্কৰদেৱ বৰ্ণভেদৰ আদৰ্শৰ পৰা সম্পূৰ্ণ মুক্ত নাছিল। নাৰীৰ প্ৰতি তেওঁৰ অস্পৃশ্যভাবেই প্ৰকাশ পাইছিল। শঙ্কৰদেৱৰ উত্তৰাধিকাৰী সত্ৰাৰসীতো কোনো বৈজ্ঞানিক চিন্তাৰ প্ৰবেশ ঘটা সম্ভৱ হোৱা নাই। সেয়ে ডঃ হীৰেণ গোঁহায়ে "কীৰ্ত্তণৰ ৰস বিচাৰ" পুথিত লেখিছে—"আমাৰ যুগত মাৰ্ক্স-ফ্ৰয়েড-আইনষ্টাইনৰ প্ৰয়োজন শঙ্কৰদেৱতকৈ বেছি বুলিয়েই মোৰ ধাৰণা।" গতিকে অসমীয়া সাহিত্যৰ নতুন যুগৰ দ্ৰষ্টা আৰু স্ৰষ্টা তথা যুগজয়ী বিপ্লৱী প্ৰতিভা শংকৰদেৱক বাদ দি অসমীয়া সাহিত্য-সংস্কৃতি-জাতিৰ কথা ভাবিব পৰা নাযায় যদিও যোৱা দশ বছৰীয়া পৰিবৰ্তনৰ

পৰিপ্ৰেক্ষিতত আজি শংকৰদেৱৰ চিন্তাচৰ্চাৰ আদৰ্শ যুগৰ মানুহৰ খাপ নোখোৱা আৰু পশ্চাৎপদী ধ্যান-ধাৰণা ধৰকাটো নিৰ্মোহভাৱে স্বীকাৰ কৰিব লাগিব।

১৮২৬ চনৰ পৰৱৰ্তী বৃটিছ অধ্যুষিত কালছোৱাৰ পৰাধীনতাৰ অভিশাপৰ উপৰিও বিস্ময় ঘটনা হ'ল ইংৰাজে নিজ শাসনকাৰ্য্য চলোৱাৰ সুচলাৰ্থে অসমৰ শিক্ষানুষ্ঠান, অফিচ আদালত আদিত বঙালী ভাষা প্ৰচলন কৰাটো। সাম্ৰাজ্যবাদী আগ্ৰাসনৰ পৰা অসমীয়া ভাষাক পুনৰুদ্ধাৰ কৰাত "অৰুণোদয়" কাকত আৰু মাইলচ ব্ৰঞ্চ চাহাবৰ "অসমীয়া অভিধান" আদিয়ে নিশ্চয় কিছু পৰোক্ষ চিন্তাৰ খোৰাক যোগাইছিল। সাম্ৰাজ্যবাদী সম্প্ৰসাৰণ যুগৰ জাতীয় প্ৰতিষ্ঠাৰ উন্নত চিন্তাত অৰিহণা যোগোৱা বুদ্ধিজীবি সকল হ'ল— আনন্দৰাম ঢেকিয়াল ফুকন, দীননাথ বেজবৰুৱা, গুণাভিৰাম বৰুৱা, মানিক চন্দ্ৰ বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঁই বৰুৱা, ৰজনী কান্ত বৰদলৈ, হেমচন্দ্ৰ গোস্বামী, চন্দ্ৰকুমাৰ আগৰৱালা আদি।

আনন্দৰাম ঢেকিয়াল ফুকনে "অসমীয়া ল'ৰাৰ মিত্ৰ" আৰু অন্যান্য ইংৰাজীত লেখা পুস্তিকাৰ যোগেদি অসমীয়া ভাষাৰ স্বতন্ত্ৰতা প্ৰতিষ্ঠাৰ উন্নত আৰু সবল চিন্তাৰে সংগ্ৰাম কৰিছিল। অৱশ্যে উন্নত পুঁজিবাদী অসমৰ চিন্তা কৰা চৰকাৰী উচ্চবিষয়া ঢেকিয়াল ফুকন বৃটিছ ভক্ত আছিল। সেয়ে তেওঁৰ ৰাজনৈতিক প্ৰগতিশীলতা অতি সীমাবদ্ধ আছিল।

অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠা যুগৰ ওজাদ্বয় হ'ল হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱা। পাঠ্যপুথি, ব্যাকৰণ, "হেমকোষ" অভিধান, "বাহিৰে ৰংচং ভিতৰে কোৱাভাতুৰীয়া" আদি ব্যঙ্গ নাট লেখি আৰু বিধৱা বিবাহৰ সপক্ষে সংগ্ৰাম কৰি হেমচন্দ্ৰ বৰুৱাই যুগোপযোগী প্ৰগতিশীলতাৰ স্বাক্ষৰ বহন কৰি গৈছে। এই ক্ষেত্ৰত গুণাভিৰাম বৰুৱাৰ সংগ্ৰাম অতি সবল আছিল। তেওঁ নিজেই

বিধবা বিয়া কৰি আৰু নিজৰ বিদ্যাসাগৰৰ যেও এবি "ৰামনৱমী" নাট লেখি বিধবা বিবাহৰ আন্দোলনৰ গুণাভিৰামে অসমত নেতৃত্ব লৈছিল। তথাপি উচ্চ-চৰকাৰী বিষয়াৰূপে তেওঁলোকৰ সাম্ৰাজ্যবাদ বিৰোধী চিন্তা প্ৰকাশ নোহোৱা বাবে তেওঁলোকক সীমাবদ্ধ বুলিব পাৰি।

বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামী এই "জোনাকী"ৰ ত্ৰিমূৰ্ত্তিৰ অসমীয়া সাহিত্যলৈ যি নৱন্যাসিক অৱদান সি নিশ্চয় আগবঢ়া আছিল। বেজবৰুৱাৰ হাস্য-কৌতুক-ব্যঙ্গ-বিদ্ৰূপৰ মাজেদি ভাকুটকুটাই অসমীয়া সমাজৰ কপটতা, ভণ্ডামী আৰু কৃত্ৰিমতাক উদঙাই শুদ্ধ আৰু সবল কৰিবলৈ কৰা বেজবৰুৱাৰ সাহিত্যিক চিন্তা নিশ্চয় উন্নত আছিল। চন্দ্ৰকুমাৰৰ বৃহৎ মানৱতাবাদ আৰু হেমচন্দ্ৰ গোস্বামীৰ সবল আশাবাদো আদৰণীয়। পাঠ্যপুথি প্ৰণয়ণ আদি ভাষা সাহিত্য প্ৰতিষ্ঠাৰ কামৰ দ্বাৰা পদ্মনাথ গোহাঞিবৰুৱা আৰু পানীন্দ্ৰ নাথ গগৈ আদিয়েও ভালেখিনি উন্নত অৱদান আগবঢ়াইছিল, বুৰঞ্জীৰ অতীত গৌৰৱ উদ্ধাৰৰ প্ৰগতিশীল চিন্তা প্ৰকাশ পাইছিল ৰজনী কান্ত বৰদলৈৰ উপন্যাসবোৰত। তদনুৰূপ দণ্ডিনাথ কলিতা আৰু দৈবৰ চন্দ্ৰ তালুকদাৰৰ উপন্যাসতো সংস্কাৰবাদী চিন্তা প্ৰকাশ পাইছে। কিন্তু এই সকলৰ চিন্তাত সাম্ৰাজ্যবাদ বিৰোধী চিন্তা প্ৰকট নহ'ল বাবে এওঁলোকো হ'ল সীমাবদ্ধ।

১৯০৬ চনৰ বঙ্গভঙ্গ আন্দোলনৰ পিচত ভাৰত জুৰি দেখা দিয়া জাতীয়তাবাদী ভাবধাৰাৰ প্ৰভাৱত ১৯০৬-২০ চনৰ ভিতৰত অসমতো পোন প্ৰথম সাম্ৰাজ্যবাদ বিৰোধী প্ৰকাশ্য আহ্বানৰ জন্ম হৈছিল। কটন কলেজৰ তৎকালীন ছাত্ৰ অম্বিকাগিৰী ৰায়চৌধুৰী, প্ৰসন্নলাল চৌধুৰী আৰু বিনন্দ চন্দ্ৰ বৰুৱা আদিয়ে সেই জাতীয় জাগৰণৰ নেতৃত্ব লৈছিল। তেওঁলোকৰ অগ্ৰবৰ্ত্তী অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য্যৰ কাব্যতো তীব্ৰ দেশপ্ৰেম, প্ৰচণ্ড আত্মগ্লানি আৰু তীৰ্য্যক

আত্মবিশ্বাসজনিত সবল চিন্তা প্ৰকাশ পাইছিল।

অম্বিকাগিৰি আৰু প্ৰসন্নলাল অতি শক্তিশালী জাতীয় চিন্তাৰ ঋষি। তেওঁলোকৰ কবিতা প্ৰবন্ধ আৰু আলেখ্যৰ ছত্ৰে ছত্ৰে অগ্নিবৰ্ষী দেশপ্ৰেম আৰু গভীৰ জাতি প্ৰীতি প্ৰকাশ পাইছে। উগ্ৰ বিপ্লবী আৰু তাণ্ডৱী ভাবৰ প্ৰকাশেৰে তেওঁলোকে উগ্ৰজাতীয় চেতনা জগাবলৈ সংগ্ৰাম কৰিছিল। কবি বিনন্দ চন্দ্ৰ বৰুৱাই অতীত গৌৰৱোজ্জ্বল বুৰঞ্জী আৰু প্ৰসিদ্ধ ঘটনাৰ আলমেৰে উদাত্ত ভাষাৰে কাব্য ৰচনা কৰি স্বদেশপ্ৰেম জাগৃতিৰ সুন্দৰ কবিতা ৰচনা কৰি গৈছে। কমলাকান্ত অম্বিকাগিৰি, প্ৰসন্নলাল আৰু বিনন্দ বৰুৱাৰ লেখনিত প্ৰচণ্ড বিদ্ৰোহী ভাব প্ৰকাশ পালেও তেওঁলোকৰ উগ্ৰ চিন্তাই বহুল সমাজবাদী চিন্তাৰ পৰিবৰ্তে মাজে মাজে উগ্ৰ আৰু সংকীৰ্ণ জাতীয়তাবাদী উষ্ণ ভাবাবেগ সৃষ্টি কৰি বিভিন্ন জাতি-গোষ্ঠীৰ মাজত বিভ্ৰান্তি আৰু সংঘাতৰো সৃষ্টি কৰিছিল।

তাৰোপৰি ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, পাৰ্ব্বতী প্ৰসাদ বৰুৱা, আনন্দ চন্দ্ৰ বৰুৱা, অতুল চন্দ্ৰ হাজৰিকা, লক্ষ্মীধৰ শৰ্ম্মা, ত্ৰৈলোক্য গোস্বামী, লক্ষীধৰ ফুকন, সূৰ্য্যকুমাৰ ভূঞা, বেণুধৰ শৰ্ম্মা, পদ্মধৰ চলিহা, গণেশ গগৈ, দীন নাথ শৰ্ম্মা, হেম বৰুৱা আদিৰ কবিতা, গল্প, উপন্যাস, বুৰঞ্জী, গৱেষণা আৰু বিভিন্ন প্ৰবন্ধৰ যোগেদি তেওঁলোকৰ জাতিবাদী, দেশপ্ৰেম মূলক আৰু কিছু বিদ্ৰোহী চিন্তা ফুটি উঠে। অৱশ্যে এইসকল কবি শিল্পী কথা-শিল্পীৰ মধ্য শ্ৰেণী সুলভ সীমাবদ্ধতা অতি সুস্পষ্ট। অসমীয়া জাতীয়তা আৰু অসম প্ৰেমৰ সীমা চেৰাই এওঁলোকে সৰ্ব্বভাৰতীয় তথা বিশ্বমানবীয় উদাৰতা আৰু উন্নত চিন্তা চৰ্চ্চা বিশেষভাৱে প্ৰকাশ কৰিব নোৱাৰিলে। পুঁজিবাদী সামন্তবাদী শাসন-শোষণৰ শ্ৰেণী দৃষ্টিৰ বিৰোধীতাৰ এওঁলোকৰ বৌদ্ধিক চিন্তাত ফুটি উঠা নাছিল। কাৰণ বিশ্বজোৰা শোষণ মুক্তি আৰু বন্ধন ভঙাৰ যি সমাজবাদী বিপ্লবী আহ্বান সি তেওঁলোকৰ চিন্তা চেতনাক বিশেষ স্পৰ্শ কৰিব পৰা নাছিল। বৰঞ্চ গভীৰ

পন্থিকে, ব্যক্তিবাদী আৰু ছেগাচোৰোকা বিদ্ৰোহী চিন্তাতহে তেওঁলোক মুখ্যত মজি আছিল।

১৯১৭ চনৰ ৰুচবিপ্লৱৰ পৰৱৰ্ত্তী কালছোৱাত সেই একে বছৰতেই জন্ম লাভ কৰা জাতীয়তাবাদী অসম সাহিত্য সভাৰ প্ৰাদুৰ্ভাবেই অসমত প্ৰধান আছিল। তথাপি বিশ্বজোৰা সাম্যবাদী আন্দোলন, মাৰ্ক্সবাদী চিন্তাধাৰা, কেদাৰনাথ গোস্বামীৰ দ্বাৰা অনুবাদ কৰা 'কমিউনিষ্ট ইস্তাহাৰ'ৰ প্ৰভাব, কৃষক আন্দোলন, ভাৰতৰ স্বাধীনতা আন্দোলন, ইকবাল, প্ৰেমচন্দ, কৃষণ চন্দৰ, ৰবীন্দ্ৰনাথ, নজৰুল আৰু সুকান্ত আদিৰ বিপ্লৱী চিন্তাৰ প্ৰভাব অসমীয়া সাহিত্যতো পৰে। তাৰোপৰি ভাৰতৰ কমিউনিষ্ট পাৰ্টি, কৃষক সভা, ছাত্ৰ-ফেডাৰেছন, প্ৰগতিশীল লেখক সংঘ আৰু ভাৰতীয় গণনাট্য সংঘৰ প্ৰভাৱেও অসমীয়া সাহিত্যলৈ প্ৰগতিশীল চিন্তা কঢ়িয়াই আনে। ফলত লাঞ্ছিত বঞ্চিত-উপেক্ষিত মানুহৰ মুক্তিৰ চিন্তাই সাহিত্যত প্ৰাধান্য পালে। শ্ৰমিক-কৃষক আৰু মেহনতী মানুহৰ দুখ-বেদনা স্পষ্ট অসমীয়া সাহিত্যত দোলা দি গ'ল। এনেদৰেই সাম্প্ৰতিক কালৰ সবাতোকৈ প্ৰগতিশীল সমাজতান্ত্ৰিক চিন্তাধাৰাৰ সাহিত্যই অসমীয়া সাহিত্যত ঠাই ল'লে।

এই ধাৰাৰ ১৯২০-৪০ দশকৰ সবাতোকৈ উন্নত চিন্তাৰ অসাধাৰণ ভাবে প্ৰগতিশীল ব্যক্তি আছিল দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্ম্মা। প্ৰখ্যাত স্বাধীনতা সংগ্ৰামী, সংস্কাৰ পন্থী সামাজিক ভাবধাৰাত বিদ্ৰোহী— আন কথাত বিপ্লৱী বুদ্ধিজীৱি আছিল লক্ষ্মীধৰ। সাম্প্ৰদায়িক সম্প্ৰীতি, ধৰ্ম্ম নিৰপেক্ষতা, সামাজিক সমন্বয়ৰ প্ৰতিভূ স্বৰূপ আছিল তেওঁ। তাৰোপৰি বিধৱা বিবাহ আৰু নাৰী স্বাধীনতাৰ বলীষ্ঠ প্ৰবক্তা লক্ষ্মীধৰ কেৱল গান্ধীবাদী আদৰ্শতেই সীমাবদ্ধ নেথাকি সমাজতান্ত্ৰিক আদৰ্শৰো অনুবৰ্ত্তী আছিল। ১৯৩০-৪০ চনৰ ভিতৰৰ বিশ্বৰ সংকটজৰ্জৰ পৰিস্থিতিত আৰু অসম তথা ভাৰতৰ মুক্তি সংগ্ৰামৰ উত্তাল জোঁৱাৰৰ পদুলিত ধীৰেণ দত্তৰ কাব্য চিন্তা নামি

আছে অভিজাত-মধ্যবিত্তৰ বৰঘৰৰ পৰা শ্ৰমকাৰী মানুহৰ চোতাললৈ। শ্ৰমিক-কৃষক-কঁহাৰ, কুমাৰ, শূদ্ৰকৰ মুক্তি চেতনাৰে প্ৰোজ্জ্বল হ'ল তেওঁৰ গণকাব্য। স্বাধীনতা যুঁজাৰু ৰূপে গান্ধীবাদৰ কিছু প্ৰভাৱ পৰিলেও ধীৰেণ দত্তৰ কাব্য জিজ্ঞাসা সাম্যবাদী আকাংক্ষাৰে উদ্ভাসিত।

"জয়ন্তী" আৰু 'আবাহন' কাকতে ৰুচবিপ্লৱ আৰু লেনিনৰ সম্পৰ্কত বহুমূলীয়া প্ৰবন্ধ প্ৰকাশ কৰি প্ৰগতিশীল চিন্তাৰ প্ৰেৰণা যোগাইছিল। জ্যোতিপ্ৰসাদ ১৯৩০–৫০ দশকৰ অসমীয়া বৌদ্ধিক চিন্তাজগতৰ উজ্জ্বলতম স্বাক্ষৰ। স্বাধীনতা সনানী, সুস্থ জাতীয়তাবাদী উদাৰ ভাৰত প্ৰেমী, বিশাল বিশ্বৰ বৈতালিক, জনতাৰ প্ৰাণৰো প্ৰাণৰ, ৰূপান্তৰৰ পূজাৰী, সংস্কৃতিৰ সাধক আৰু দুষ্কৃতিৰ শত্ৰু জ্যোতিপ্ৰসাদৰ বিপ্লৱী চিন্তা ৰাজি অসমৰ জনগণৰ অমূল্য সম্পদ। শঙ্কৰদেৱৰ পিছতে সেয়ে গণশিল্পী জ্যোতিপ্ৰসাদ অসমৰ বিপ্লৱী চিন্তাৰ অন্যতম দিকদৰ্শক।

২য় বিশ্বযুদ্ধই আৰ্থিক ৰাজনৈতিক সামাজিক ক্ষেত্ৰৰ দৰে অসমৰ শিল্প সাহিত্য ক্ষেত্ৰতো প্ৰচণ্ড প্ৰভাৱ পেলালে। লগতে চীনৰ বিপ্লৱ, পূব ইউৰোপত সমাজতান্ত্ৰিক সমাজ প্ৰতিষ্ঠা আৰু ৩য় বিশ্বৰ জাতীয় মুক্তিৰ সংগ্ৰামে অসমীয়া সাহিত্যলৈও আনিলে বিদ্ৰোহী আৰু বিপ্লৱী চিন্তা। ফলত "কলাৰ বাবে কলাৰ" সূত্ৰৰ পৰিবৰ্তে সমালোচনাত্মক বাস্তৱবাদৰ যোগেদি অসমীয়া সাহিত্যলৈও আহিল সমাজতান্ত্ৰিক বাস্তৱবাদৰ সবল প্ৰভাৱ। গৰ্কী, লু-চুন, ব্ৰেখট, মায়াকভস্কী, স্পেণ্ডাৰ আদিয়েই হ'ল এই নব্য বিশ্ববীক্ষাৰ চালিকা শক্তিস্বৰূপ। অসমতো ধীৰেণ দত্ত, জ্যোতিপ্ৰসাদ, লক্ষ্মীধৰৰ পথেৰে আগুৱাই ডেকা কবি অমূল্য বৰুৱাৰ কাব্যত ঠাই পালে অভিনৱ আধুনিক বাস্তৱবাদী চিন্তাই। সমাজৰ সৰ্বহাৰাক নিঃস্ব, বেশ্যা, কুকুৰ, কয়লা, ল্যাম্পপোষ্ট আদিয়েও প্ৰতীকৰূপত জীৱন চিন্তাৰ মূৰ্ত প্ৰকাশ পালে অমূল্যৰ হাতত। লাঞ্ছিত সকলৰ প্ৰতি প্ৰগাঢ় শ্ৰদ্ধা, শিক্ষিত

ভণ্ড সমাজৰ প্ৰতি তীক্ষ্ণব্যঙ্গ, গণতান্ত্ৰিক প্ৰমূল্যৰ প্ৰতি গভীৰ আস্থা, অন্যায় অনীতিৰ প্ৰতি তীব্ৰ প্ৰতিবাদ আৰু "ভবিষ্যতৰ ৰঙা সূৰ্য্য"ৰ প্ৰতি ধাবমান অমূল্য বৰুৱাৰ কাব্য চিন্তাৰ বীৰ্য্য। অথচ একে সময়ৰে কবি হেমবৰুৱা, নবকান্ত বৰুৱা, বীৰেন্দ্ৰ ভট্টাচাৰ্য্য আৰু আব্দুল মালিক আদিয়ে অমূল্য বৰুৱাৰ আধৰুৱা বিপ্লবী কাব্য চেতনাৰ লগত সময়োচিত পূৰ্ণতা লাভ কৰিব পোৰাৰিলে।

চন্দ্ৰেশ্বৰ ভট্টাচাৰ্য্য, যতিনাৰায়ণ শৰ্ম্মা, দধী মহন্ত আৰু কেদাৰ নাথ গোস্বামী আদিৰ দ্বাৰা আৰম্ভ কৰা মাৰ্ক্সবাদী দিশৰ বস্তুবাদী চিন্তাৰ আধাৰ ভবানন্দ দত্তৰ হাতত্ হে বিশেষকৈ পদ্ধতিগত বিশ্লেষণ প্ৰকাশ পায়। পণ্ডিত শিক্ষাবিদ কবি দাৰ্শনিক আৰু ৰাজনীতিবিদ ভবানন্দ দত্তৰ প্ৰগতিশীল দৰ্শন আৰু সাহিত্য সমালোচনা অসমীয়া প্ৰগতিশীল চিন্তাৰ বাবে আদৰ্শ স্বৰূপ। দৰ্শন আৰু দৃষ্টিগত কিছু সীমাবদ্ধতা থাকিলেও পৰম্পৰাগত দাৰ্শনিক ঐতিহ্যৰ প্ৰত্যাহ্বান স্বৰূপে, সাম্ৰাজ্যবাদ বিৰোধী সাম্যবাদী চিন্তাবিদ হিচাপে আৰু কাব্য সমালোচনাৰ নতুন পথপ্ৰদৰ্শক ৰূপে ভবানন্দ দত্ত অনন্য। তেওঁ আনকি 'সদৌ অসম প্ৰগতিশীল শিল্পী-সাহিত্যিক সংঘ"ৰো সম্পাদকৰ দায়িত্ব লৈছিল।

কোনোদিনে গান্ধীৰ প্ৰভাৱত নপৰা আজীৱন বিপ্লবী বিষ্ণু প্ৰসাদ ৰাভা অসমৰ বিপ্লবী শিল্প চিন্তাৰ ত্ৰিমূৰ্ত্তিৰ অন্যতম। ৰাজনীতি আৰু সংস্কৃতিক সমগুৰুত্বৰে আত্মস্থ কৰা ৰাভা হ'ল এক ব্যতিক্ৰম প্ৰতিভা। সমকালীন ঐতিহাসিক সীমাবদ্ধতাত পৰি ভাববাদী সন্ত্ৰাসবাদী জাতীয়তাবাদী প্ৰৱণতাৰে সাময়িকভাৱে প্ৰভাবিত হ'লেও মাৰ্ক্সবাদী-লেনিনবাদী বিশ্বদৰ্শনেৰে সমাজতন্ত্ৰবাদী হৈ কেনেকৈ প্ৰতিভা আদৰ্শ-চিন্তা চৰ্চা চেতনা আৰু সংগ্ৰামেৰে প্ৰতিভাৰ বিকাশ ঘটাব লাগে বিষ্ণু ৰাভা হ'ল তাৰ উজ্জলতম পটন্তৰ। সমাজ বিপ্লব আৰু সাংস্কৃতিক বিপ্লৱৰ সমন্বয় ঘটাই জেল

নির্য্যাতন গোপনজীৱন আৰু যাযাবৰী সংগ্ৰামেৰে হাতত হৈঁওগান আৰু কণ্ঠত বিপ্লবীগান লৈ বিষ্ণু ৰাভাই অসাধ্য সাধন কৰিছিল। বিশেষকৈ অসমৰ দৰে বিভিন্ন জাতি জনজাতি গোষ্ঠীৰ মাজৰ বিভ্ৰান্তি আৰু সংঘাত দূৰ কৰি সম্প্ৰীতি ঐক্য ভাতৃত্ব আৰু সংহতিৰ সমন্বয় সাধনৰ প্ৰতিভূস্বৰূপ হ'ল বিষ্ণুপ্ৰসাদ ৰাভা। এসময়ৰ নিৰ্য্যাতিত আৰু কাৰাদণ্ডিত ৰাভা ৰজা আৰু প্ৰজা উভয়ৰেই পূজাৰ সমল। কাৰণ ৰাভাৰ অগ্ৰবৰ্ত্তী চিন্তাক অৱজ্ঞা কৰি ৰজা-প্ৰজা কোনেও উদগতিৰ পথ পাব নোৱাৰে। সেয়ে প্ৰজাই আজি আন্তৰিকতাৰেই ৰাভা পূজা কৰিছে আৰু ৰজাই কৃত্ৰিমতাৰ ৰাভা প্ৰীতিৰ ভাৱনাৰে সস্তীয়া জনপ্ৰিয়তা আৰ্জনৰ চেষ্টা কৰিছে।

পঞ্চাশৰ দশকত ভাৰতীয় গণনাট্য সংঘৰ প্ৰভাৱে অসমীয়া সাহিত্য সংস্কৃতিৰ চিন্তাত এক সবল প্ৰগতিশীল ভাবধাৰা জনপ্ৰিয় কৰি তুলিছিল। হেমাঙ্গ বিশ্বাস সেই গণতান্ত্ৰিক শিল্প চিন্তাৰ কৰ্ণ-ধাৰ স্বৰূপ আছিল। জ্যোতি প্ৰসাদ, বিষ্ণু প্ৰসাদ, কেশৱ মহন্ত, দীলিপ শৰ্মা, অমলেন্দু গুহ, ভূপেন হাজৰিকা আৰু চৈয়দ আব্দুল মালিক আদি শিল্পী সাহিত্যিকসকল সেই বহুল মঞ্চত সমবেত হৈছিল। লোক সংস্কৃতিৰ বৈপ্লৱীক সমল আৰু চীনা বিপ্লৱকে ধৰি বিশ্বৰ সমাজতান্ত্ৰিক বিপ্লৱৰ প্ৰতি সংহতি প্ৰকাশ আদিয়ে অধিক গুৰুত্ব পাইছিল। ঢোলৰ যাদুকৰ গণশিল্পী মঘাই ওজা এনে প্ৰগতি-শীল লোক সংস্কৃতিৰ চিন্তাৰেই উৎকৃষ্ট ফচল। এসময়ৰ বাওঁপন্থী চিন্তাৰ লগত জড়িত আব্দুল মালিকৰ চিন্তাত অৱশ্যে আজি যথেষ্ট বিভ্ৰান্তিৰ সৃষ্টি হৈছে। তদনুৰূপ পলৰবচনৰ অনুকৰণত বিপ্লৱী চিন্তাত গণসংগীত গোৱা ভূপেন হাজৰিকাৰ শিল্প চিন্তাও আজি মধ্যবিত্তীয় পনীয়া চেতনাৰে আড়ম্ভ।

লোক সংস্কৃতিৰ সোণসেৰীয়া উন্নত প্ৰমূল্যক চুঁচি-মাজি-বুটলি প্ৰগতিশীল শিল্পৰ মূল্যায়নেৰে গণসংস্কৃতিৰ ৰূপ দিয়াত হেমাঙ্গ বিশ্বাস অন্যতম বাটকটীয়া। বিশেষকৈ বিহু সংস্কৃতিৰ ওপৰত তেওঁৰ মৌলিক

গবেষণা অতি মূল্যবান। বিশ্বাসৰ "ফুল খুৰাৰ চোতাল" কৃষক বিপ্লৱৰ আখৰাৰ উদ্দীপনাময় কাব্য। গীতিকাৰ, প্ৰাবন্ধিক কেশৱ মহন্তৰ সৃষ্টি অতি আকৰ্ষণীয় আৰু প্ৰগতিশীল। তেওঁৰ কবিতা আৰু গীতত উন্নত বক্তব্য, গণজীৱনৰ লগত ওতঃপ্ৰোতঃ সম্পৰ্ক, উদাৰ বিশ্ববীক্ষাৰ সুন্দৰ আঙ্গিকৰ লগত সু-সমন্বয় ঘটিছে। মহন্তৰ প্ৰায়বোৰ গীত আৰু কবিতাৰ মাজত সাধাৰণ মানুহৰ প্ৰতি দৰদ আৰু বিবৰ্ত্তনকামী চিন্তা পৰিস্ফুত হৈ উঠিছে। ডঃ প্ৰফুল্লদত্ত গোস্বামী অন্যতম লোকগবেষক।

ডঃ অমলেন্দু গুহ ইতিহাসৰ বৈজ্ঞানিক বিশ্লেষণৰ অন্যতম প্ৰবৰ্ত্তক। বাওঁপন্থী ধাৰাত ইতিহাস বিশ্লেষণ তেওঁৰ প্ৰগতিশীল চিন্তাৰ নিদৰ্শন। ডঃ গুহ এজন প্ৰগতিশীল কবিও। তেওঁৰ কবিতা পুথি "তোমালৈ" এখন বিপ্লৱী চিন্তাধাৰাৰ আলেখ্য। অসমীয়া ক'বা সাহিত্যত প্ৰগতিশীল চিন্তাৰ অন্য দুজন প্ৰবক্তা হ'ল ৰাম গগৈ আৰু নলিনীধৰ ভট্টাচাৰ্য। ৰাম গগৈয়ে 'পথাৰ' আদি কবিতাৰে কাব্যত নতুন চিন্তাৰ উন্মেষ ঘটোৱাই ডেকাচামক উদ্বুদ্ধ কৰিব পাৰিছিল। পিচে পৰৱৰ্ত্তীকালত কবি গগৈ জাতীয়তাবাদী সাহিত্য সভাৰ বিষয়ববীয়া হৈ নিজৰ চেতনাৰ শিথিলতাও দেখুৱালে আৰু বহুতো প্ৰগতিশীল কবিক বিভ্ৰান্তও কৰিলে। নলিনীধৰ ভট্টাচাৰ্য্যৰ কাব্য চিন্তা অতি সংযত, ভাৱসাম্যপূৰ্ণ আৰু প্ৰেৰণাদায়ক। তেওঁৰ সাহিত্য-আলোচনা নবীন-প্ৰবীন সকলোৰে বাবেই শিক্ষণীয়। পদ্ম বৰকটকী, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, হোমেন বৰগোহাঞি, বীৰেশ্বৰ বৰুৱা, ভবেন্দ্ৰ নাথ শইকীয়া, মহিম বৰা, নীলমণি ফুকণ, নিৰ্ম্মল প্ৰভা বৰদলৈ, নীলিমা দত্ত, মামনি ৰয়ছম গোস্বামী, ভবেন বৰুৱা, হীৰেণ দত্ত, দীনেশ গোস্বামী, হৰি বৰকাকতী, লক্ষ্যধৰ চৌধুৰী, মহিম বৰা, যোগেশ দাস, চন্দ্ৰ প্ৰসাদ শইকীয়া, মেদিনী চৌধুৰী লক্ষ্মীনন্দন বৰা, সৌৰভ কুমাৰ চলিহা, নগেন শইকীয়া আদি নিঃসন্দেহে শক্তিশালী লেখক। কিন্তু তেওঁলোকৰ সাহিত্য চিন্তা ধাৰা-

বাহ্যিকভাবে সমাজ দায়বদ্ধ আৰু প্ৰগতিশীল নহয়। তেওঁলোকৰ সাহিত্য চিন্তাত মাজে মাজে শুভচিন্তা প্ৰকাশ পালেও এক আদৰ্শ-নিষ্ঠ প্ৰগতিশীলতাৰ পৰিবৰ্ত্তে সময় চাই সুবিধাজনক অৱস্থানৰ তেওঁলোক অনুবৰ্ত্তী।

প্ৰায় ১৯২০ চন মানৰে পৰাই সীমাবদ্ধভাবে নানা সংঘাতৰ মাজেদি চলি অহা অসমীয়া সাহিত্যৰ প্ৰগতিশীল ধাৰাৰ চিন্তাই ১৯৬০ চনৰ ভাষা আন্দোলন, ১৯৭২ চনৰ মাধ্যম আন্দোলন আৰু ১৯৭৮ চনৰ পৰৱৰ্ত্তী জাতিবাদী-সন্ত্ৰাসবাদী আন্দোলন আদি আৰু জৰুৰী অৱস্থাকে ধৰি বিভিন্ন ৰূপৰ চৰকাৰী আক্ৰমণত প্ৰচণ্ড ধাক্কা খাব লগাত পৰিছে। তাৰ মাজেদিও বিক্ষিপ্তভাবে বিশেষকৈ সংগঠিত বাওঁপন্থীসকলৰ উদ্যোগত ১৯৭০ৰ পৰৱৰ্ত্তীকালত অচিন্ত্য ভট্টাচাৰ্য, হীৰেণ গোহাঁই, অমলেন্দু গুহ, দেৱ প্ৰসাদ বৰুৱা, অনিল ৰায় চৌধুৰী, তাৰক গোস্বামী, মুকুট ভট্টাচাৰ্য, বিজন লাল চৌধুৰী আদিৰ উদ্যোগত ঐতিহাসিক "নতুন পৃথিৱী" নামৰ তত্ত্বানুসন্ধানী প্ৰগতিশীল আলোচনীৰ জন্ম হয়। এই আলোচনীয়ে ডেৰ দশকৰো অধিক কাল ধৰি অসমত বাওঁপন্থী চিন্তাধাৰাৰ বিকাশত সহায় কৰি আহিছে। এই নতুন পৃথিৱী পৰিষদৰ পৰাই ১৯৭৮ চনত জন্ম হ'ল প্ৰগতিশীল আদৰ্শৰ সাহিত্য সংগঠন "নতুন সাহিত্য পৰিষদ"। অসম আন্দোলনৰ শ্বাসৰুদ্ধ, সৰ্ব্বগ্ৰাসী উন্মাদ বিশৃংখলতাৰ মাজত গণতান্ত্ৰিক চিন্তা-চৰ্চ্চাৰ স্বাৰ্থত জন্ম লাভ কৰে গণ-সংস্কৃতি বিকাশ সমিতিয়ে। উক্ত সমিতিৰ মুখপত্ৰ ৰূপেই সৃষ্টি হয় অসমৰ একমাত্ৰ সমবায় ভিত্তিক কাকত "সাপ্তাহিক জনজীৱন"ৰ। লগতে অৱশ্যে অন্যান্য কাকত আলোচনীয়েও অসমীয়া সাহিত্যৰ প্ৰগতিশীল চিন্তাত কিছু বিক্ষিপ্ত অৰিহণা যোগাই আহিছে।

"নতুন পৃথিৱী"ৰ যোগেদি আৰম্ভ কৰা গণবাদী প্ৰগতিশীল সাহিত্য চিন্তাৰ ধাৰা এটা অসমীয়া সাহিত্যত চলি আহিছে। প্ৰবীন আৰু মধ্যচামৰ ভিতৰত বিভিন্ন প্ৰকাৰে

ড° প্ৰফুল্ল দত্ত গোস্বামী, ড° অমলেন্দু গুহ, অধ্যাপক নলিনীধৰ ভট্টাচাৰ্য্য, দিলীপ শৰ্মা, মুকুট ভট্টাচাৰ্য, ড° হীৰেণ গোহাঁই, অধ্যাপক শশী শৰ্মা, অচিন্ত্য ভট্টাচাৰ্য্য, উমা শৰ্মা, ড° চন্দ্ৰ শৰ্মা, বিজন লাল চৌধুৰী, শ্ৰী তোষেশ্বৰ চেতিয়া, মোহন কৃষ্ণ মিশ্ৰ, হীৰেণ ভট্টাচাৰ্য্য, কেশৱ মহন্ত, বাস্তুশ্বৰ মেধি, হীৰেণ গগৈ, শীলভদ্ৰ, ডঃ গোবিন্দ প্ৰসাদ শৰ্মা, ডঃ কবীন ফুকন, শ্ৰীমতী নিৰুপমা বৰগোহাঞি, ৰবীন্দ্ৰ চৰকাৰ, ৰমেশ কলিতা, ডঃ ৰঞ্জিৎ নাৰায়ণ দেৱ গোস্বামী, ৰাম গগৈ মেদিনী মোহন চৌধুৰী, হোমেন বৰগোহাঞি, উদয়াদিত্য ভৰালী, ধ্ৰুৱজ্যোতি বৰা, লক্ষ্মীনাথ তামুলী, কনকসেন ডেকা আব্দুল মান্নান, অৰুণ গোস্বামী, সদা শইকীয়া, যতীন্দ্ৰনাথ বৰগোহাঞি আদিয়ে অসমীয়া সাহিত্যত প্ৰগতিশীল চিন্তা-চৰ্চাৰ ক্ষেত্ৰত কম বেছি পৰিমাণে ইন্ধন যোগাইছে ॥

সাহিত্য-শিল্প চৰ্চাত তুলনমূলক নবীন চামৰ এক বৃহৎ সংখ্যকে প্ৰগতিশীল ধ্যান-ধাৰণাৰ আশ্ৰয় লোৱা দেখা গৈছে। অৱশ্যে আজিৰ বিশ্বৰ গতিশীল চেতনাৰ পটভূমিত অতি ৰক্ষণশীল সকলৰ বহুতেও ছেগাছোৰোগাকৈ কিছু কৰকাল চেতনাৰ লগত সম্পৰ্ক ৰক্ষা কৰিবলৈ চেষ্টা কৰা দেখা যায়। সেয়ে হলেও তেনে লেখকৰ এনে ভূমিকাক বহুসময়ত সুযোগ সন্ধানী বুলিয়েই আখ্যা দিব পাৰি। কাৰণ তেওঁলোকে বাহিৰত প্ৰগতিশীলৰ ভাবমূৰ্ত্তি এটা ৰক্ষা কৰিবলৈ চেষ্টা কৰিলেও ভিতৰি তেওঁলোকে প্ৰচাৰ, স্বীকৃতি, বঁটা, যশ-মানৰ খাতিৰত ৰজাঘৰীয়া শিল্প চিন্তাৰ লগতো আপোচ কৰিবলৈ সাজু। গতিকে বিভিন্ন প্ৰতিকূল পৰিবেশৰ মাজেদিও এক সুসংহত প্ৰগতিশীল চিন্তাৰে অসমীয়া সাহিত্য চৰ্চা কৰা তৰুণ চামৰ ভিতৰত বিপুল খাটনিয়াৰ, ইছমাইল হোছেইন সুভাষ সাহা, পৰমানন্দ মজুমদাৰ, সমীন্দ্ৰ হাজৰী, মথুৰামোহন ডেকা, জেহিৰুল হুছেইন, অজিত তালুকদাৰ, কৃষ্ণ বৰা, নৰেণ দাস, কমন্দ্ৰসিংহ মটক, উদয় কুমাৰ শৰ্মা, অৰ্চনা পূজাৰী, অশোক দাস,

ডাঃ গিৰীশ বৰুৱা, পঞ্চানন গোস্বামী, ডঃ কুমুদ কুমাৰ দত্ত, অমূল্য খাটনিয়াৰ, দীলিপ তালুকদাৰ, খবীৰ আহমেদ, শৰৎ চন্দ্ৰ নেওগ, প্ৰদীপ শৰ্মা, দেৱজিৎ তালুকদাৰ, অনিল বড়ো, সমীৰ তাঁতী, সনন্ত ত'াঁতী, ৰফিকুল হুছেইন, ড. প্ৰফুল্ল মহন্ত, প্ৰণৱজ্যোতি ডেকা, সুৰেন্দ্ৰ বৰুৱা, গিৰীণ গোপ আদিৰ নাম ল'ব পাৰি। অৱশেষ একে উদাহৰণে নামোল্লেখ কৰোঁতে অনিচ্ছাকৃতভাবে বাদ পৰি যোৱা সকলৰ চিন্তা যে সম্পূৰ্ণ শূণ্য প্ৰগতিশীলতা সেই কথা ঘোষণা কৰাৰ ধৃষ্টতা আমাৰ নাই।

তথাপি ভালেখিনি প্ৰগতিশীল চিন্তাৰ শিল্পী-সাহিত্যিকৰ সক্ৰিয় ভূমিকা স্বত্বেও অসমীয়া সাহিত্যৰ প্ৰগতিশীল চিন্তাধাৰাটো সবল বুলি ক'ব নোৱাৰি। এই কথা স্বীকাৰ কৰিবই লাগিব যে অসম সাহিত্য সভাৰ অনুসৰণকাৰী উগ্ৰজাতিবাদী, বহুক্ষেত্ৰত সংকীৰ্ণ ভেদবাদী আৰু সকলো শাসকৰ অনুগত, ৰাষ্ট্ৰৰ দ্বাৰা স্বীকৃত আৰু মুখ্যতঃ জাতীয় পুঁজিপতি আৰু অভিজাত মধ্যশ্ৰেণীৰ প্ৰতিভূ চিন্তাৰ সাহিত্য ধাৰাটোৱেই অদ্যাপিও অসমীয়া সাহিত্যত সবাতোকৈ শক্তিশালী। অসম সাহিত্য সভাৰ লগত জড়িত সকলো সাহিত্যিককেই প্ৰতিক্ৰিয়াশীল চিন্তাৰ ধাৰক-বাহক বুলি আমি অতি সৰলীকৃত মন্তব্য দিব খোজা নাই। তথাপি বৰ্তমানে এক প্ৰকাৰ অসমীয়াৰ সাহিত্য সভালৈ সীমিত হৈ পৰা আৰু তাৰ প্ৰতিক্ৰিয়াতেই বিভিন্ন প্ৰতিবেশীৰ জাতি-জনজাতি-গোষ্ঠী চিন্তাৰ সাহিত্য সভা গঢ়ি তোলাত আৰু ১৯৬০ পৰবৰ্ত্তীকালৰ এই সভাৰ ভূমিকালৈ লক্ষ্য কৰি অসম সাহিত্য সভাৰ চিন্তাদৰ্শক প্ৰকৃতাৰ্থত প্ৰগতিশীল বুলিব নোৱাৰি।

প্ৰগতিশীল চিন্তাৰ সাহিত্য-শিল্পই দেশী-বিদেশী চক্ৰান্ত, ৰাষ্ট্ৰযন্ত্ৰৰ ধামা চেঁপা আৰু বিভিন্ন প্ৰচাৰ মাধ্যমৰ অপপ্ৰচাৰৰ সন্মুখত সংগ্ৰাম কৰি প্ৰত্যাশিতভাবে সবল হ'ব পৰা নাই। সবহবোৰ মুখাকুটা প্ৰভাবশালী আৰু বহু প্ৰচাৰিত সাহিত্যিকেই প্ৰকাৰান্তৰে স্থবি-

ৰতাৰ গদ্দালিকা প্ৰবাহতেই উটি ভাঁহি আছে। সন্তীয়া জনপ্ৰিয়তাৰ মোহত তেওঁলোকৰ চিন্তা-চৰ্চা গতিহীন আৰু গতানুগতিক। ফলত এতিয়াও বহুলাংশেই পৰীক্ষা-নিৰীক্ষাৰ স্তৰতেই থকা আৰু বুৰ্জোৱা চিন্তাৰ তুলনাত এতিয়াও কৈশোৰ অৱস্থাতেই থকা প্ৰগতিশীল সাহিত্যই পৈনতা লাভ কৰিব পৰা নাই আৰু সেয়ে অসমৰ জনজীৱনত সিদ্ধান্তকাৰী প্ৰভাবো পেলাব পৰা নাই।

অসমীয়া প্ৰগতিশীল সাহিত্য চিন্তাই আশাতীত অগ্ৰগতি লাভ কৰিব নোৱাৰাৰ অন্যতম মুখ্য কাৰণ হ'ল গেঠেলামৰা অসমৰ সমাজ জীৱন্। বিশেষ কোনো আৰ্থ-ৰাজনৈতিক-সামাজিক আন্দোলন, সংঘাত আৰু পৰিবৰ্তন নোহোৱা শামুকীয়া গতিৰ লেহেম আৰু নিস্তৰঙ্গ অসমৰ সমাজ জীৱনৰ প্ৰতিফলন অসমীয়া সাহিত্য-সংস্কৃতিও তথৈবচ। বিপ্লৱী সাহিত্য চিন্তাই মতাদৰ্শৰ ক্ষেত্ৰত সমাজ পৰিবৰ্তনতো ভালেখিনি প্ৰভাব বিস্তাৰ কৰিলেও সমাজৰ উত্তাল-ধুমুহাৰ প্ৰচণ্ড কঁপনিয়েহে শিল্প-সাহিত্যৰ চিন্তাতো যুগজয়ী বিপ্লৱী ভাবাদৰ্শৰ প্ৰতিবিম্ব ঘটায়।

অসমৰ আজি ভেদ-বিভেদ-বিচ্ছিন্নতা আৰু সন্ত্ৰাসৰ যি ভয়াৰ্ত আৰু জঁয়াল পৰিবেশ তাৰ মাজত শান্তি-সম্প্ৰীতি-ভ্ৰাতৃত্ব, গণতন্ত্ৰ, মানবতাবাদ, ঐক্য-সংহতি আৰু ধৰ্ম্মনিৰপেক্ষতাৰ মহান আবেগ কেৱল প্ৰগতিশীল সাহিত্য চিন্তাৰ মাজতহে অন্তৰ্নিহিত হৈ আছে। জাতিবাদী, ব্যক্তিবাদী, আৰু কেৱল মনোৰঞ্জনৰ বাবে সৃষ্ট বিশুদ্ধ কলা-সাহিত্যৰ চিন্তাত অসমৰ সাম্প্ৰতিক সমাজ ব্যাধিৰ নিৰাময়ৰ ঔষধ নাই—আছে সংক্ৰমণৰ বীজানুহে। গতিকে সাম্প্ৰতিকে কিছু বিকাশ লাভ কৰা অসমীয়া সাহিত্যৰ প্ৰগতিশীল চিন্তা চৰ্চ্চাক সৰ্ব্বতোপ্ৰকাৰে আগুৱাই নিয়াৰ বাবে সকলো শুভ বুদ্ধিৰ মানুহে আহোপুৰুষাৰ্থ কৰিব লাগিব। ●